● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক
# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in

## দিগ্‌দৰ্শন



শক্তি জয়ৰ পৰা নাহে। সংগ্ৰামেহে আপোনাৰ শক্তি বৃদ্ধি কৰে। যেতিয়া আপুনি কঠিনতাৰে পাৰ কৰে অথচ আত্মসমৰ্পণ নকৰিবলৈ দৃঢ় হৈ থাকে— সেয়াই শক্তি।

আৰ্ণল্ড ছোৱেৰ্জনেগাৰ
*অভিনেতা-ৰাজনীতিক*

৭ বিধানসভাত জনপ্ৰতিনিধিৰ ভূমিকা
১৫ অল ইংলণ্ড বেডমিণ্টনৰ ফাইনেলত লক্ষ্য
৪ গণতন্ত্ৰৰ জয়-পৰাজয়

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৬০তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৫ চ'ত ১৪২৮ ভাস্কৰাব্দ ২০ মাৰ্চ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Sunday 20 March 2022 মূল্য ঃ ৯.০০ টকা

■ ৰাষ্ট্ৰসংঘৰ দ্বাৰা আয়োজিত সমীক্ষাত দেশৰ শোচনীয় ৰূপ ■ তালিকাত ২১ ধাপ ওপৰলৈ উঠিল চীন ■ ভাৰতৰ ওপৰত আছে পাকিস্তান-বাংলাদেশ-চীন-নেপালসহ প্ৰতিবেশী দেশ

# সুখী দেশৰ তালিকাৰ নিম্নস্থানত ভাৰত

আজি আন্তৰ্জাতিক সুখ দিৱসৰ পূৰ্বে প্ৰতিবেদন ■ অন্তিম স্থানত যুদ্ধবিধ্বস্ত আফগানিস্তান

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৯ মাৰ্চ ঃ** সুখৰ তালিকাতো তললৈ নামিল ভাৰতৰ স্থান। কাইলৈ আন্তৰ্জাতিক সুখ দিৱসৰ পূৰ্বে ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা সুখী দেশৰ তালিকাত একেবাৰে তলৰ ফালে স্থান লাভ কৰিলে ভাৰতে। এই প্ৰতিবেদনত তালিকাত ভাৰতৰ নাম আছে ১৩৪ নম্বৰত। ২০১৯ৰ পৰা ২০২১ৰ ভিতৰত সংগৃহীত তথ্যৰ ভিত্তিতে এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। বিগত বৰ্ষৰ প্ৰতিবেদনত ভাৰতৰ স্থান আছিল ১৪০ নম্বৰত। তাৰ পূৰ্বৱৰ্তী বৰ্ষত ভাৰতৰ স্থান আছিল ১৩৩ নম্বৰত। বিগত ১০ বছৰ ধৰি সুখী দেশৰ তালিকা ক্ৰম অনুযায়ী প্ৰকাশ কৰি ১০ পৃষ্ঠাত চাওক






*দৌলোৎসৱ উপলক্ষে বৰপেটা সত্ৰৰ গোসাঁই উলিওৱাৰ সময়ত ৰাইজৰ ভিৰ, শনিবাৰে।*

## প্ৰায় নিৰপেক্ষ

ধীমান সিন্‌হাৰ পষেকীয়া কলম

### ১) ৰাজ্যিক বাজেটৰ দুটামান কথা



বাজেট সম্পৰ্কে ইতিমধ্যে ছপা আৰু ইলেক্ট্ৰ'নিক মাধ্যমত যথেষ্ট বিশ্লেষণ হৈছে। আজি সেই বিষয়ে বিস্তৃত বিশ্লেষণৰ প্ৰয়োজন নাই। কিন্তু দুটামান কথা গুৰুত্বপূৰ্ণ বুলি ভাবি উল্লেখ কৰিব খুজিছো। কিছুদিন আগতে এই কলমতে একে ধৰণৰ প্ৰসংগত ৰাজ্যৰ বিত্তীয় পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা হৈছিল। কেৱল পাৰ্থক্যটো হ'ল আজিৰ প্ৰসংগ বাজেট উত্থাপনৰ পাছৰ ১০ পৃষ্ঠাত চাওক

■ ৰাজ্যসভালৈ পৱিত্ৰ মাৰ্ঘেৰিটা-ৰণগৌৰা নাৰ্জাৰী শাসক দলৰ, ৰিপুন বৰা বিৰোধীৰ প্ৰাৰ্থী ■ কংগ্ৰেছ-ইউডিএফৰ বৈঠকত তিনি তৰপীয়া হুইপ ■ উভয়পক্ষৰে নিশ্চিত বিজয়ৰ দাবী

## জয়ৰ সংখ্যা থকা সত্ত্বেও সন্দিহান কংগ্ৰেছ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ মাৰ্চ ঃ** অহা ৩১ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ দুখন আসনৰ বাবে শাসক-বিৰোধীয়ে প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ পাছত হৰা-জিকাৰ অংকক লৈ জল্পনা-কল্পনা তুংগত উঠিছে। ইতিমধ্যে বিজেপিয়ে প্ৰথম আসনখনৰ বাবে দলৰ মুখপাত্ৰ তথা জ্যোতি চিত্ৰবনৰ প্ৰাক্তন অধ্যক্ষ



পৱিত্ৰ মাৰ্ঘেৰিটাৰ নাম ঘোষণা কৰে। উল্লেখ্য যে মাৰ্ঘেৰিটাই ছাত্ৰ আৰু যুৱ কল্যাণৰ ৰাজ্যিক পৰ্যায়ৰ উপদেষ্টা কমিটীৰ সদস্য সচিবৰূপেও কাৰ্যনিৰ্বাহ কৰি আছে। আনহাতে, মিত্ৰজোঁটে দ্বিতীয়খন আসনত ইউপিপিএলৰ ৰণগৌৰা নাৰ্জাৰীক প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰে। ইউপিপিএলৰ কাৰ্যকৰী সভাপতি নাৰ্জাৰী ১০ পৃষ্ঠাত চাওক

কংগ্ৰেছ বিধায়কৰ ভোটক লৈ খেলিমেলিৰ ইংগিত প্ৰমোদ বড়োৰ

## মেজিক নম্বৰ নিশ্চিত হোৱাৰ পাছতে দলে প্ৰাৰ্থিত্ব দিছে ঃ দাবী ৰণগৌৰাৰ

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১৯ মাৰ্চ ঃ** বিজেপি-ইউপিপিএলৰ মিত্ৰজোঁটৰ ৰাজ্যসভাৰ প্ৰাৰ্থিত্ব লাভ কৰি আনন্দিত ৰণগৌৰা নাৰ্জাৰী। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিএডিৰ মুৰব্বী প্ৰমোদ বড়োক ধন্যবাদ জনাই ইউপিপিএলৰ কাৰ্যকৰী সভাপতি নাৰ্জাৰীয়ে কয় যে দীৰ্ঘদিনীয়া সংগ্ৰামৰ অন্তত তেওঁ ৰাজনৈতিক পথাৰলৈ আহিছিল। ৰাজ্যসভাৰ প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰা সিদ্ধান্তক ভাল লগাৰে কথা বুলি উল্লেখ কৰি তেওঁ মিত্ৰজোঁটৰ নেতৃত্বক ধন্যবাদ জনায়। উল্লেখ্য যে নাৰ্জাৰী বৰ্তমান অসম খনিজ সম্পদ উন্নয়ন নিগমৰ অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি তেওঁ কাজলগাঁও পৌৰসভাৰ সভাপতি। তেওঁ এবছুৰ প্ৰাক্তন সভাপতি তথা কাজলগাঁও পৰিষদীয় সমষ্টিৰ ১০ পৃষ্ঠাত চাওক

## ধৰ্ষণৰ বলি হৈ আত্মহত্যাৰ পথ বাচি লৈছিল যুৱ দম্পতীয়ে

ষড়যন্ত্ৰকাৰী আত্মীয়সহ তিনিজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**পলাশবাৰী, ১৯ মাৰ্চ ঃ** পলাশবাৰীৰ উপৰহালীত এক দম্পতীয়ে ঘৰৰ ভিতৰত একেডাল চৌকাঠত চিপ লৈ আত্মহত্যা কৰা ঘটনাই সম্প্ৰতি নতুন পাক লৈছে। এই সন্দৰ্ভত বহু গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিছে। আত্মহত্যা কৰা মহিলাগৰাকী দুই পৃষ্ঠাত চাওক

■ নগাঁৱৰ কামপুৰৰ তিনি যুৱকৰ গমন ■ কৰ্মসূত্ৰে বাহিৰত থাকি ঘৰলৈ উভতাৰ পাছৰে পৰা সন্ধানহীন ■ পৰিয়ালত লাগিছে হুৰাদুৰা

## সাতমাহত আলফা (স্বাধীন)ত যোগ দিলে দুই শতাধিক যুৱক-যুৱতীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**
**গুৱাহাটী/নগাঁও, ১৯ মাৰ্চ ঃ** আলফা (স্বাধীন)ৰে আলোচনাৰ বাবে চৰকাৰৰ প্ৰচেষ্টা তথা নিষিদ্ধ সংগঠনটোৰ দ্বাৰা ঘোষিত একপক্ষীয় যুদ্ধ বিৰতিৰ মাজতে শেহতীয়াভাৱে ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা একাংশ যুৱক নিষিদ্ধ সংগঠনটোলৈ যোৱা খবৰে বিশেষ তাৎপৰ্য বহন কৰিছে। এনে সময়তে নগাঁও জিলাৰ কামপুৰৰ তিনিজন যুৱক আলফা (স্বাঃ)লৈ যোৱাৰ এক খবৰে জিলাখনত জোঁকাৰণিৰ সৃষ্টি কৰিছে। ইয়াৰ সমান্তৰালকৈ তিনিওটা পৰিয়ালৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। এই তিনিওজন যুৱক কৰ্মসূত্ৰে ঘৰৰ পৰা বাহিৰত আছিল আৰু আঠ দিন পূৰ্বে ঘৰলৈ আহিছিল। ঘৰলৈ অহাৰ পাছতে যুৱক তিনিজন নিৰুদ্দেশ হৈ পৰে। পৰিয়ালৰ সূত্ৰই ১০ পৃষ্ঠাত চাওক

সংস্থাপনৰ অভাৱ, চুক্তি হ'লে পুনৰ সংস্থাপনৰ পেকেজৰ আশাত বন্দী

## মহানগৰীত আলফাৰ 'অ'ভাৰগ্ৰাউণ্ড' সদস্যক গ্ৰেপ্তাৰ

ব্যক্তিগত সুৰক্ষা কৰ্মীৰূপে কৰ্মৰত আছিল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ মাৰ্চ ঃ** এফালে আলোচনাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখি আনফালে গুৱাহাটীতে আলফা (স্বাধীন)ই ধন ১০ পৃষ্ঠাত চাওক

পাঁচ আক্ৰমণকাৰী মহিলাক গ্ৰেপ্তাৰ

## ভূমিকেন্দ্ৰিক সংঘৰ্ষত নিহত মহিলা, চাৰি শিশুসহ আহত ১০ নগাঁৱত



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৯ মাৰ্চ ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী ইটাপাৰা আৰক্ষী চকীৰ অন্তৰ্গত ছোট-ৰৌমাৰীত যোৱা নিশা আঠ বজাত এক ভূমিকেন্দ্ৰিক সংঘৰ্ষত এগৰাকী মহিলা নিহত হোৱাৰ উপৰি চাৰি শিশুসহ ১০জন লোক আহত হয়। এই ঘটনাই সমগ্ৰ ইটাপাৰা অঞ্চলত উত্তেজনাৰ সৃষ্টি কৰে। অঞ্চলটোত ১০ পৃষ্ঠাত চাওক

সামৰিক ঘাটিত আক্ৰমণত কমেও দুশ ইউক্ৰেইনীয় সেনা নিহত

## যুদ্ধত প্ৰথমবাৰলৈ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰ ব্যৱহাৰ কৰিলে ৰাছিয়াই

■ নিউজ ব্যুৰ'
**কিয়েভ, ১৯ মাৰ্চ ঃ** যুদ্ধৰ বিভীষিকাৰ যেন অন্ত নাই ইউক্ৰেইনত। ৰাছিয়াই প্ৰতিদিনে অধিক বিধ্বংসী ৰূপ ধাৰণ কৰি আক্ৰমণ অব্যাহত ৰাখিছে। শেহতীয়া তথ্য অনুসৰি, দক্ষিণ ইউক্ৰেইনৰ মহানগৰী মিকোলিয়েভৰ সামৰিক ১০ পৃষ্ঠাত চাওক

ৰাছিয়াক সহযোগ নকৰিবলৈ জিনপিঙক সকীয়নি বাইডেনৰ



## হোলীৰ আনন্দৰ মাজত কিশোৰসহ পাঁচজনৰ সলিল সমাধি

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**যোৰহাট/কমলপুৰ, ১৯ মাৰ্চ ঃ** হোলীৰ দুটা দিনৰ ৰঙীন আনন্দ ম্লান কৰি ৰাজ্যত দুটাকৈ পৃথক ঘটনাত সলিল সমাধি ঘটিল শিশুসহ পাঁচজনৰ। যোৰহাটত একেলগে এজন ১০ পৃষ্ঠাত চাওক

## লক্ষ্মীনাথ বেজবৰুৱাক লৈ অশালীন মন্তব্য কৰি হোজাইৰ দুই যুৱক জেললৈ

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ১৯ মাৰ্চ ঃ** ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিৰ সন্মুখত অশালীন মন্তব্য কৰাৰ অভিযোগত হোজাই জিলাৰ ডবকাৰ দুজন যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বেজবৰুৱাৰ প্ৰতি অশ্লীল মন্তব্যৰে অপমান কৰা ১০ পৃষ্ঠাত চাওক

■ ক্ষমতাৰে বলীয়ান ■ কনিষ্ঠবলক নিলম্বন-ভাৰপ্ৰাপ্ত বিষয়াক ৰিজাৰ্ভ ক্ল'জ মহানগৰীত

## পত্নী-সন্তানৰ সন্মুখতে মটৰ চাইকেল আৰোহীক গুৰুলা-গুৰুলকৈ প্ৰহাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ মাৰ্চ ঃ** আৰক্ষী হোৱাৰ নামতে সাধাৰণ ৰাইজৰ ওপৰত বৰমতা দেখুৱাই আহিছে একাংশই। কালি মহানগৰীৰ পল্টন বজাৰত আৰক্ষীৰ তেনে আচৰণৰে এটা পৰিয়াল বলি হোৱা ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পল্টন বজাৰৰ বিশাল পইণ্টত কৰ্তব্যৰত যানবাহন আৰক্ষীৰ এটা দলে অপ্ৰৰোচিতভাৱে কণমানি সন্তান আৰু পত্নীৰ সন্মুখতে মটৰ চাইকেলত বহি থকা অৱস্থাত এজন লোকক গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে। আৰক্ষীৰ এনে আচৰণ লোক চক্ষুৰ সন্মুখত স্পষ্ট হৈ পৰাত অসম আৰক্ষী অস্বস্তিত পৰিছে। সেয়েহে আৰক্ষীৰ ভুল হোৱা বুলি শীৰ্ষ বিষয়াই ঘটনাটো স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। তদুপৰি এই কাৰ্যত জড়িত থকাৰ অভিযোগত পল্টন বজাৰ আৰক্ষী থানাৰ যানবাহন শাখাৰ কনিষ্টবল ফখৰুদ্দিন আহমেদক তাৎক্ষণিকভাৱে ১০ পৃষ্ঠাত চাওক

## বঙাইগাঁৱত আৰক্ষীৰে হোৱা সংঘৰ্ষত গুলিবিদ্ধ ড্ৰাগছ ব্যৱসায়ী

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ১৯ মাৰ্চ ঃ** বঙাইগাঁও চহৰৰ নিকটৱৰ্তী মাজগাঁৱত যোৱা নিশা আৰক্ষীৰ গুলিত আহত হয় এজন ড্ৰাগ্‌ছ ব্যৱসায়ী। আৰক্ষীক আক্ৰমণ কৰি ধৃত ড্ৰাগ্‌ছ ব্যৱসায়ীজনে ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৬° | ২২° |
| ডিব্ৰুগড় | ৩৩° | ২১° |
| দিল্লী | ৩৬° | ২২° |
| কলকাতা | ৩৬° | ২৩° |
| মুম্বাই | ৩৩° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ৩৩° | ২১° |
| শ্বিলং | ২৭° | ১৩° |

*১৯ মাৰ্চ, ২০২২*

## চেঙা তেল



*আজি কি ৰং লগাব! ৰাজ্যসভাৰ নিৰ্বাচনৰ দিনা চাব, কি ৰং লগাই চেহেৰাকে সলনি কৰি দিও!*

জাতীয় ঐতিহ্যৰ সমন্বয়ৰে উজ্বলি উঠিল ৫৫০ বছৰীয়া বৰ্ণিল পৰম্পৰা ■ অভাৱনীয় ভিৰ

## হোলিৰ আনন্দত বুৰ গ'ল বটদ্ৰৱা-বৰপেটা সত্ৰ

**বিশেষ সংবাদদাতা**
**নগাঁও/বৰপেটা, ১৯ মাৰ্চ ঃ** গুৰুজনাৰ জন্মস্থান শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ সমান্তৰালকৈ আজি দৌল উৎসৱৰ আনন্দ আৰু ভক্তিৰসত বিলীন হৈ পৰিল বৰপেটা সত্ৰ। দুয়োখন সত্ৰতে আজি লোকে লোকাৰণ্য হৈ পৰে। আবাল-বৃদ্ধ-বনিতা নিৰ্বিশেষে সকলোৱেই দৌল উৎসৱৰ আনন্দত মতলীয়া হোৱাৰ লগতে সম্পূৰ্ণ ভক্তিভাৱেৰে পৰম্পৰা ৰক্ষাৰ বাবে উৎসৱৰ কাৰ্যসূচী ৰূপায়ণ কৰে। গোসাঁই ফুৰোৱা পৰম্পৰাৰ মাজেৰে আজি



দুয়োখন সত্ৰতে আৱেগ-আনন্দৰ মহামিলন ঘটে। বৰপেটাৰ চাৰিদিনীয়া ফাকুৱা উৎসৱৰ আজি সামৰণি পৰে যদিও বটদ্ৰৱাত ২১ মাৰ্চ পৰ্যন্ত দৌল উৎসৱ উদযাপন কৰা হ'ব।

উল্লেখ্য যে জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে ২১ বছৰ বয়সত বটদ্ৰৱাত পোন প্ৰথমবাৰৰ বাবে দৌল উৎসৱ পাতিছিল; সেই ঐতিহ্যক সাৱোগত কৰি মহা আড়ম্বৰপূৰ্ণভাৱে প্ৰতি বছৰে দৌল বা ফাকুৱা উৎসৱ ফাল্গু পূৰ্ণিমা তিথিত পালন কৰা হয়। দুই পৃষ্ঠাত চাওক



দেওবৰীয়া দৈনিক
অগ্রদূত
গুৱাহাটী, ২০ মার্চ, দেওবাৰ ২০২২ পৃষ্ঠা তিনি

## ডুবাপাৰাত যন্ত্ৰচালিত নাওসহ ১০ টাকৈ গৰু জব্দ

**দুই ব্যৱসায়ীসহ চাৰিজনক গ্ৰেপ্তাৰ**

অগ্রদূত বার্তা

**মাটিয়া, ১৯ মার্চ ঃ** গোৱাৰপাৰা জিলা পাহাৰসিংপাৰাৰ কৈমাৰী ঘাটৰ পৰা যোৱা নিশা প্ৰায় ১.৪০ বজাত আৰক্ষীয়ে যন্ত্ৰচালিত নাৰসহ ১০ টাকৈ গৰু জব্দ কৰে। এক বিশেষ সূত্ৰৰ পম খেদি ডুবাপাৰা *আঠ পৃষ্ঠাত চাওক*

## কলবাৰী-ভৱানীপুৰ-কুৰোবাহাত দৌলোৎসৱৰ সামৰণি

বিশেষ সংবাদদাতা

**পাঠশালা, ১৯ মার্চ ঃ** ভৱানীপুৰ সমষ্টিৰ ভিন্ন প্ৰান্তত উদ্‌যাপিত দৌলোৎসৱৰ আজি সামৰণি পৰে। উল্লেখ্য যে ভৱানীপুৰ সত্ৰত চাৰিদিনীয়াকৈ, কলবাৰীৰ শ্ৰীশ্ৰী ৰামচৰণ ঠাকুৰ আতাৰ সত্ৰ আৰু কুৰোবাহা সত্ৰত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপিত শ্ৰীকৃষ্ণৰ দৌলোৎসৱৰ আজি সামৰণি পৰে। আজি দিনৰ *আঠ পৃষ্ঠাত চাওক*

## ৰাজ্যসভাৰ দুয়োখন আসনত মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হ'ব

### মুছলপুৰত মন্ত্ৰী ইউ জি ব্ৰহ্ম



অগ্রদূত বার্তা

**মুছলপুৰ, ১৯ মার্চ ঃ** 'আগন্তুক ৰাজ্যসভাৰ নিৰ্বাচনত ৰাজ্য চৰকাৰৰ মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থী জয়ী হ'ব। এইটো এশ শতাংশই সত্য। ইয়াত চিন্তা কৰিবলগীয়া একো নাই। ইউপিপিএলৰ পৰা এজন প্ৰাৰ্থী থাকিব।' বাগ্‌সা জিলাৰ সদৰ মুছলপুৰৰ সমীপৰ্তী অমৰাৱতী দৌল উৎসৱত অংশ লৈ অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্মই কালি সাংবাদিকক এনেদৰে কয়। তেওঁ কয় যে চৰকাৰত এতিয়া বিজেপি, ইউপিপিএল আৰু বিপিএফৰ মিত্ৰতা থকা বাবে ৰাজ্যসভাৰ দুয়োখন আসনত সহজতে জয়ী হ'ব। তেওঁ কয় যে বিটিচি বা চিটি আৰ সন্দৰ্ভত যি চৰ্চা চলি আছে সেয়া ৰাজনৈতিক। বিটিচি সাংবিধানিক ব্যৱস্থা। ভূখণ্ডৰ নাম বিটিআৰ হ'লেও একো অসুবিধা নহয়। বিটি আৰ *আঠ পৃষ্ঠাত চাওক*

## কলিয়াবৰত হ'ব দ্বিতীয়খন চৰকাৰী স্নাতক মহাবিদ্যালয় ঃ মন্ত্ৰী মহন্ত

# শীঘ্ৰে ২২ হেজাৰ শিক্ষকক নিযুক্তি



*গোসাঁইগাঁৱত পৰিবহণ বিভাগৰ আতিশয্যত মৃত্যু হোৱা বুলি অভিযোগ উঠা ই-ৰিক্সা চালক গোপাল ৰয়ৰ মৃত্যুৰ ঘটনাৰ প্ৰতিবাদ দুলীয়াজানত, শনিবাৰে।*

অগ্রদূত বার্তা

**কলিয়াবৰ, ১৯ মার্চ ঃ** 'ৰাজ্যত শীঘ্ৰেই উচ্চতম মাধ্যমিক শাখাৰ ২২ হেজাৰ শিক্ষকক নিযুক্তি দিব ৰাজ্য চৰকাৰে। অহা ১০ মে'ৰ পৰা ১০ জুনৰ ভিতৰত নিযুক্তি পাব উচ্চতৰ মাধ্যমিক শাখাৰ ২২ হেজাৰ শিক্ষকে। ৭৫ বছৰৰ পুৰণি বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে দিব তিনি কোটি টকা।' কলিয়াবৰত উপস্থিত হৈ এই মন্তব্য প্ৰদান কেবিনেট মন্ত্ৰী কেশৱ মহন্তৰ। লক্ষ্যণীয় যে ৰাজ্যৰ লগতে কলিয়াবৰৰ কে'বাখনো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শাখাৰ শিক্ষকৰ *আঠ পৃষ্ঠাত চাওক*

## শুৱালকুছিত দৌল মহোৎসৱৰ সামৰণি



অগ্রদূত বার্তা


**শুৱালকুছি, ১৯ মার্চ ঃ** বস্ত্ৰ নগৰী শুৱালকুছিত ১৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত দৌল মহোৎসৱৰ আজি সামৰণি পৰে। আজি সামৰণিৰ দিনা শ্ৰীশ্ৰীহাতীসত্ৰত অনুষ্ঠিত হয় পুৰুষ আৰু মহিলাৰ আকৰ্ষণীয় বাঁহভঙা খেল প্ৰতিযোগিতা। মুঠ ছটা দলে অংশগ্ৰহণ কৰা পুৰুষ শাখাত প্ৰথম স্থান লাভ কৰে হাটীসত্ৰ যুৱ দলে আৰু যুটীয়া স্থান লাভ কৰে কলিতা মন্দিৰ যুৱ সমাজে। চাৰিটা দলে অংশ লোৱা মহিলা *আঠ পৃষ্ঠাত চাওক*

## বকোত পৃথক পৃথক দুৰ্ঘটনাত নিহত তিনি ঃ আহত ১০

অগ্রদূত বার্তা

**বকো, ১৯ মার্চ ঃ** হোলীৰ আনন্দ-উল্লাহৰ মাজতে আজি বকোত পৃথক পৃথক পথ দুৰ্ঘটনাত তিনিজন লোক নিহত হয়। আনহাতে আহত হয় পুৰুষ-মহিলাসহ ১০ গৰাকী। প্ৰথমটো পথ দুৰ্ঘটনা পুৱা বকোৰ আগছিয়া ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথত সংঘটিত হয়। প্ৰাতঃভ্ৰমণলৈ যোৱা লোক এজনক প্ৰচণ্ড জোৰে খুন্দা মাৰে এখন মেজিকে। ফলত থিতাতে নিহত হয় ছাদেক আলী (৪৮)নামৰ লোকজন। ছাদেকৰ ঘৰ বকোৰ আগছিয়াত। দুৰ্ঘটনা সংঘটিত কৰা বাহনখনৰ নম্বৰ এ এছ-১৮ এ চি ৩৫০০। মন কৰিবলগীয়া যে, মেঘালয়ৰ আপাৰ ৰংপুৰ পৰা গুৱাহাটীলৈ *আঠ পৃষ্ঠাত চাওক*

## হৰি নামৰ ধ্বনিৰে মুখৰিত জামুগুৰিহাটৰ পকামূৰা পথাৰ



অগ্রদূত বার্তা

**নদুৱাৰ, ১৯ মার্চ ঃ** হোলীৰ আনন্দ-উল্লাসত মতলীয়া নামঘৰ নগৰী খ্যাত জামুগুৰিহাটৰ ৰাইজো। ফল্গুৎসৱ উপলক্ষে ভক্তিৰসত বুৰ গৈছে জামুগুৰীয়া ৰাইজে । জামুগুৰীহাটৰ ঐতিহ্যমণ্ডিত পকামূৰা পথাৰত আজি বিয়লি চাৰি বজাত অঞ্চলটোৰ মাধৱ দেৱালয়, নন্দিকেশ্বৰৰ বুঢ়াগোহাঁই দেৱালয়, ডৌকা চাপৰি সত্ৰ আৰু কৰতিপাৰ সত্ৰৰ গোসাঁইক ৰাইজে হৰি নাম কীৰ্তনৰে ফুৰাবলৈ আনি পুনৰ নিজৰ নিজৰ দেৱালয় , সত্ৰলৈ লৈ যায়। খোল, তাল, ডবা, কাঁহ শংখ ধ্বনিৰ মাজৰে এইদৰে ফল্গুৎসৱত আনন্দ উল্লাসৰ মাজতেই আধ্যাত্মিকতাৰ পৰিৱেশত একাকাৰ হৈ যায় জামুগুৰীয়া ৰাইজ।

## সুৱণখাটাত হৰিণা হত্যা

অগ্রদূত বার্তা

**মুছলপুৰ/বাগানপাৰা, ১৯ মার্চ ঃ** হৰিণাৰ মাংসই বৈৰী। পুনৰ জীৱ শ্ৰেষ্ঠৰ নৃশংসতাৰ বলি হ'ল এটা হৰিণা। জীৱশ্ৰেষ্ঠৰ আক্ৰমণত মৃত্যুক আঁকোৱালি ল'লে এটা হৰিণাই। ঘটনাটো সংঘটিত হৈছে বাগ্‌সা জিলাৰ সুৱণখাটাত। আজি পুৱাৰ ভাগত সুৱণখাটা সংৰক্ষিত বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই আহিছিল এটা হৰিণা। কেইজনমান লোকে হৰিণাটো মাৰিবলৈ খেদি যোৱাৰ খবৰ লাভ কৰি বাতাবাৰী আঞ্চলিক বন কাৰ্যালয়ৰ পৰা বন বিভাগৰ এটা দল উপস্থিত হৈ হৰিণাটো উদ্ধাৰৰ চেষ্টা চলায়। কিন্তু সুৱণখাটাৰ মুণ্ডা বস্তিত কেইজনমান *আঠ পৃষ্ঠাত চাওক*

## নিমিষতে ভস্মীভূত হ'ল সম্পূৰ্ণ বাছ

## সোণতলী বাছ আস্থানত ৰখাই থোৱা বাছত অগ্নিকাণ্ড

অগ্রদূত বার্তা

**সোণতলী, ১৯ মার্চ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত সোণতলী বজাৰৰ বাছ আস্থানত ৰখাই থোৱা এখন যাত্ৰীবাহী বাছত সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। ৰখাই থোৱা এখন যাত্ৰীবাহী বাছত নিশা প্ৰায় ১১ বজাত দাও দাওকৈ জ্বলি উঠে। লগে লগেই সোণতলী বজাৰখনত সৃষ্টি হয় হুৱাদুৱা পৰিস্থিতিৰ। স্থানীয় ৰাইজৰ আপ্ৰাণ প্ৰচেষ্টাত বালি আৰু পানীৰ সহযোগত জুই নুমাবলৈ সক্ষম হয় যদিও নিমিষতে বাছখন জ্বলি শেষ হৈ যায়। ঘটনাস্থলীত সোণতলী আৰক্ষী উপস্থিত *আঠ পৃষ্ঠাত চাওক*

**কণ্ঠ শিল্পীৰ সংগীতানুষ্ঠানত নচাত বাধা দিয়াৰ বাবে উদণ্ড যুৱকে ভাঙি চুৰমাৰ কৰিলে শ শ চকী, পেণ্ডেলৰো ক্ষতিসাধন**

## তামুলপুৰত দৌল মহোৎসৱৰ সোণালী জয়ন্তীত কুৰুক্ষেত্ৰ



অগ্রদূত বার্তা

**তামুলপুৰ, ১৯ মার্চ ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত জোকমাৰী নিজ- ডেফেলী মিলন দৌল মন্দিৰ প্ৰাংগণত চলি থকা সোণালী জয়ন্তী দৌল মহোৎসৱৰ যোৱা নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত সংঘটিত হয় এক অপ্ৰীতিকৰ ঘটনা। প্ৰাপ্ত তথ্য মতে, নিশা সাংস্কৃতিক সন্ধিয়াত *আঠ পৃষ্ঠাত চাওক*

## ৰহাত মাৰণাস্ত্ৰসহ কুখ্যাত অপৰাধীক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১৯ মার্চ ঃ** নগাঁও জিলাৰ ৰহা আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি কালি নগাঁও-কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী ৰহা আৰক্ষী থানাৰ অন্তৰ্গত গছপাৰা গাৰো গাঁৱৰ পৰা এজন কুখ্যাত অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা অপৰাধীজন জেকী বাৰ্থ কে চাংমা (৩৮)। আৰক্ষীয়ে তেওঁৰ জিম্মাৰ পৰা দুটা হস্তনিৰ্মিত পিষ্টল, চাৰিখন ডেগাৰ, দুখন খুকুৰি, আঠজাঁই সজীৱ গুলি, তিনিটা ম'বাইল ফোন আৰু কেতবোৰ আপত্তিজনক সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। নগাঁৱৰ আৰক্ষী *আঠ পৃষ্ঠাত চাওক*

## তেজপুৰৰ ন-পামৰ পৰা চুৰি ডাম্পাৰ গহপুৰত উদ্ধাৰ

অগ্রদূত বার্তা

**গহপুৰ, ১৯ মার্চ ঃ** শোণিতপুৰ জিলাৰ তেজপুৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত ন-পামৰ পৰা চুৰি হোৱা আৰ জে-০৭ জি ডি-৪০১০ আজি পুৱা গহপুৰ মহকুমাৰ অন্তৰ্গত টকৌবাৰীত হেলেম আৰক্ষী থানাৰ এটা অভিযানকাৰী দলে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, চাৰিলেনযুক্ত পথ নিৰ্মাণৰ দায়িত্বত নিয়োজিত ৰাজস্থানৰ বিকানীৰ লেখৰাম বান্নাৰ মালিকনাধীন কে আৰ চি নামৰ পথ নিৰ্মাণকাৰী সংস্থাটোৰে তেজপুৰৰ *আঠ পৃষ্ঠাত চাওক*

## সৰলপাৰাত অখিল ভাৰতীয় মহাযান বৌদ্ধ মহানীপা সংঘৰ প্ৰাৰ্থনা সভাৰ সামৰণি



অগ্রদূত বার্তা

**কোকৰাঝাৰ, ১৯ মার্চ ঃ** কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত সৰলপাৰাত ১৬ মাৰ্চৰ পৰা ১৯ মাৰ্চলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে বিশ্ব শান্তি আৰু মানৱ সমাজৰ কল্যাণ, বৌদ্ধ ধৰ্মৰ প্ৰৱৰ্তক ভগৱান বুদ্ধ ধৰ্মীয় দৰ্শন, আধ্যাত্মিক নীতি-শিক্ষা প্ৰসাৰৰ উদ্দেশ্যৰে আয়োজিত অখিল ভাৰতীয় মহাযান বৌদ্ধ মহানীপা সংঘৰ ২৯ সংখ্যক বাৰ্ষিক *আঠ পৃষ্ঠাত চাওক*

## কলংপৰীয়া বাৰগঞা সমাজৰ দৌলোৎসৱৰ সামৰণি



অগ্রদূত বার্তা

**পুৰণিগুদাম, ১৯ মার্চ ঃ** নগাঁও জিলাৰ উৰিয়াগাঁৱৰ কলংপৰীয়া বাৰগঞা সমাজ আৰু বাৰগঞা মহিলা সমিতিৰ যৌথ উদ্যোগত যোৱা ১৭ মাৰ্চৰ পৰা বাৰগঞা হেজাৰি ভাওনা মন্দিৰত অনুষ্ঠিত শ্ৰীকৃষ্ণৰ ৩১ সংখ্যক দৌল মহোৎসৱৰ আজি সামৰণি পৰে। অক্ষয় বন্তি প্ৰজ্বলিত সাৰ্বজনীন এই হেজাৰি ভাওনা মন্দিৰত অনুষ্ঠিত দৌল মহোৎসৱৰ কাৰ্যসূচী অনুসৰি ১৭ মাৰ্চত পুৱা পতাকা উত্তোলন কৰে বাৰগঞা সমাজৰ সভাপতি তথা শ্ৰীশ্ৰীডোখোৰামুখ সত্ৰৰ সত্ৰাধিকাৰ নবীন চন্দ্ৰ দেৱ *আঠ পৃষ্ঠাত চাওক*

## জনজাতিকৰণৰ বাবে মন্দিৰে মন্দিৰে কোচ ৰাজবংশী জাতীয় পৰিষদৰ প্ৰাৰ্থনা

অগ্রদূত বার্তা

**বঙাইগাঁও, ১৯ মার্চ ঃ** অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীক ধৰি অসমৰ আন পাঁচ জনগোষ্ঠীক জনজাতিকৰণৰ বিষয়টোক বিজেপি নেতৃত্বাধীন অসম চৰকাৰে সমাধান কৰিম বুলি প্ৰতিশ্ৰুতি দি এতিয়া অতি নিকৃষ্ট ৰাজনীতিৰে জনগোষ্ঠী কেইটাক চৰমভাৱে কুঠাৰাঘাত কৰিলে সেই কথা পুনৰ প্ৰমাণিত হ'ল চলিত অসম বিধানসভাৰ মজিয়াত জনজাতি পৰিক্ৰমা মন্ত্ৰী ড° ৰণোজ পেগুৰ লিখিত উত্তৰত। অসম চৰকাৰৰ এই নিকৃষ্ট ষড়যন্ত্ৰৰ আৰু প্ৰতাৰণাৰ প্ৰতিবাদত শুকুৰবাৰে কোচ ৰাজবংশী জাতীয় পৰিষদে ৰজা বিজিত নাৰায়ণ দেৱে প্ৰতিষ্ঠা কৰা বিজনী চহৰৰ ঐতিহাসিক বুঢ়ীঠাকুৰাণী মন্দিৰত ১০১ গছি চাকি জ্বলোৱাৰ লগতে শঙ্খ বজাই উৰুলি আৰু ধ্বনি দি জনজাতিকৰণৰ দাবী সমাধা কৰাৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ যাতে চকু মেল খায় তাৰ বাবে সুমতি বিচাৰে। কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন, সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে তীব্ৰ বিযোদগাৰ কৰি কয় যে কা বিৰোধী *আঠ পৃষ্ঠাত চাওক*

## সত্ৰীয়া পৰম্পৰাৰে শ্ৰীকৃষ্ণৰ ঘুনুচা যাত্ৰা, সুঁৱৰী উৎসৱ পালন

## ওদালগুৰিত লোকে লোকাৰণ্য পৰিৱেশেৰে সামৰণি দৌল মহোৎসৱ



বিশেষ সংবাদদাতা

**ওদালগুৰি, ১৯ মার্চ ঃ** চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ অন্তত ওদালগুৰি শ্ৰীমন্ত শংকৰদেৱ সত্ৰত অনুষ্ঠিত হোৱা শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আজি সামৰণি পৰে। যোৱা বুধবাৰৰ পৰা অনুষ্ঠিত হোৱা এই দৌল মহোৎসৱত বিভিন্ন আকৰ্ষণীয় কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। বৰপেটা সত্ৰৰ পৰম্পৰা অনুসৰি বুধবাৰে সন্ধিয়া গন্ধোৎসৱ অনুষ্ঠিত কৰা হয়। পৰম্পৰা অনুসৰি পুৱা নিত্য নাম-প্ৰসংগৰ পাছত গন্ধোৎসৱৰ সন্ধিয়া কলীয়া গোসাঁইক সত্ৰৰ মণিকূটৰ পৰা সত্ৰৰ চোতাললৈ উলিয়াই আনি এখন শৰাইৰ ওপৰত ৰখা হয়। সমান্তৰালভাৱে সত্ৰৰ চোতালত মেজি প্ৰজ্বলনৰ লগতে কৰা হয় আতচবাজী প্ৰদৰ্শন। বৰপেটাৰ থলুৱা শিল্পীৰ হাতৰ পৰশত নিৰ্মিত এই আতচবাজী উপভোগ কৰিবলৈ সত্ৰৰ চোতালত লোকে-লোকাৰণ্য পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ পাছত মেজি প্ৰজ্বলন কৰি কলীয়া গোসাঁইক মেজিৰ চৌপাশ প্ৰদক্ষিণ কৰোৱা হয়। সন্ধিয়া অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বিদ্যা সাগৰৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। পৰৱৰ্তী দুয়োটা দিন পালন কৰা হয় ভৰদৌলৰূপে। উক্ত দিনকেইটাত পুৱা নাম-প্ৰসংগৰ পাছত সত্ৰৰ চোতালত খেল-ধেমালি *আঠ পৃষ্ঠাত চাওক*



দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৫ চ'ত ১৪২৮ ভাস্কৰাব্দ ২০ মাৰ্চ ২০২২



## গুৱাহাটীৰ বায়ু



অসম বিধানসভাৰ চলিত অধিবেশনৰ আৰম্ভণিৰ দিনা বিধায়ক-বিধায়িকাসকলক তেওঁলোকৰ আৱাস গৃহৰ পৰা বিধানসভালৈ মহিলা চালকে চলোৱা পাঁচখন গ'ল্ফ কাৰ্টত অনা-নিয়া কৰা দৃশ্য সকলোৱে দেখিলে। বিধানসভাৰ অধিৱেশনৰ সময়ত যান-বাহনৰ ভিৰ, যান-জঁট, বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ আদিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বিধায়কসকলক গ'ল্ফ কাৰ্টত আৱাস গৃহৰ পৰা বিধানসভালৈ অনা-নিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। অৱশ্যে বহুতৰে মনত প্ৰশ্নও উদয় হৈছে— গ'ল্ফ কাৰ্ট কিমানদিনলৈ থাকিব? বিধায়কৰ বাহিৰে আন সকলোৱেই নিজৰ যান-বাহনত অহা-যোৱা কৰে। বিদ্যুৎচালিত যান-বাহন কাৰো নাই আৰু কোনো বিষয়া-কৰ্মচাৰী অহা-যোৱা নকৰে। গুৱাহাটীত বৰ্তমান তিনিচকীয়া ই-ৰিক্সাবিলাকৰ বাহিৰে আন বিদ্যুৎচালিত যান-বাহন নাই বুলিয়ে ক'ব পাৰি। অৱশ্যে চৰকাৰে দুশখন বৈদ্যুতিক বাছ বিশেষকৈ মহানগৰৰ বাবে অনা হ'ব বুলি কৈছে; কিন্তু চৰকাৰে দুশ বৈদ্যুতিক বাছ কেতিয়া কিনিব, কেতিয়া সেই বাছ আহি অসম পাবহি ক'ব নোৱাৰি। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ সমৰ্থনতে অসম চৰকাৰে বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ আঁচনি গ্ৰহণ কৰিছে আৰু ২০৩০ৰ ভিতৰত সকলো যান-বাহন প্ৰদূষণমুক্ত বা বিদ্যুৎচালিত কৰা হ'ব বুলি কৈছে। এই বিষয়ত কোনো সন্দেহ নাই যে বায়ু প্ৰদূষণ হ্ৰাস বা নিয়ন্ত্ৰণৰ প্ৰথম পদক্ষেপ হ'ব বৈদ্যুতিক যান-বাহন প্ৰৱৰ্তন আৰু পুৰণি ডিজেল-পেট্ৰ'লচালিত প্ৰদূষণকাৰী যান-বাহন নিষিদ্ধ কৰা। দ্বিতীয় পদক্ষেপ হিচাপে কয়লাৰ ব্যৱহাৰ বা কয়লাভিত্তিক উদ্যোগ-কল-কাৰখানাসমূহ বন্ধ কৰা আৰু নতুন প্ৰদূষণমুক্ত প্ৰযুক্তিভিত্তিক উদ্যোগ গঢ়ি তোলা। দ্বিতীয়টো পদক্ষেপ লোৱা আৰু ইয়াৰ ৰূপায়ণ সহজ নহয়; সেয়ে ইয়াৰ বাবে সময়ৰ প্ৰয়োজন হ'ব। বৰ্তমান চলি থকা কয়লা ভিত্তিক উদ্যোগ বা কল-কাৰখানাসমূহ বন্ধ কৰিলে বৃহৎ সংখ্যক কৰ্মচাৰী নিবনুৱা হৈ পৰিব আৰু অৰ্থনীতিৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব। চৰকাৰে সেয়ে এই ক্ষেত্ৰত খৰখেদা কৰা নাই; কিন্তু কয়লাৰ ব্যৱহাৰ সম্পূৰ্ণ বন্ধ তথা নিষিদ্ধ হ'লেহে বায়ু প্ৰদূষণ হ্ৰাস বা নিয়ন্ত্ৰণ কৰাটো সম্ভৱ হ'ব। ইতিমধ্যে চৰকাৰে বৈদ্যুতিক বাহন চলোৱা, ক্ৰয় কৰা, উৎপাদন, ছাৰ্জিং ষ্টেছন বা চেন্টাৰ, বৈদ্যুতিক বাহন পঞ্জীয়ন, পথ কৰ, পাৰ্কিং চাৰ্জ আদি বিভিন্ন ক্ষেত্ৰত ৰাজসাহায্য, ৰেহাই আদি ঘোষণা কৰিছে। সেউজ আৰু নিৰ্মল অৰ্থাৎ প্ৰদূষণমুক্ত পৰিবহণ ব্যৱস্থা গঢ়ি তোলাৰ বাবে চৰকাৰে বৈদ্যুতিক বাহনৰ ক্ষেত্ৰত উৎসাহজনক আঁচনি গ্ৰহণ কৰিছে। বৈদ্যুতিক বাহন ক্ৰেতা আৰু চালকৰ পৰা বৈদ্যুতিক বাহনৰ উৎপাদনকাৰী বা নিৰ্মাতালৈকে সকলোৰে বাবে কৰ ৰেহাই, ৰাজসাহায্য আদি ঘোষণা কৰিছে ৰাজ্য চৰকাৰে। ৰাজ্য চৰকাৰৰ এনে আঁচনিয়ে নিশ্চয় জনসাধাৰণক আৰু সংশ্লিষ্ট সকলো পক্ষকে উৎসাহিত কৰিব বুলি আশা কৰিব পাৰি।

উল্লেখ্য যে চলিত মাহৰ প্ৰথম ১২ দিনত দেশৰ অন্যান্য মহানগৰৰ লগতে গুৱাহাটী মহানগৰৰ বায়ুৰ মানৰ সূচকৰ তালিকা কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে দেশৰ ১৫০ খন মহানগৰৰ বায়ুৰ মানৰ সূচক (এ কিউ আই) প্ৰকাশ কৰিছে। এই তালিকা এক মাৰ্চৰ পৰা ১২ মাৰ্চৰ বায়ুৰ মানৰ সূচকৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। এই তালিকাত গুৱাহাটীকে ধৰি দেশৰ তিনিখন মহানগৰৰ বায়ুৰ মান মাৰ্চৰ প্ৰথম ১২টা দিনত অতি নিকৃষ্ট বুলি উল্লেখ কৰা হৈছে। গুৱাহাটীৰ বায়ু মাৰ্চৰ প্ৰথম ১২টা দিনত নিকৃষ্ট বুলি উল্লেখ কৰা হৈছে; কিন্তু মাৰ্চৰ ১৩ আৰু ১৪ত বায়ু মানৰ সূচক ৩১০ আৰু ১৪ মাৰ্চত ৩০৮ হয়গৈ। অৰ্থাৎ দুয়োদিনেই গুৱাহাটীৰ বায়ুৰ মান 'বেয়া'ৰ পৰা 'অতি বেয়া' (ভেৰী পুৰ'ৰ) হৈ পৰিল। উল্লেখ্য যে বায়ুৰ মান কিমান ভাল বা বেয়া বুজাবৰ বাবে এ কিউ আই ব্যৱহাৰ কৰা হয়। এয়াৰ কোৱালিটী সূচক (এ কিউ আই) 'ভাল' বুজাবলৈ এ কিউ আই ০-৫০ আৰু 'সন্তোষজনক' বুজাবলৈ ৫১-১০০ বুলি কোৱা হয়। এ কিউ আই ১০১-২০০ হ'লে মজলীয়া অৰ্থাৎ ভাল আৰু বেয়াৰ মাজত, এ কিউ আই ২০১ৰ পৰা ৩০০ হ'লে বেয়া বা নিকৃষ্ট, ৩০১-৪০০ হ'লে অতি বেয়া আৰু ৪০১-৫০০ হ'লে বিপজ্জনক বুলি কোৱা হয়। যিহেতু গুৱাহাটীৰ বায়ুৰ মান ৩১০ আৰু ৩০৮ হৈছেগৈ, সেয়ে মহানগৰৰ এ কিউ আই 'অতি বেয়া' বুলি উল্লেখ কৰা হৈছে। উল্লিখিত দিনকেইটাত দেশৰ ১৫০ খন মহানগৰৰ ভিতৰত গুৱাহাটীসহ তিনিখন মহানগৰৰ বায়ুৰ মান 'অতি বেয়া'ৰ শাৰীত পৰিছে। এয়া গুৱাহাটীবাসী নাগৰিকসকলৰ কাৰণেও 'বেয়া' নহয়, 'অতি বেয়া' খবৰ। আগন্তুক দিনবোৰত গুৱাহাটীৰ বায়ুৰ মান কিমান বেয়া হয়গৈ নাইবা কিমান বিপজ্জনক হয়গৈ, সেয়া হ'ব অতি গুৰুত্বপূৰ্ণ। গুৱাহাটীৰ বায়ুৰ মান যিহেতু ভালো নহয়, সন্তোষজনকো নহয় আৰু মধ্যমীয়াও নহয়, ই হৈছেগৈ 'অতি বেয়া', সেয়ে মহানগৰবাসী নানাবিধ ৰোগত আক্ৰান্ত হ'ব সহজে। শ্বাস-প্ৰশ্বাসজনিত বিভিন্ন ৰোগ আৰু বিশেষকৈ হাওঁফাওঁৰ বিভিন্ন ৰোগত বেছিভাগ লোক আক্ৰান্ত হোৱাৰ আশংকা প্ৰকাশ কৰিছে চিকিৎসকসকলে। কৰ্কটৰ দৰে মাৰাত্মক ৰোগৰো ই কাৰণ হ'ব পাৰে। সুস্থ লোকৰ স্বাস্থ্যও ক্ষতি কৰিব পাৰে। বিশেষকৈ শিশু, বয়োজ্যেষ্ঠ লোকসকল অধিক ক্ষতিগ্ৰস্ত হ'ব পাৰে। বৰ্তমান মহানগৰৰ যথেষ্ট সংখ্যক শিশু, কিশোৰ-কিশোৰী প্ৰতিদিনে চিকিৎসকৰ কাষ চাপিবলগীয়া হৈছে, যিসকলক বিভিন্ন পৰীক্ষাৰ লগতে এক্স-ৰে, ছ'ন'গ্ৰাফী আদিৰ বাবেও পৰামৰ্শ দিয়া হয়। বহুতো শিশুৰ সুস্বাস্থ্যৰ অভাৱ। সঘনে কাহ, পানীলগাৰ দৰে সমস্যাত ভুগি থাকে। মহানগৰৰ বায়ুৰ মানৰ অধিক অৱনতি ঘটিলে এই ধৰণৰ সমস্যা বৃদ্ধিৰ আশংকা আছে। ৰাজধানী দিল্লীৰ বায়ুৰ মান 'অতি বেয়া' নাইবা বিপজ্জনক হৈ পৰে বছৰটোৰ বিভিন্ন সময়ত। আনকি বিদ্যালয়সমূহ বন্ধ ঘোষণা কৰিবলগীয়া হয়। দুৰ্ভাগ্যৰ কথা যে গুৱাহাটীৰ বায়ু 'বেয়া' আৰু 'অতি বেয়া' হোৱা সত্বেও চৰকাৰ-প্ৰশাসন তথা প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে বিশেষ ব্যৱস্থা হাতত লোৱা নাই। এতিয়াও প্ৰদূষণকাৰী যান-বাহন, বিশেষকৈ পুৰণি যান-বাহন, ক'লা ধোঁৱা নিৰ্গত কৰা বিভিন্ন যান-বাহন গুৱাহাটীত চলি আছে আৰু চলি থাকিবলৈ দিয়া হৈছে। চৰকাৰে পুৰণি যান-বাহনৰ ওপৰত কৰ আৰোপ কৰিব বিচাৰিছে; কিন্তু নিষিদ্ধ কৰাৰ কথা কোৱা নাই। ইয়াৰ ফলত গুৱাহাটীৰ বায়ু প্ৰদূষণ বৃদ্ধি পাই থাকিব। বৈদ্যুতিক বাহন বা বাছ আনিলেও নিৰ্মল আৰু সেউজ পৰিৱেশ সৃষ্টি সম্ভৱ হ'বনে?

# গণতন্ত্ৰৰ জয়-পৰাজয়

**সাম্প্ৰদায়িকতাৰ বীজ নহয় মানুহৰ অন্তৰত গাঁঠি দিয়াৰ দৰকাৰ তীব্ৰ দেশপ্ৰেম**

এয়া সৰ্বজনবিদিত যে গণতান্ত্ৰিক মূল্যবোধৰ যথাৰ্থ ধাৰণ আৰু পৰিচৰ্যা আধুনিক জাতিৰাষ্ট্ৰত উন্নয়ন অগ্ৰগতিৰ প্ৰণিধানযোগ্য অনুষংগ। জনসাধাৰণৰ সামগ্ৰিক চিন্তা-চেতনাৰ প্ৰতিফলনত বিধিবদ্ধ প্ৰক্ৰিয়াৰ অবাধ সুস্থ নিৰ্বাচন অনুষ্ঠানৰ মাধ্যমত জনপ্ৰতিনিধিৰ দ্বাৰা পৰিচালিত ৰাষ্ট্ৰ ব্যৱস্থাই গণতন্ত্ৰৰ প্ৰকৃত পৰিচায়ক। মূলতঃ সকলো দল-মতৰ সন্মিলিত অংশগ্ৰহণ সমৰ্থনত নেতৃত্ব বাছনি আৰু সঠিক প্ৰতিনিধিত্বৰ ভিত্তিত চৰকাৰ গঠন আৰু ৰাষ্ট্ৰ পৰিচালনাই গণতন্ত্ৰক শক্তিশালী কৰে। অৱশ্যেই ৰাষ্ট্ৰ কৰ্তৃক নিৰ্ধাৰিত পৱিত্ৰ সাংবিধানিক পন্থাত গঠিত নিৰ্বাচন কমিছনৰ নিৰপেক্ষতা সত্যনিষ্ঠতা পক্ষপাতমুক্ত স্বাধীন আদৰ্শিক দৃঢ়চেতা অভিপ্ৰায় নিশ্চিত কৰা আৱশ্যক।

একনায়কতন্ত্ৰ বা ৰাজতন্ত্ৰৰ বিপৰীতে জনগণৰ শাসন বা শাসন নীতিৰ ইচ্ছানুসাৰে পৰিচালিত ৰাষ্ট্ৰ ব্যৱস্থাক গণতন্ত্ৰ বুলি আখ্যায়িত কৰা হয়। অষ্টাদশ শতাব্দীৰ ৰুছ দাৰ্শনিক জ্যা জ্যাক ৰুছোৱে কৈছিল— 'Man is born free but everywhere he is in chain.

ক্ষুদ্ৰ শাসক শ্ৰেণী কৰ্তৃক বৃহত্তৰ জনগোষ্ঠীক শাসন-শোষণৰ যি প্ৰবহমান প্ৰক্ৰিয়া, তাৰেই ধাৰাবাহিকতাত বিভিন্ন জাতি-ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ আৰু বিধি-বিধানৰ কঠিন আৱৰণত জনগণৰ শাশ্বত সাৱলীল জীৱন ধাৰাক কৰা হয় নিয়ন্ত্ৰিত।



**আত্মজিজ্ঞাসা**

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

গণতন্ত্ৰ প্ৰতিষ্ঠাৰ পাছতো বহু কাল ইংলণ্ড আৰু আমেৰিকাত নাৰীৰ ভোটাধিকাৰ নাছিল। আধুনিক কালত প্ৰাপ্তবয়স্কৰ ভোটাধিকাৰ প্ৰয়োগৰ মাধ্যমত নিৰ্বাচিত ব্যক্তিসকলৰ আইন পৰিষদত প্ৰতিনিধিত্ব কৰাৰ মাধ্যমত ৰাষ্ট্ৰ পৰিচালনাৰ যি ব্যৱস্থা তাকেই বৰ্তমানে গণতন্ত্ৰৰ মূল প্ৰত্যয় হিচাপে অভিহিত কৰা হয়।

ৰাষ্ট্ৰবিজ্ঞানী অধ্যাপক লাস্কিৰ ভাষাত— কোনো ৰাষ্ট্ৰ পৰিচালিত হয়, সেই ৰাষ্ট্ৰৰ নাগৰিকৰ প্ৰদত্ত অধিকাৰৰ দ্বাৰা আৰু গণতন্ত্ৰক যথাৰ্থ মৰ্যাদাত আসীন ৰাখিব পাৰে জনগণৰ সঠিক চেতনা আৰু সতৰ্ক পহৰাই। লাস্কিৰ ভাষাত eternal vigilance is the price of liberty.

গণতন্ত্ৰৰ প্ৰাথমিক মূল্যবোধ হৈছে ব্যক্তি স্বাতন্ত্ৰ্যৰ প্ৰতি শ্ৰদ্ধাবোধ। অৰ্থাৎ ব্যক্তিৰ মৌলিক স্বাধীনতা তথা চিন্তাৰ স্বাধীনতা, বাক স্বাধীনতা, ভোট দিয়াৰ স্বাধীনতা ভোটদান, দল গঠন আৰু অংশগ্ৰহণ, প্ৰাৰ্থী হোৱাৰ স্বাধীনতা, আৰু অভিযোগ উপস্থাপনৰ স্বাধীনতা অৰ্থাৎ সাৰ্বিকভাৱে জীৱন ধাৰণৰ অধিকাৰ, পৰিয়াল গঠনৰ অধিকাৰ, নিৰাপত্তাৰ অধিকাৰ, আইনৰ আশ্ৰয় লোৱাৰ অধিকাৰ, স্বাধীন মতামত প্ৰকাশৰ অধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ অধিকাৰ, বিৰোধিতাৰ অধিকাৰ সকলো কিছুৰে ইয়াৰ অন্তৰ্ভুক্ত।

গণতান্ত্ৰিক সমাজ ব্যৱস্থাত ব্যক্তিত্ব বিকাশৰ স'তে আন এটা গুৰুত্বপূৰ্ণ মূল্যবোধ হৈছে পৰম

**গণতান্ত্ৰিক সমাজ ব্যৱস্থাত ব্যক্তিত্ব বিকাশৰ স'তে আন এটা গুৰুত্বপূৰ্ণ মূল্যবোধ হৈছে পৰম সহিষ্ণুতা, সহনশীলতা, আনৰ মতামতৰ প্ৰতি শ্ৰদ্ধাবোধ আৰু সংখ্যাগৰিষ্ঠ মতামতক সাদৰেৰে গ্ৰহণ কৰাৰ মানসিকতা**

সহিষ্ণুতা, সহনশীলতা, আনৰ মতামতৰ প্ৰতি শ্ৰদ্ধাবোধ আৰু সংখ্যাগৰিষ্ঠ মতামতক সাদৰেৰে গ্ৰহণ কৰাৰ মানসিকতা।

**দুই**

দাস প্ৰথা বিলুপ্তিৰ নায়ক আমেৰিকাৰ যোড়শ প্ৰেছিডেন্ট আব্ৰাহাম লিংকনে ১৮৬৩ত পেনচিলভেনিয়াৰ গেটিছবাৰ্গত জাতীয় সমাধিস্থলত অসুস্থ শৰীৰেৰে মাত্ৰ দুই মিনিটৰ ভুবন বিখ্যাত ভাষণত গণতন্ত্ৰক লৈ আশাবাদ ব্যক্ত কৰিছিল এনেদৰে— This nation, under God, shall have a new birth of freedom and that government of the people, by the people, for the people shall not perish from earth.

লিংকনৰ ভাষণৰ আশা প্ৰকাশৰ ঠিক এশ বছৰৰ পাছত ১৯৬৩ত ৱাশ্বিংটনৰ ভাষণত মাৰ্টিন লুথাৰ কিঙে কৈছিল ঃ I have a dream that one day this nation will rise up and live out the true meaning of its creed. We hold these truths to be self evident, that all men are created equal.

গণতন্ত্ৰৰ বিকল্প হৈছে আৰু বেছি গণতন্ত্ৰ।

**তিনি**

পাৰ হৈ গ'ল পাঁচ ৰাজ্যৰ নিৰ্বাচন। এইবাৰ ভোটৰ আকাশত উজ্জ্বলতৰ হ'ল কেজৰিৱাল আৰু যোগী আদিত্যনাথ। যোগী আদিত্যনাথ মুখ্যমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদী, অমিত শ্বাহৰ পছন্দৰ মানুহ নাছিল। পছন্দৰ মানুহ আছিল জম্মু আৰু কাশ্মীৰৰ বৰ্তমান উপ-ৰাজ্যপাল মনোজ সিন্‌হা। এইবাৰৰ জয়ে আদিত্যনাথক আৰু জল্‌মল্‌ কৰিলে। বিজেপিত মোদীৰ বাহিৰে একমাত্ৰ যোগীয়েই স্বতন্ত্ৰ। যোগীৰ বয়স ৪৯। ২০২৪ত ৰাম মন্দিৰ সম্পূৰ্ণ হ'ব। মোদী পুনৰ প্ৰধানমন্ত্ৰী হ'ব। ২০২৯ৰ লোকসভা নিৰ্বাচনৰ সময়ত মোদীৰ বয়স হ'ব ৭৮। নিজৰ তৈয়াৰী নিয়ম মানি মোদীয়ে অৱসৰ গ্ৰহণ কৰিলে সেই ঠাই পূৰাবলৈ যোগী আদিত্যনাথ যে আগবাঢ়ি নাহিব কোনে জানে?

মোদীৰ নানা ব্যৰ্থতা সত্ত্বেও এতিয়াও অটুট আছে মোদী মেজিক। ৰাজস্থান আৰু চত্তিছগড় এই দুই ৰাজ্য মোদীয়ে কাঢ়ি ল'ব পাৰিলে কংগ্ৰেছ হৈ পৰিব অনাথ।

**চাৰি**

সমগ্ৰ জাতিৰ তেজত অজানা কোনো এক ৰাসায়নিক পদাৰ্থ সিৰা-উপ-সিৰাত প্ৰৱেশ কৰি শুভবুদ্ধিৰ প্ৰধান আশ্ৰয় কেন্দ্ৰ মস্তিষ্কক কৰিছে আক্ৰান্ত। মানুহৰ ভিতৰত যি চৰম স্বাৰ্থপৰ হিংস্ৰতম নিৰ্দয় চৰিত্ৰৰ অন্ধকাৰ বিষয় লুকাই আছে, তাক প্ৰকাশ কৰিবলৈ আমি পশুৰ নামানুসাৰে আখ্যায়িত কৰো 'পশুত্ব' বুলি। পশুৰ হিংস্ৰতা কোনো এটা মৌলিক চাহিদা পূৰণঘটিত সমস্যাৰ পৰা উদ্ভৱ হয় আৰু সেই হিংস্ৰতা প্ৰয়োগৰ এটা মাত্ৰা আছে; কিন্তু মানুহে কোনো ৰকম যৌক্তিক কাৰণ অবিহনেই স্বজাতিৰ ওপৰত চৰম নিৰ্মমতাৰ পৰিচয় দিব পাৰে খুব অনায়াসে। সিংহই কেতিয়াও মেকুৰীক নাকামোৰে। হাতীয়ে কুকুৰক লাঠি নামাৰে। অথচ সিহঁতৰ কোনো ৰাষ্ট্ৰনায়ক নাই। মহামানৱ নাই। অৱতাৰ নাই। দেৱতা নাই। পথ নিৰ্দেশক নাই। সিহঁতৰ কোনো ৰাষ্ট্ৰ নাই। ধৰ্ম, বিজ্ঞান, দৰ্শন নাই। বিদ্যালয় নাই। উপাসনালয় নাই। প্ৰাণী জগতৰ মাজত মানুহেই একমাত্ৰ প্ৰাণী, যাৰ ৰাষ্ট্ৰ, নেতা, ধৰ্ম, মহামানৱ, বিজ্ঞান প্ৰযুক্তি সকলো আছে।

শিক্ষকে ছাত্ৰক উপদেশ দিয়ে প্ৰতিযোগিতামূলক বিশ্বত মেকুৰীয়ে যেনেকৈ অতি সন্তৰ্পণে এন্দুৰ ধৰে, তেনেকৈ কৌশলেৰে জীৱনৰ অভীষ্ট লক্ষ্যত উপনীত হ'বা। জীৱনৰ সমস্যা লাঘৱত বাঘৰ দৰে গৰ্জি উঠিবা। সিংহৰ দৰে সাহসী হ'বা। অশ্বৰ দৰে বেগৱান হ'বা। উটৰ দৰে কষ্ট সহিষ্ণু হ'বা। গৰুৰ দৰে পৰোপকাৰী হ'বা; কিন্তু মানুহৰ জঘন্য অপৰাধক পশুত্ব বুলি আখ্যা দিয়ে। এয়া পশুৰ প্ৰতি চৰম অপমান।

জীৱন এবাৰেই আহে। জীৱনৰ দৰে অমূল্য সম্পদক হিংসা-বিদ্বেষ-বৰ্বৰতাৰে মলিন কৰাৰ, অশান্তিময় কৰাৰ, দুৰ্যোগত, দুৰ্দিনত, দুশ্চিন্তাত নষ্ট কৰাৰ কোনো অৰ্থ নাই। বিভেদ-বিচ্ছেদ পাহৰি পৰস্পৰৰ সহযোগিতাত সন্মুখৰ পিনে আগুৱালে যাত্ৰা নিৰাপদ হোৱাৰ সম্ভাৱনা সকলো সময়তেই বেছি।

**পাঁচ**

বিশাল এখন দেশ ভাৰতবৰ্ষ। দুখন মহাকাব্যৰ দেশ। তাজমহলৰ দেশ। অতীতৰ ভাৰতবৰ্ষ দৰিদ্ৰ দেশ নাছিল। ১৭৫০ত বিশ্বৰ মেনুফেকচাৰিং আউটপুটৰ ২৪ শতাংশ ভাৰতত উৎপন্ন হৈছিল।

ব্ৰিটিছ হৈছে The Geatest thief of the world. পৃথিৱীৰ বিভিন্ন অঞ্চলৰ পৰা মূল্যৱান সম্পদ লুণ্ঠন কৰি নিজৰ দেশত পুঞ্জীভূত কৰিছে। ব্ৰিটিছ যাদুঘৰ পৰিদৰ্শন কৰিলে দেখা যায় পৃথিৱীৰ সকলো অঞ্চলৰ মূল্যৱান আৰু দুষ্প্ৰাপ্য সম্পদেৰে তেওঁলোকৰ যাদুঘৰ সমৃদ্ধ।

আমাৰ উপ-মহাদেশৰ মহামূল্যৱান সম্পদ বুলিলে প্ৰথমে যি দুটা নাম মনলৈ আহে, সেই ময়ুৰ সিংহাসন আৰু কোহিনুৰ হীৰা ব্ৰিটিছ মিউজিয়ামত। কেৱল সেয়াই নহয়, পৃথিৱীৰ এনে কোনো অঞ্চল নাই, য'ৰ মহামূল্যৱান সম্পদৰ স্থান সেই যাদুঘৰত পোৱা নাযায়। পৃথিৱীৰ বিভিন্ন অঞ্চলৰ মহামূল্যৱান ধাতব, কষ্টি আৰু মাৰ্বল পাথৰৰ অসংখ্য মূৰ্তি আছে। পৃথিৱীৰ বিভিন্ন অঞ্চলৰ এনে কিছু দুৰ্লভ আৰু দুষ্প্ৰাপ্য সামগ্ৰী আছে, যাৰ মূল্য অৰ্থৰ দ্বাৰা নিৰূপণ কৰা দুৰূহ।

**ছয়**

এখন চিনেমা। নাম 'দ্য কাশ্মীৰ ফাইলছ'। দেশৰ স্বয়ং প্ৰধানমন্ত্ৰীয়েও যিখন চিনেমাৰ প্ৰচাৰত নামিছে। অসমৰ মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ লাভৰ বাবে মিত্ৰজোঁটৰ মন্ত্ৰী-বিধায়কক লৈ সম্পূৰ্ণ চিনেমাহল বুক কৰি চিনেমাখন চালে। চিনেমাখন চাবলৈ চৰকাৰী কৰ্মচাৰীক ছুটী দিছে। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত কৈছে, ১০ বছৰ পাছত অসমতো পূৰ্বৰ কাশ্মীৰৰ দৰে পৰিস্থিতিৰ সৃষ্টি হ'ব। বেকাৰত্বৰ অভিশাপত জৰ্জৰিত এখন দেশৰ মুখ্যমন্ত্ৰীৰ মুখত এনে কথা আশা কৰা নাছিলো।

Relative shares of the manufacturing output

| | 1750 | 1800 | 1830 | 1860 | 1880 | 1900 |
|---|---|---|---|---|---|---|
| united kingdom | 1.9 | 4.3 | 9.5 | 19.9 | 22.9 | 18.5 |
| India | 24.5 | 19.7 | 17.6 | 8.6 | 2.8 | 1.7 |

Per capita levels of Industrialization

| | 1750 | 1800 | 1830 | 1860 | 1880 | 1900 |
|---|---|---|---|---|---|---|
| United kingdom | 10 | 16 | 25 | 64 | 87 | 100 |
| India | 7 | 6 | 6 | 3 | 2 | 1 |

(The rise and fall of the great power. Paul kennedy. page 149)

সাম্প্ৰদায়িকতাৰ বীজ নহয় মানুহৰ অন্তৰত গাঁঠি দিয়াৰ দৰকাৰ তীব্ৰ দেশপ্ৰেম।

**সাত**

দীৰ্ঘদিনৰ পৰাই পৃথিৱীত গণতন্ত্ৰৰ ভাটাৰ টান চলিছে। পৰিসংখ্যাই কয় যে পৃথিৱীত কাৰ্যকৰ গণতন্ত্ৰৰ সংখ্যা ২০০৬ৰ পাছত প্ৰতিবছৰেই কমি আহিছে। এনেকি আমাৰ চকুত আদৰ্শ উদাৰ গণতান্ত্ৰিক দেশবোৰতো সোঁপন্থী, পৰিচয়বাদী, জনতুষ্টিবাদী ৰাজনীতি খুব ভালদৰে মূৰ তুলি উঠিছে। এতিয়া যদি বিশ্বজুৰি চৰম কৰ্তৃত্ববাদী দেশবোৰৰ প্ৰভাৱিত বিশ্ব ব্যৱস্থা কাৰ্যকৰ হয়, উদাৰ গণতান্ত্ৰিক দেশবোৰৰ গণতন্ত্ৰৰ ক্ষয় যেনেকৈ অনেক ত্বৰান্বিত হ'ব, তেনেকৈ আধা কৰ্তৃত্ববাদী (হাইব্ৰিড ৰেজিম) আৰু কৰ্তৃত্ববাদী দেশৰ সংখ্যা অতি দ্ৰুতগতিত বাঢ়িব।

মোদীয়ে কৈছে পৰিয়ালকেন্দ্ৰিক ৰাজনীতি গণতন্ত্ৰৰ বাবে বিপজ্জনক। মোদীয়ে হয়তো নাজানে যে ধৰ্মকেন্দ্ৰিক ৰাজনীতি তাতোকৈ বিপজ্জনক।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# দুষ্ট ৰাজকুমাৰক ঋষিয়ে কেনেকৈ জ্ঞান দিলে

**ৰিজু হাজৰিকা**

**এসময়ত** এজন ৰজা আছিল আৰু তেওঁৰ এজন পুত্ৰ াছিল অৰ্থাৎ ৰাজকুমাৰ আছিল। ৰজাক সকলো প্ৰজাই বৰ ভাল পাইছিল কাৰণ তেওঁ প্ৰজাগণৰ সুখৰ কাৰণে ৰাজ্যত বৰ ভাল কামবোৰ কৰিছিল। কিন্তু তেওঁৰ পুত্ৰ ৰাজকুমাৰজন বৰ দুষ্ট আছিল। সি সকলোকে আঘাত কৰি ফুৰিছিল। তাৰ ওচৰেৰে যি যায় তাকে সি আঘাত কৰি ফুৰিছিল। যেনে— মানুহ গ'লে তেওঁৰ চুলিত ধৰি চুলিবোৰ ছিঙি দিছিল, গৰু এটা গ'লেও তাৰ নেজত ধৰি চুলিবোৰ ছিঙি দিছিল। গৰুৱে দৌৰি গৈ মানুহৰ ঘৰ-দুৱাৰো ভাঙি দিছিল।

ৰজাই পুতেকৰ এই স্বভাৱ দেখি বৰ দুখীত হ'ল। ৰজাই ভাবি-চিন্তি পাৰ নোপোৱা হ'ল। ৰজাৰ অবিহনে ৰাজকুমাৰেই এই ৰাজ্যৰ এদিন ৰজা হ'ব লাগিব, ই কেনেকৈ ৰাজ কাৰ্য চলাব। এইবোৰ ভাবি-চিন্তি ৰজাই অনবৰত বিমৰিত হৈ থাকে।

এনেতে এদিন ৰজাৰ ঘৰলৈ এজন সন্ন্যাসী আহিল। ৰজাই সন্ন্যাসীক পূজা-সেৱা কৰি বহিবলৈ দিলে। সন্ন্যাসীজনে ৰজাৰ বিমৰিত মন দেখি সুধিলে— মহাৰাজ আপোনাৰ মনত ইমান দুখ কেলেই? ৰজাই ঋষিজনক সকলো কথা ভাঙি পাতি ক'লে। মানে দুৰ্দ্দান্ত পুত্ৰৰ চৰিত্ৰৰ কথা ক'লে। ঋষিয়ে ৰাজকুমাৰৰ মতি-গতি লক্ষ্য কৰি ক'লে— মহাৰাজ ইয়াক আপুনি মোক দিয়ক, মই ইয়াক মোৰ আশ্ৰমলৈ লৈ যাম আৰু তাক চিধা কৰি আপোনাক দি যামহি। ৰজাই বৰ সন্তোষ পালে। তেওঁ আনন্দমনে ঋষিৰ হাতত পুত্ৰক দি দিলে।

ঋষিয়ে আনন্দমনে ৰাজকুমাৰক নিজৰ আশ্ৰমখনলৈ লৈ আহিল। কিন্তু সব মিছা হ'ল। ঋষিয়ে ৰাজকুমাৰৰ মতি-গতি চাই বিফল হ'ল।

এদিন ঋষিয়ে লক্ষ্য কৰিলে যে ৰাজকুমাৰে এঠাইত বোকাপানীৰ লগত খেলি আছে। আমাৰ গাঁৱৰ ল'ৰাবোৰে বোকা-পানীত লুটুৰি-পুতুৰি হৈ ৰবাব টেঙাৰ বল খেলাৰ দৰে। ৰাজকুমাৰে দেখিলে যে তাতে এডাল লতা গছ বগাই আছে। ৰাজকুমাৰে তাৰে এটা পাত ছিঙি আনি চোবাই খালে। অলপ পাছতে সি অক অক কৰি খুৱাই দি চোবোৱা পাতটো উলিয়াই দিলে। তাৰ পাছত সি খঙতে লতা গছ ডাল উভালি লৈ দলিয়াই দিলে।

এইটো দৃশ্য ঋষিয়ে লক্ষ্য কৰি আছিল। আৰু লগে লগেই এটা আইডিয়া কৰি ল'লে। তেওঁ ৰাজকুমাৰৰ ওচৰলৈ আহিল আৰু সুধিলে— তুমি কি কৰি আছা ৰাজকুমাৰ। তেতিয়া ৰাজকুমাৰে উত্তৰ দিলে— ঋষি মহোদয়, এই সৰু ল'ৰা ডালৰ পাতবোৰ ইমান তিতা যে ই যেতিয়া এডাল প্ৰকাণ্ড গছ হ'ব। তেতিয়া ইয়াৰ পাতবোৰ মানুহে খালে কিমান বিপদ হ'ব— অৰ্থাৎ এইবোৰ খাই মানুহ মৰিব। গতিকে এই লতা ডাল এতিয়াই উভালি দি মানুহক ৰক্ষা কৰাৰ উপায় চিন্তা কৰিলো। অন্যায়কাৰী গছ-বন কেতিয়াও ৰাখিব নালাগে, এইবোৰ সৰুতে ধ্বংস কৰি দিব লাগে।

তেতিয়া ঋষিয়ে হাঁহিলে। হাঁহি হাঁহি ক'লে— ধন্য তুমি ৰাজকুমাৰ এতিয়াহে তুমি আচল কথা বুজিলা। তুমি এই সৰু কালতে যদি তোমাৰ স্বভাৱবোৰ ধ্বংস কৰি নিদিয়া, বয়স হ'লে কেতিয়াও নোৱাৰিবা। তুমিও সেই তিতা পাতৰ লতা গছৰ দৰে হ'বা। এই কথা শুনি ৰাজকুমাৰ কিছু সময় নীৰৱ হৈ থাকিল। ঋষিৰ কথাখিনি তেওঁৰ অন্তৰত লাগিল। ঋষিক ক'লে— ঋষিৰাজ আপুনি মোক বহুত নতুন জ্ঞান দিলে। আপুনি এতিয়া মোক মোৰ পিতৃ ৰজাৰ ওচৰলৈ নিব পাৰে। মই আৰু পিতৃৰ ওচৰত এই দুষ্টামি নকৰো। ঋষিৰ মনো আনন্দত আত্মহাৰা হ'ল।

পিছদিনা ঋষিয়ে ৰাজকুমাৰক সজাই-পৰাই ৰজাৰ ওচৰলৈ লৈ গ'ল। ৰজাই এই দৃশ্য দেখি অভিভূত হ'ল। ৰজাই ৰাজ্যৰ প্ৰজাগণক ঢোলপিটি জনাই দিলে— হে মোৰ প্ৰজাগণ তোমালোক সকলোৱে ঢোল-খোল বজাই ওলাই আহা; ঋষি বৰক আদৰি নিয়াহি। ৰাজ্যৰ সকলো প্ৰজা-পুৰুষ মহিলা সহিতে ওলাই আহিল। উৰুলি, ঢোলে-ডগৰে ঋষি আৰু ৰাজকুমাৰক আদৰি নিলে। ৰাজকুমাৰে ৰজাৰ ওচৰ পায়েই ভৰিত ধৰি সেৱা এটা কৰি ক'লে— মহাৰাজ মই এতিয়া ভাল হৈ আপোনাৰ ওচৰলৈ আহিছো। এই ঋষি ৰাজ মহাশয়ে মোক বহুত জ্ঞান দিলে। মই এতিয়া তুমি অবিহনেও ৰাজ্য চলাব পাৰিম।

ৰজাই আনন্দত আত্মহাৰা হ'ল। ৰাজসভাৰ আয়োজন কৰিলে। ৰাজ্যৰ সকলো প্ৰজাকে নিমন্ত্ৰণ কৰিলে। ৰাজসভা প্ৰজাৰে ঠাহ খাই পৰিল। মঞ্চত ঋষিজনকো বহুৱালে। ৰাস্তাই-ঘাটে কলপুলি পুতি চাকি জ্বলালে। সকলো প্ৰজাই ৰজা আৰু তেওঁৰ পুত্ৰ ৰাজকুমাৰক ধইন ধইন কৰিলে। ফুল ছটিয়াই ৰাজকুমাৰৰ মূৰ ওপচাই দিলে। প্ৰজাগণক তিনিদিন ধৰি ৰাজভোগ খুৱালে।

ইয়াৰ পাছত ঋষিৰ আশ্ৰমখনো আধুনিক ধৰণে সজাই দিলে। ঋষিয়ে সকলোকে সম্বোধন কৰি ক'লে— হে মৰমৰ ল'ৰা-ছোৱালীহঁত, তোমালোকে সৰুৰে পৰাই বদঅভ্যাস পৰিত্যাগ কৰি ভাল হোৱা। তোমালোকৰ ওপৰতে ৰাজ্যৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে। হাত চাপৰিত সভা ঘৰত ৰজন-জনাই গ'ল।

# দুখীয়া লোকৰ বাবে আঁচনি সুখীয়া লোকক কৰে বাছনি

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— হেৰা, আজি সোনকালে অফিচলৈ যাব লাগিব। তুমি খৰধৰকৈ ৰন্ধা-বঢ়াখিনি কৰিবা।
— আপোনাৰ অফিচলৈ কোনোবা মন্ত্ৰী-বিধায়ক আহিব নেকি?
— নাই নাই, নাহে। কিয় সুধিলা তুমি?
— নহয়, আগে-পাছে আপুনি অফিচৰ আধা সময় ঘৰতে পাৰ কৰে দেখোন। মইহে হেঁচি-ঠেলি পঠিয়াও। অথচ আজি সোনকালে যাব খুজিছে যে।
— মাৰ্চৰ মাহ চলি থকা নাই? এইকেইদিন অফিচত কামেই কাম। মূৰটো দাঙিবলৈও সময় নাথাকে।
— এটা কথাহে বুজি নাপাওঁ মই।
— কি?
— আপোনালোকৰ অফিচত বাৰ মাহৰ এঘাৰ মাহেই কাম নাথাকে অথচ এমাহতে ইমান কাম কেনেকৈ ক'ৰ পৰা আহে কওকচোন?
— সেইবোৰ তুমি বুজি নাপাবা দিয়া।
— মাৰ্চ মাহটো আপোনালোকৰ বাবে শনি লগা মাহ নেকি?
— নহয়।
— তেনেহ'লে?
— ধনী হোৱাৰ মাহ।
— মানে মই বুজা নাই। এঘাৰ মাহে কাম নকৰা মানুহৰ এমাহতে ইমান ব্যস্ততা যেতিয়া এইটো কালিকা লগা মাহেই হ'ব।
— উহু কালিকা নহয়, তালিকা বনোৱা মাহহে। নতুন বাজেটত নতুন নতুন আঁচনি ওলায়, সেইবোৰ আমি বাছনি কৰি পঠাব লাগে।
— হয় নেকি?
— অ'। দৰিদ্ৰ লোকৰ বাবে চৰকাৰে বহুত নতুন নতুন আঁচনি উলিয়াইছে। যোৱা মাহৰ পৰা বিজ্ঞাপনবোৰ ওলায়েই আছে। তুমি জানো দেখা নাই?
— কিয় নেদেখিম, দেখিছো।
— হিতাধিকাৰীৰ নামবোৰ আমিয়েই বাছনি কৰো। তাৰ পাছতে বেংকৰ নিজৰ নিজৰ একাউণ্টত চৰকাৰৰ ফালৰ পৰা ধন সোমায়। এনেকৈয়ে দুখীয়া লোকক সহায় কৰা হৈছে।
— মাহে মাহে টকা পায়নে তেওঁলোকে?
— আঁচনি লৈ সেইটো নিৰ্ভৰ কৰে। কোনোবাটো মাহেকীয়া আৰু কোনোবাটো এককালীন।
— সকলো দৰিদ্ৰ লোকেই ধন পায়নে?
— তোমাৰো যে কথা আৰু। নাপায়। সকলো দুখীয়া মানুহে পোৱাটো সম্ভৱ জানো।
— কিয়?
— শুনা, কোনোবাই চৰকাৰী আঁচনিৰ কথা গমেই নাপায়। কোনোবাই গম পালেও অনলাইন আবেদন কৰিব নাজানে। আন কাৰোবাৰ হয়তো বেংকত একাউণ্টেই নাই। গতিকে এইখিনি বাদ পৰিবই।
— বাদ পৰা মানুহখিনিক সামৰি লোৱাৰ একো এটা ব্যৱস্থা কৰিব নোৱাৰেনে?
— কি ব্যৱস্থা কৰিবা? উপায় নাই।
— চাওকচোন, নিৰক্ষৰ কাৰণেই হয়তো তেওঁলোকে চৰকাৰী আঁচনিৰ পৰাও মিছাতে বঞ্চিত হ'বলগীয়া হয়। বেয়াই লাগে দিয়ক।
— বেয়া লাগিবলৈ একো নাই বুজিছা। চৰকাৰে সুবিধা দিছে। সেই সুবিধা পাবলগীয়াই নল'লে নাপাবলগীয়াই ল'বই।
— মানে? বুজা নাই মই।
— ধৰা এক লাখ দুখীয়াক চৰকাৰে সহায় কৰিব খুজিছে; কিন্তু ৫০ হেজাৰহে আবেদন পৰিছে। তেতিয়া বাকী ৫০ হেজাৰ ধনী মানুহ হিতাধিকাৰীৰ তালিকাত সোমায়।
— ধনী হ'লে দৰিদ্ৰ লোকৰ আঁচনিত কেনেকৈ সোমায়?
— কি যে কোৱা তুমি? কিমান ডাক্তৰ, ইঞ্জিনীয়াৰ, চৰকাৰী বিষয়া-কৰ্মচাৰীৰ পত্নীয়ে গৰিব লোকৰ সা-সুবিধা ভোগ কৰি আছে তুমি কি বুজিবা?
— তেওঁলোকে কিয় অনাহকতে সুবিধা ল'বলৈ যায়?
— সুবিধা পালে কোনে নল'ব, কিয় নল'ব সেইটো কোৱাচোন? চিটিবাছত মহিলাৰ আসন খালী থাকিলে পুৰুষে বহে নে নবহে? সেইটো কিবা অপৰাধ নেকি?
— হ'লেও দৰিদ্ৰৰ কল্যাণৰ ধন ধনাঢ্য লোকে লোৱা অনুচিত। তেওঁলোকে উপাৰ্জনৰ প্ৰমাণ-পত্ৰ দিব নালাগে নেকি?
— লাগে।
— তেনেহ'লে তেওঁলোকক আপোনালোকে বাছনি কৰে কেনেকৈ?
— শুনা, আমি কাৰো মুখলৈ চাই হিতাধিকাৰী বাছনি কৰিব নোৱাৰো। তথ্য-পাতি মতেহে বাছনি কৰো। তথ্য-পাতি ঠিক-ঠাক নাথাকিলে দৰিদ্ৰ বুলি জানিলেও একো সহায় কৰিব নোৱাৰো আৰু ঠিকে থাকিলে ধনী বুলি জানিলেও দিবলৈ বাধ্য।



— ধনী মানুহে নিশ্চয় ভুল তথ্য দিয়ে। আৰু চৰকাৰী বিষয়াই সেই তথ্য গোপন বুজাবুজিৰে যোগান ধৰে। এইবোৰ জানিও আপোনালোক সচেতন নহয় কিয়?
— ধৰা তুমি চৰকাৰী চাকৰিয়াল। তুমি যিমান দৰমহা পোৱা সেইটো ফাঁকি দিব নোৱাৰা; কিন্তু তুমি যদি গৃহিণী হোৱা তেনেহ'লে তোমাৰ উপাৰ্জন যি বুলি কোৱা আমি তাকেই মানি ল'ব লাগিব। হয়নে?
— এইবোৰ কাৰচাজি কৰিবলৈ আপোনালোকেই অনুপ্ৰাণিত নকৰে জানো? আপোনালোকৰ অনুগ্ৰহ, পৰামৰ্শ অবিহনে এয়া জানো সম্ভৱ?
— ঠিকেই কৈছা। আমাৰ হাতত যিখিনি ক্ষমতা আছে সেইখিনিতো ব্যৱহাৰ কৰিমেই।
— অকল ব্যৱহাৰেই কৰে নে অপব্যৱহাৰো কৰে?
— মানুহৰ জীৱনলৈ সোণালী সুযোগ এবাৰহে আহে বুজিছা? সেই সুযোগ ল'ব নোৱাৰাটোৱেই মূৰ্খামিৰ পৰিচায়ক। মই মূৰ্খ হ'ব নোখোজো।
— হেৰি, কি কথা কৈছে আপুনি? মহাপাপত ডুবি মৰিব কিন্তু, কৈ থ'লো।
— থোৱাহে তোমাৰ পাপ-পুণ্য। পুণ্য কৰি অনাহাৰে পেটত গাঁঠি মাৰি থকাৰ পক্ষপাতী মই নহয়।
— লোভে পাপ, পাপেই মৃত্যু। কথাষাৰ মনত ৰাখিব।
— শুনা, আজিৰ যুগত টকাই সৰ্বস্ব। টকা নাথাকিলে ক'তো তোমাৰ স্থানো নাই, মানো নাই। বুজিলা?
— হেৰি, এটা কথা জানেনে?
— কি?
— অহংকাৰে কয় টকা কিমান, সংস্কাৰে কয় পৰিয়াল কেনেকুৱা, তৰ্কই কয় জ্ঞান কিমান, কথাই কয় ব্যৱহাৰ কেনেকুৱা, দৃষ্টিয়ে কয় চৰিত্ৰ কেনেকুৱা, স্পৰ্শই কয় উদ্দেশ্য কি?
— হা?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২০ মাৰ্চ, দেওবাৰ, ২০২২ পৃষ্ঠা ৫

# ভাৰতবৰ্ষৰ আদালতসমূহ অতীতৰ পৰা বৰ্তমানলৈ






অৱলোকন

ড° গোৱিন্দ প্ৰসাদ শৰ্মা

**আমাৰ** এই আলোচিত গ্ৰন্থখনক এক অমূল্য গ্ৰন্থ বুলি কোৱাত কাৰোবাৰ যদি কিবা আপত্তিও থাকে, তেন্তে তেনে লোকেও কিন্তু ইয়াক এক দুৰ্মূল্য গ্ৰন্থ বুলি মানি ল'ব। কি অসমীয়া ভাষাত পূৰ্বে এক নথকা বিষয়ৰ গ্ৰন্থ বুলি, কি তেনে এক বিষয়ৰ পৰিৱেশনৰ চমৎকাৰিত্বলৈ চাই, কি এই গ্ৰন্থৰ সামগ্ৰিক ভাষাশৈলীৰ বাবে এই গ্ৰন্থ নিঃসন্দেহে এখন অসমীয়া ভাষাত দুৰ্মূল্য গ্ৰন্থ। ডাঠ, দামী, চিলচিলীয়া কাগজ, পৃষ্ঠাই পৃষ্ঠাই একাধিক প্ৰাসংগিক দুষ্প্ৰাপ্য ৰঙীন আলোকচিত্ৰ প্ৰচুৰ পাদটীকা, সুদীৰ্ঘ গ্ৰন্থপঞ্জী-এইবোৰেৰে পুষ্ট এই গ্ৰন্থ এপিনে যদি এক মূল্যৱান গৱেষণা গ্ৰন্থ, আন পিনে একেসময়তে ই এক দৃষ্টিনন্দন, সকলো শ্ৰেণীৰ পাঠকৰ বাবে সুখপাঠ্য গ্ৰন্থ। ২২ ছেণ্টিমিটাৰ x ২৮ ছেণ্টিমিটাৰ আকাৰৰ ৫১৬ পৃষ্ঠাৰ এখন বৃহৎ বিলাসী সংস্কৰণৰ গ্ৰন্থ। সেই হিচাপে ইয়াৰ মূল্য ১৯০০ টকা বেছ সস্তা বুলিয়েই ক'ব লাগিব। অসম চৰকাৰৰ প্ৰকাশন পৰিষদৰ এনে ঐতিহাসিক গুৰুত্বৰ গ্ৰন্থত বাহিৰে ব্যক্তিগত উদ্যোগত প্ৰকাশিত এনে অসমীয়া গ্ৰন্থ পূৰ্বতে আমাৰ দুখনহে আছিল— হৰিনাৰায়ণ দত্তবৰুৱাৰ 'চিত্ৰ ভাগৱত' আৰু ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ 'এশ বছৰৰ অসমীয়া গদ্য-সাহিত্য।'

'ভাৰতবৰ্ষৰ আদালতসমূহ'ৰ বিষয়টো আমাৰ অসমীয়া কিতাপৰ পূৰ্বতে নথকা এক অভিনৱ বিষয় বুলি কৈছো এই বাবে যে অসমীয়া পাঠকৰ বাবে এনে এখন গ্ৰন্থ পূৰ্বতে নাছিল। আমাৰ আইনজীৱীসকল, আইনৰ অধ্যাপক-অধ্যাপিকাসকল, ছাত্ৰ-ছাত্ৰীসকলৰ এই গ্ৰন্থত উপলব্ধ বিভিন্ন দিশৰ বিভিন্ন কিতাপ ইংৰাজী ভাষাত সিঁচৰতি হৈ আছে; কিন্তু ভাৰতবৰ্ষৰ আইন-আদালতৰ সকলো কথা ঐতিহাসিক ৰূপত এনেদৰে আমাৰ পাবলৈ নাছিল। অৱশ্যে এই গ্ৰন্থ মূলতে অসমীয়াত ৰচিত হোৱা নাছিল। ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত আৰু ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ উদ্যোগত ভাৰতৰ ভিন ভিন আইনজ্ঞ বিদ্বান লোকৰ দ্বাৰা ইয়াক প্ৰথমতে ইংৰাজীত লিখোৱা হৈছিল। সেই মূল ইংৰাজী সংস্কৰণৰ অসমীয়া ৰূপান্তৰ এই গ্ৰন্থ। এই অসমীয়া ৰূপান্তৰ তথা অনুবাদ সম্ভৱ কৰি তোলা হৈছে আমাৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কেতবোৰ আইনজ্ঞ বিষয়াৰ সহযোগত আৰু মুখ্য ন্যায়াধীশৰ উদ্যোগত।

ভাৰতবৰ্ষৰ আইন ব্যৱস্থা আৰু তাৰ পৰিচয় তথা ইতিহাস নিঃসন্দেহে সকলোৰে বাবে এটা মানিবলগীয়া বিষয়। কিন্তু তেনে এটা বিষয় কেৱল আইনজীৱীসকলে বুজিব পৰা ভাষাত লিখিত হ'লে সি সাধাৰণ পাঠকৰ উপকাৰ সাধন নকৰে। এই গ্ৰন্থ কিন্তু উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ উদ্যোগত আইনজ্ঞৰ দ্বাৰা ৰচিত হ'লেও সাধাৰণ মানুহৰ বাবে সাধাৰণ অসমীয়া ভাষাত ৰচিত। ইয়াত বাহিৰে ইয়াৰ আনটো বৈশিষ্ট্য হ'ল, ভাৰতবৰ্ষৰ আইন ব্যৱস্থাৰ ঐতিহাসিক বিৱৰ্তনৰ পৰিচয় দিবলৈ যাওঁতে এই গ্ৰন্থই ব্ৰিটিছ যুগৰ পৰা এই পৰ্যন্ত ভাৰতৰ ৰাজনৈতিক, সামাজিক ইতিহাসখনো সুন্দৰকৈ ফুটাই তুলিছে। এই ৰাজনৈতিক, সামাজিক ইতিহাস কেৱল উকা ইতিহাসৰ ভাষাৰে ফুটাই তুলিলেও সি বৰ্তমান ৰূপত যিমান আকৰ্ষণীয়, সিমান আকৰ্ষণীয় নহ'লহেঁতেন। কিন্তু ব্ৰিটিছ ভাৰতবৰ্ষ আৰু স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ পৰিৱৰ্তন, বিৱৰ্তনৰ কাৰকসমূহৰ, তথা আইন প্ৰণয়নৰ পৃষ্ঠভূমিৰ যাৱতীয় তথ্যপাতি, নথি-পত্ৰ আদিৰ ইয়াত কেৱল উল্লেখেই নহয়, সেইবোৰৰ ৰঙীন আলোকচিত্ৰ পৰ্যন্ত তুলি ধৰা হৈছে। এই দুৰ্মূল্য আলোকচিত্ৰসমূহো সাধাৰণ আলোকচিত্ৰ শিল্পীৰ দ্বাৰা তোলা নহয়; এই গ্ৰন্থৰ বিশেষ উদ্দেশ্য আগত ৰাখি নিৰ্বাচিত দুই বিশিষ্ট আলোকচিত্ৰ শিল্পীৰ দ্বাৰা তুলি ধৰা— বিনয় ঠাকুৰ আৰু অমোঘ ঠাকুৰ। উচ্চতম ন্যায়ালয়ৰ বা কোনো উচ্চ ন্যায়ালয়ৰ প্ৰথম গৃহটোৰ ঠাইত নতুন গৃহ যদি নিৰ্মিত হৈছে, তেন্তে পুৰণি গৃহৰ ছবিৰ লগতে নতুন গৃহৰ ছবিও দেখুওৱা হৈছে। এই চিত্ৰ কেৱল ৰঙীন বা দৃষ্টিনন্দন ৰূপত উঠোৱাই নহয়, পূৰ্বৰটোৰ স্থপতিশৈলী আৰু নতুনটোৰ স্থপতিশৈলীৰো তাতেই আভাস দিয়া হৈছে। এই স্থপতিশৈলীৰ ৰূপ ভালকৈ বুজিব পৰাকৈ কেতিয়াবা একেটা গৃহ বা অট্টালিকাৰ একাধিক চিত্ৰৰো প্ৰয়োজন হৈছে। চিত্ৰৰ তলে তলে স্থান পাইছে বিৱৰণি টোকাই। ফলত এই গ্ৰন্থৰ গৃহ বা অট্টালিকাসমূহৰ চিত্ৰৰাজিতেই ভাৰতীয় স্থপতিশিল্পৰ বিৱৰ্তনমূলক ইতিহাসো ৰূপময় আৰু বৰ্ণময় হৈ ধৰা দিছে।



*পৱিত্ৰ কোৰান, আৰবী লিপি, বিহাৰ ১৬৬৭ খ্ৰীষ্টাব্দ। কোৰান হ'ল ইছলামিক ন্যায় ব্যৱস্থাসহ সকলো ইছলামিক সিদ্ধান্তৰ মূল উৎস। ইছলামিক জীৱনৰ কেন্দ্ৰবিন্দু কোৰানে এই কথা সুনিশ্চিত কৰে যে সুন্দৰ হস্তলিপি কলা আৰু সুন্দৰ চানেকিৰ ওপৰত আধাৰিত পাণ্ডুলিপিসমূহ যুগ যুগ ধৰি ইছলামিক জগতত সৃষ্টি হৈ আছে। উৎস ঃ ৰাষ্ট্ৰীয় সংগ্ৰহালয়, নতুন দিল্লী।*

আধুনিক ভাৰত বা স্বাধীনোত্তৰ ভাৰত আৰু তাৰ বিভিন্ন সৰু-বৰ ৰাজ্যৰ সকলো ৰাজনৈতিক, সাংবিধানিক সংকটেই ইয়াত স্থান পাইছে। তাৰ সামাজিক, ৰাজনৈতিক ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু তাৰ পৰিণতিত হোৱা ৰাজহুৱা আন্দোলন আৰু আনকি তাৰ নিৰ্বাচিত আলোকচিত্ৰবোৰেও ইয়াত স্থান পাইছে। এনেকৈয়ে আমাৰ এই আইন ব্যৱস্থাৰ বুৰঞ্জীখনেই ভাৰতৰ জনতাৰো ইতিহাস হৈ উঠিছে। হৈ উঠিছে ভাৰতৰ ৰাজনীতিৰো ইতিহাস।

ভাৰতৰ আইন ব্যৱস্থা বুলিলে ই মোগল শাসনৰ দিনৰ পৰা প্ৰচলিত এটা প্ৰথা বুলিহে সাধাৰণতে ভাব হয়। আইন শব্দটিয়েই মোগলসকলৰহে। কিন্তু এই গ্ৰন্থই দেখুৱাইছে যে ভাৰতত মোগল শাসনৰ আগতো হিন্দু আৰু বৌদ্ধ ধৰ্মৰ অনুশাসনবোৰৰ মাজেদি বা ধৰ্মশাস্ত্ৰবোৰৰ নিৰ্দেশিত পথেৰে দেশ শাসন কৰাৰ প্ৰথা আছিল। ইষ্ট-ইণ্ডিয়া কোম্পানীৰ শাসনৰ সময়ৰ পৰা ব্ৰিটিছ পাৰ্লামেণ্ট বা ব্ৰিটিছ আইনৰ অনুসৰণতেই ব্ৰিটিছ-ভাৰত শাসিত হৈছিল। এই গোটেই গ্ৰন্থখন দেশপ্ৰেমৰ ভাৱতেই ৰচিত যদিও, আজি-কালিৰ বা ব্ৰিটিছৰ দিনৰ আইনৰ কেতবোৰ-কেৰোণ বা এই আইনত প্ৰজাৰ অশান্তিৰ কাৰণ এই গ্ৰন্থয়ো দেখুৱাই দিছে। ব্ৰিটিছ শাসন কালত ভাৰতীয় প্ৰজাৰ প্ৰতি শাসক ব্ৰিটিছসকলৰ বিদ্বেষ বহু সময়ত ভাৰতীয় প্ৰজাই আইনৰ ন্যায় পোৱাৰ বাটত হেঙাৰ হৈছিল বুলি দেখুৱাই দিছে। স্বাধীন ভাৰতত আকৌ ভাৰতৰ বৃহৎ জনসংখ্যা আৰু বৃহৎ অঞ্চল অনুপাতে আইন-আদালত, ন্যায়াধীশ আদিৰ সংখ্যা বহুত কম বাবে ন্যায়দান, ন্যায় প্ৰাপ্তিত অভাৱনীয়ভাৱে বিলম্ব হয়। ফলত তাৰ বাবে হয় প্ৰজাৰ হাৰা, শাস্তি। সঘনাই এই গ্ৰন্থই প্ৰজাৰ পক্ষ লৈ থকা কথা দেখুৱাই আছে। আচলতে ন্যায় ব্যৱস্থা স্বাধীন হ'লেও তাক পোষণ কৰে চৰকাৰে চৰকাৰী ধনেৰে। ইয়াতেই মূল কেৰোণটো। তদুপৰি সঘনে ৰাইজে কৰা আন্দোলনৰ ফলত নতুন নতুন ৰাজ্যৰ সৃষ্টি হয়। এখন ৰাজ্য স্থাপিত হোৱা মানে এখন নতুন উচ্চ ন্যায়ালয়ৰ প্ৰয়োজন হয়। তাকে গঢ়ি তোলাত অকল চৰকাৰৰ ধনৰ প্ৰয়োজনেই নহয়, আন্তঃগাঁথনিৰো প্ৰয়োজন। এয়া সম্পূৰ্ণ হৈ নুঠালৈকে আকৌ প্ৰজাৰ বিলৈ।

এখন স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰৰ শাসনত বা আইনৰ আধাৰ হ'ল সংবিধানখন। স্বাধীনতাৰ আগে আগেই ভাৰতৰ স্বাধীনতা আন্দোলনৰ সৰ্বজনমান্য নেতা জৱাহৰলাল নেহৰুৱে এই কথা জানিয়েই স্বাধীনতাৰ আগে আগেই স্বাধীন ভাৰতৰ সংবিধান ৰচনাৰ উদ্যোগ লৈছিল। বিভিন্ন গোট সম্প্ৰদায়ৰ বছা বছা আইনজ্ঞ তথা নেতাৰে সংবিধানৰ এখন খচৰা ৰচনা কৰি উলিওৱা হৈছিল। তাৰ বিৱৰণ এক সুখকৰ কাহিনীৰ ৰূপত এই গ্ৰন্থই তুলি ধৰিছে। আমাৰ সংবিধান সেই প্ৰতিষ্ঠাতা পিতৃ-পুৰুষসকল, এই সংবিধানত ধৰা পৰা বিদেশী সংবিধানৰ প্ৰভাৱ আদি সকলো কথাই ইয়াত সুখপাঠ্য ৰূপত স্থান পাইছে।



*১৯৫৮ৰ চাৰি আগষ্টত উচ্চতম ন্যায়ালয় ভৱনৰ উদ্বোধনী অনুষ্ঠান উপলক্ষে ভাৰতৰ ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদ, ভাৰতৰ মুখ্য ন্যায়াধীশ এছ আৰ দাস, ভাৰতৰ উপ-ৰাষ্ট্ৰপতি ড° এছ ৰাধাকৃষ্ণণ, লোকসভাৰ অধ্যক্ষ অনন্তশয়নম আয়েংগাৰ আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ভৱনটো পৰিদৰ্শন কৰাৰ সময়ত*

আমাৰ ন্যায়ব্যৱস্থাটোৰ উৎপত্তি আৰু বিকাশৰ কথা এইদৰে বৰ্ণনা কৰাৰ পাছত ব্ৰিটিছ যুগৰ পৰা এই যুগলৈ ঘটিত হোৱা কিছুমান বিশেষ, বিশেষ চাঞ্চল্যকৰ অথচ শিক্ষাপ্ৰদ মোকদ্দমাৰ এই গ্ৰন্থই বিস্তৃত বৰ্ণনা দিছে। তাৰে ভিতৰৰ কেইটামান হ'ল ঃ মহাত্মা গান্ধীৰ বিৰুদ্ধে ব্ৰিটিছ চৰকাৰৰ ৰাজদ্ৰোহৰ গোচৰ, মথুৰা নামৰ এজনী যুৱতীৰ পুলিচ থানাতে হোৱা ধৰ্ষণৰ গোচৰ; নানাৱতী-ছিলভিয়া-প্ৰেম অহুজাৰ প্ৰণয় আৰু যৌন কাহিনীৰ ভাৰত কঁপাই যোৱা বিচাৰ; ব্ৰিটেইনত নিষিদ্ধ উপন্যাস ব্ৰিটিছ ঔপন্যাসিক ডি, এইছ ল'ৰেঞ্চ 'লেডী চেটাৰ্লীজ লাভাৰ'ৰ পেংগুইন সংস্কৰণ ভাৰতত প্ৰকাশিত হওঁতেই ৰাইজৰ মতামতলৈ বাট নাচাই প্ৰধানমন্ত্ৰী নেহৰুৱে নিজেই তাক অশ্লীল বুলি ভাৰতত নিষিদ্ধ কৰাৰ কাহিনী আদি। এই কাহিনীবোৰৰ বিশদ বিৱৰণে আমাৰ আইন ব্যৱস্থা আৰু তাৰ উপযোগিতা বুজি পোৱাত আমাক বিশেষভাৱে সহায় কৰিছে।

কিন্তু অসমীয়া গ্ৰন্থৰ নিচেই সীমিত আৰু সেৰেঙা বজাৰত এনে এখন বৃহৎ সুদৃশ্য, দামী গ্ৰন্থৰ প্ৰকাশ সম্ভৱ হ'ল কেনেকৈ? ভাৰত চৰকাৰৰ অকুণ্ঠ অৰ্থ সাহায্য বাৰু আছেই; কিন্তু সেই অৰ্থ সাহায্যক এনে এটি নিখুঁত উপাদেয় কৰ্মৰ ৰূপ দিয়াত ভাৰতীয় উচ্চতম ন্যায়ালয় তথা অসমৰ উচ্চ ন্যায়ালয়ৰ বহুতো বিজ্ঞ আইনজ্ঞৰ অকুণ্ঠ সঁহাৰিও আছে। এই গ্ৰন্থৰ অসমীয়া সংস্কৰণৰ সিদ্ধান্ত গ্ৰহণৰ সময়ত ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আছিল শ্ৰীৰঞ্জন গগৈ। তেওঁৰ সম্ভাৱনা নিশ্চয় এনেখন অসমীয়া গ্ৰন্থৰ গুৰিতে। কিন্তু সেই সম্ভাৱনাক এই গ্ৰন্থৰ ৰূপ দিয়াত যিসকল ব্ৰতী হ'ল, সেই সকল হ'ল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কেতবোৰ বিদ্বান আইনজ্ঞ। সেই লোকসকলৰ ভিতৰত যিসকল লোক এই গ্ৰন্থৰ প্ৰণয়নত জড়িত আছে বুলি অনুমান কৰিব পাৰি, সেইসকলৰ নাম গ্ৰন্থখনৰ আৰম্ভণিৰ পিনৰ প্ৰকাশনৰ সবিশেষ পৃষ্ঠাটোৰ পৰাই জানিব পাৰো। তাৰ পৰা বুজা যায়— এই গ্ৰন্থৰ অনুবাদকৰ মণ্ডলীটোত আছে আমাৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনোজিৎ ভূঞা, অনুবাদ শাখাৰ প্ৰাক্তন স্পেচিয়েল অফিচাৰ সুৰেশ শৰ্মা, দিতিমনি গগৈ, প্ৰশান্ত কুমাৰ ডেকা আদি।

অনুবাদৰ লগত জড়িত এই গ্ৰন্থৰ সহযোগী অনুবাদকসকল হ'ল; চয়নিকা মেধি, অৰ্চনা দেৱী, কংকনা বৰা, অপৰ্ণা দেৱী শৰ্মা, মায়াশ্ৰী মহন্ত, জাহ্নৱী গগৈ, সুভাষ চন্দ্ৰ দাস। (কম্পিউটাৰ সহযোগী)। গোটেই কামটোৰ গুৰিত নিশ্চয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পঞ্জীয়ক প্ৰধান ৰবীন ফুকন আৰু লগতে গৌতম বৰুৱা। কিন্তু এই সন্দৰ্ভত, সৰ্বশেষত ক'ব লাগিব যে এনে এটি অসমীয়া ভাষাত কাম এটি সুদক্ষ দলৰ দলীয় সহযোগিতাৰ ভিত্তিসহ সম্ভৱ। ভাষান্তৰিত ৰূপতো যেন ইয়াৰ ভাষা ইমান সাৱলীল অথচ সহজ-সৰল, তাৰ বাবে এই দলটিৰ দলীয় সহযোগিতা, যি সকলোৰে বাবে এক আদৰ্শ।

*ফোন ঃ ৯৮৫৪০৩১৬৭৬*



# অ' কণমানি চৰাই কতেনো হেৰালি তই

## আমি কেতিয়াও নিজস্বতা পাহৰি আনক অন্ধ অনুকৰণ কৰিব নালাগে

***২০ মাৰ্চ বিশ্ব ঘৰচিৰিকা দিৱস উপলক্ষে***

পাহাৰী গগৈ

*মুখত দুডাল দুবৰিবন দুডাল খৰিকা*
*মোৰ চোতালত ওমলিবিহি অ' ঘৰচিৰিকা'*

**চিৰিক্** চিৰিক্ মাতেৰে চোতালত দেও দি ঘূৰি ফুৰা কণমানি ঘৰচিৰিকাজনী আছিল সকলোৰে মৰমৰ। আপোনমনে গীত গাই গাই চোতালখনত পৰি ৰোৱা ধান-মাহ আদি খাই ফুৰা ঘৰচিৰিকা চৰাইজাক আছিল আমাৰ শৈশৱৰ লগৰী। জাক পাতি থাকি ভালপোৱা এইবিধ চৰাইয়ে সাধাৰণতে বাহ সাজিবলৈ ঘৰৰ চালৰ খেৰৰ কুটা, নৰাৰ অংশ আদি ব্যৱহাৰ কৰে। বৰ্তমান সময়ত গাঁৱৰ পৰা খেৰী ঘৰবোৰ নোহোৱা হোৱাত ঘৰচিৰিকা চৰাইৰ সংখ্যা ক্ৰমান্বয়ে কমি গৈছে। তদুপৰি আমাৰ চৌপাশৰ ম'বাইল টাৱাৰসমূহো এইবিধ চৰাইৰ সংখ্যা হ্ৰাস হোৱাৰ মুখ্য কাৰণ।

ঘৰচিৰিকা চৰাইৰ লগত আমাৰ সমাজ জীৱনৰ বহু কথাই জড়িত হৈ আছে। পুৰণি সাধুকথাতো ঘৰচিৰিকাৰ কাহিনী শুনিবলৈ পোৱা যায়। ঘৰচিৰিকাই হেনো ৰাজহাঁহৰ খোজটো নকল কৰিবলৈ গৈ নিজৰ খোজটোকে পাহৰি গ'ল। সেইবাবেই হেনো ঘৰচিৰিকাই জঁপিয়াই জঁপিয়াই খোজ কাঢ়ে। আচলতে সাধুটোৰ দ্বাৰা এইটোকে শিক্ষা দিব বিচাৰিছে যে আমি কেতিয়াও নিজস্বতা পাহৰি আনক অন্ধ অনুকৰণ কৰিব নালাগে। পুৰণি কিছুমান প্ৰবচনতো ঘৰচিৰিকাৰ কথা কোৱা হৈছে—

'ৰদো দিছে, বৰষুণো দিছে, খৰা শিয়ালৰ বিয়া,
ঘৰচিৰিকাই তামোল কাটিছে, আমাকো এখন দিয়া।'

শোৱাপাটীৰ পৰা আমাক জগাই তোলা ঘৰচিৰিকাৰ মাত কিন্তু আমাৰ নতুন প্ৰজন্মৰ বাবে তেনেই অচিনাকি।

কংক্ৰীটৰ পৃথিৱীৰ পৰা ভাৰ্চুৱেল পৃথিৱীৰ ঠেক গণ্ডীৰ মাজত আৱদ্ধ আমাৰ ভৱিষ্যত প্ৰজন্মক এই কণমানি নিৰ্জু চৰাইবিধৰ লগত চিনাকি কৰি দিবলৈ হ'লে আমি সকলোৱে নিজে নিজে কিছু প্ৰচেষ্টা হাতত ল'ব লাগিব।

খেৰ-কুটাৰ অভাৱত বাহ সাজিব নোৱৰা এই চৰাইবিধৰ বাবে আমাৰ ঘৰৰ চৌহদৰ গছবোৰত নতুন ঘৰৰ ছাদত কৃত্ৰিমভাৱে বাহ সাজি দিব পাৰো। বাহটোৰ ওচৰতে ধান, মাহ, পানীৰ যোগান ধৰিব পাৰো। এই কাম কৰিলে আমি ঘৰচিৰিকা প্ৰাণীটো সংৰক্ষণৰ বাবে সামান্য হ'লেও কিছু কৰা হ'ব। ঘৰচিৰিকা চৰাইৰ বিলুপ্তিৰ দিশটোলৈ চাই পৃথিৱীজুৰি সজাগতাৰ বাবে ২০ মাৰ্চ দিনটো 'বিশ্ব ঘৰচিৰিকা দিৱস' হিচাপে পালন কৰি অহা হৈছে।

আহক, আমি সকলোৱে মিলি আমাৰ মৰমৰ পক্ষীটিক আমাৰ মাজলৈ পুনৰ ঘূৰাই আনিবলৈ সংকল্পবদ্ধ হওক।

*ফোন ঃ ৮৪৮৬০৩৮৩৯১*

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# জ্ঞানপীঠ বিজয়ী, মৃত্যুঞ্জয়ৰ স্ৰষ্টা দ° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'প্ৰতিপদ' উপন্যাসত অসমৰ শ্ৰমিক সংগ্ৰামৰ ইতিহাস ১৯৩৯ৰ তেল ধৰ্মঘটৰ আজাদ হিন্দ ফৌজৰ চৰ্দাৰ সাধু সিং, কমিউনিস্ত কেদাৰ গোস্বামীৰ চহিদ চণ্ডি অহিৰ, প্ৰাণেশ্বৰ চৌধুৰী, সত্যেন চক্ৰৱৰ্তীক সুঁৱৰি

দ° দেৱব্ৰত শৰ্মা

**জনপ্ৰিয়** দৈনিক অগ্ৰদূতৰ এই শিতানটো পুথি সমালোচনাৰ নহয়। ইয়াত আমি ভাষা বা ইতিহাসৰ লগত সম্পৰ্কিত বিষয়বোৰহে আলোচনা কৰোঁ। সেই তাগিদাৰেই আজি আমি হাতত তুলি লৈছোঁ জ্ঞানপীঠ বিজয়ী দ0 বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ **'প্ৰতিপদ'** উপন্যাসখন, **'মৃত্যুঞ্জয়ৰ'** দৰেই ঐতিহাসিক এই উপন্যাসখন কিন্তু 1938-39 চনৰ ডিগবৈৰ তেল ধৰ্মঘটক বিষয়বস্তু লৈ লিখা এই উপন্যাসখন লৈ বিশেষ চৰ্চা হোৱা নাই।

ডিগবৈ তেল কোম্পানিৰ বৃটিচ মুৰব্বি চাহাবৰ কথাৰে আমি পৰিস্থিতিৰ আন্দাজ কৰিব পাৰোঁ ঃ

"চহৰত টেৰ'ৰিষ্ট সোমাৱা বুলি শুনাৰপৰা চাহাবৰ ভয়ত তৎ নাই। প্ৰত্যেক দিনাই বনুৱাৰ উপস্থিতি-অনুপস্থিতিৰ ওপৰত চোকা নজৰ। ব্যক্তিগত আচৰণত কুচ। ইফালে চহৰত বেলেগ বেলেগ ধৰ্মৰ মানুহ আছে, প্ৰত্যেকটো সম্প্ৰদায়েই পৰ্বত দৰমহাসহ ছুটী বিচাৰিছে, মন্দিৰ-মছজিত কৰিবলৈ মাটি বিচাৰিছে, নিজ নিজ ভাষাত স্কুল বিচাৰিছে, ডাক্তৰ আৰু দৰবৰ সা-সুবিধা বিচাৰিছে আৰু সবাতোপৰি বিচাৰিছে ঘৰ। কিন্তু টাওলাৰ চাহাব বৰ সন্দিগ্ধ চিত্তৰ মানুহ। দাবী বা মিটিং কৰিলেই টেৰ'ৰিষ্ট বা কংগ্ৰেছী আহি পালেহি বুলি ভয় খায়। ইতিমধ্যে মানুহ কমাবলৈ বন্দৱস্ত কৰি থৈছিল। যোৱা কেইদিনত তাৰ বঙলাত কেইবাখনো গুৰগুৰীয়া মেল হ'ল। জিলাপচী চাহাব গৈছে নতুন ড্ৰিলিং মেচিন আৰু আন নতুন মেচিন অৰ্ডাৰ দিবলৈ। ইয়াৰ পিছত কাৰ কি হয় কোনে জানে। ইফালে চাহাবে কি ভাৱে চাহাবেহে জানে।"

এই সংগ্ৰামত নেতৃত্ব দিছিল কোনে? উপন্যাসৰ মতে ঃ

"অতিশয় বিদ্বান মানুহ গোস্বামী। কংগ্ৰেছৰ কামত দুই-তিনিবাৰ জে'ল খাটিছে—তাকো তৃতীয় শ্ৰেণীৰ কয়দী হৈ। বলাইচাঁদো সাহসী কৰ্মী, কোনোবা অস্ত্ৰাগাৰ লুণ্ঠনত ভাগ লৈ বছৰ জে'ল খাটি ওলাই আহিছে। তেওঁলোকক আগবঢ়াবলৈ চেটাৰ্জী, বৰুৱা, মালা সিং, প্ৰধান সকলো ষ্টেশ্যনত ৰৈ আছেহি। কিন্তু সেই ষ্টেশ্যনৰ প্লেটফৰ্মতে আছিল বৰ্খাস্ত হোৱা খাদৰ বনুৱাবোৰ। সিহঁতে বিষণ্ণমনে ভাটীৰ গাৰীত উঠি যাবলৈ ৰৈ আছে। কিন্তু তেতিয়াও গাৰ্ডে হুইছেল মৰা নাই। উজনিৰ গাড়ীখন পোৱাহি নাই। অৱশ্যে অদূৰত উকি শুনা গৈছে। সেইখন পালেহিহে ইখন চলিব।"

চেটাৰ্জীৰ মন আঘাতত কাতৰ হৈ পৰিছে। মনত পৰাজয় আৰু বিষণ্ণতাৰ মনোভাৱ। এহেজাৰ বনুৱা খেদি দিলে, তথাপি মাত এটা নুফুটিল কাৰো মুখত। ইমান প্ৰতাপ কোম্পানীৰ। বাকী কিজনৰ খং। গোটেই চহৰতে নিৰাপত্তাৰ অভাৱ ঘটিছে। তাৰ উপৰি নতুন কল আৰু যন্ত্ৰ-পাতি অনাৰ কথা সকলোৱে মুখত শুনা গৈছে। প্ৰত্যেকখন ৰে'লতে চাকৰি বিচৰা মানুহ নামিয়েই আছে। এহেজাৰ বনুৱা গাইগুটীয়াকৈ মাত লগাবলৈ সময়ৰ অভাৱ হৈছে মালা সিংহঁতৰ। গোস্বামীহঁতৰ দিহা-পৰামৰ্শৰ বাবে ৰৈ আছে।"

কিন্তু আমি জানো বাস্তৱত এই গোস্বামীজন কেদাৰনাথ গোস্বামী, মালা সিং হৈছে পাঞ্জাবী শিখ আজাদহিন্দ ফৌজৰ সাধু সিং।

কি দাবি লৈ ডিগবৈৰ শ্ৰমিকসকলে আন্দোলন কৰিছিল? উপন্যাসখনতে আছে তাৰ উত্তৰ ঃ

"চাহাববোৰে ধন দিছে, বুদ্ধি দিছে আৰু এইবোৰ দি খাদৰপৰা তেল উলিয়াই শোধন কৰাৰ ব্যৱস্থা কৰিছে। ভাল কথা। সেইবাবেই তেওঁলোকে বনুৱাসকলক দমাই ৰাখিব ই কেনেকৈ সম্ভৱ হ'ব পাৰে? চহৰৰ কোনো বনুৱাৰ চাকৰিৰ স্থায়িত্ব নাই। লেবাৰ বুৰোই ইচ্ছামতে মানুহ লয় আৰু মানুহ বৰ্খাস্ত কৰে। কোম্পানীয়ে বনুৱাক আইনসঙ্গত ছুটী নিদিয়ে। পৰ্বৰ দিনত বেতনসহ ছুটী নাপায়। দৰমহাৰ হাৰো খুব কম। দিনে আঠ-দহ অনা হাজিৰা। কেৰাণীয়ে নিম্নতম বেতন পায় 25 টকা। মেডিকেল সুবিধাও আশানুৰূপ নহয়, দুৰ্ঘটনা হ'লে নিয়মিত ক্ষতিপূৰণ দিয়া ক'তো দেখা নাযায়। অলপতে খাদত বনুৱাৰ অসন্তুষ্টি হোৱাত বনুৱাবোৰে উপায়হীন হৈ কাম বন্ধ কৰে। বনুৱাৰে অ'ভাৰ টাইমৰ পইচা টিফিন আৰু পৰ্বত দৰমহাসহ ছুটী বিচাৰিছিল। সপ্তাহতো তেওঁলোকে ধৰা-বন্ধা নিয়মিত ছুটী নাপাইছিল। তদুপৰি খাদত কাম কৰা এজন বনুৱাক সামান্য জগৰতে বৰ্খাস্ত কৰি দিয়া হৈছিল। এইবোৰ কাৰণতে বনুৱাবোৰে কাম বন্ধ কৰে"।

গিয়াছুদ্দিনে আকৌ পঢ়িলে, "চাহাবসকলে তাৰে হোৰ তুলিবলৈ 1000û1500 বনুৱা বৰ্খাস্ত কৰিলে। বৰ্খাস্ত হোৱা মানুহবোৰ গুজৰি-গুমৰি মৰিল। কিন্তু তেওঁলোকক খেদি দিয়া হ'ল। তাৰ ঠাইত নতুন মানুহ লোৱা হ'ল।"

"ইস্মাইলে আকৌ চকু মুদিলে। এইবাৰ মনশ্চক্ষুত ভাহি উঠিল পান্নুৰ ছবি নহয়, এহেজাৰ বৰ্খাস্ত হোৱা বনুৱাৰ ছবি। ল'ৰা-ছোৱালী-তিৰোতা লৈ সিহঁত আজি ক'ত আছেগৈ? সেই এহেজাৰ বনুৱাৰ ভাল পোৱাৰ বা খোৱা-পিন্ধা-থকাৰ কিবা জানো সুবিধা হ'ল? তাৰ অন্তৰে কান্দি উঠিল।

গিয়াছুদ্দিনে আকৌ পঢ়িলে, "তাৰ পিছত এক নতুন বৰ্খাস্তৰ পৰ্ব আৰম্ভ হ'ল। নতুন যন্ত্ৰ-পাতি আৰু সাজ-সৰঞ্জাম বিলাতৰ পৰা অনাই দহোটা বা পাঁচোটা মানুহৰ কাম এটা যন্ত্ৰই কৰিব পৰা কৰিলে। ফলত আৰু মানুহ কাম নাই বুলি খেদাব লগা হ'ল। কোম্পানীয়ে মানুহ চাই চাই ওপৰলৈ তুলিলে, মানুহ চাই চাই তললৈ নমালে। কোনো নিয়ম নাই। খুছী মতে। এ বি চি ডি আদি ভাগত বিভক্ত কৰি কিছুমান ঘৰ সজা হ'ল, কিন্তু বেছিভাগ ঘৰতেই লাইট, পানী, গা ধোৱা আৰু আন আন লাগতিয়াল সা-সুবিধাৰ অভাৱ। কভেনেন্টেড ষ্টাফ আৰু চাহাব থকা ঘৰবোৰৰ তুলনাত এই ঘৰবোৰ গৰু গোহালি। চাহাবৰ বঙলাত বিজুলী পাংখাই বহুত; তেনেদৰে লাইট পানীৰ টেপ, পৰ্দা, কাৰপেট, ডাইনিং ৰূমৰ ছেট, ড্ৰইং ৰূমৰ ছেট, টেলিফোন, মটৰ, খানচামা আৰু বাবুৰ্চি। আনহাতে, ডঙুৱা থকা ঘৰবোৰে ঘনকৈ বেৰেকৰে ৰাজহুৱা। ঘৰবোৰত চিলিঙ নাই। তাত বতাহ আৰু পোহৰ সোমোৱা টান। বিবাহিতসকলৰ বাবে কিছুমান ঘৰ আছে। ঘৰবোৰত মাইকী মানুহৰ বাবেও গা ধোৱা ঘৰ নাই। পানী কলবোৰ ৰাজহুৱা। ঠিকাদাৰৰ বনুৱাবোৰৰ অৱস্থা আৰু বেয়া। সিহঁত গেলা বস্তীত থাকে।"

সেই লিফলেত প্ৰচাৰৰ পাচত ডিগবৈৰ পৰিস্থিতিৰ বৰ্ণনা এয়া ঃ

"ডিগবৈত লিফলেট ওলাইছে। চহৰৰ আলিবাটে আলিবাটে আছাম লাইচ ইনফেন্ট্ৰিৰ চহাববোৰে ঘোঁৰাত উঠি ঘুৰিছে। মাজে মাজে মাকুম কিল্লাৰপৰা আছাম ৰাইফলছৰ সেনাও আহিছে। এহেজাৰ খাদৰ বনুৱাই কাম বন্ধ কৰাৰেপৰা চাহাববোৰ সন্ত্ৰস্ত হৈ পৰিছে। পলিচ কমিশ্যনাৰ সঘনে আহিব লগা হৈছে। সকলো বনুৱাৰে চাল-চলনৰ ওপৰত চোকা চকু। বাবুৰ্চি, খানচামা, বেহেৰা, মালী কোনো বাদ পৰা নাই। সকলোৰে চৰন-ফুৰণৰ নিয়মিত খতিয়ান লোৱা হয়। সিং ঠিকাদাৰে ইপালে টেৰ'ৰিষ্ট সোমোৱাৰ মিছা-বাতৰি দি ফুৰিছে গোটেইখনতে।

গিয়াছুদ্দিনৰ ভাব আছিল চাহাববোৰে অন্ততঃ ভয় নাখায়। কিন্তু বনুৱাৰ ভয়ত যে সিহঁত এনেকৈ বিতত হ'ব, তাক তেওঁ ভাবিব পৰা নাছিল। টেৰ'ৰিষ্ট আন্দোলন কলিকতাত হৈছে, কিন্তু ইয়াত হোৱা নাই। কৰা মানুহো তেওঁ দেখা নাই। সসাগৰা পৃথিৱীৰ যিসকল অধিপতি হ'ল, সেইসকলৰ নিঃশঙ্ক বুকু কিয় এই ধৰ্মঘটৰ ভয়ত কঁপি উঠিল? গিয়াছুদ্দিনৰ হাঁহি উঠিল। ব্ৰিটিছ সিংহক কঁপাব পৰা কিবা এটা গুপ্ত শক্তি তেনে এই শিয়ালমখাৰ মাজতো আছে? সম্পত্তিৰ ভয় নে প্ৰাণৰ ভয়? সিহঁতৰ হাতত বিজ্ঞানৰ শক্তি আছে, তাৰ ফলত এই সুদূৰ ঠাইতো তেল উলিয়াইছেহি। সিহঁতৰ হাতত অস্ত্ৰৰ শক্তি আছে, তাৰ বলেৰে পৃথিৱী জয় কৰি ইউনিয়ন জেক পুতিছে। তথাপি সেই শক্তি যেন জনবলৰ ভয়ত কঁপি উঠিছে।

সংগ্ৰামী নেতাসকলৰ মাজত চৰ্চা চলিছে ঃ

চেটাৰ্জীয়ে ক'লে, "ইউনিয়ন লাগে ৰাজনৈতিক কাৰণে। এদিন চাহাববোৰ আমাৰ দেশৰ পৰা যাবগৈ। তেতিয়া বনুৱাবোৰেই কোম্পানী চলাব লাগিব।"

বৰুৱাই টেমাৰপৰা এখন তামোল উলিয়াই খাই হাঁহি ক'লে, "বনুৱাই কোম্পানী চলাব, আমাৰ সুখ হ'ব, সেইবোৰলৈ বহুত দিন। আহক বাৰিষা কাটক পাত, ৰৈ যা ভিনীহি, খাই যা ভাত।"

চেটাৰ্জীয়ে ক'লে, "নহয়। শুনিছেতো ৰুছ দেশত কি হৈছে? বনুৱাৰ ৰাজত্ব প্ৰতিষ্ঠা হৈছে। চেষ্টা কৰিলে আমাৰ দেশতো হ'ব। নহ'ব কিয়? একে তেজ-মঙহৰ মানুহ।"

বৰুৱাৰ মুখখন গহীন হৈ গ'ল, ক'লে, "আমাৰ শহুৰে তাকেই কয়। জনাৰ্দন গোস্বামীৰো মত সেইটোৱেই। কিন্তু ইউনিয়ন অকল ইয়াত হ'লে কি হ'ব? চাহ বাগানত ক'তা? ৰে'লৱেত ক'তা?



"তাকেইতো। অসুবিধা বহুতো।" চেটাৰ্জীয়ে ক'লে, "কিন্তু—"

কথাবোৰ ক'ব নোৱাৰে চেটাৰ্জীয়ে। বুকুত স্বপ্নৰ মহাভাৱঃ শোষণৰ অৱসানৰ স্বপ্ন।

কিন্তু কোন এই চেটাৰ্জী?

চেটাৰ্জীয়ে ক'লে, "প্ৰয়োজন অনুভৱ কৰা নাই। খালি এটা উদ্দেশ্যৰ বাবেই জীয়াই আছোঁ. জানেতো এসময়ত টেৰৰিষ্ট আছিলোঁ। গাৰ তেজ দি লিখি দিছিলোঁ— স্বাধীনতা আনিম। বহুত কমৰেড মৰি গ'ল। মই বাচি আছোঁ তেওঁলোকৰ আধৰুৱা কাম পূৰণ কৰিবলৈ। কিবা এটা কৰি যাব পাৰিলেই হয়।"

দুয়োটা আচৰিত হ'ল। সিংজি আৰু থানাৰ অ.চি মিশ্ৰহঁতে তেন্তে মিছা কোৱা নাই। এই চহৰত টেৰ'ৰিষ্ট নহ'লেও প্ৰাক্তন টেৰ'ৰিষ্ট আছে।

বৰুৱাই ক'লে, "তেনেহ'লে ইমান গোপনে আছে কিয়? আমিয়েই নেজানো।"

"জনাই লাভ কি?" চেটাৰ্জীয়ে ক'লে, "আপোনালোকে জানিনো কি কৰিব? কিন্তু পৰাধীনতাৰ যাতনা হাড়ে হাড়ে অনুভৱ কৰিছোঁ। নেজানো কেনেকৈ কেতিয়া দেশ স্বাধীন হয়। কিন্তু সেইবাবেই জীয়াই আছোঁ। ইউনিয়ন হ'লে স্বাধীনতাৰ ভেটি প্ৰতিষ্ঠা হ'ব ইয়াত। স্বাধীনতা হ'ল বনুৱাৰ ৰাজত্ব।"

এইবাৰ বৃটিচ চাহাবৰ প্ৰতিক্ৰিয়া পঢ়ক ঃ

"টেৰ'ৰিষ্টৰ ভয়ত চাহাববোৰ বোলে ত্ৰস্তমান। নাচিৰুদ্দিনে খবৰ দিলেহি জিলাপচী চাহাবে দুকাষে দুটা গুলীভৰা বন্দুক নোলোৱাকৈ ৰাতি শুবই নোৱাৰে। অকল জিলাপচী চাহাবেই নহয়, ক'লা চাহাব সিংজীয়ে বোলে তিনিটা বন্দুক ৰাখে বিছনাত আৰু থানাৰ অ.চি. মিশ্ৰই বোলে ওৰে ৰাতি থানাতে থাকিব লাগে। কোন মুহূৰ্তত কি হয় একো ঠিক নাই। ইয়ো এটা চাঞ্চল্যকৰ খবৰ চহৰৰ।"

এই আন্দোলনৰ প্ৰভাৱ দেশজুৰি পৰিল। বৃটিচ পুঁজিৰ দ্বাৰা পৰিচালিত কলকাতাৰ কাকতত কি ওলাল?

"মিচেচ ফ্লেমিঙে

মেজৰ ওপৰত পৰি থকা 4 এপ্ৰিলৰ 'ষ্টেটছমেন' কাকতখন খুলি ল'লে —

RED SEIZED THE TOWN

পাঁচ কলমৰ বিৰাট শিতান। বিপ্লৱীসকলৰ কবলত চহৰ।

কাগজখন বৰ্ণনা পঢ়োতে মিছেছ ফ্লেমিঙৰ উশাহ-নিশাহ বন্ধ হ'বৰ উপক্ৰম হ'ল।

এই চহৰখন ষড়যন্ত্ৰকাৰীসকলে হেনো অধিকাৰ কৰি পেলালে। কল-কাৰখানা, দোকান-পোহাৰ সকলো বন্ধ।"

কিন্তু কোন এই মিছেছ ফ্লেমিং? কোম্পানিৰ বৰচাহাব মিঃ ফ্লেমিঙৰে পৰিবাৰ। কিন্তু,

"হোৱাই-নোহোই বনোৱাৰ কথা লৈ তৰ্কাতৰ্কি কৰাটোও মিছেছ ফ্লেমিঙৰ বদ অভ্যাসত পৰিণত হৈছে। কথায় কথায় কয়— ইংলেণ্ডৰ বনুৱাই যদি ইউনিয়ন কৰিব পাৰে, ভাৰতৰ বনুৱাই বা কিয় নোৱাৰিব? আৰু অনেক অভিযোগ বৰ চাহাবৰ মনত ঠাহ খাই আছে। সেইবোৰ মনৰ একান্ত গোপনীয়। সময়-অসময়ে পৰ্বতত ফুৰিবলৈ যায় মিছেছ ফ্লেমিং। এনথ্ৰ'পল'জিৰ জ্ঞান আছে গতিকে পৰ্বতীয়া জাতিবোৰৰ কথা জানিবলৈ তাত গৈ থাকেগৈ। কেতিয়াবা অকলে যায়, কেতিয়াবা লগত মানুহ লৈ যায়। এইবোৰ অকলশৰীয়া ভ্ৰমণ অসহ্য হৈ পৰিছে মিঃ ফ্লেমিঙৰ বাবেই। অসহ্য হৈ উঠিছে।"

"মিছেছ ফ্লেমিং অতিষ্ঠ হৈ পৰিছে লিখি আছে কাৰণে কোনোৰকমে তিষ্ঠি আছে। নহ'লে একেবাৰে বিদ্ৰোহিনীৰ দৰে। ইয়াত হেনো ইংৰাজবোৰ 'ফৰেইন আন্টচেবোলচ্' আৰু এবিধ অস্পৃশ্য আছে হিন্দু সমাজত 'নেটিভ আন্টচেবোলচ্'। চেগ্ৰিগেশ্যন পূৰাদমে চলিছে।"

অৱশেষত আহিল অসমৰ শ্ৰমিকসংগ্ৰামৰ সেই তেজেতিতা দিনটো। ধৰ্মঘট ভাঙি ভাৰাতীয়া শ্ৰমিকেৰে কাম চলাব বিচৰাৰ বিৰুদ্ধে জংগি প্ৰতিৰোধ গঢ়ি তুলিলে শ্ৰমিকে ঃ

"লগে লগে চণ্ডীৰ বুকুত গুলী পৰিল। বৰুৱাই দেখিলে তেওঁৰ ওচৰৰ পৰাই জিলাপচীয়ে বন্দুকেৰে গুলী কৰিছে। তেওঁ সহিব নোৱাৰিলে। তেওঁ চিঞৰি উঠিল, 'হত্যাকাৰী'।

গুলীৰ শব্দই জুমটোৰ মাজত ভয়ৰ সঞ্চাৰ কৰিছে, কিন্তু কেইটামান মানুহে অকণো ভয় কৰা নাই। গিয়াছুদ্দিনে চণ্ডীৰ ৰাঙলী দেহটো গাৰ ওপৰত তুলি লৈ চিঞৰি, ওচৰৰ মানুহবোৰক কৈছে, 'আপোনালোকে ভয় নাখাব। আমি খাবলৈ নেপাই মৰিলেও মৰা, গুলী খাই মৰিলেও মৰা একে কথা।'

লগতে চহিদ হ'ল বোধন আৰু বৰুৱাও। কিন্তু তেওঁলোকৰ চহিদিৰ পাচতো শেষ হোৱা নাই প্ৰতিবাদ

"বনুৱাবোৰ ৰে'লৰ ডবাত নোসোমাই ৰে'লৰ লাইনৰ আগত বহি গ'ল। এটা দুটা বনুৱা নহয়, দুহেজাৰ বনুৱা।

সিহঁতৰ কাৰো ভয়-সংশয় নাইকিয়া হৈছে। মনত প্ৰতিৰোধৰ ভাব জাগি উঠিছে। কাৰো নেতৃত্বলৈ সিহঁতে বাট চাই থকা নাই বহিছে কোন? লচমী। পান্নু। বৰুৱানী—

বৰুৱানীৰ কোলাত এটা শিশু।"

আজি যে ন-জীৱনৰ প্ৰতিপদ!

লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক·

*ফোন ঃ ৯৪৩৫৩৫১২৫৫*




# ভৱিষ্যতৰ বিত্তীয় সুৰক্ষাৰ বাবে কি কৰিব ?

নিজৰ অজ্ঞতা, সচেতনতাৰ অভাৱ বা অভিজ্ঞ পৰামৰ্শদাতাৰ অভাৱৰ বাবেই বহুতে পৰিকল্পিত ধৰণে লাভ আহৰণত ব্যৰ্থতাৰ সন্মুখীন হ'বলগীয়াত পৰে আজিও। যুৱ প্ৰজন্মৰ মাজত ইপিএফ, বীমা, শ্বেয়াৰ আদিৰ জনপ্ৰিয়তা বিগত কেইটামান বছৰত লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে। বিশেষকৈ কৰ'নাৰ পাছৰে পৰা বীমাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব কিমান বেছি তাৰ ভালদৰে বুজি উঠিছে ভাৰতীয় সকলে।

## ইপিএফ, জীৱন বীমা, ছেলাৰী একাউন্টৰ গৰাকীয়ে এইবোৰ ভুল নকৰিব...

**বিনিয়োগৰ** প্ৰতি ভাৰতীয়সকলৰ উৎসাহ আৰু আগ্ৰহ পূৰ্বৰ তুলনাত এতিয়া ভালেখিনি বৃদ্ধি পাইছে। কিন্তু নিজৰ অজ্ঞতা, সচেতনতাৰ অভাৱ বা অভিজ্ঞ পৰামৰ্শদাতাৰ অভাৱৰ বাবেই বহুতে পৰিকল্পিত ধৰণে লাভ আহৰণত ব্যৰ্থতাৰ সন্মুখীন হ'বলগীয়াত পৰে আজিও। যুৱ প্ৰজন্মৰ মাজত ইপিএফ, বীমা, শ্বেয়াৰ আদিৰ জনপ্ৰিয়তা বিগত কেইটামান বছৰত লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে। বিশেষকৈ কৰ'নাৰ পাছৰে পৰা বীমাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব কিমান বেছি তাৰ ভালদৰে বুজি উঠিছে ভাৰতীয় সকলে। ফলস্বৰূপে শেহতীয়াকৈ স্বাস্থ্য, জীৱন বীমা আদিত বিনিয়োগ কৰা লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। কিন্তু ভাৰতত বিনিয়োগকাৰীৰ অজ্ঞতাৰ বাবে অথবা তেওঁলোকে কৰা কেতবোৰ ভুলৰ বাবে পাবলগীয়া বীমাৰাশি হেৰুৱাবলগীয়া হোৱাৰ বহু ঘটনাৰ নজিৰ আছে। এয়া মাথোঁ এটা উদাহৰণহে। বিনিয়োগৰ বাটত পদে পদে মুখ থেকেচা খাবলগীয়া হয় বহুতে। সেয়েহে এইখিনিতে প্ৰয়োজন হয় অভিজ্ঞ বিত্তীয় পৰামৰ্শদাতাৰ দিহাৰ।

**চাকৰি সলনি কৰিলে ইপিএফ একাউন্টত জমাকৃত ধনৰ স'তে কি কৰাটো প্ৰয়োজন সেই সন্দৰ্ভত বিশেষজ্ঞৰ দিহা ঃ**

বৰ্তমানৰ যুৱ প্ৰজন্মৰ মাজত ভাল অভ্যাসেই বোলক অথবা বদ অভ্যাসেই, বাৰে বাৰে চাকৰি সলনি কৰাটো এতিয়া এক ট্ৰেণ্ড বা প্ৰৱণতাৰ দৰে হৈ পৰিছে। চাকৰিৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে ভৱিষ্যনিধি বা পিএফৰ বিষয়টো। অৱসৰৰ পাছত পিএফৰ সঞ্চয়েই বহুতৰ বাবে একমাত্ৰ বিত্তীয় সম্পদ হৈ পৰে। কিন্তু এই ক্ষেত্ৰত, সকলোৰে মনত এটা প্ৰশ্ন উত্থাপিত হয় যে চাকৰি সলনি কৰিলে, পিএফৰ ধন উলিওৱাৰ প্ৰয়োজন আছে নেকি? এই ক্ষেত্ৰত, অৰ্থনৈতিক বিশেষজ্ঞসকলে কয় যে চাকৰি সলনি কৰাৰ লগে লগে পিএফৰ ধন উলিওৱাৰ কেনো দৰকাৰ নাই আৰু পৰাপক্ষত নুলিওৱাই ভাল। কিয়নো যদি ইউনিভাৰ্চেল একাউণ্ট নম্বৰ বা ইউএএন একাউণ্ট থাকে, চাকৰি সলনি হোৱাৰ পাছত নতুন পিএফ একাউণ্ট খোলাৰ প্ৰয়োজন নাথাকে। ভৱিষ্যনিধি সম্বন্ধীয় সকলো সুবিধা প্ৰাপ্ত কৰাৰ বাবে সমগ্ৰ দেশতে এটা একাউণ্টেই যথেষ্ট। চৰকাৰৰ অন্যান্য ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ তুলনাত ইপিএফৰ সুতৰ হাৰো সৰ্বাধিক। বৰ্তমান, চৰকাৰে ৮.১ শতাংশ হাৰত পিএফৰ সুত পৰিশোধ কৰি আছে। তদুপৰি পিএফৰ ক্ষেত্ৰত বছৰি ১.৫ লাখ টকালৈকে বিনিয়োগৰ ওপৰত আয়কৰ ৰেহায়ো উপলব্ধ। ইয়াৰ বাহিৰেও যদি মাজতে পিএফৰ ধন উলিওৱা নহয়, তেন্তে অৱসৰৰ পাছত এককালীন বৃহৎ পৰিমাণৰ ধনৰাশি উপলব্ধ কৰিব পাৰি আৰু এই ধন সম্পূৰ্ণৰূপে কৰ মুক্ত।

**জীৱন বীমা আছে যদি বীমাৰ দাবী বাতিল নহ'বলৈ কি কৰাৰ দিহা দিয়ে বিশেষজ্ঞই ঃ** ভৱিষ্যতৰ বিষয়ে চিন্তা কৰিয়েই বহুলোকে জীৱন বীমা আঁচনিত ধন বিনিয়োগ কৰে। দুৰ্ঘটনাজনিত লাভালাভৰ বাবেও বহুলোকে বীমাত বিনিয়োগ কৰে। আকস্মিকভাৱে মৃত্যু হ'লে যাতে মৃতকৰ পৰিয়ালটোৱে জীৱন বীমা কোম্পানীৰ পৰা এক বৃহৎ পৰিমাণৰ ধন লাভ কৰে, মুলতঃ সেই উদ্দেশ্য আগত ৰাখিয়েই সকলোৱে জীৱন বীমা পলিচী ক্ৰয় কৰে। সেয়েহে বজাৰত এনে বীমাৰ যথেষ্ট চাহিদা আছে। অৱশ্যে, প্ৰায়ে দেখা যায় যে জীৱন বীমা থকা ব্যক্তি এজনৰ মৃত্যুৰ পাছত, যেতিয়া তেওঁৰ পৰিয়ালে তেওঁৰ বীমা দাবী কৰিবলৈ বীমা কোম্পানীলৈ যায়, কোম্পানীয়ে তেওঁৰ আবেদন নাকচ কৰে। সাধাৰণতে টাৰ্ম ইঞ্চুৰেন্স বা ম্যাদী বীমাৰ ক্ষেত্ৰত এই ধৰণৰ ঘটনা সততে ঘটা দেখা যায়। বহু সময়ত দেখা যায় যে, বীমা আঁচনিখন ক্ৰয় কৰাৰ আগতে ব্যক্তিজনৰ দেহত কোনো ৰোগে বাহ হৈছিল, কিন্তু পলিচীখন ক্ৰয় কৰাৰ সময়ত তাৰ পৰা সাময়িকভাৱে মুক্তিলাভ কৰা বাবেই হওঁক নাইবা লুকুৱাই ৰখাৰ উদ্দেশ্যৰেই হওঁক, বেমাৰৰ কথা উল্লেখ নকৰে। এনে ক্ষেত্ৰত পাছলৈ যদি ব্যক্তিজন সেই ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে, তেন্তে তেওঁৰ পৰিয়ালে বৃহৎ সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিব পাৰে। দৰাচলতে আঁচনি এখন ক্ৰয় কৰোতে সকলো সমস্যা সৰু ভুলৰ পৰাই আৰম্ভ হয় আৰু ফলস্বৰূপে বীমাৰ দাবী নাকচ কৰা হয়। গতিকে মনত ৰাখিব, যদিহে আপুনি সাধাৰণ বীমা পলিচী এখন ক্ৰয় কৰাৰ সময়ত আপোনাৰ কোনো শাৰীৰিক ৰোগ লুকুৱাই ৰাখে বা সুৰা আৰু ধূমপানৰ অভ্যাসৰ দৰে তথ্য লুকুৱাই ৰাখে, তেন্তে বীমা দাবী বাতিল হোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

**চাকৰি সলনিৰ লগে লগে দৰমহাৰ একাউন্টো সলনি কৰাৰ প্ৰয়োজন আছেনে ঃ**

আপুনি এটাৰ পাছত আনটো



ভাল চাকৰিৰ সুযোগ পাইছে নেকি? নতুন চাকৰিৰ স'তে দৰমহাৰ একাউণ্টো সলনি কৰিছে নেকি? প্ৰকৃততে ইয়াৰ প্ৰয়োজন আছেনে বাৰু? বিত্তীয় পৰামৰ্শদাতা তথা বিনিয়োগ বিশেষজ্ঞই অৱশ্যে এনে কৰাৰ কোনো প্ৰয়োজন নাই বুলি পৰামৰ্শ দিয়ে। বৰঞ্চ নতুন চাকৰিৰ স'তে দৰমহাৰ একাউণ্ট সলনি কৰিলে আপুনি জৰিমনা পৰিশোধ কৰিব লগাহে হ'ব পাৰে। সঘনাই চাকৰি সলনি কৰি একাধিক বেংক একাউণ্ট খুলিলে অধিক সতৰ্কতাও অৱলম্বন কৰিব লাগে। নিয়ম অনুসৰি, যদি এজন ব্যক্তিৰ কোনো এটা বেংকত একাউণ্ট এটা আগৰে পৰাই থাকেই, তেন্তে তেওঁক সেইটো বেংকত দ্বিতীয়টো একাউণ্ট খুলিবলৈ অনুমতি দিয়া নহয়। তদুপৰি, যদি দৰমহা একাউণ্টত নিয়মীয়াকৈ টকা জমা কৰা নহয়, আপুনি একাউণ্টটো পুনৰ আৰম্ভ কৰিবলৈ এক বৃহৎ পৰিমাণৰ জৰিমনাও পৰিশোধ কৰিব লগা হয়। সকলো দৰমহা একাউণ্ট হৈছে 'শূন্য বেলেন্স একাউণ্ট'। একেৰাহে তিনি মাহ ধৰি যদি সেই একাউন্টত টকা নোসোমায়, তেন্তে তেনে একাউন্ট জমা একাউন্টলৈ ৰূপান্তৰিত হয়। প্ৰতিটো জমা একাউন্টত যিহেতুকে ন্যূনতম বেলেন্স জমা ৰখাৰ নিয়ম, গতিকে এনে পৰিস্থিতিত উপভোক্তাৰ সমস্যা বাঢ়িব পাৰে। একাউন্টৰ ধৰণ অনুযায়ী ন্যূনতম ৫০০ টকাৰ পৰা ১০ হেজাৰ টকা পৰ্যন্ত ন্যূনতম বেলেন্স ৰাখিবলগীয়া হ'ব পাৰে উপভোক্তাই। যদিহে একাউণ্টত সিমান পৰিমাণৰ নিম্নতম বেলেন্স নাথাকে, তেন্তে জৰিমনা হিচাপে একাউন্টৰ পৰা প্ৰতি মাহে এক নিৰ্দিষ্ট পৰিমাণৰ ধন কৰ্তন কৰা হয়। ইয়াৰ বাহিৰে, একাউণ্টটো খুলিবলৈ বেংকে গ্ৰাহকৰ পৰা অতিৰিক্ত একো মাচুল নল'লেও, ডেবিট কাৰ্ড-চেকবুককে ধৰি একাধিক সেৱাৰ বাবে বছৰি কিছু টকা কৰ্তন কৰে। গতিকে চাকৰি সলনিৰ লগে লগে পৰাপক্ষত ছেলাৰী একাউন্ট সলনি নকৰিবলৈ পৰামৰ্শ দিয়ে বিশেষজ্ঞসকলে।



দেশৰ আন্তঃগাঁথনি খণ্ডৰ প্ৰায় ৩৮ শতাংশ সামৰি থকা কয়লা, খাৰুৱা তেল, প্ৰাকৃতিক গেছ, পৰিশোধিত পেট্ৰ' সামগ্ৰী, সাৰ, ইস্পাত, চিমেণ্ট আৰু বিদ্যুতকে ধৰি মুঠ আঠটা উদ্যোগৰ ভিতৰত বিদ্যুতক বাদ দি বাকী প্ৰায় আটাইকেইটাৰে উৎপাদন আগতকৈ ভাল আৰু খৰতকীয়া হৈছে।

# কৰ'নাৰ পাছত ভাৰতীয় অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ সংকেত

## ঔদ্যোগিক উৎপাদন বৃদ্ধি পালে ১.৩ শতাংশ

কৰ'না পৰিস্থিতিৰ মোকাবিলা কৰি পুনৰ লাহে লাহে বিকাশৰ দিশে অগ্ৰসৰ হৈছে ভাৰতীয় অৰ্থনীতি। অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ সংকেত বহন কৰি দেশৰ ঔদ্যোগিক উৎপাদনৰ সূচকে পুনৰ উৰ্ধ্বমুখী যাত্ৰা আৰম্ভ কৰিছে। শেহতীয়াকৈ কেন্দ্ৰৰ পৰিসংখ্যা আৰু ব্যৱহাৰিক কাৰ্যকলাপ মন্ত্ৰণালয়ে প্ৰকাশ কৰিছে যে, চলিত বছৰৰ জানুৱাৰীত ভাৰতৰ ঔদ্যোগিক উৎপাদন ১.৩ শতাংশ বৃদ্ধি পাইছে। ইয়াৰ পূৰ্বে ২০২১ৰ ডিচেম্বৰত ঔদ্যোগিক উৎপাদনৰ সূচক ১০ মাহৰ নিম্নতম স্তৰত উপনীত হৈছিল যদিও মাত্ৰ এমাহৰ ভিতৰতে সূচকৰ এই উৰ্ধ্বগতিয়ে অৰ্থনীতিৰ সুদিন ঘূৰি অহা বুলি স্পষ্ট ইংগিত দিছে। ঔদ্যোগিক উৎপাদনৰ বিকাশৰ হাৰ ঔদ্যোগিক উৎপাদন সূচী বা চমুকৈ আইআইপি নামৰ সূচকৰ দ্বাৰা জোখা হয়। জানুৱাৰীত এই সূচকৰ ১.৩ শতাংশ উত্থান হোৱা বুলি জনাইছে কেন্দ্ৰই। য'ত নেকি এবছৰ আগতে, ২০২১ৰ জানুৱাৰীত এই সূচক ০.৬ শতাংশলৈ হ্ৰাস পাইছিল। প্ৰকাশিত তথ্য অনুসৰি, এই বছৰ জানুৱাৰীত খনি খণ্ডৰ উৎপাদনো ২.৮ শতাংশলৈ বৃদ্ধি পাইছে। ইয়াৰ পূৰ্বে ডিচেম্বৰত, এই হাৰ ২.৬ শতাংশলৈ হ্ৰাস পাইছিল। একেদৰে আলোচ্য মাহটোত উৎপাদন খণ্ডতো বিকাশৰ হাৰ ১.১ শতাংশ বৃদ্ধি পাইছে, য'ত নেকি ডিচেম্বৰত, এই হাৰ ০.৯ শতাংশলৈ হ্ৰাস পাইছিল। সময়ছোৱাত অৱশ্যে, বিদ্যুৎ উৎপাদনৰ গতি হ্ৰাস পাইছে। যোৱা ডিচেম্বৰত বিদ্যুৎ উৎপাদনৰ হাৰ ২.৮ শতাংশ বৃদ্ধি পাইছিল। কিন্তু জানুৱাৰীত পুনৰ কিছু হ্ৰাস পাই বিদ্যুৎ উৎপাদন বৃদ্ধিৰ হাৰ মাত্ৰ ০.৯ শতাংশতে সীমাবদ্ধ হৈ থাকে। কেন্দ্ৰৰ প্ৰতিবেদনত দিয়া তথ্য মতে, ২০২১-২২ বিত্তীয় বৰ্ষৰ এপ্ৰিলৰ পৰা জানুৱাৰীৰ ভিতৰত আইআইপি সূচকৰ মুঠ ১৩.৮ শতাংশ উত্থান ঘটিছে। এই পৰিসংখ্যাক যথেষ্ট ইতিবাচক বুলি গণ্য কৰিছে অৰ্থনীতি বিশেষজ্ঞসকলেও।

উল্লেখ্য যে দেশৰ আন্তঃগাঁথনি খণ্ডৰ প্ৰায় ৩৮ শতাংশ সামৰি থকা কয়লা, খাৰুৱা তেল, প্ৰাকৃতিক গেছ, পৰিশোধিত পেট্ৰ' সামগ্ৰী, সাৰ, ইস্পাত, চিমেণ্ট আৰু বিদ্যুতকে ধৰি মুঠ আঠটা উদ্যোগৰ ভিতৰত বিদ্যুতক বাদ দি বাকী প্ৰায় আটাইকেইটাৰে উৎপাদন আগতকৈ ভাল আৰু খৰতকীয়া হৈছে। যাৰ ফলস্বৰূপে, আন্তঃগাঁথনিৰ ক্ষেত্ৰৰ এই বিকাশৰ প্ৰভাৱ অনাগত দিনত দেশৰ ঔদ্যোগিক সূচকতো পৰিব বুলি আশাবাদী বিশেষজ্ঞমহল। স্মৰ্তব্য, ২০২০ ত ভাৰতক কৰ'নাই আৱৰি ধৰাৰ সময়তে সেই বছৰৰ মাৰ্চৰ পৰা ঔদ্যোগিক উৎপাদন ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছিল। ২০২০ৰ অক্টোবৰত এই উৎপাদনৰ হাৰ ৩.৮ শতাংশ হ্ৰাস পাইছিল যদিও নৱেম্বৰত পুনৰ ১.৮ শতাংশলৈ বৃদ্ধি পাইছিল। কৰ'নাৰ বাবে উদ্যোগসমূহে বৃহৎ মন্দাৱস্থাৰ সন্মুখীন হৈছিল যদিও দেশৰ উৎপাদন খণ্ডৰ ২৩টা ঔদ্যোগিক গোটৰ ভিতৰত ১৩ টাৰে ইতিবাচক বিকাশ হোৱা পৰিলক্ষিত হৈছিল। সেই একেই গতি এই বছৰো বৰ্তমানলৈ অব্যাহত আছে। লক্ষ্যণীয়ভাৱে, বিগত বৰ্ষৰ এপ্ৰিল-জুলাইত কেন্দ্ৰৰ বিত্তীয় ঘাটি সম্পূৰ্ণ বছৰৰ বাজেট আকলনৰ মাত্ৰ ২১.৩ শতাংশলৈ হ্ৰাস পাইছিল।

মুখ্যতঃ ব্যয়ৰ ওপৰত নিয়ন্ত্ৰণ ৰখা আৰু কৰ তথা কৰ বহিৰ্ভূত ৰাজহ সংগ্ৰহৰ বাবেই এয়া সম্ভৱ হোৱা বুলি জনাইছে কেন্দ্ৰৰ পৰিসংখ্যা আৰু ব্যৱহাৰিক কাৰ্যকলাপ মন্ত্ৰণালয়ে ।

# ডাকঘৰৰ এটিএম ব্যৱহাৰৰ সুবিধাসমূহ

বিনিয়োগ কৰাৰ বাবে ডাকঘৰত বিভিন্ন ধৰণৰ লাভজনক আঁচনি আছে। তাৰ ভিতৰত এনে কেতবোৰ জমা আঁচনিও আছে য'ত বেংকৰ তুলনাত অধিক পৰিমাণৰ সুত উপাৰ্জন কৰিব পাৰি। আপুনি যদি ডাকঘৰৰ কোনো জমা আঁচনিত ধন বিনিয়োগৰ পৰিকল্পনাৰে একাউন্ট খুলিছে তেন্তে তেনেক্ষেত্ৰত বেংকৰ দৰেই এটিএম ব্যৱহাৰৰ সুযোগ পাব পাৰে। বেংকৰ এটিএম কাৰ্ডৰ দৰেই ডাকঘৰৰ এটিএম কাৰ্ড ব্যৱহাৰ কৰি আপুনি অনায়াসে




ধনৰ লেনদেন কৰিব পাৰে। আপুনি যদি এতিয়াও এই কাৰ্ড ব্যৱহাৰ কৰা নাই বা কাৰ্ডৰ বাবে আবেদন কৰা নাই তেন্তে খৰখেদা কৰক। কিয়নো এই কাৰ্ড ব্যৱহাৰত গ্ৰাহকক আৰু অধিক সুবিধা আগবঢ়োৱাৰ উদ্দেশ্যে ডাক বিভাগে ইয়াৰ এটিএম সেৱা পূৰ্বতকৈ উন্নত কৰিছে। ডাকঘৰৰ এটিএমৰ সুবিধা সম্পৰ্কে কিছু কথা জানো আহকচোন...

**কোনবোৰ জমা একাউন্ট খুলিলে এটিএম ব্যৱহাৰৰ সুবিধা পাব ঃ**

যিকোনো ব্যক্তিয়ে ডাকঘৰত সাধাৰণ জমা একাউন্ট, ৰেকাৰিং ডিপ'জিট একাউন্ট, ৰাজহুৱা ভৱিষ্য নিধি (পিপিএফ), কিষাণ বিকাশ পত্ৰ, মাহিলি আয় আঁচনি আদিৰ আওতাত একাউন্ট খুলিব পাৰে। ভাৰতীয় ডাক বিভাগৰ ৱেবছাইটত থকা তথ্য অনুসৰি, বৰ্তমানে ডাকঘৰৰ সাধাৰণ জমা একাউন্টৰ সুতৰ হাৰ হৈছে বাৰ্ষিক চাৰি শতাংশ। এনে একোটা জমা একাউন্ট খুলিলে গ্ৰাহকে ডাক বিভাগৰ পৰা এখন এটিএম কাৰ্ড লাভ কৰিব যাৰ মাধ্যমেদি সহজে নগদ ধনৰ লেনদেন কৰিব পৰা যায়। বেংকৰ দৰেই ডাকঘৰৰ এটিএম ব্যৱহাৰ কৰিও গ্ৰাহকে এক নিৰ্দিষ্ট সময়লৈ বিনামূলীয়াকৈ ধন উলিয়াব পাৰে। এই নিৰ্দিষ্ট সময় উকলাৰ পাছত প্ৰতিবাৰ ধন উলিওৱাৰ সময়ত বেংকৰ দৰেই মাচুল ভৰিবলগীয়া হয়।

**সৰ্বাধিক ২৫ হেজাৰ টকা উলিয়াব পাৰি বিনামূল্যে ঃ**

ভাৰতীয় ডাক বিভাগৰ ৱেবছাইটত থকা তথ্য অনুসৰি, ডাকঘৰৰ জমা একাউন্টৰ পৰা এটিএম ব্যৱহাৰ কৰি সৰ্বাধিক ২৫ হেজাৰ টকাৰ নগদ বিনামূলীয়াকৈ উলিয়াব পৰা যায়। অৱশ্যে, এবাৰত এই কাৰ্ড পাঞ্চ কৰি সৰ্বাধিক ১০ হেজাৰ টকাহে উলিয়াব পাৰি। মেট্ৰ' চহৰসমূহত মাহেকত সৰ্বাধিক তিনিবাৰ এই কাৰ্ড পাঞ্চ কৰিব পৰা যায়। আনহাতে নন-মেট্ৰ' চহৰসমূহত বিনামূল্যে লেনদেন কৰিব পাৰি সৰ্বাধিক পাঁচবাৰ।




# তাৎক্ষণিক ঋণ ল'ব পৰাৰ সুব্যৱস্থা আছে এইটো এপত...

আপুনি বাৰু এই কথা জানেনে, ঘৰত বহি বহিয়েই ১০ লক্ষ টকা পৰ্যন্ত ঋণৰ আবেদন কৰিব পাৰে ভাৰতীয় ষ্টেট বেংকৰ উপভোক্তাসকলে। এই সুযোগ পাবলৈ আপুনি মাথোঁ নিজৰ স্মাৰ্টফোনটোত ডাউনলোড কৰিব লাগিব এটা ম'বাইল এপ্লিকেছন। ভাৰতীয় ষ্টেট বেংকৰ য়'ন' এপ ব্যৱহাৰ কৰা যিকোনো উপভোক্তাই এই সুবিধা গ্ৰহণ কৰিব পাৰে। এই এপটোৰ মাধ্যমেদি ইনষ্টেন্ট লোন বা তাৎক্ষণিক ঋণ ল'ব পৰাৰ সুব্যৱস্থা আছে। বেংকটোৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম অনুসৰি সৰ্বাধিক ১০ লক্ষ টকা পৰ্যন্ত ঋণৰ আবেদন কৰিব পৰা যায় এই এপটোৰ যোগেদি। গৃহ ঋণ আৰু গাড়ী ঋণৰ ক্ষেত্ৰতো এই সুবিধা উপলব্ধ। ঋণৰ বাবে আবেদন কৰোতে সচৰাচৰ প্ৰয়োজন হোৱা বিভিন্ন তথ্য-পাতি ডিজিটেল পদ্ধতিত জমা দি ডিজিটেল মাধ্যমেদিয়েই এনে নথিৰ ভেৰিফিকেছনো কৰিব পৰা যায়। অৱশ্যে এই প্ৰক্ৰিয়াৰ বাবে উপভোক্তাজনক প্ৰয়োজন হ'ব এক ডিজিটেল ছিষ্টেমৰ, যাতে ডিজিটেল স্বাক্ষৰ জমা দিয়াকে ধৰি অন্যান্য কাম-কাজ সুচাৰুৰূপে কৰিব পৰা যায়। আনহাতে, এইবোৰৰ উপৰি অন্যান্য কে'বাটাও নতুন সেৱা উপলব্ধ এছবিআইৰ য়'ন' এপৰ মাধ্যমেদি। ইয়াৰ ভিতৰত অন্যতম হ'ল ফাষ্ট ট্ৰেক টু হুইলাৰ লোন। ভাৰতত বহু মটৰ চাইকেল-স্কুটাৰ আদিৰ দৰে দুচকীয়া বাহনৰ ক্ৰেতাই ঋণ লৈ আহিছে আৰু সম্প্ৰতি বজাৰৰ উক্ত শ্ৰেণীৰ গ্ৰাহকক লক্ষ্য কৰিয়েই এই বিশেষ সুবিধা প্ৰৱৰ্তন কৰিছে বেংকটোৱে। উল্লেখ্য যে য়'ন' এপৰ মাধ্যমেদি সচৰাচৰ পোৱাতকৈ কম সময়ৰ ভিতৰতে দুচকীয়া বাহনৰ ফাষ্ট ট্ৰেক ঋণ পোৱা যায় বুলি দাবী কৰিছে বেংকটোৱে।



# পাঁচ বছৰ পুৰণি গাড়ীৰ গৰাকী নেকি ?

## পহিলা এপ্ৰিলৰ পৰা অতিৰিক্ত ব্যয় বহন কৰিবলৈ সাজু হওঁক...

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ে অহা পহিলা এপ্ৰিলৰ পৰা গাড়ীৰ গৰাকীৰ বাবে কেতবোৰ নতুন নিয়ম প্ৰৱৰ্তন কৰিবলৈ ওলাইছে। এই নিয়মৰ আওতাত, যদি আপোনাৰ গাড়ীখন ১৫ বছৰ বা তাতোকৈ বেছি পুৰণি, তেন্তে আপোনাৰ পকেটত পূৰ্বতকৈ বহুগুণ বেছি চাপ পৰিব বুলি ধৰি থওক আৰু বৃহৎ পৰিমাণৰ ব্যয় বহনৰ বাবে সাজু হওক। ১৫ বছৰতকৈ পুৰণি বাহনৰ পঞ্জীয়নৰ বাবে অধিক ধন ব্যয় কৰিব লাগিব বুলি ইতিমধ্যে ঘোষণা কৰিছে মন্ত্ৰণালয়ে । অৱশ্যে ভাৰতত পহিলা এপ্ৰিলৰ পৰা এই নতুন নিয়ম প্ৰযোজ্য হ'লেও, ৰাজধানী চহৰ দিল্লীক এই নিয়মৰ অধীনত সামৰি লোৱা নহ'ব। আনবোৰ চহৰত ১৫ বছৰতকৈ পুৰণি গাড়ী ব্যৱহাৰ কৰিবলৈ হ'লে গৰাকীসকলে পঞ্জীয়ন নবীকৰণৰ সময়ত বৰ্তমানে কৰাতকৈ আঠগুণ অধিক ধন ব্যয় কৰিব লাগিব বুলি স্পষ্ট কৰি দিছে মন্ত্ৰণালয়ে। ভাৰত চৰকাৰে প্ৰদূষণ প্ৰতিৰোধৰ উদ্দেশ্যে এই নতুন নিয়ম প্ৰৱৰ্তন কৰিছে।

চৰকাৰী বিবৃতিত প্ৰকাশিত নতুন নিয়ম অনুসৰি, দুচকীয়া বাহন আৰু চাৰিচকীয়া বাহন উভয় ক্ষেত্ৰতে পঞ্জীয়ন নবীকৰণৰ ব্যয় বৃদ্ধি কৰা হ'ব। ১৫ বছৰৰ পুৰণি চাৰিচকীয়া গাড়ী এখনৰ পঞ্জীয়ন নবীকৰণ কৰিবলৈ বৰ্তমানৰ ৬০০ টকাৰ বিপৰীতে গৰাকীয়ে পাঁচ হেজাৰ টকা ব্যয় কৰিব লাগিব। একেদৰে, ১৫ বছৰ পুৰণি বাইক এখনৰ পঞ্জীয়ন নবীকৰণ কৰিবলৈ ভৰিব লাগিব এহেজাৰ টকা। য'ত নেকি পূৰ্বতে ইয়াৰ বাবে মাত্ৰ ৩০০ টকা পৰিশোধ কৰিব লগা হৈছিল। আনহাতে, আমদানিকৃত গাড়ীৰ ক্ষেত্ৰত ব্যয় সৰ্বাধিক বৃদ্ধি পাব। এই ক্ষেত্ৰত, ১৫বছৰ পুৰণি গাড়ী এখনৰ পঞ্জীয়ন নবীকৰণৰ বাবে গৰাকীয়ে মুঠ ৪০হেজাৰ টকা পৰিশোধ কৰিব লাগিব। ইয়াৰ আগতে,আমদানিকৃত বাহনৰ পঞ্জীয়ন নবীকৰণৰ ব্যয় আছিল মাত্ৰ ১৫হেজাৰ টকা। আনহাতে, ১৫ বছৰৰ পুৰণি ট্ৰাক, বাছৰ ক্ষেত্ৰত পূৰ্বতে ব্যয়ৰ পৰিমাণ ১৫০০ টকা আছিল যদিও পহিলা এপ্ৰিলৰ পৰা , এই ব্যয় ১২,৫০০ টকালৈ বৃদ্ধি হ'ব। সৰু যাত্ৰীবাহী গাড়ীৰ ক্ষেত্ৰত ব্যয় ১৩০০ টকাৰ পৰা ১০হেজাৰ টকালৈ বৃদ্ধি হ'ব।

নতুন নিয়ম অনুসৰি, যদি ব্যক্তিগত বাহন এখনৰ পঞ্জীয়ন নবীকৰণত পলম হয় তেন্তে মালিকে প্ৰতি মাহে অতিৰিক্ত তিনি হেজাৰ টকাকৈ পৰিশোধ কৰিব লাগিব। বাণিজ্যিক বাহনৰ ক্ষেত্ৰত, জৰিমনাৰ পৰিমাণ হ'ব প্ৰতি মাহে ৫০০ টকা। প্ৰতিজন ১৫ বছৰৰ পুৰণি ব্যক্তিগত বাহনৰ গৰাকীৰ বাবে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে পঞ্জীয়ন নবীকৰণ কৰাটো বাধ্যতামূলক হ'ব। স্মৰ্তব্য, দিল্লীত ইতিমধ্যে ১০ বছৰ পুৰণি ডিজেল আৰু ১৫ বছৰ পুৰণি পেট্ৰ'ল বাহনৰ পঞ্জীয়ন বন্ধ কৰা হৈছে। সেয়েহে, এই নতুন নিয়মৰ অধীনত দিল্লীক অন্তৰ্ভুক্ত কৰা হোৱা নাই।

# ডাকঘৰৰ নিয়মত সাল-সলনি!

## এইসমূহ আঁচনিৰ একাউণ্টত বন্ধ হ'ব নগদ সুত লাভৰ সুবিধা

ডাকঘৰ সঞ্চয় আঁচনিসমূহ সমগ্ৰ দেশতে যথেষ্ট জনপ্ৰিয়। বিশেষকৈ সঞ্চয় আঁচনিৰ জৰিয়তেই উপভোক্তাৰ পৰা সৰ্বাধিক জনপ্ৰিয়তা বুটলিবলৈ সক্ষম হৈছে ডাকঘৰে। ফলস্বৰূপে ডাকঘৰৰ এইধৰণৰ সঞ্চয় একাউণ্টত জমাকৃত ধনৰ পৰিমাণো বিগত কেইটামান বছৰত লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে। এই পৰিস্থিতিত, ডাকঘৰে শেহতীয়াকৈ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সিদ্ধান্ত অনুসৰি, এতিয়াৰে পৰা ডাকঘৰৰ একাধিক আঁচনিৰ পৰা পাবলগীয়া সুত উপভোক্তাসকলে নগদ ধনৰ বিপৰীতে বেংকৰ সঞ্চয় একাউণ্ট বা ডাকঘৰ সঞ্চয় একাউণ্টৰ যোগেদি পোনে পোনে লাভ কৰিব। ডাক বিভাগৰ মতে, ডিজিটেল লেনদেনৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ আৰু প্ৰৱঞ্চনা পৰিহাৰ কৰিবলৈ এই পদক্ষেপ লোৱা হৈছে। আনহাতে, যিসকল উপভোক্তাই আঁচনিসমূহৰ স'তে সঞ্চয় একাউণ্ট লিংক নকৰে তেওঁলোকক চেকৰ জৰিয়তে সুত পৰিশোধ কৰা হ'ব। এই নতুন সিদ্ধান্ত অহা পহিলা এপ্ৰিলৰ পৰা দেশজুৰি কাৰ্যকৰী হ'ব। ডাক বিভাগে এক বিজ্ঞপ্তিযোগে সদৰী কৰা মতে, জ্যেষ্ঠ নাগৰিকৰ সঞ্চয় আঁচনি, মাহিলি উপাৰ্জন আঁচনি , ম্যাদী জমা একাউণ্ট আৰি ফিক্সড্ ডিপ'জিটৰ সুত অহা পহিলা এপ্ৰিলৰ পৰা গ্ৰাহকসকলক নগদ ধন হিচাপে পৰিশোধ কৰা নহ'ব।




ডাক বিভাগৰ মতে, কিছুমান জ্যেষ্ঠ নাগৰিকৰ সঞ্চয় আঁচনি, মাহিলি উপাৰ্জন আঁচনি আৰু ম্যাদী জমা একাউণ্ট আঁচনিৰ ধাৰকে এতিয়ালৈকে তেওঁলোকৰ সঞ্চয় একাউণ্ট (বেংক সঞ্চয় একাউণ্ট) ডাকঘৰ সঞ্চয় একাউণ্ট) সংযোগ কৰা নাই। এনে ক্ষেত্ৰত যিসকল জ্যেষ্ঠ নাগৰিকে বেংকৰ সঞ্চয় একাউণ্ট লিংক নকৰে, তেওঁলোকৰ সুতৰ পৰিমাণ ডাকঘৰৰ সঞ্চয় একাউণ্টত জমা কৰা হ'ব। যদি সেই একাউণ্টটোও নাথাকে, তেন্তে সুত চেকৰ দ্বাৰা পৰিশোধ কৰা হ'ব।

ডাকঘৰৰ এক বিজ্ঞপ্তি অনুসৰি, এই জ্যেষ্ঠ নাগৰিক সঞ্চয় আঁচনি, মাহিলি উপাৰ্জন আঁচনি, টাৰ্ম ডিপ'জিট একাউণ্টবোৰৰ ওপৰত বকেয়া সুত বিভিন্ন কাৰ্যালয় একাউণ্টত অপৰিশোধিত ৰূপত আছে। আনকি বহুতো ম্যাদী একাউণ্ট ধাৰক সুত সম্পৰ্কে ভালদৰে অৱগতও নহয়। সেয়েহে ডাক বিভাগে উপভোক্তাসকলক জ্যেষ্ঠ নাগৰিক সঞ্চয় আঁচনি, মাহিলি উপাৰ্জন আঁচনি, ম্যাদী জমা একাউণ্ট আৰু ফিক্সড্ ডিপ'জিট আঁচনিৰ একাউণ্টৰ স'তে নিজৰ নিজৰ বেংকৰ সঞ্চয় একাউণ্ট অথবা ডাকঘৰ জমা একাউণ্টক সংযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# অগাধ সম্পত্তিয়েও সুখ আনিব পৰা নাই ভাৰতীয় ধনাঢ্যৰ জীৱনলৈ ঃ হুৰুন ইণ্ডিয়াৰ সমীক্ষা

কৰ'না মহামাৰীৰ মাজতে যোৱা দুটা বছৰত সমগ্ৰ বিশ্বতে ধনী লোকৰ সংখ্যা বৃদ্ধি পাইছে। ভাৰতো ইয়াৰ ব্যতিক্ৰম নহয়। বিভিন্ন সমীক্ষাই দেখুৱাইছে যে এই সময়ছোৱাত ভাৰতীয়সকলৰ মাজত সম্পদৰ বৈষম্য বৃদ্ধি পাইছে। 'হুৰুন ইণ্ডিয়া'ৰ এক প্ৰতিবেদন অনুসৰি, ভাৰতৰ ধনাঢ্যসকলৰ সম্পদ বৃদ্ধি পাইছে যদিও সুখ হ্ৰাস পাইছে সময়ছোৱাত। অগাধ সম্পত্তিয়েও সুখ আনিব পৰা নাই বহু ভাৰতীয় ধনাঢ্যৰ জীৱনলৈ। হুৰুনৰ প্ৰতিবেদনত দাবী কৰা হৈছে যে, ২০২০ৰ তুলনাত ২০২১ ত ভাৰতত এক নিযুত ডলাৰ বা ততোধিক সম্পত্তিৰ গৰাকীৰ সংখ্যা ১১ শতাংশ বৃদ্ধি হৈ ৪.৫৮ লাখলৈ বৃদ্ধি পাইছে। ভাৰতৰ ভিতৰতে মুম্বাইত এনে নিযুতপতি পৰিয়াল সৰ্বাধিক, সংখ্যাৰে প্ৰায় ২০,৩০০। ইয়াৰ বিপৰীতে, দিল্লী আৰু কলকাতাত, নিযুতপতিৰ সংখ্যা ক্ৰমান্বয়ে ১৭,৪০০ আৰু ১০,৫০০। হুৰুন ইণ্ডিয়াৰ পূৰ্বানুমান অনুসৰি, অহা ২০২৬ চন পৰ্যন্ত, এনে ধনী লোকৰ সংখ্যা আৰু ৩০ শতাংশ বৃদ্ধি হৈ ছয় লাখৰ ওচৰা-উচৰি হ'ব । হুৰুনৰ এই সমীক্ষাত অংশ লোৱা ৩৫০ জন ধনাঢ্য ভাৰতীয়ৰ ভিতৰত ৩৪ শতাংশৰ মতে ধন সম্পত্তিৰ আধিক্য থাকিলেও তেওঁলোক ব্যক্তিগত আৰু পেছাদাৰী জীৱনত বৰ বিশেষ সুখী নহয়। বিপৰীতে, ৬৬ শতাংশ ধনী ভাৰতীয়ই নিজকে সুখী বুলি দাবী কৰে। কিন্তু ২০২০ ত ভাৰতৰ সুখী ধনী ব্যক্তিৰ হাৰ আছিল ৭২ শতাংশ। অৰ্থাৎ এবছৰতে ভালেখিনি হ্ৰাস পাইছে সুখী ধনী ব্যক্তিৰ সংখ্যা। ইফালে, অক্সফাম ইণ্ডিয়াৰ এক অধ্যয়ন অনুসৰি, যোৱা দুবছৰত ভাৰতত ১০০কোটি ডলাৰৰ গৰাকীৰ সংখ্যা ৩৯ শতাংশ বৃদ্ধি পাইছে। এনে ১৪২ জন লোকৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৫৩ লাখ কোটি টকা। দেশৰ আটাইতকৈ ধনী ১০ শতাংশৰ হাতত ৰাষ্ট্ৰীয় সম্পদৰ ৪৫ শতাংশই আছে। অথচ আয়ৰ নিৰিখত তলৰ ফালে থকা ৫০ শতাংশৰ হাতত আছে মাত্ৰ ছয় শতাংশ। একে ধৰণে, মুম্বাইস্থিত প্ৰতিষ্ঠান প্ৰাইচে ইয়াৰ শেহতীয়া সমীক্ষাত কয় যে, দৰিদ্ৰতম ২০ শতাংশ পৰিয়ালৰ আয় ২০২০-২১ বৰ্ষৰ তুলনাত ২০১৫-১৬ ত ৫৩ শতাংশ হ্ৰাস পাইছে। ১৯৯৫ ৰ পৰা এই শ্ৰেণীৰ মানুহৰ আয় ধাৰাবাহিকভাৱে বঢ়াৰ বিপৰীতে এই প্ৰথমবাৰৰ বাবে আয় কমিছে। বিপৰীতে, ধনীতম ২০ শতাংশৰ আয় ক'ভিডৰ মাজতো ৩৯ শতাংশ বাঢ়িছে।

সমীক্ষাত দেখা গৈছে যে সামাজিক সম্পৰ্কৰ বাবে সুখী দেশবোৰৰ লোকসকল যোৱা বছৰ মহামাৰীৰ সময়ত সুখী দেশৰ তালিকাত পিছ পৰি গৈছে। ভাৰত আৰু মেক্সিকোৰ দৰে দেশত সামাজিক আদান-প্ৰদান আৰু সম্পৰ্কক সুখৰ আধাৰ বুলি গণ্য কৰা হয় বাবে ক'ভিড কালত এই সমূহ সৰ্বাধিক ব্যাহত হৈছে। ফলস্বৰূপে, তেওঁলোক সুখী দেশসমূহৰ তালিকাত পিছ পৰি গৈছে। আনহাতে, চীন, জাপান বা নৰ্ডিক ৰাষ্ট্ৰসমূহত বাস কৰা লোকসকলৰ সুখ প্ৰধানত: আইন আৰু প্ৰশাসনৰ ওপৰত থকা বিশ্বাসৰ ওপৰত আধাৰিত আৰু তেওঁলোকে এই দুৰ্যোগৰ সময়ত এই বিষয়বোৰ অধিক সক্ৰিয় হোৱা দেখিছে। ফলস্বৰূপে, তেওঁলোক আগৰ তুলনাত অধিক সুখী হ'ব পাৰিছে।

দেওবৰীয়া দৈনিক
অগ্ৰদূত

অসম বিধানসভাৰ বাজেটকালীন অধিবেশন চলি থকাৰ সময়তে আলোচনাৰ মাজলৈ জনপ্ৰতিনিধিৰ ভূমিকা। ৰাইজৰ সমস্যাসমূহ সঠিকভাৱে সদনত উত্থাপন কৰিবলৈ সমৰ্থ হৈছে নে বিধায়কসকল। অযথা বাক-বিতণ্ডাত লিপ্ত হৈ সদনৰ বহুমূলীয়া সময়ৰ অপচয় কৰিছে নেকি? এই বিষয়ক লৈ ৰাইজৰ মতামতেৰে আজিৰ শিতান প্ৰস্তুত কৰা হৈছে। — *শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— নয়ন কুমাৰ শৰ্মা, অৰূপ কলিতা, আকবৰ-ই-জাহান।*

# বিধানসভাত জনপ্ৰতিনিধিৰ ভূমিকা

## বিধানসভাত নীৰৱ কিয় জনপ্ৰতিনিধি?

■ **যোগেন্দ্ৰ চন্দ্ৰ নাথ,** অৱসৰপ্ৰাপ্ত শিক্ষক-লেখক



**গণতন্ত্ৰৰ** ভিত্তিত সংবিধানৰ নীতি মতে ৰাইজৰ পৰা প্ৰতিনিধিসকল নিৰ্বাচন কৰা হয়। ইয়াৰ উদ্দেশ্য হ'ল সমষ্টিবোৰত দেখা দিয়া অভাৱ-অনাটন-সমস্যাবোৰ দূৰিকৰণত যাতে প্ৰতিনিধিগৰাকীয়ে বিধানসভাত উত্থাপন কৰিব পাৰে। গণতন্ত্ৰৰ দোহাই দি যিবোৰ প্ৰতিনিধিয়ে বিধানসভাৰ মজিয়াত খোজ দিবলৈ সক্ষম হৈছে তেনে প্ৰতিনিধিগৰাকীৰ শিক্ষাৰ অৰ্হতা আৰু দক্ষতাৰ বিষয়ে অবগত নোহোৱাকৈয়ে তেওঁলোকৰ দলীয় সদস্যসকলৰ ফুলজাৰি মৰা বক্তব্যত মুগ্ধ হৈ প্ৰতিনিধি এগৰাকী নিৰ্বাচিত হয়। এনে কিছু প্ৰতিনিধিয়ে অঞ্চলটো প্ৰতিনিধিত্ব কৰে যাৰ সেই অঞ্চলত ভৌগোলিক পৰিসীমাৰ জ্ঞানৰ অভাৱ। তাৰ উপৰি দৰ্শন চৰ্চা, ইতিহাস চিন্তা, ভাষা-সংস্কৃতি, সাহিত্যালোচনা, প্ৰব্ৰজন সমস্যাৰ লগতে ঐক্যচেতনা, তথা সংস্কৃতিৰ অৰ্থ ভালদৰে নিৰূপণ কৰিব নোৱাৰে। নিৰ্বাচনকেন্দ্ৰিক বিষয়বোৰৰ ক্ষেত্ৰত সমষ্টিৰ কিছু ভিতৰচ'ৰাত নিৰ্বাচনী প্ৰচাৰৰ বাবে খোজ দি নিৰক্ষৰ মানুহ চামক আঁভুৱা ভাঁৰি প্ৰলোভনৰ টোপ দি যায়। পৰৱৰ্তী সময়ত তেওঁলোকৰ গাৰ ছাঁটোকে দেখিবলৈ পোৱা নাযায়। সমস্যাৰ গৰাহত জৰ্জৰ ভোটদাতাসকলৰ দুখ- দুৰ্দশা বুজিবলৈ তেওঁলোকৰ আহৰি নাই। অনেক সমস্যাৰ মাজত গাঁৱৰ ৰাইজ উকমুকাই থাকে। অৰ্থনৈতিক, কৃষি, শিক্ষা, নিৰনুৱা, প্ৰব্ৰজন সমস্যা, বানপানী, পৰিবহণ, বাটপথৰ সমস্যা, ভূমি সমস্যা, স্বাস্থ্য, নিৰক্ষৰতা, ভাষাৰ সমস্যা, নাৰী সমস্যা আৰু শিশুৰ নানা সমস্যা আদিয়ে জুৰুলা কৰি আহিছে। এনে জনপ্ৰতিনিধি আছে যিসকলৰ সমষ্টিৰ উন্নয়ন বা সমস্যাবোৰ দূৰ কৰিবৰ বাবে বিধানসভাৰ মজিয়াত অধ্যক্ষৰ সন্মুখত থিয় হৈ প্ৰতিপন্ন কৰিবলৈ সাহসকণ নাই। এনে প্ৰতিনিধি ওলাব যি হয়তো পাঁচ বছৰ কালৰ ভিতৰত পাঁচ দিন সদনৰ মাজত থিয় হৈ সমষ্টি সমস্যাৰ বিষয়ে অৱগত কৰিবলৈ সক্ষম হোৱা নাই। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছতে ১৯৫১ত সংবিধান গৃহীত হোৱাৰ পাছতে দেশত লোকপিয়ল অনুষ্ঠিত হৈছিল। সেই সময়ত অসমৰ দ্বিতীয়গৰাকী মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে ভাৰতবৰ্ষৰ ভিতৰত প্ৰথমেই অসমত লোকপিয়লত নিযুক্ত কৰ্মীসকলৰ দ্বাৰা জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে পূৰ্ব বংগ তথা বাংলাদেশৰ পৰা থিতাপি লোৱা প্ৰব্ৰজনকাৰী চিহ্নিত কৰি বিতৰণ কৰা অৰ্থে এখন এনআৰচি প্ৰস্তুত কৰিবলৈ যোজা কৰোঁতেই তেওঁক ৰাজ্যপাল নিযুক্তি দি বেলেগ ৰাজ্যলৈ স্থানান্তৰিত কৰি ৰুদ্ধ কৰি দিয়া হ'ল। কেন্দ্ৰীয় চৰকাৰৰ এয়া এক চলনা। অসমীয়াৰ জাতি, মাটি, ভেটি, ভাষা, সংস্কৃতি-ঐতিহ্য ৰক্ষাৰ চিন্তা ধাৰা সপোন বাস্তৱত হ'লহেঁতেন। আজিৰ খিলঞ্জীয়াই জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে এনে ধৰণৰ সমস্যাত পৰিব নালাগিলহেঁতেন। এনেক্ষেত্ৰত জাতি, মাটি, ভেটি ৰক্ষাৰ বাবে চিঞৰি নিৰ্বাচনত জয়ী হোৱা প্ৰাৰ্থীসকল বিধানসভাত নীৰৱ ভূমিকা কিয়? অসমৰ অস্তিত্ব ৰক্ষাৰ নামত ৮৫৫ জন ছহিদৰ প্ৰাণ আহুতিৰ অন্তত এখন চুক্তি হ'ল। আঞ্চলিক দল গঠন কৰি দুবাৰকৈ চৰকাৰ গঠন কৰিও চুক্তিখন ৰূপায়ণৰ ক্ষেত্ৰত ফুটুকাৰ ফেন হৈ ৰ'ল। বৰ বৰ নেতাসকলৰ স্বৰূপ ওলাই পৰিল । তাৰ পাছত বিজেপি, চৰকাৰৰ দিনত এখন উচ্চস্তৰীয় কমিটী গঠন কৰি অসম চুক্তিৰ ছয় নম্বৰ দফাৰ বাস্তৱিক প্ৰতিফলন ঘটাব বুলি দিয়া প্ৰতিশ্ৰুতিও আজিকোপতি একো নহ'ল। বৰ্তমান চৰকাৰে কিছু সমস্যাৰ প্ৰতি চকু দিছে যদিও মূল সমস্যাসমূহ সমস্যা হৈয়ে আছে। তেনে ক্ষেত্ৰত বিধানসভাৰ মজিয়াত ৰাইজৰ প্ৰতিনিধিয়ে ৰাইজৰ সমস্যা প্ৰতিফলন কৰাত ব্যৰ্থ হোৱাটোৱে ধাৰণা হয় ।

## বিধানসভাত ৰাইজৰ সমস্যা সঠিকভাৱে প্ৰতিফলিত নহয়

■ **নুৰনেহাৰ বেগম,** শিক্ষয়িত্ৰী



জনপ্ৰতিনিসকলৰ দায়িত্ব সমষ্টিৰ অন্তৰ্গত সকলো সমস্যা বিধানসভাত উত্থাপন কৰাটো, কিন্তু আমি দেখিবলৈ পাঁও তেওঁলোকে সমস্যাবোৰ বা দাবীবোৰ সজোৰে উত্থাপন কৰাত যেন সফল নহয়, অৱশ্যে কিছুসংখ্যক জনপ্ৰতিনিধিয়ে ঠিকেই তেওঁলোকৰ বক্তব্য ৰাখে, গতিকে আংশিকভাৱেহে সমস্যাবোৰ বিধানসভাৰ মজিয়া পায়। কেতিয়াবা অৱশ্যে বক্তব্য ৰাখিবলৈ গৈ শাসকীয় পক্ষৰ পৰা বাধাগ্ৰস্ত হয়, সঁচা কথা কবলৈ গ'লে অপমানিত হ'ব লগা হয় আৰু কেতিয়াবা কিছুসংখ্যক বিধায়কে ক'ব খোজা কথাবোৰ ক'বলৈ সুযোগেই নাপায় অনাহক তৰ্ক -বিতৰ্কৰে বিধানসভা মজিয়া বজাৰৰ লেখীয়া কৰি পেলায় আৰু আমাৰ মাজত এনে কিছু সুবিধাবাদী জনপ্ৰতিনিধি আছে যি বিধানসভাত সমস্যাৰ কথা কোৱাতকৈ একো সমস্যাৰ কথা নকৈ কেনেকৈ তেওঁলোকৰ প্ৰিয়পাত্ৰ হৈ থাকি নিজৰ সুবিধা আদায় কৰিব পাৰে তাৰেই চিন্তাত থাকে যেন লাগে এচাম বিধায়কক দৃষ্টিকটুভাৱে নিদ্ৰামগ্ন হৈ থকা দেখা যায়। অধিৱেশন চলি থকা কালত যেন তেওঁলোকৰ কোনো চিন্তা বা দায়িত্ব একোৱেই নাই, একমাত্ৰ টকাৰ বাবেই বিধায়ক হৈ বহি আছে, নিবনুৱা সমস্যা, বানপানীৰ সমস্যা, জনসংখ্যা বিস্ফোৰণৰ সমস্যা আমাৰ প্ৰধান সমস্যা। এইবোৰ সমস্যা বাৰম্বাৰ বিধানসভাত ঠিকেই প্ৰতিফলিত হয় কিয় সমাধানহে নহয় বৰ্তমান গুৱাহাটীৰ পানীৰ সমস্যা হৈ থকা কথাটো সকলোৱে জনা কথা, বিধানসভাত বিধায়কে এই সমস্যা সমাধানৰ বাবে জোৰদাৰভাৱে উপস্থাপন কৰাত ব্যৰ্থ হৈছে নিশ্চয় নহ'লে মহানগৰীত কিয় সকলোৱে জীৱন ধাৰণৰ মৌলিক প্ৰয়োজনবিধেই পৰ্যাপ্ত পৰিমাণে পাবলৈ সক্ষম হোৱা নাই। এনে বহু সমস্যা সমগ্ৰ অসমতে আছে যিবোৰ বিধায়কৰ দৃষ্টিগোচৰ নহয়, হ'লেও তেওঁলোকে সমস্যাবোৰ গুৰুত্বসহকাৰে নলয় ফলত বিধানসভাত উপস্থাপন কৰাত ব্যৰ্থ এচাম বিধায়ক আছে তেওঁলোকে সকলো জানে,সকলোবোৰ চৰকাৰৰ দৃষ্টিগোচৰ কৰাবও বিচাৰে, কিন্তু তেওঁলোকৰ নিজৰ এলেহুৱা স্বভাৱৰ বাবে একো কৰিব নোৱাৰে এক কথাত ক'লৈ গ'লে বিধানসভাৰ মজিয়াত ৰাইজৰ সমস্যা আংশিকভাৱে প্ৰতিফলিত হয় বুলি মই ভাবো।

## মূল বিষয়ৰ পৰা আঁতৰি অনৰ্থক বিতৰ্কত লিপ্ত হয় জনপ্ৰতিনিধি

■ **চন্দনা শৰ্মা,** কম্পিউটাৰ শিক্ষয়িত্ৰী, এম এন চি কলেজ, নলবাৰী



**বিধানসভাৰ** মজিয়াত ৰাজহুৱা সমস্যাবোৰৰ সঠিক প্ৰতিফলন হোৱা বুলি একেস্বৰে ক'ব নোৱাৰি। কিয়নো প্ৰায়কেইখন অধিৱেশনতে সদনত বেছ কিছুসংখ্যক মন্ত্ৰী-বিধায়কে নিৰ্বাচনৰ সময়ত ব্যাঘাত হোৱা টোপনি পূৰণ কৰাতহে ব্যস্ত থকা দেখা যায়। তেওঁলোক তেনেদৰে নিদ্ৰাৰত অৱস্থাত থকা সময়তে নিৰ্ধাৰিত সময় অতিবাহিত হৈ যায়। যদিহে কিবা প্ৰকাৰে কেতিয়াবা কোনো এক সমস্যা সমাধানৰ দিশত অগ্ৰসৰ হয় হঠাতে দুয়ো পক্ষৰ মাজত অনৰ্থকভাৱে যুক্তি তৰ্ক অৱতাৰণা হৈ বিষয়বস্তুৰ পৰা আঁতৰি এক গৃহ কন্দলৰহে সূচনা হয়। কেতিয়াবা কেতিয়াবা ই ব্যক্তিগত তৰ্কযুদ্ধত পৰিণত নোহোৱা নহয়। আনহাতে, কিছুসংখ্যক মন্ত্ৰী-বিধায়কে বছৰ-দুবছৰৰ মূৰত সমষ্টিলৈ যায়। কিন্তু জনসাধাৰণে তেওঁলোকৰ ছাঁটোকে নেদেখে। আকৌ তেওঁলোকৰ সমষ্টিৰ সমস্যাসমূহৰ বুজ ল'বলৈ কোনো ধৰণৰ আগ্ৰহ দেখা পোৱা নাযায়। আমি যিহেতু নলবাৰী সমষ্টিৰ জনসাধাৰণ সেয়েহে আমি নলবাৰীৰ মুখ্যতঃ কিছু ৰাজহুৱা সমস্যা সদনৰ মজিয়াত আলোচনা হৈ সমাধানৰ এটা পথ দেখাতো আন্তৰিকতাৰে কামনা কৰো। আমাৰ আপাত দৃষ্টিত ধৰা পৰা নলবাৰীৰ সমস্যাসমূহৰ ভিতৰত অন্যতম কিছু সমস্যা এনেধৰণৰ —

১)পানীৰ সমস্যা। এইটো লাগিলে নলা নৰ্দমাৰ পৰা ৰাস্তাত জমা হোৱা পানীয়ে হওক বা পাইপেৰে যোগান ধৰা খোৱা পানীয়ে নহওক কিয়?

২। ৰাস্তা-পদূলিসমূহৰ বিশৃংখল কদৰ্যময় এক পৰিৱেশ। যিটোৰ বাবে সঘনাই সৰু-ডাঙৰ দুৰ্ঘটনাসমূহ হোৱা দেখা যায়। ৩। নলবাৰীৰ বিশেষ দুই এটা ৰাস্তাৰ বাহিৰে বেছিখিনিতে ষ্ট্ৰীট লাইটৰ অভাৱ। যাৰ ফলত সন্ধিয়া সময়তে নানান ধৰণৰ দুৰ্ঘটনা, অপকৰ্ম আদিৰ সূচনা হয় আৰু দিনটোৰ শেষৰফালে থকা কাম-কাজত যথেষ্ট পৰিমাণে বাধাৰ সন্মুখীন হ'ব লগা হয়। যদিহে আমাৰ নলবাৰীৰ এই ধৰণৰ সমস্যাসমূহ সজোৰেৰে বিধানসভাৰ মজিয়াত আলোচনা হৈ সমাধানৰ দিশত অগ্ৰসৰ হ'লে নিশ্চিতভাৱে আমি ক'ব পাৰিলো হয় যে বিধানসভাৰ মজিয়াত ৰাজহুৱা সমস্যাবোৰৰ সঠিক প্ৰতিফলন হয়।

## বিধানসভাত ৰাইজৰ স্বাৰ্থতকৈ অধিক গুৰুত্ব পায় ৰাজনৈতিক স্বাৰ্থইহে

■ **উৎপল ভূঞা,** সমাজকৰ্মী



**বিগত** কিছুবছৰৰ পৰা ৰাজ্যৰ বিধানসভাত সাধাৰণ জনতাৰ অভাৱ, অভিযোগ, সমস্যাৰ কথা আলোচনা হোৱাৰ পৰিৱৰ্তে একোজন জনপ্ৰতিনিধিয়ে আন একোজন জনপ্ৰতিনিধিক ঠাট্টা, উপলুঙা অধিক কৰাৰ লগতে আগৰ চৰকাৰৰ কথা সোঁৱৰাই সময় অতিবাহিত কৰাৰ উপৰি ৰাজকোষৰ ধনৰ এক বৃহৎ অংশ অপচয় কৰি আহিছে। সাধাৰণ জনতাই বিধানসভা অনুষ্ঠিত হ'লে মনত ভাবে কিজানি আমাৰ জনপ্ৰতিনিধিয়ে আমাৰ সামূহিক সমস্যা যেনে শিক্ষা, চিকিৎসা, খোৱাপানী, নিবনুৱা, বিদ্যুৎ, বাসস্থান, বান, মথাউৰি, কৃষক আদি বিষয়ৰ ওপৰত আলোচনা কৰিব বুলি। কিন্তু জনসাধাৰণে ভবাৰ দৰে আলোচনা হৈ নুঠে। বৰ্তমান সময়ত শাসক পক্ষত আৰু কিমান জনপ্ৰতিনিধি বৃদ্ধি কৰিব পাৰে তাকে চিন্তা কৰে, অতীতৰ বিধানসভাত বিৰোধীয়ে গঠনমূলক সমালোচনা কৰাৰ লগতে সমস্যাবোৰৰ বিষয়ে বক্তব্য আগবঢ়ালে শাসক পক্ষয়ো গুৰুত্ব সহকাৰে লৈছিল। কিন্তু আজি কিছুবছৰৰ পৰা বিৰোধীয়ে যদিহে কিবা গুৰুত্বপূৰ্ণ কথা কয় তেনেহ'লে শাসক পক্ষই বিষয়টোৰ গভীৰতালৈ যোৱাৰ বিপৰীতে ঠাট্টা, উপলুঙা কৰি সমস্যাটোকেই লঘু কৰি পেলায়। এই ক্ষেত্ৰত আগৰ চৰকাৰৰ দিনত কি কৰিছিল তাকেই উল্লেখ কৰি সমস্যাটোক নস্যাৎ কৰা হয়। বিধানসভাৰ আন এক গুৰুত্বপূৰ্ণ দিন হ'ল সাধাৰণ বাজেটৰ দিনটো। কিন্তু জনসাধাৰণে ভবাৰ দৰে ইয়ো হৈ নুঠে। বাজেট ঘোষণা কৰা আৰু ইয়াক বাস্তৱত ৰূপায়ণ কৰাৰ মাজত বহু পাৰ্থক্য দেখা যায়। সাধাৰণ জনতাই ভবাৰ দৰেই বিধানসভাত ৰাজ্যৰ আইন শৃংখলাৰ লগত জড়িত বিষয়সমূহৰ ওপৰত আলোচনা, গৃহৰক্ষীসকলৰ সমস্যা, ঠিকাভিত্তিক বনকৰ্মীৰ সমস্যা, সামান্য ধনেৰেই জীৱন নিৰ্বাহ কৰা কিমান কঠিন এই বিষয়সমূহ আলোচনাৰ প্ৰয়োজন আছিল, অসমৰ নিচিনা ৰাজ্য এখনত ১০ শতাংশ লোকে পৰিবহণ ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি পৰিয়াল চলাই আছে। কিন্তু বিধানসভাত তেওঁলোকৰ সমস্যাৰ ওপৰত বিতংভাৱে আলোচনা নহয়। তদুপৰি অসমত দিব্যাংগসকলৰ জীৱন-জীৱিকাৰ লগতে দিব্যাংগসকলক চিকিৎসা, সা-সুবিধাৰ বাস্তৱিক আৰু কাৰ্যকৰী ব্যৱস্থাৰ বিষয়েও আলোচনা নহয়। ৰাজ্যৰ বিধানসভাখন সৰ্বসাধাৰণৰ বাবে এক আশা- আকাংক্ষাৰ পবিত্ৰ ক্ষেত্ৰ। কোটি কোটি টকা ব্যয়ৰ উপৰি বহু সা-সুবিধা প্ৰদানেৰে পেটত গামোচা বন্ধা জনতাই জনপ্ৰতিনিধিসকলক এই মজিয়াৰ আসনত বহুৱায়। এখন চৰকাৰ আৰু একোটা ৰাজনৈতিক দলৰ মাজত এক পাৰ্থক্য থাকে। সেয়ে এই মজিয়ালৈ নিৰ্বাচিত সকলো জনপ্ৰতিনিধিৰে দায়িত্ব সৰ্বস্তৰৰ লোকৰ কল্যাণৰ বাবেহে থাকিব লাগে। কিন্তু দুৰ্ভাগ্যজনকভাৱে এই মজিয়া শেষত গৈ দলীয় ৰাজনীতিৰ আখৰাস্থলী হৈ পৰে। শাসক বিৰোধী সকলোৱে ৰাজনৈতিক লাভালাভৰ বাদানুবাদে সাধাৰণ লোকৰ আকাংক্ষাক নিঃশেষ কৰে।

## বিধানসভাৰ প্ৰতি ৰাইজৰ আগ্ৰহ হ্ৰাস পাইছে

■ **ড° পৰশমণি সিংহ,** মানৱ অধিকাৰ কৰ্মী



**বিধানসভা** এখন ৰাইজৰ বাবে বাস্তৱত উপকাৰী তেতিয়াহে হ'ব যেতিয়া প্ৰতিজন সদস্যৰ মন আৰু চিন্তা সংবেদনশীল হয়। এতিয়া বিধানসভালৈ এনে প্ৰতিনিধিও নিৰ্বাচিত হয় যি প্ৰতিনিধিত্ব কৰা সমষ্টিটোৰ লগতেই পূৰ্বৰে পৰা কোনো সম্পৰ্ক নাথাকে। এনে উদাহৰণ অসম বিধানসভাত বহু ওলাব। শাসকেই হওক বা বিৰোধীয়েই হওক সামাজিক বিষয়বোৰৰ ক্ষেত্ৰত জ্ঞান আৰু অধ্যয়নশীল হোৱাটো খুবেই প্ৰয়োজন গণতন্ত্ৰৰ স্বাৰ্থত। কিন্তু সেয়া দেখিবলৈ পোৱা নাযায় বাবেই আমি যিমান আগবাঢ়িব লাগিছিল সিমান আগবাঢ়িব পৰা নাই। অসম বিধানসভাৰ পৰিবেশক লৈ আগতে যথেষ্ট কঠোৰ সমালোচনা হৈছে। বহু অযোগ্য জনপ্ৰতিনিধিৰ ছবি দেখিবলৈ পোৱা গৈছে। বিধানসভাত আনকি বহু জনপ্ৰতিনিধিয়ে টোপনীয়াই থাকে। গতিকে এনে জনপ্ৰতিনিধিৰ পৰা কোনো গুৰুত্বপূৰ্ণ বিষয়ত গঠনমূলক আৰু জনগণৰ উপকাৰ হোৱা কোনো বিষয়ৰ চৰ্চা আশা কৰিব পৰা নাযায়। বিধানসভালৈ একোটা দলৰ একোজন প্ৰাৰ্থীক সমৰ্থক আৰু দলৰ কৰ্মীয়ে নিৰ্বাচিত কৰে যদিও প্ৰাৰ্থী কোন হ'ব সেয়া একোটা দলৰ মুৰব্বীসকলে নিৰ্ণয় কৰে। এই নিৰ্ণয়ৰ মাপকাঠি ৰাইজৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি মুঠেও নহয়। গতিকে এইসকলৰ পৰা ৰাইজৰ আশা-আকাংক্ষা পূৰণ হোৱাৰ আশা কৰাটোও আচলতে এক দুৰাশা। বিধানসভাৰ বহু সদস্যৰ চিনাকিটো তেওঁলোকৰ কৰ্মপটুতাৰ বাবে নহয়, তেওঁলোকৰ নিৰ্দিষ্ট নেতাই কোৱা ভুল কথাকে বিপক্ষই সমালোচনা কৰাৰ সময়ত যিকোনো বাক্যবাণৰে ভেটা দিব পৰাটোতেই সীমাবদ্ধ। বিধানসভাত ৰাইজৰ আৰু সমাজৰ উপকাৰ হোৱাকৈ কোনো পৰিকল্পনা গ্ৰহণ হোৱাৰ সলনি অধিক সময় দৃষ্টিকটুভাৱে পাৰস্পৰিক বাক্য আক্ৰমণতেই অতিবাহিত হয়। বিধানসভাৰ মজিয়াত বহু সদস্যৰ শাৰীৰিক ভংগিমাই সলনি হৈছে। এখন সমাজত ঋণাত্মক প্ৰভাৱ পেলাব পৰা একোটা মন্তব্য কৰিবলৈও বহুজনে চিন্তাই নকৰে। পাছত আকৌ তেনে কথাকেই শুদ্ধ বুলিহে প্ৰতিপন্ন কৰিবলৈ চেষ্টা চলোৱা দেখা যায়। গতিকে এনে পৰিস্থিতিত সাধাৰণ মানুহৰো বিধানসভাৰ প্ৰতি আকৰ্ষণ হেৰাইছে। বিধানসভা একাংশ নিৰ্দিষ্ট লোকৰ কেৱল সভাহে হৈছেগৈ। ইয়াৰ প্ৰতি ৰাইজৰ আকৰ্ষণ হ্ৰাস পাইছে ৰাইজৰ আশা-আকাংক্ষাবোৰ পূৰ্ণ নোহোৱাৰ বাবে।

## অসম বিধানসভাৰ মজিয়াত আমাৰ একাংশ জনপ্ৰতিনিধিৰ ভূমিকা লজ্জাজনক

■ **প্ৰশান্ত বৈশ্য**
সভাপতি, কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি।



**অসমত** যেতিয়াই বিধানসভাৰ অধিবেশন আৰম্ভ হয় তেতিয়াই উন্মোচিত হয় একাংশ জনপ্ৰতিনিধিৰ প্ৰকৃত চৰিত্ৰ। অসম বিধানসভাৰ দিন চমু চাপি অহাৰ লগে লগে একাংশ শাসক তথা বিৰোধীৰ বিধায়কে বিধানসভাৰ মজিয়াত নিজকে চৰ্চাৰ কেন্দ্ৰবিন্দু সজাই তুলিবলৈ আগতীয়াকৈ সংবাদ মাধ্যমৰ সন্মুখত বিভিন্ন ভংগিমাৰে আখৰাত ব্যস্ত হৈ পৰা প্ৰায়েই পৰিলক্ষিত হয়। এশএবুৰি প্ৰতিশ্ৰুতি আৰু ছলাহী কথাৰে ৰাইজৰ অশেষ মৰম-স্নেহ পাই গাদী দখল কৰা ৰাজ্যখনৰ জনপ্ৰতিনিধিসকলে ৰাইজৰ জ্বলন্ত সমস্যাসমূহৰ ওপৰত বিধানসভাত গঠনমূলক আলোচনা কৰা বা যুক্তিপূৰ্ণ প্ৰস্তাৱ আগবঢ়োৱাৰ পৰিৱৰ্তে ইজনে সিজনক কটু বাক্য প্ৰয়োগ কৰা, হকে-বিহকে যুক্তি দেখুৱাই সংবাদ মাধ্যমৰ জৰিয়তে এখন ৰাষ্ট্ৰৰ প্ৰধানে অইন এখন ৰাষ্ট্ৰৰ প্ৰধানক ভাবুকি দিয়াৰ দৰে অভব্য আচৰণ কৰা প্ৰায়েই দেখিবলৈ পোৱা যায় আমাৰ অসমৰ জনপ্ৰতিনিধিসকলৰ মাজত। তেনে নিম্নগামী মানসিকতাৰ প্ৰতিফলন ঘটাই জনতাৰ মুল সমস্যাসমূহৰ পৰা আঁতৰি থাকি ৰাজ্যৰ বিধানসভাৰ অধিবেশন চলি থকা অৱস্থাত আমাৰ অধিকাংশ বিধায়ক তথা গধুৰ দায়িত্বৰ অধিকাৰী মন্ত্ৰীসকলৰ যেন এটাই লক্ষ্য, উদ্দেশ্য হৈ পৰে কিদৰে নিজকে বিধানসভাৰ মজিয়াত জিলিকাই তুলিব পাৰি, সহজ-সৰল জনতাৰ প্ৰকৃত সমস্যাসমূহ যেন তেওঁলোকৰ মুল বিষয় নহয়, যিকোনো কৌশল অৱলম্বন কৰি বিধানসভাৰ মজিয়াত নিজকে নায়ক সজোৱাই যেন তেওঁলোকৰ মুল বিষয় তথা গধুৰ দায়িত্ব। বিধানসভাৰ পবিত্ৰ মজিয়াত বেপৰোৱা কথা কৈ কোনে কিমান ভালকৈ অভিনয় কৰি জনতাক মনোৰঞ্জন দি সংবাদ মাধ্যমত চৰ্চিত হ'ব পাৰে তাতেই তেওঁলোকে যেন সন্তুষ্টি লভে। জনতাই এগৰাকী জনদৰদী জননেতা পোৱাৰ আশাৰে ৰাইজৰ মনৰ কথা সমূহ বিধানসভাৰ পবিত্ৰ মজিয়াত বলিষ্ঠ কণ্ঠৰে উপস্থাপন কৰিবলৈ ভোটদান কৰি তেওঁলোকক জয়ী কৰি অসম বিধানসভাৰ সদস্য কৰি পঠিয়ায়। জনতাই নিজ অঞ্চললৈ এটা ভাল দিনৰ অপেক্ষাত বাট চাই ৰয়, কিন্তু নিজ নিজ গাদী সুৰক্ষিত হোৱাৰ পাছত একাংশ বিধায়কৰ এতিয়া ৰাইজৰ সমস্যাৰ কথাসমূহ বিধানসভাত উত্থাপন কৰাতো বাদেই ৰাইজৰ সমস্যাখিনি হৃদয়ংগম কৰিবলৈ আহৰি নাই। ৰাজ্য চৰকাৰখনে যেতিয়া বিধানসভাৰ মজিয়াত নিজৰ পৰিকল্পনাৰ কথা উত্থাপন কৰে বা পূৰ্বতে গ্ৰহণ কৰা আৰু ৰূপায়ণ কৰা আঁচনিসমূহৰ কথা ৰাজহুৱা কৰে তেনে সময়ত সাধাৰণ ৰাইজৰ দীৰ্ঘদিনীয়া বহুতো জ্বলন্ত সমস্যা প্ৰায়ে বাদ পৰি থকাটো আমাৰ দৃষ্টিগোচৰ হয়। শাসকীয় বিধায়কসকলে নিজৰ গাদী সুৰক্ষিত ৰখাৰ লগতে দলত নিজৰ স্থান দীৰ্ঘম্যাদী কৰাৰ স্বাৰ্থত মনে মনে থাকি মাত্ৰ চৰকাৰৰ পক্ষত হাতচাপৰি বজোৱা আমি দেখিবলৈ পাওঁ। একেদৰে ৰাইজৰ সমস্যা সমাধানৰ ক্ষেত্ৰত সমান্তৰালভাৱে বিধানসভাৰ মজিয়াত বিৰোধী পক্ষৰ বিধায়কসকলে বলিষ্ঠ ভূমিকা গ্ৰহণ, গঠনমূলকভাৱে জনতাৰ সমস্যাসমূহ শাসকীয় দল তথা চৰকাৰৰ দৃষ্টিগোচৰ কৰাত ফলপ্ৰসু ভূমিকা লোৱাৰ পৰিবৰ্তে অইন ভিত্তিহীন কথা উপস্থাপন কৰি তৰ্কযুদ্ধত ব্যস্ত হৈ বিধানসভাৰ মুল্যবান সময় অতিবাহিত কৰা দেখিবলৈ পোৱা যায়। প্ৰতিটো খোজতে বিৰোধীৰ ভূমিকাত থকা একাংশ বিধায়কৰ এনে ভিত্তিহীন মনেসজা কথা আৰু অভব্য আচৰণৰ সুযোগ গ্ৰহণ কৰি আহিছে সদায় শাসকীয় দল তথা চৰকাৰে। সেয়েহে শাসক-বিৰোধী প্ৰতিটো দলৰে সন্মানীয় বিধায়কসকলে আত্মসমালোচনা কৰি বিধানসভাৰ দৰে পবিত্ৰ অনুষ্ঠানৰ মজিয়াক অভব্য আচৰণৰ দ্বাৰা কলুষিত নকৰি সমিলমিলে জনতাৰ সমস্যা সমাধানত সবল ভূমিকা গ্ৰহণ কৰক। নিজ নিজ সমষ্টিৰ উন্নয়নৰ হকে সঠিক দিশে নিঃস্বাৰ্থভাৱে গতি কৰক। তেতিয়াহে সমষ্টিবাসী ৰাইজৰ মংগল হব। স্বাৰ্থক হ'ব সৰল অন্তৰেৰে ভোটদান কৰা জনতাৰ উদ্দেশ্য। সমান্তৰালকৈ সুৰক্ষিত হ'ব বিধায়ক সকলৰ আপোন চকীখনো। অন্যথা বিধানসভাই সাধাৰণ জনতাৰ আশা আকাংক্ষা পূৰণ কৰিব নোৱাৰে।

## মূল সমস্যা উত্থাপনৰ পৰিৱৰ্তে চমক সৃষ্টিহে কৰিছে

■ **ভূপেন তালুকদাৰ,**
সাহিত্যিক



**বিধানসভাত** যিহেতু ৰাইজৰ প্ৰতিনিধিয়ে জনসাধাৰণৰ সমস্যাসমূহ উপস্থাপন কৰাৰ সুযোগ পায় সেয়েহে তেওঁলোকে ইয়াৰ সদ্ব্যৱহাৰ কৰিব লাগে। জনসাধাৰণৰ সমস্যাসমূহ সুন্দৰভাৱে উপস্থাপন কৰিব নোৱাৰিলে তেনে জনপ্ৰতিনিধিৰ ওপৰত ৰাইজৰ বিশ্বাস নিশ্চয় হেৰুৱাব। এতিয়া বিধানসভাৰ মজিয়াত ৰাইজৰ সমস্যাসমূহ প্ৰতিফলিত হোৱাৰ পৰিৱৰ্তে চমক সৃষ্টিৰেহে সকলোকে আকৰ্ষণৰ চেষ্টা কৰা হৈছে। হিতাধিকাৰী সৃষ্টিৰ বাবে যিবোৰ আঁচনি গ্ৰহণ কৰা হৈছে তাৰ দ্বাৰা ৰাইজ সম্পূৰ্ণৰূপে উপকৃত হোৱা বুলি ক'ব নোৱাৰি। প্ৰতিটো সমষ্টিৰ জনপ্ৰতিনিধিয়ে সেই অঞ্চলটোৰ সমস্যাসমূহ প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰা উচিত। কাৰণ প্ৰতিটো সমষ্টিৰ ৰাইজৰ সমস্যাসমূহ সেই সমষ্টিটোৰ জনপ্ৰতিনিধিয়ে যিধৰণে জানিব পাৰিব বা উপলব্ধি কৰিব পাৰে সেয়া আন জনপ্ৰতিনিধিয়ে কৰিব নোৱাৰে। তাকে নকৰি এতিয়া বিধানসভাৰ মজিয়াত প্ৰতিনিধিসকলৰ মাজত চমক সৃষ্টিৰ প্ৰতিযোগিতাহে চলিছে। ভৱিষ্যতে ইয়াৰ ফল জনসাধাৰণেই ভোগ কৰিব লাগিব। জনসাধাৰণৰ প্ৰকৃত সমস্যা সমাধান হোৱা বা বিধানসভাৰ মজিয়াত প্ৰতিফলিত কৰা বুলি দাবী কৰিলেও বাস্তৱ ক্ষেত্ৰত এই ছবিখন দেখিবলৈ পোৱা নাযায়। এতিয়া বিধানসভাৰ মজিয়াত তোষামোদৰ ৰাজনীতিয়ে এনে এক পৰিৱেশৰ সৃষ্টি কৰিছে যে ৰাইজৰ প্ৰকৃত সমস্যাসমূহ তল পৰি থাকে। কেতিয়াবা ৰাইজৰ মূল সমস্যাৰ পৰা ফালৰি কাটি থাকিবলৈও চমক সৃষ্টিৰে হিতাধিকাৰীৰহে একমাত্ৰ দৃষ্টি আকৰ্ষণ কৰা হয়। কিছু কিছু সমস্যাৰ বিষয়ে আলোচনা হ'লেও এতিয়াও মূল বিষয়সমূহ বিধানসভাৰ মজিয়াত আলোচিত হোৱা নাই বুলিয়ে ক'ব লাগিব। কিছুমান জনপ্ৰতিনিধিক দেখিলে তেওঁলোকৰ অস্তিত্ব আছেনে নাই সন্দেহ ওপজে।

## বিধানসভাৰ বাক বিতণ্ডাবোৰ পুতৌজনক

■ **ধীৰেন নাথ শইকীয়া,** সমাজকৰ্মী।



**অতীত** সুঁৱৰি চাব বিচাৰিছো, প্ৰয়াত গোপীনাথ বৰদলৈৰ সেই বিধানসভাৰ সুন্দৰতা আজি দেখিবলৈ পোৱা নাযায়। বিধানসভাৰ মজিয়া আজিও পবিত্ৰ, কিন্তু তাতে হৈ থকা বাক-বিতণ্ডা পুতৌ লগা। সচৰাচৰ দেখিবলৈ পোৱা প্ৰতিচ্ছবি মনলৈ আহে যে আজিৰ বিধানসভাৰ মজিয়াত ৰাইজৰ সমস্যা দাঙি ধৰাৰ বিপৰীতে দেখিবলৈ পাঁও নিজক প্ৰতিষ্ঠা কৰা প্ৰতিযোগিতা। কোনে কেনেকৈ কিমান ভাষা প্ৰয়োগ কৰিছে, কোনে কেনেকৈ উচ্চ স্বৰত বাক্যবাণ নিক্ষেপ কৰিছে ইত্যাদি। যাতে সমষ্টিৰ ৰাইজক, বিধানসভাত সক্ৰিয় হৈ থকা প্ৰমাণিত কৰিব পাৰি, দুখীয়া ৰাইজৰ সমস্যাবোৰৰ হকে মাত মতাৰ বিপৰীতে উচ্চ খাপৰ কাম-কাজবোৰত মনোনিৱেশ কৰা দেখা যায়। আজি দুখীয়া ৰাইজে কি বিচাৰিছে সেয়া সদায়ে যদি বিধানসভাত উথাপিত হ'লহেঁতেন তেতিয়াহ'লে ৰাইজে জীয়াতু ভুগিব নালাগিলেহেঁতেন। সততে বিধানসভাত উচ্চাৰিত হোৱা বিষয়সমূহ, মেডিকেল কলেজ, ৰেল লাইন, ৰাস্তা-ঘাট, মহাবিদ্যালয় ইত্যাদি। খেতিয়ক ৰাইজৰ কাৰণে ঠায়ে ঠায়ে শীতলঘৰ নিৰ্মাণ হোৱা কথাটো উচ্চাৰণ নহয়, এয়া এক উদাহৰণহে। বহু ৰাইজৰ সমস্যা আছে, আজিও বহু ৰাইজৰ ঘৰত বিজুলী বাতি নাই, আজিও বিশুদ্ধ পানীৰ সুব্যৱস্থা নাই, আজিও ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক দৈন্যৰ কাৰণে জৰ্জৰিত। ৰাইজৰ চৰকাৰ, ৰাইজৰ সমস্যাৰ কাৰণে উছৰ্গিত হ'লে, ৰাইজ সফল হ'ব, চৰকাৰো সফল হ'ব। বিধানসভাৰ পবিত্ৰ মজিয়াত ৰাইজৰ চৰকাৰে ৰাইজৰ হকে মাত মাতি ৰাইজৰ উন্নতি সাধন কৰাটো কামনা কৰিলো। সততে সদনৰ মজিয়াত হোৱা বাক যুদ্ধ ই সদনৰ শালীনতা ভংগ হোৱাও পৰিলক্ষিত হয়, সেই সময় নষ্ট নকৰি ৰাইজৰ হকে মাত মাতিলে সৰ্বাংগ সুন্দৰ হ'ব। চৰকাৰখন সদায় ৰাইজৰ পক্ষত থাকক।

## কোনে কিমান চমক দিব পাৰে তাৰে প্ৰতিযোগিতা চলে বিধানসভাত


■ **বিদ্যুৎ শৰ্মা,** প্ৰাক্তন ছাত্ৰ নেতা



**বিধানসভাৰ** মজিয়াত আজিকালি কোনগৰাকী জনপ্ৰতিনিধিয়ে কিমান চমক দিব পাৰে তাৰেই অঘোষিত প্ৰতিযোগিতা চলিছে। জনপ্ৰতিনিধিয়ে ৰাইজৰ মূল সমস্যাক লৈ যিমান আগ্ৰহী হৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ উপস্থাপন কৰিব লাগিছিল সেয়া সম্পূৰ্ণৰূপে সফল হোৱা বুলি ক'ব নোৱাৰি। কিছুমান জনপ্ৰতিনিধিয়ে নিজকে এনেদৰে উপস্থাপন কৰিব বিচাৰে যে ৰাইজে লাহে লাহে তেওঁৰ ওপৰত বিশ্বাস হেৰুৱাই পেলাইছে। বিধানসভাৰ মজিয়া হাই-কাজিয়া আৰু মিছা কথা কৈ হৈ-চৈ কৰাৰ স্থান নহয়। প্ৰতিটো মুহূৰ্তই মূল্যবান যদিও আজিকালি বিধানসভাত হাই-কাজিয়া কৰিবলৈ কিছুমান জনপ্ৰতিনিধিয়ে চেষ্টা চলাইছে। তেওঁলোকে নিজৰ দুৰ্বলতাসমূহ নিজেই প্ৰতিফলিত নকৰি হাহিয়াতৰ পাত্ৰহে হৈছে। সকলো জনপ্ৰতিনিধিয়ে প্ৰতিটো সমষ্টিৰ ৰাইজৰ অভাৱ-অভিযোগ, সমস্যাসমূহ প্ৰতিফলিত কৰিব পাৰে আৰু চেষ্টা কৰা উচিত। কাৰণ তেওঁলোকৰ বাহিৰে আন কোনোৱে বিধানসভাত ৰাইজৰ কথা ক'ব নোৱাৰে। তেনে সুযোগো নাপায়। আজিকালি জনপ্ৰতিনিধিয়ে ৰাইজৰ সমস্যাতকৈ নিজক কেনেদৰে বিধানসভাত উপস্থাপন কৰিব পাৰে তাৰ বাবেহে চেষ্টা চলোৱা দেখা যায়। এয়া গণতন্ত্ৰৰ বাবে ভাল লক্ষণ বুলি ক'ব নোৱাৰি। নিজকে আকৰ্ষণৰ কেন্দ্ৰবিন্দু বুলি প্ৰচাৰ চলাবলৈ চেষ্টা কৰাতকৈ ৰাইজৰ মাজলৈ গৈ তেওঁলোকৰ মূল সমস্যাসমূহ বিধানসভাত উপস্থাপন কৰিবলৈ চেষ্টা কৰিলে ৰাইজেও সন্তুষ্টি লাভ কৰিব। চৰকাৰৰ দলৰ সদস্য হওকেই বা নহওকেই প্ৰতিগৰাকী জনপ্ৰতিনিধিয়ে সদায় ৰাইজৰ সমস্যা সমাধানৰ বাবে বিধানসভাত উপস্থাপন কৰা উচিত।

## জনপ্ৰতিনিধিসকলে বিধানসভাৰ মজিয়াত অৰ্থহীন বক্তব্যৰে সময়ৰ অপচয় কৰা দেখা যায়

■ **দণ্ডীৰাম দাস,** কবি।



**বিধানসভাত** ৰাইজৰ অভাৱ-অভিযোগ প্ৰতিফলিত হোৱাৰ বিপৰীতে বিধায়কসকলৰ বাক-বিতণ্ডা অধিক গুৰুত্ব পোৱা পৰিলক্ষিত হয়। সমষ্টিটোৰ কাম-কাজৰ উন্নয়নৰ অগ্ৰগতিৰ কোনো খতিয়ান বিধায়কসকলে যথাযথ উত্থাপন কৰা পৰিলক্ষিত নহয়। বহু সময়ত বিধানসভাত অৰ্থহীন বক্তব্যৰে সময়ৰ অপচয় কৰা পৰিলক্ষিত হয়। একাংশ বিধায়কে ৰাইজৰ অভাৱ-অভিযোগৰ প্ৰতি কোনো বক্তব্য ৰখা পৰিলক্ষিত নহয়। ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী গ্ৰাম্য পথ, মূল্যবৃদ্ধি, বিশুদ্ধ খোৱাপানী যোগান ব্যৱস্থা, বিভিন্ন আঁচনি প্ৰকৃত হিতাধিকাৰীৰ ওচৰ গৈ পাইছে নে নাই, সুলভ মূল্যৰ দোকানত চাউলত বাহিৰে বাকী সামগ্ৰী দিয়াৰ ব্যৱস্থা, প্ৰকৃত হিতাধিকাৰীয়ে চৰকাৰী ঘৰ পাইছেনে নাই ইত্যাদি অভাৱ-অভিযোগবোৰৰ কথা বিধায়কসকলে সদনত দাঙি ধৰা আমি দেখিবলৈ নাপাও। আনহাতে বাতৰি কাকতবোৰত প্ৰকাশ পোৱা আঞ্চলিক বা-বাতৰিবোৰৰ বিষয়ে বিধানসভাত বিধায়কবোৰে উত্থাপন নকৰাটো এক দুৰ্ভাগ্যজনক কথা। কাকতবোৰৰ আঞ্চলিক বা-বাতৰিবোৰে অঞ্চলটোৰ সত্য তথ্য যোগান ধৰে যদিও সেই তথ্যবোৰ তথা অভাৱ-অভিযোগ কাকততে থাকি যায়। সমষ্টিটোৰ বিধায়কে সেইবোৰ বিধানসভাত উত্থাপন নকৰে। ক'বলৈ গ'লে বৰভাগ কৃষি নিৰ্ভৰশীল এটা অঞ্চল। অঞ্চলটোত বাৰমাহে কৃষি কাৰ্য কৰিব পৰাকৈ বৰভাগৰ দুসুঁতি মুখত এটা ১২ কোটিটকীয়া শ্লুইচ গেট নিৰ্মাণ কৰিবলৈ লোৱা হৈছিল যদিও আজি ২০ বছৰে নিৰ্মাণ নহ'ল এই জ্বলন্ত সমস্যা বিধানসভাত উত্থাপন নহয়, বৰভাগৰ নখেতিত নিৰ্মাণ কৰিবলৈ লোৱা অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয়টোৰ বাবে চৰকাৰে মাটি আবণ্টন দিয়াৰ পাছতো তিনি বছৰে সম্পন্ন নহ'ল, সেইদৰে বৰভাগৰ বিভিন্ন গাঁৱত জলজীৱন মিছন আঁচনি নিৰ্মাণ কৰা হৈছে যদিও কোটালকুছিত নিৰ্মাণ কৰা জলজীৱন মিছন আঁচনিৰ কেন্দ্ৰটোৱে হিতাধিকাৰীৰক জ্বলা-কলা খুৱাইছে। এয়া মাত্ৰ এটা উদাহৰণহে। এইবোৰ বিধানসভাৰ মজিয়াত আলোচনাই ঠাই পোৱাটো অতি প্ৰয়োজনীয় বিষয়। প্ৰকৃত কৃষকে চৰকাৰৰ আঁচনিৰ সুবিধা লাভ কৰিছে নে নাই, অংগনৱাড়ী কেন্দ্ৰসমূহ কেনেধৰণে চলি আছে, বহু প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, নথকা, কৰবাত শিক্ষক নথকা আদি সমস্যাবোৰ বিধানসভাৰ মজিয়াত আলোচনা হোৱা দেখা নাযায় ফলত ৰাজ্যৰ প্ৰকৃত ছবিখন আন্ধাৰতে থাকি যায়।

■ নদীৰ শিল-বালি অবৈধভাৱে বিক্ৰীৰ অভিযোগ ■ ৰাইজৰ আহ্বানক অপেক্ষা

# বিৰোধিতা সত্ত্বেও বগলী নদীত খনন

**অগ্ৰদূত বাৰ্তা**

**লালুক, ১৯ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ হাৰমতী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অধীনৰ বগলী নদীত শেহতীয়াকৈ বন বিভাগে এটা মাইনিঙৰ জৰিয়তে খনন কাৰ্য চলাবলৈ অনুমতি প্ৰদান কৰাৰ প্ৰক্ৰিয়া হাতত লৈছে। এই ক্ষেত্ৰত স্থানীয় ৰাইজৰ লগতে অঞ্চলটোৰ কে'বাজনো জন প্ৰতিনিধিয়ে বিষয়টোত তীব্ৰ ক্ষোভ প্ৰকাশ কৰাৰ লগতে আশ্বৰ্য প্ৰকাশ কৰিছে। যোৱা কেইবছৰ মানৰ পৰা বগলী নদীৰ প্ৰায় ১.৫ হেক্টৰ মাটিত শইকীয়া উপাধিৰ এজন লোক ব্যক্তিয়ে নাওবৈচা গাঁও পঞ্চায়তৰ এটা কামৰ বাবে মাইনিং অনুমতি উলিয়াই নদীখনৰ শিল-বালি সম্পূৰ্ণ বে-আইনীভাৱে মুকলিকৈ অন্য ঠাইত বিক্ৰী কৰি আহিছিল। তদুপৰি নদীখনত এক্সকেভেটৰেৰে য'তে ত'তে গাঁত খন্দাৰ ফলত নদী কাষৰীয়া ৰাইজৰ জীৱন আৰু সম্পত্তিলৈ ভাবুকি কঢ়িয়াই আনিছিল। বিশেষকৈ বাৰিষাকালত পাহাৰীয়া খৰস্ৰোতা বগলী নদীখনৰ বাঢ়নী পানীয়ে গতিপথ সলনি কৰি নদী কাষৰীয়া ৰাইজৰ নাজল-নাথল অৱস্থাৰ সৃষ্টি কৰিছিল। এনে ক্ষেত্ৰত ভুক্তভোগী নদী কাষৰীয়া ৰাইজৰ লগতে হাৰমতী গাঁও পঞ্চায়তৰ সভানেত্ৰী জোনমণি বৰুৱা, গাভৰু জিলা পৰিষদৰ সদস্য অনন্ত নেওগ, বগলী বাৰ্ডৰ ৱাৰ্ড সদস্য নিকলাছ হাজকে ধৰি অঞ্চলটোৰ শতাধিক ব্যক্তিয়ে স্বাক্ষৰ কৰি চলিত বৰ্ষৰ ১১ জানুৱাৰীত লখিমপুৰ জিলা উপায়ুক্ত আৰু লখিমপুৰ জিলা বন বিষয়া প্ৰাধিকাৰিক পৃথকে পৃথকে একোখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰি অনাগত দিনত বগলী নদীত মাইনিং অনুমতি নিদিবলৈ অনুৰোধ জনাইছিল। কিন্তু আশ্চৰ্যজনকভাৱে অঞ্চলটোৰ নদী কাষৰীয়া ৰাইজ আৰু জনপ্ৰতিনিধিৰ অনুৰোধক উপেক্ষা কৰি বন বিভাগে পুনৰ উক্ত স্থানতে মাইনিঙৰ অনুমতি প্ৰদান কৰিবলৈ ওলোৱাত ৰাইজ ক্ষোভিত হৈ পৰিছে আৰু অতি শীঘ্ৰে মাইনিঙৰ অনুমতি দিবলৈ ওলোৱা প্ৰক্ৰিয়াটো বন্ধ কৰিবলৈ জিলা উপায়ুক্তক আহ্বান জনাইছে। ইয়াৰ অন্যথা স্থানীয় ৰাইজে প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ব বুলি সকীয়াই দিছে।



## কাছমাৰীত বিহু কৰ্মশালাৰ আৰম্ভণি জনপ্ৰিয় শিল্পী কৃষ্ণমনি নাথৰ

**অগ্ৰদূত বাৰ্তা,**

**বেবেজীয়া, ১৯ মাৰ্চ ঃ** নগাঁও জিলাৰ সন্মিলিত কাছমাৰী আৰু বৰভেটি গাঁও পঞ্চায়তৰ কেন্দ্ৰীয় বিহু উদযাপন সমিতিৰ উদ্যোগত কালিৰে পৰা স্থানীয় পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত এখন বিহু কৰ্মশালা আৰম্ভ হৈছে। কালি বিয়লি এক বৰ্ণাঢ্য পৰিৱেশত জনপ্ৰিয় শিল্পী কৃষ্ণমনি নাথে কৰ্মশালাখনৰ শুভ উদ্বোধন কৰে। নিজৰ উদ্বোধনী ভাষণত শিল্পী নাথে এই কৰ্মশালাৰ জৰিয়তে উঠি অহা প্ৰজন্মই প্ৰণালীবদ্ধভাৱে শুদ্ধ ৰূপত বিহু শিকিব বুলি আশা ব্যক্ত কৰাৰ লগতে উদ্যোক্তাসকলৰ শলাগ লয়। জনপ্ৰিয় কণ্ঠশিল্পীজনে বিহুগীত পৰিৱেশন কৰি প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰে। বৃহত্তৰ অঞ্চলটোৰ দুই শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশ লোৱা কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত ৭০ দশকৰ জনপ্ৰিয় বিহু শিল্পী দিপালী দাস মজুমদাৰ, দিপ্তী শইকীয়া, কংকনা কোঁৱৰ, কাছমাৰী গাঁও পঞ্চায়তৰ সভাপতি পংকজ বৰা, জিলা পৰিষদৰ সদস্যা কাঞ্চন পাটৰ বৰদলৈ, আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী দিপাঞ্জলী কোঁৱৰ, ঢোলবাদক জিতেন বৰদলৈ, নৃত্য পৰিচালক জিতু ডেকা, সমাজকৰ্মী হৰিচৰণ ডেকা, বৰভেটিৰ সমাজসেৱক ছহিদুল হক আৰু মোজ্জামিল হককে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। সন্মিলিত কেন্দ্ৰীয় বিহু উদ্‌যাপন সমিতিৰ সভাপতি অমিয় কুমাৰ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানটো আঁত ধৰি আগবঢ়াই নিয়ে সাধাৰণ সম্পাদক ৰাজেশ কোঁৱৰ আৰু সম্পাদক বসন্ত দুৱৰাই তথা আদৰণি ভাষণ আগবঢ়ায় কাছমাৰী গাঁও পঞ্চায়তৰ সভাপতি পংকজ বৰাই। অনুষ্ঠানত প্ৰবীণ বিহুৱতী দিপালী দাস মজুমদাৰে বিহুগীত আৰু যুৱ বিহু শিল্পী জাগৃতি কলিতাই নিজে বিহু গাই ঢোল বজাই সকলোকে আপ্লুত কৰি তোলে। অহা ২৭ মাৰ্চলৈকে চলিবলগীয়া এই কৰ্মশালাত ঢোলৰ ওজা যুৱত চন্দ্ৰ ডেকা, বিহুৰ সাধক বীৰেন ডেকা আৰু বৰ বিহুৱতী জাগৃতি কলিতাই প্ৰশিক্ষণ প্ৰদান কৰিব বুলি উদ্‌যাপন সমিতিৰ সাংস্কৃতিক সম্পাদকদ্বয় পংকজ বৰদলৈ আৰু পৰাগ কুমাৰ বৰদলৈয়ে লগতে জানিবলৈ দিছে।

## গোলাঘাটত মাধুৰ্যজিত বৰা সোঁৱৰণী কুইজ প্ৰতিযোগিতা সম্পন্ন

**অগ্ৰদূত বাৰ্তা,**

**ফৰকাটিং, ১৯ মাৰ্চ ঃ** গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয় আছু গোটৰ সহযোগত গোলাঘাটৰ এজন উদীয়মান ছাত্ৰ নেতা মাধুৰ্যজিত বৰাৰ সোঁৱৰণত সদৌ অসম ভিত্তিত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যোৱা ১২ মাৰ্চত গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা কুইজ প্ৰতিযোগিতাখন উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামীয়ে। উদ্বোধনৰ পূৰ্বে প্ৰয়াত ছাত্ৰনেতা মাধুৰ্যজিত বৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে প্ৰয়াত ছাত্ৰনেতাজনৰ পিতৃ টিখেশ্বৰ বৰাই। ইয়াৰ পিছতে প্ৰয়াত মাধুৰ্যজিত বৰাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত বাৰুকিয়াল, অধ্যাপক দেৱজিৎ ফুকন, কুইজ মাষ্টাৰ দিলীপ কুমাৰ শৰ্মা প্ৰমুখ্যে গোলাঘাট জিলা ছাত্ৰ সন্থা, গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থা, ডি আৰ কলেজ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা সদস্য সকলে। অসমৰ এজন বিশিষ্ট কুইজ পৰিচালক দিলীপ কুমাৰ শৰ্মাই পৰিচালনা কৰা সদৌ অসম ভিত্তিক এই কুইজ প্ৰতিযোগিতাত গুৱাহাটী, নলবাৰী, নগাঁও, যোৰহাট আদি বিভিন্ন প্ৰান্তৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰথমে এক লিখিত প্ৰাৰম্ভিক ৰাউণ্ড অনুষ্ঠিত কৰা হয় আৰু সেই ৰাউণ্ডৰ ফলাফলৰ ভিত্তিত চূড়ান্ত প্ৰতিযোগিতালৈ মুঠ ছটা দল বাছনি কৰা হয়। প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূপাল শৰ্মা আৰু প্ৰবাল কলিতাৰ দলে। দ্বিতীয় স্থান অধিকাৰ কৰে এককভাৱে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ দিল্লীৰ জামিয়া মিলিয়া ইছলামীয়া বিশ্ববিদ্যালয়ৰ ছাত্ৰ ৰাজীবুল আৱালে। আনহাতে তৃতীয় স্থানত থাকে গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পাৰ্থ জ্যোতি ভৰদ্বাজ আৰু ধ্ৰুপদ ডেকাৰ দল। বিজয়ী প্ৰতিযোগীসকলক নগদ ধন আৰু মানপত্ৰেৰে পুৰস্কৃত কৰা হয়।

## ডুমেৰগুৰী-ছোট বৰজানাত অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৯ মাৰ্চ ঃ** বঙাইগাঁও জিলাৰ লেংটিছিঙা অঞ্চলৰ ডুমেৰগুৰীত যোৱা নিশা সংঘটিত ভয়াৱহ অগ্নিকাণ্ডত কে'বা লাখ টকাৰ সা-সম্পত্তি জাহ যায়। জিলাখনৰ সন্তোষপুৰ-ডুমেৰগুৰী পঞ্চায়তৰ ডুমেৰগুৰী দ্বিতীয় খণ্ডত অজিত দাসৰ গোহালিত ধোঁৱা দিয়াৰ বাবে জ্বলোৱা জুইৰ পৰাই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। পাছত ৰাইজ আৰু অগ্নিনিৰ্বাপক বাহিনীৰ সহযোগিতাত জুই নিৰ্বাপিত কৰে যদিও দুটা বাসগৃহ, এখন বাহন, পশুধন তথা অন্যান্য সা-সম্পত্তি জুইত জাহ যায়।

## জামুগুৰিহাটৰ ধলাইবিল কেন্দ্ৰত নদুৱাৰ প্ৰেছ ক্লাবৰ কাৰ্যালয় গৃহ নিৰ্মাণৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৯ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ধলাইবিল কেন্দ্ৰত যোৱা ১৬ মাৰ্চত নদুৱাৰ প্ৰেছ ক্লাবৰ এটি কাৰ্যালয় গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। বৃহত্তৰ নদুৱাৰৰ সাংবাদিকসকলৰ ঐক মঞ্চ নদুৱাৰ প্ৰেছ ক্লাবৰ প্ৰয়োজনীয় কাৰ্যালয় গৃহটো নিৰ্মাণৰ বাবে ভূমি উন্নয়ন আৰু চাৰিসীমাৰ পকী বেৰা নিৰ্মাণৰ নামত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ দ্বাৰা পঞ্চায়তৰ জৰিয়তে আবণ্টিত চাৰি লাখ টকাৰ কামৰ আৰম্ভ কৰে দক্ষিণ মূঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি দিলীপ সেনাপতিয়ে। উক্ত অনুষ্ঠানত নদুৱাৰ প্ৰেছ ক্লাবৰ সভাপতি ফণীন্দ্ৰ বৰুৱাই পঞ্চায়ত সভাপতিজনক সম্বৰ্ধনা জ্ঞাপন কৰে। উপদেষ্টা আনোৱাৰ আহমেদে আঁত ধৰা অনুষ্ঠানটোত প্ৰেছ ক্লাবৰ সমূহ বিষয়ববীয়া সদস্যৰ লগতে দক্ষিণ মূঢ়াদল গাঁও পঞ্চায়তৰ সচিব দেবু চক্ৰৱৰ্তী, ৱাৰ্ড মেম্বাৰসহ পঞ্চায়ত কৰ্মীসকলেও অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে দক্ষিণ মূঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি দিলীপ সেনাপতিয়ে কালি উত্তৰ জামুগুৰি এম ই মাদ্ৰাছা স্কুলৰ এটি পুখুৰী সম্প্ৰসাৰণৰ বাবে বিধায়ক হাজৰিকাই গাঁও পঞ্চায়তখনৰ জৰিয়তে আবণ্টিত তিনি লাখ টকাৰ কামৰ আৰম্ভ কৰে। উক্ত অনুষ্ঠানতো পঞ্চায়তৰ সভাপতি আৰু সচিবক ৰাইজৰ তৰফৰ পৰা ফুলাম গামোচাৰে উষ্ণ সম্বৰ্ধনা জ্ঞাপন কৰে যুৱ সমাজকৰ্মী ওচমান আলীয়ে।

## পৰ্বতঝোৰাত চোৰাং কাঠফলা কল জব্দ

**অগ্ৰদূত বাৰ্তা**

**বগৰীবাৰী, ১৯ মাৰ্চ ঃ** আজি দিনৰ ভাগত কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন-সংমণ্ডলৰ অধীনস্থ খোৰাঘাট বনাঞ্চলিক কাৰ্যালয়ৰ বিষয়া তথা ৰেঞ্জাৰ অভিজিৎ দুৱৰাৰ নেতৃত্বত সাপটগ্ৰাম-ভেলাকোৱা অঞ্চলত অভিযান চলাই বৃহৎ পৰিমাণৰ চোৰাং কাঠসহ কাঠফলা মেচিন উদ্ধাৰ কৰে। এক বিশেষ সূত্ৰৰ পম খেদি বন বিভাগে চলোৱা অভিযানত কাঠ বেপাৰীসকলে মজুত ৰখা প্ৰায় ১০ লক্ষাধিক টকা মূল্যৰ মূল্যবান শাল-চেগুনৰ কুণ্ডা জব্দ কৰি মেচিনসহ খোৰাঘাট বনাঞ্চলিক কাৰ্যালয়লৈ আনে। উল্লেখ্য যে দীৰ্ঘ দিন ধৰি একাংশ চোৰাং কাঠ বেপাৰীয়ে মহামায়া সংৰক্ষিত বনাঞ্চল, ভেলাকোৱা, দুধমাৰী, টিপকাই, ফুলকুমাৰী আদি বনাঞ্চলত চোৰাংকৈ মূল্যবান শাল-চেগুনৰ অপৈণত গছ কাটি ধ্বংস কৰি আহিছে। শেহতীয়াকৈ চলোৱা এনে অভিযান আৰু অধিক তীব্ৰতৰ কৰি চোৰাং বেপাৰীৰ বিৰুদ্ধে কঠোৰ হ'বলৈ বন বিভাগক দাবী জনাইছে অৰণ্য সুৰক্ষা সমিতিৰ মহামায়া শাখাই।

## চাৰিদিনীয়া কাৰ্যসূচীৰে নিউ গোৱালপাৰা ৰঙালী বিহু সন্মিলনীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৯ মাৰ্চ ঃ** অহা ১৪ এপ্ৰিলৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৫৩ সংখ্যক নিউ গোৱালপাৰা ৰঙালী বিহু সন্মিলনী অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি, ১৪ এপ্ৰিলৰ পুৱা ন বজাত পতাকা উত্তোলন, ৯-৩০ বজাত ছহিদ তৰ্পণ, ১০ বজাত গৰু বিহু উদ্‌যাপন, ১০-৩০ বজাত সমূহীয়া বিহু নাচ প্ৰদৰ্শন, ১১ বজাত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, সন্ধিয়া ছবজাত একক বিহু নাচ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইপিনে, ১৫ এপ্ৰিলৰ পুৱা ১০ বজাৰ পৰা আকৰ্ষণীয় খেল ধেমালি প্ৰতিযোগিতা, বিয়লি তিনি বজাত চিত্ৰাংকন আৰু খেল-ধেমালি প্ৰতিযোগিতা, সন্ধিয়া ছয় বজাৰ পৰা সংগীত প্ৰতিযোগিতা, ১৬ এপ্ৰিলৰ পুৱা ন বজাত আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা, ১১ বজাত প্ৰশ্নবান প্ৰতিযোগিতা, বিয়লি তিনি বজাত কইনা সজা প্ৰতিযোগিতা, সন্ধিয়া ছয় বজাত আধুনিক নৃত্য প্ৰতিযোগিতা, ১৭ এপ্ৰিলৰ পুৱা ন বজাত আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা, আবেলি দুই বজাত ভেকছন প্ৰতিযোগিতা আৰু সন্ধিয়া সাত বজাত সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ'ব। উক্ত সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পী প্ৰিয়ংকা ভৰালী আৰু লোহিত গগৈৰ সংগীতানুষ্ঠান পৰিৱেশন কৰা হ'ব। কাৰ্যসূচীসমূহত ৰাইজৰ উপস্থিতি কামনা কৰিছে নিউ গোৱালপাৰা ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি জিতেন্দ্ৰ চন্দ্ৰ কলিতাৰ লগতে সম্পাদকদ্বয় তপন চক্ৰৱৰ্তী আৰু মৃণালকান্তি ৰায়ে।

## সমাজৰ ব্যাধি স্বৰূপ বাল্যবিবাহ বন্ধ কৰাৰ প্ৰচেষ্টা

### তামাৰহাট থানাত কাজি, গাঁওৰক্ষী বাহিনী, আৰক্ষীৰ বিশেষ সভা

**তামাৰহাট, ১৯ মাৰ্চ ঃ** যোৱা ১৭ মাৰ্চত ধুবুৰী জিলাৰ তামাৰহাট থানাৰ আৰক্ষীৰ উদ্যোগত থানা চৌহদত থকা গাঁওৰক্ষী বাহিনীৰ সভাকক্ষত আৰক্ষী, গাঁওৰক্ষী বাহিনী, কাজি, পুৰোহিত আৰু সমাজৰ মুৰব্বীসকলৰ এখন জৰুৰী সভা অনুষ্ঠিত হয়। তামাৰহাট প্ৰেছ ক্লাবৰ সভাপতি ললিত চন্দ্ৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ সভাখনত তামাৰহাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জয়ন্ত কুমাৰ দাসে ভাষণত কয় যে ভিতৰুৱা অঞ্চলবোৰত বিশেষকৈ ধৰ্মীয় সংখ্যালঘু সমাজত প্ৰচলিত হৈ থকা বাল্যবিবাহ প্ৰথা সমাজৰ বাবে এক বৰ ব্যাধি স্বৰূপ। কাৰণ ১৮ বছৰৰ তলৰ ছোৱালীসকলক বিষয় দিয়াৰ ফলত ছোৱালীজনীৰ ভৱিষ্যৎ জীৱন অন্ধকাৰৰ পিনে গতি কৰাৰ উপৰি পৰিয়াল তথা সমাজত নানা ধৰণৰ সমস্যাৰ সৃষ্টি হয়। গতিকে আমি এখন সুস্থ সমাজ গঢ়িবলৈ হ'লে বাল্যবিবাহ বন্ধ কৰিবই লাগিব বুলি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে কয়। উক্ত সভাত বাল্যবিবাহে যে সমাজত কুপ্ৰভাৱ পেলায় তাৰ ওপৰত ভাষণ প্ৰদান কৰে ক্ৰমে কোকিলাডাংগা গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক আব্দুল জলিল শ্বেখ, প্ৰতিদিন টাইমৰ সাংবাদিক শ্বহিদুল ইছলাম, তামাৰহাট থানাৰ বিশেষ শাখাৰ বিষয়া অমূল্য মালি আদি।

## আউনীআটী বিদ্যা নিকেতনৰ পৰিচালনা সমিতিৰ সম্পাদক নিৰ্বাচিত

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৯ মাৰ্চ ঃ** সুমন দত্তক এক ৰাজহুৱা সভাৰ জৰিয়তে আউনীআটী বিদ্যা নিকেতনৰ পৰিচালনা সমিতিৰ সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। এই ৰাজহুৱা সভাত শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ড° পীতাম্বৰ দেৱগোস্বামী, আউনীআটী বিদ্যা নিকেতনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰণৱ কুমাৰ মাক্ৰাৰীকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## গোৱালপাৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সমাৰোহৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৯ মাৰ্চ ঃ** গোৱালপাৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এখন মিলন সমাৰোহ আয়োজনৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। অহা ২৬ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া উক্ত মিলন সমাৰোহত ইংৰাজী বিভাগত অধ্যয়ন কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ চিনাকি পৰ্ব তথা সম্বৰ্ধনাৰ লগতে এখন মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। গোৱালপাৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া উক্ত মিলন সমাৰোহত মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কামনা কৰিছে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সমন্বয়ক মজবুল হক চৌধুৰীয়ে।

## মঙলদৈ উকীল সন্থাৰ নিৰ্বাচন সম্পন্ন হৰিৰাম চহৰীয়া সভাপতি নিৰ্বাচিত

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৯ মাৰ্চ ঃ** মঙলদৈ উকীল সন্থাৰ সাধাৰণ নিৰ্বাচন যোৱা ১৫ মাৰ্চত সম্পন্ন হয়। সন্থাৰ সভাপতি নিৰ্বাচিত হয় হৰিৰাম চহৰীয়া। ইপিনে, সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হয় হেমন্ত কুমাৰ শৰ্মা। আনহাতে, উপ-সভাপতি নিৰ্বাচিত হয় মমতা শৰ্মা আৰু মতলিব আলী। তদুপৰি সহকাৰী সম্পাদকৰূপে নিৰ্বাচিত হয় ক্ৰমে আবুল হুছেইন আৰু ৰাজীবুৰ ৰহমান। আনহাতে, গ্ৰন্থাগাৰ সম্পাদকৰূপে নিৰ্বাচিত হয় মফিজুদ্দিন আহমেদ। তদুপৰি কাৰ্যনিৰ্বাহক সদস্যৰূপে নিৰ্বাচিত হয় হৰগোবিন্দ চহৰীয়া, মৃণাল শৰ্মা, চাজাহান আলী, আব্দুল ৰাজ্জেক আৰু পম্পী আখতাৰ। দুবছৰীয়া কাৰ্যকালৰ বাবে ২১ জনীয়া সমিতিখনত সন্থাৰ সধাৰণ সভাই আঠজন কাৰ্যনিৰ্বাহক সদস্য ক্ৰমে চবেৰুদ্দিন আহমেদ, নজৰু ইছলাম, হিতেশ ডেকা, জয়ন্ত ডেকা, সত্যেন্দ্ৰনাথ বসাক মচৰুদ্দিন আহমেদ, নৰ কুমাৰ ডেকা আৰু চাইদুৰ ৰহমানক মনোনীত কৰিছে।

## দিল্লীৰ সাহিত্য উৎসৱত ডিমাছা ভাষাত কবিতা পাঠ হোজাইৰ যুৱকৰ




**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৯ মাৰ্চ ঃ** নতুন দিল্লীৰ সাহিত্য উৎসৱত হোজাইৰ এজন কবিয়ে ডিমাছা ভাষাৰ কবিতা পাঠ কৰাত উৎফুল্লিত হৈছে অসমৰ ডিমাছা সমাজ। যোৱা ১১ মাৰ্চৰ পৰা দিল্লীৰ ৰবীন্দ্ৰ ভৱনত আয়োজিত সাহিত্য একাডেমী বাৰ্ষিক উৎসৱৰ লগত সংগতি ৰাখি আয়োজিত জনজাতি লেখক সন্মিলনত হোজাইৰ ৰাইকটা চন্দনপুৰ গাঁৱৰ নিবাসী জান কেম্প্ৰাই ওৰফে সত্যসৰণ বৰ্মনে ডিমাছা ভাষাত কবিতা পাঠ কৰে। সৰুৰে পৰা কবিতা লিখি ভাল পোৱা কেম্প্ৰাইয়ে কলেজত পঢ়ি থকাৰে পৰা ডিমাছা তথা অসমীয়া ভাষাত বহু কেইটা গান লিখি উলিয়াইছে আৰু বহু কেইজন ডিমাছা শিল্পীয়ে গোৱা গীত জনসাধাৰণে আদৰি লৈছে লগতে তিনিখনকৈ ডিমাছা ভাষাৰ কবিতা পুথি প্ৰকাশ হৈছে। সদৌ ডিমাছা ছাত্ৰ সন্থাৰ হোজাই জিলা সমিতিৰ প্ৰাক্তন সম্পাদক তথা ডিমাছা সাহিত্য সভা হোজাই জিলা সমিতিৰ প্ৰাক্তন সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা কেম্প্ৰাইয়ে জাতি তথা সাহিত্যৰ প্ৰতি স্নেহ থকাৰ বাবে বৰ্তমানো ডিমাছা জাতিৰ অনান্য সংগঠনৰ লগত জড়িত। দেশৰ সৰ্বোচ্চ সাহিত্য মঞ্চৰ উক্ত 'জনজাতি লেখক সন্মিলনৰ অনুষ্ঠানত দেশৰ অনান্য ভাষাৰ কবিৰ লগতে কেম্প্ৰাইয়ে ডিমাছা ভাষাত কবিতা পাঠ কৰাৰ খবৰ লাভ কৰি ডিমাছা সাহিত্য সভা হোজাই জিলা সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে ভোলানাথ থাউচেন, জদেশ ডাউলাগুফু, সভাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সভাপতি শিবনাথ বড'ই শুভেচ্ছা জনোৱাৰ উপৰি শুভাকাংক্ষীসকলেও শুভেচ্ছা জনায়।

## তামুলপুৰ জিলাৰ ডোঙাৰগাঁৱত অনা জৰীপ গাঁৱৰ ভূমি জৰীপৰ কাম আৰম্ভ

### বিটিআৰ চৰকাৰৰ যুগান্তকাৰী পদক্ষেপ

**অগ্ৰদূত বাৰ্তা,**

**তামুলপুৰ, ১৯ মাৰ্চ ঃ** বিটিআৰ অঞ্চলৰ অন্তৰ্গত অনা জৰীপ গাঁওসমূহৰ ভূমি জৰীপৰ কাম কালি আনুষ্ঠানিকভাৱে আৰম্ভ কৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। যোৱা ১৬ মাৰ্চত তামুলপুৰ জিলাৰ অন্তৰ্গত চাৰি নম্বৰ ডোঙাৰ গাঁৱত ড্ৰোন উৰুৱাই ভূমি জৰীপৰ কামৰ আৰম্ভ কৰে বিটিআৰ প্ৰধানজনে। এই ভূমি জৰীপেৰে ভূটানৰ পাদদেশত অৱস্থিত বিটিআৰৰ কে'বাখনো ৰাজহ গাঁৱত কে'বা দশকজুৰি বসবাস কৰি থকা খিলঞ্জীয়া লোকসকলৰ বাবে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এক আশাৰ ৰেঙণি কঢ়িয়াই আনিবলৈ সক্ষম হ'ব। স্বাধীনতাৰ ৭৫ বছৰ পাছতো এনে গাঁওসমূহত ভূমিৰ জৰীপ নোহোৱাৰ বাবে বিটিআৰত বসবাস কৰি থকা হেজাৰ হেজাৰ খিলঞ্জীয়া পৰিয়ালে ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। প্ৰাপ্ত তথ্য অনুসৰি, বিটিআৰৰ বাগ্‌সা ৰাজহ চক্ৰৰ চাৰিখন, বাগানপাৰা ৰাজহ চক্ৰৰ ১১ খন, তামুলপুৰ ৰাজহ চক্ৰৰ ছয় খন , জালাহ ৰাজহ চক্ৰৰ ১০ খন, চিদলী আৰু ওদালগুৰি ৰাজহ চক্ৰৰ দুখনকৈ মুঠ ৩৩ খন গাঁৱৰ জৰীপ নোহোৱাৰ বাবে কোনো মেপ আৰু ভূমি নথি নাই । এই গাঁওসমূহৰ ভূমি জৰীপ হোৱাৰ লগে লগে মেপ আৰু ভূমি নথি প্ৰস্তুত সম্ভৱপৰ হ'ব আৰু কে'বা হেজাৰ পৰিয়াল উপকৃত হ'ব। নৱগঠিত তামুলপুৰ জিলাৰ তামুলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চাৰি নম্বৰ ডোঙাৰ গাঁওস্থিত এক নম্বৰ পিপলানি প্ৰাথমিক বিদ্যালয় খেলপথাৰত আয়োজিত এক ৰাজহুৱা সভাত ড্ৰোন জৰীপ কাৰ্যৰ উদ্বোধন কৰি মুখ্য কাৰ্যবাহী সদস্যজনে কয় যে এই জৰীপে খিলঞ্জীয়া লোকসকলৰ ভূমিৰ অধিকাৰ নিশ্চিত কৰিব যিটোৰ পৰা তেওঁলোকে ইমান দিনে বঞ্চিত হৈ আছিল। বিটিআৰ প্ৰধানজনে পুনৰ উল্লেখ কৰে যে ভূমিৰ অধিকাৰ পোৱাৰ পাছত এই অঞ্চলৰ বাসিন্দাসকলে ভূমি ক্ৰয় বিক্ৰীৰ সুবিধা, বেংকৰ পৰা ঋণৰ সুবিধা, চৰকাৰৰ নিৰ্ধাৰিত হাৰত ধান বিক্ৰীৰ সুবিধা, অন্যান্য চৰকাৰী আঁচনিৰ সুবিধা আদি পোৱাৰ লগতে সীমান্তৱৰ্তী অঞ্চলত বিভিন্ন উন্নয়নমূলক আন্তঃগাঁথনিৰ আঁচনি ৰূপায়ণ কৰিব পৰা যাব। আজিৰ উদ্বোধনী সভাত বিটিআৰৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, ৰনেন্দ্ৰ নাৰ্জাৰী, ধৰ্ম নাৰায়ণ দাস, মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভা, দীপক মৌৰ, বিটিআৰৰ ভূমি লেখ্য অধিকৰ্তা তথা সচিব ধীৰাজ সাউদ, তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ দাসৰ লগতে বিভাগীয় কৰ্মচাৰীকে আদি কৰি সহস্ৰাধিক ৰাইজ উপস্থিত থাকে।

## কলিয়াবৰত বাহনসহ জব্দ ১৯টাকৈ চোৰাং গৰু



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৯ মাৰ্চ ঃ** যোৱা ১৪ মাৰ্চৰ নিশা কলিয়াবৰৰ ৰাজপথত চোৰাং গৰুৰ বিৰুদ্ধে বাগৰি আৰক্ষীয়ে অভিযান চলায় বাগৰিৰ ৩৭ নম্বৰ ঘাইপথত। যোৱা পৰহি নিশা কলিয়াবৰত পুনৰ এখন বাহনত সৰবৰাহ কৰা ১৮টা গো-ধনসহ গ্ৰেপ্তাৰ হ'ল এজন সৰবৰাহকাৰী। আৰক্ষীৰ নিয়মীয়া টহলদাৰী অভিযানত গৰু কঢ়িওৱা এ এছ-০১ ই চি-৬০০৭ নম্বৰৰ বাহনখন জব্দ কৰে। বাহনখনৰ চালকজনকো এই সংক্ৰান্তত আৰক্ষীৰ গ্ৰেপ্তাৰ কৰে।

## আধ্যাত্মিক মূল্যবোধ অবিহনে যুৱপ্ৰজন্ম ড্ৰাগছমুক্ত নহয়

### ■ জামুগুৰি বাৰেচহৰীয়া যুৱ সভাৰ শাখা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**


**নদুৱাৰ, ১৯ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ অন্যতম প্ৰাচীন-আধ্যত্মিক তথা বৈদিক মাৰ্গৰে পৰিচালিত ধৰ্মীয় অনুষ্ঠান জামুগুৰি বাৰেচহৰীয়া ৰাইজ সভাৰ ভ্ৰাতৃ সংগঠনে 'বাৰেচহৰীয়া যুৱ সভা'ৰ এটি শাখা যোৱা ১৫ মাৰ্চত বাঁহবৰীয়া সত্ৰ নামঘৰত গঠন কৰা হয়। সেই উপলক্ষে সন্ধিয়া অনুষ্ঠিত সভাত সভাপতিত্ব কৰে বাৰেচহৰীয়া ৰাইজ সভাৰ উপদেষ্টা জগত শইকীয়াই। আহ্বায়ক জিতু গোস্বামীয়ে আঁতধৰা সভাত বাৰেচহৰীয়া যুৱ সভাৰ উপদেষ্টা মিংকু কলিতা, জয়ন্ত দাস, সভাপতি সঞ্জীৱ ৰাজখোৱা, সম্পাদক হিৰকজ্যোতি বৰা, জ্যেষ্ঠ সদস্য জিতেন কলিতা, বাবলু কলিতা, বাৰেচহৰীয়া ৰাইজ সভাৰ প্ৰাক্তন সম্পাদক ভবিন্দ্ৰ ভূএগ উপস্থিত থাকে। উল্লেখ্য যে অঞ্চলটোৰ পাঁচখন অগ্ৰণী গাঁও ক্ৰমে চেচাসত্ৰ, বাঁহবৰীয়া সত্ৰ, দৌকাচাপৰি, কৰটিপাৰ আৰু বাঁহবৰীয়া গাঁৱৰ বৈদিক পন্থৰ যুৱকসকলক একত্ৰিত কৰি বাৰেচহৰীয়া যুৱ সভাৰ পাঁচগাঁও বাৰেচহৰীয়া যুৱ শাখা সমিতি গঠন কৰা হয়। সভাত যুৱ সভাৰ লক্ষ্য-উদ্দেশ্য সম্পৰ্কত বক্তব্য দাঙি ধৰি উপদেষ্টা মিংকু কলিতাই কয় যে যুৱ সমাজক উচ্ছৃংখল মানসিকতা আৰু ড্ৰাগছ আসক্তিৰ পৰা আঁতৰাই এখন সুস্থ-সবল সমাজ গঢ়িবলৈ হ'লে যুৱ সমাজক গুৰুজনাৰ নামঘৰ সংস্কৃতিৰ দিশে আগবঢ়াই আনিব লাগিব। ইয়াৰ বাবে চৰকাৰ-অভিভাৱকসকলে মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। উক্ত সভাতে যুৱ সভাৰ সাংবিধানিক নীতি অনুসৰি শাখাটো সুচাৰুৰূপে পৰিচালনাৰ বাবে এখন কাৰ্যনিৰ্বাহক কমিটী গঠন কৰা হয়। সেই মৰ্মে শাখা কমিটীখনৰ সভাপতি জিতু গোস্বামী, উপ-সভাপতি প্ৰাঞ্জল হাজৰিকা, অচ্যুত শইকীয়া, সম্পাদক। দিব্যজ্যোতি বৰুৱা, সহকাৰী সম্পাদক হিৰকজ্যোতি হাজৰিকা, প্ৰাণশংকৰ ভূএগ। সাংগঠনিক সম্পাদক কিশোৰ হাজৰিকা, দিব্যজ্যোতি মহন্ত, সাংস্কৃতিক সম্পাদক পাৰ্থ প্ৰতিম শইকীয়া, বংকিম হাজৰিকা, অংকুমণি হাজৰিকা, প্ৰচাৰ সম্পাদক নৱদ্বীপ ভূএগ, মিঠু কলিতা। ইয়াৰ উপৰি উক্ত শাখা সমিতিখনৰ উপদেষ্টাৰূপে জগত শইকীয়া, ভূপেন ওজা, ভবিন্দ্ৰ ভূএগ, বাবলু কলিতা, দীপক হাজৰিকা, নিৰঞ্জন শইকীয়া, ধৰ্মানন্দ গোস্বামী, প্ৰভাশংকৰ ভূএগ, জয়ন্ত হাজৰিকাক মনোনীত কৰে। স্মৰণযোগ্য যে আগন্তুক ২০২৩ৰ বাৰেচহৰীয়া ভাওনা মহোৎসৱৰ পূৰ্বে বাৰেচহৰীয়া যুৱ সভাই এইদৰে গাঁৱে গাঁৱে যুৱ শাখা গঠন কৰি বাৰেচহৰীয়া ৰাইজ সভাক শক্তিশালী কৰাৰ লগতে বাৰেচহৰীয়া ভাওনা মহোৎসৱত যাতে সকলো যুৱকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি মহোৎসৱৰ সফল ৰূপায়ণত অৰিহণা আগবঢ়াব পাৰে তাৰ বাবে প্ৰচেষ্টা হাতত লৈছে। যুৱ সভাৰ এনে আদৰণীয় পদক্ষেপৰ অঞ্চলটোৰ ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

## ময়নাৰতলত ৩০খন বিছনাযুক্ত আদৰ্শ চিকিৎসালয় স্থাপনক লৈ বিটিআৰত আঁৰিয়া-আঁৰি

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ১৯ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰামৰ ময়নাৰতলত আদৰ্শ চিকিৎসালয়খনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপনক লৈ বিপিএফ আৰু ইউপিপিএল-বিজেপি মিত্ৰজোঁটৰ ৰাজনীতি আৰম্ভ হৈছে। ময়নাৰতলত কোনে আনিলে আদৰ্শ চিকিৎসালয় তাক লৈ চৰ্চা হৈছে। ৰাইজৰ আগত দক্ষতা দেখুৱাবলৈ একেখন আদৰ্শ চিকিৎসালয়ৰ দুবাৰকৈ আধাৰশিলা স্থাপনৰে চমক আৰম্ভ হৈছে বিধায়ক ৰবিৰাম নাৰ্জাৰী আৰু ইএমৰ অৰূপ কুমাৰ দেৰ। উল্লেখ্য যে যোৱা ১০ মাৰ্চত ফকিৰাগ্ৰামৰ ময়নাৰতলত আদৰ্শ চিকিৎসালয় স্থাপনৰ আধাৰশিলা স্থাপন কৰিছিল কোকৰাঝাৰ পশ্চিম বিধানসভা সমষ্টিৰ বিধায়ক তথা বিপিএফৰ নেতা ৰবিৰাম নাৰ্জাৰীয়ে। সেই একেটা স্থানতে পুনৰ ১৫ মাৰ্চত একেখন আদৰ্শ চিকিৎসালয় স্থাপনৰ আধাৰশিলা স্থাপনৰে বাহঃ বাহঃ ল'লে বিটিআৰৰ প্ৰমোদ বড়ো নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ স্বাস্থ্য বিভাগৰ দায়িত্বৰত কাৰ্যবাহী সদস্য দে'ই । এই দুই নেতাৰ আধাৰশিলা স্থাপন কৰা কাৰ্যক নীৰৱ দৰ্শক হিচাপে থাকিল ফকিৰাগ্ৰাম বাসীয়ে। বিধায়কজনে নাৰ্জাৰীৰ দাবী তেওঁ আমোলত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ দ্বাৰা এইখন আদৰ্শ চিকিৎসালয় অনুমোদন লাভ কৰিছিল। দুইনেতাৰ আধাৰশিলা স্থাপন কৰাৰ পিছত কালি এক সংবাদমেল যোগে ফকিৰাগ্ৰাম ব্লক বিপিএফৰ সভাপতি এজামূল হক আৰু জিলা উপসভাপতি ডঃ ৰেজাউল কৰিমে তথ্যসহ দাঙি ধৰি কয় যে বিধায়ক দে এমছিএলএ তথা ইএম হোৱাৰ আগতে আদৰ্শ হাস্পাতাল স্থাপনৰ যাবতীয় কাম কৰিছে বুলি দাবী কৰে। ইয়াৰ উপৰি বিপিএফৰ নেতা তথা বিৰোধী দলপতি দেৰহাসাত বসুমাতাৰীও আদৰ্শ হাস্পতালৰ আধাৰশিলা স্থাপনক লৈ ইএম অৰূপ কুমাৰ দেই কৰা কাৰ্যত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ইএম দে নিজৰ বিভাগৰ দায়িত্ব পালনত ব্যৰ্থ হোৱাৰ বাবেই আধাৰশিলাৰ ৰাজনীতি আৰম্ভ কৰিছে বুলিও উল্লেখ কৰে।

অগ্ৰদূত
যোৰহাট, ২০ মাৰ্চ, দেওবাৰ, ২০২২ পৃষ্ঠা ১১



# দাঁত সম্পৰ্কে ভ্ৰান্ত ধাৰণা

**মানুহে** যিমানেই বিজ্ঞানৰ অগ্ৰগতিৰে আগবাঢ়ি নাযাওক কিয়, এতিয়াও কিছু ক্ষেত্ৰত ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ আছে। এনে ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ আনকি বহুতো শিক্ষিত লোকেও ৰোগৰ চিকিৎসাৰ পৰা আঁতৰি থাকে। দাঁতৰ ৰোগ তথা দাঁত সৰোৱাৰ ক্ষেত্ৰতো বহুতো লোকে এনে ধৰণৰ ভ্ৰান্ত ধাৰণাৰে বলি হয়।

✦ দাঁত সৰালে বিশেষকৈ ওপৰৰ পাৰি দাঁত সৰালে দৃষ্টি শক্তিৰ সমস্যাই গা কৰি উঠে বুলি ভাবে। আনকি বহুতে চিকিৎসকে দাঁত সৰাবলৈ পৰামৰ্শ আগবঢ়ালেও এনে কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। যদি এটা বা দুটা দাঁত সৰালে দৃষ্টিশক্তিৰ সমস্যাই গা কৰি উঠিলেহেঁতেন তেতিয়াহ'লে দুয়োপাৰি দাঁত সৰিলে মানুহ অন্ধ হ'লহেঁতেন।

✦ ঠাণ্ডা বা গৰম খাদ্যবস্তু খোৱাৰ ফলতো দাঁতৰ সমস্যাই গা কৰি উঠে বুলি ভাবে। নিয়মীয়াকৈ বেছি ঠাণ্ডা বা গৰম খালেও দাঁতৰ কোনো ক্ষতি নহয়।

✦ দাঁতৰ আলুৰ পৰা যদি কোনো কাৰণত তেজ ওলায় তেতিয়াহ'লে বহুতে ব্ৰাছ কৰিব নোখোজে। যদি কে'বাদিনো একেলগে ব্ৰাছ নকৰে তেতিয়াহ'লে বিভিন্ন ধৰণৰ বেক্টেৰিয়া, ভাইৰাছ আদিয়ে খোপনি পুতিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। দাঁতৰ পৰা তেজ ওলালেও নিয়মীয়াকৈ ব্ৰাছ কৰিবই লাগিব।

✦ গৰ্ভাৱস্থাত দাঁত পৰিচাৰ্য কৰাটো গুৰুত্বপূৰ্ণ বিষয়। পিছে কিছুমানে গৰ্ভাৱস্থাত দাঁত পৰিষ্কাৰ কৰিলে অমংগল বুলি ভাবে।

✦ বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে দাঁতৰ আলুৰ পৰা তেজ ওলোৱাতো সাধাৰণ ঘটনা। এনেয়ে তেজ ওলাই বুলি ভাবে।

✦ কঠিন ব্ৰাছ ব্যৱহাৰ কৰিলে সহজে দাঁত পৰিষ্কাৰ হয়। দৰাচলতে



তেনে নহয়। কোমল ব্ৰাছ ব্যৱহাৰ কৰিলেও দাঁত পৰিষ্কাৰ হয়। বৰঞ্চ কোমল ব্ৰাছ ব্যৱহাৰ কৰিলে দাঁতৰ আলুৰ ক্ষতি হোৱাৰ আশংকা নাথাকে।

✦ বগা দাঁত মানেই স্বাস্থ্যবান বুলি ভবা উচিত নহয়। বগা হ'লেও বিভিন্ন ৰোগে গা কৰি উঠিব পাৰে।

✦ মিঠা খালে দাঁতত পোকে ধৰে বা গাঁতৰ সৃষ্টি হয়। কিছুমানে এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ অমিতাৰ ঠাৰিৰ এঠা আদি ব্যৱহাৰ কৰে। দৰাচলতে অমিতাৰ ঠাৰিৰ পৰা ওলোৱা এঠাই দাঁতৰ গাঁত সৃষ্টিত বাধা দিব নোৱাৰে।

✦ দাঁতৰ কোনো বেমাৰ নহ'লে চিকিৎসকৰ ওচৰলৈ গৈ পৰীক্ষা কৰাৰ প্ৰয়োজন নাই। প্ৰয়োজন নিশ্চয় আছে। কাৰণ দাঁতৰ কেনেধৰণৰ ৰোগ হৈ থাকে সেয়া জনাতো সম্ভৱ নহয়। কেৱল দন্ত চিকিৎসকে ৰোগ নিৰ্ণয় কৰিব পাৰে।

✦ গাখীৰ খোৱা দাঁতৰ বিভিন্ন সমস্যা থাকে। এয়া এক স্বাভাৱিক সমস্যা বুলিয়েই বহুতে ভাবে। গাখীৰ খোৱা দাঁতৰ অসুখ হ'লেও কোনো কথা নাই। কিয়নো এইবোৰ দাঁত সৰিলে আপোনা আপুনি নতুন দাঁত গজিবই। এনেদৰে ভবাৰ ফলত কেতিয়াবা বিপদত পৰাও দেখা যায়।

✦ বহুতে আকৌ দিনটোৰ ভিতৰত মাত্ৰ এবাৰ ব্ৰাছ কৰিলেই হয় বুলি ভাবে। পিছে দিনটোৰ ভিতৰত সকলোৰে কমেও দুবাৰ ব্ৰাছ কৰিবই লাগে। কাৰণ দীৰ্ঘ সময় ধৰি যদি দাঁতৰ মাজত খাদ্যবস্তু সোমাই থাকে তেতিয়াহ'লে বেক্টেৰিয়া আদিয়ে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে।

✦ এনেবোৰ ভ্ৰান্ত ধাৰণাৰ পৰা মুক্ত হৈ দাঁত দুপাৰি সুস্থ-সবল কৰি ৰাখিবলৈ সকলোৰে চেষ্টা কৰা উচিত।

# মানৱ শৰীৰত যুদ্ধৰ ভয়াবহ প্ৰভাৱ

**ৰা**ছিয়া-ইউক্ৰেইনৰ যুদ্ধক লৈ আজি বিশ্ববাসীৰ সৃষ্টি নিবদ্ধ হৈছে। কাৰণ এই যুদ্ধত ৰাছিয়াই পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰৰ ভাবুকি দিছে। এতিয়া বিশ্বৰ শক্তিধৰ পাৰমাণৱিক অস্ত্ৰধাৰী দেশৰ তালিকাত ৰাছিয়া অন্যতম। পাৰমাণৱিক যুদ্ধ মানে ইয়াৰ পৰিণতি কিমান ভয়াবহ হ'ব পাৰে তাৰ জ্বলন্ত উদাহৰণ হ'ল হিৰ'ছিমা আৰু নাগাছাকি। ১৯৪৫ৰ ছয় আৰু ন আগষ্টত আমেৰিকা যুক্তৰাষ্ট্ৰই এই চহৰ দুখনত এটম বোমা নিক্ষেপ কৰাৰ পাছত ১,২৯,০০০ আৰু ২,২৬,০০০ লোকৰ প্ৰাণ কাঢ়ি নিছিল। তেজস্ক্ৰিয়, ৰশ্মিৰ বিকিৰণত জীৱিত লোকসকলৰো পৰৱৰ্তী সময়ত যিবোৰ ৰোগে গা কৰি উঠিছিল সেয়া বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিছে। ইয়াৰ পাছত জন্মগ্ৰহণ কৰা শিশুৰ ওপৰত যি প্ৰভাৱ পৰিছিল সেই ছবিখন আজিও জাপানৰ নাগৰিকে পাহৰিব পৰা নাই। বোমা বিস্ফোৰণৰ পাছত পাঁচ ছয় বছৰৰ নিৰীক্ষণত এটা কথা স্পষ্ট হৈ পৰে যে এই সময়ত জন্মগ্ৰহণ কৰা শিশুসকলৰ লগতে বয়সীয়াল লোকৰ পৰৱৰ্তী সময়ত থায়ৰয়ড, কৰ্কট ৰোগ বৃদ্ধি পায়। তদুপৰি স্তন, হাওঁ ফাঁও আৰু আন কৰ্কট ৰোগত ভোগা লোকৰ সংখ্যা বৃদ্ধি পায়। ইয়াৰ পাছত বিশ্বৰ প্ৰতিখন দেশে পাৰমাণৱিক অস্ত্ৰ প্ৰয়োগৰ বিৰুদ্ধে সৰৱ হয়। দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰে পৰা কৰ্কট ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেই আতংকৰ ছবিখন আজিও জাপানী লোকৰ মনৰ পৰা আঁতৰি যোৱা নাই। এটম বোমাই মানৱ জাতিৰ বাবে যিবোৰ ৰোগৰ প্ৰকোপ বৃদ্ধি কৰিলে সেয়া কল্পনাতীত।

যুদ্ধৰ স'তে মানৱ জাতিৰ স্বাস্থ্যও জড়িত থাকে। যিবোৰ দেশ যুদ্ধত অৱতীৰ্ণ হয় তাৰ বেছিভাগ দেশতে খাদ্য সংকটে দেখা দিয়ে। বিশেষকৈ যিবোৰ দেশ আমদানিৰ ওপৰত অধিক নিৰ্ভৰশীল তেনে দেশৰ নাগৰিকসকলে সন্মুখীন হয় অভাৱনীয় পৰিস্থিতিৰ। উপযুক্ত পৰিমাণে খাদ্য গ্ৰহণ কৰিব নোৱাৰিলে পুষ্টিহীনতাত ভোগা শিশুৰ সংখ্যা বৃদ্ধি পায়। বহুতো দেশে খাদ্য সামগ্ৰীৰ বাবে আন দেশৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। যেতিয়া দুখন দেশৰ মাজত যুদ্ধ চলে তেতিয়া বিশ্বৰ আন দেশসমূহৰ কিছুমানে এখনক আৰু আন একাংশই আনখন দেশক সমৰ্থন কৰে। আৰম্ভ হয় বিভিন্ন ধৰণৰ প্ৰতিবন্ধকতা। এনে প্ৰতিবন্ধকতাৰ বাবেই বহুতো দেশত খাদ্য সংকটে দেখা দিয়ে। খাদ্য সংকটৰ পৰিণতিত সৰ্ভৱতী মহিলা, শিশুসকলৰ ওপৰত সৰ্বাধিক প্ৰভাৱ পৰা দেখা যায়। কাৰণ দীৰ্ঘদিন ধৰি যদি ভালদৰে সুষম আহাৰ খাবলৈ নাপায় তেতিয়াহ'লে সুস্বাস্থ্যৰ অধিকাৰী হোৱাটো সম্ভৱ নহয়। তদুপৰি যদিহে কোনো এগৰাকী লোকে

নয়ন কুমাৰ শৰ্মা


উপযুক্ত পৰিমাণে পুষ্টি লাভ নকৰিলে শাৰীৰিক-মানসিক বিকাশ স্বাভাৱিকভাৱে হ'ব নোৱাৰে। এই শিশুৰ শাৰীৰিক-মানসিক বিকাশ যদি সঠিকভাৱে নহয় তেতিয়াহ'লে ভৱিষ্যতে সুনাগৰিক লাভ কৰাটো সম্ভৱ নহয়। দেশ এখনৰ মানৱ সম্পদৰ ওপৰত ভালেখিনি নিৰ্ভৰ কৰে দেশখনৰ উন্নয়ন।

যুদ্ধৰ বাবে আটাইতকৈ বেছি প্ৰদূষিত হয় বায়ু। তাৰ পাছতে মাটি আৰু পানী প্ৰদূষিত হয়। এখন দেশ বা এটা অঞ্চলৰ লোকসকলৰ সুস্বাস্থ্য ভালেখিনি নিৰ্ভৰ কৰে পৰিৱেশৰ ওপৰত। পৰিৱেশ যদি প্ৰদূষিত হয় তেতিয়াহ'লে শ্বাস-প্ৰশ্বাসৰ সমস্যাৰ পৰা আৰম্ভ কৰি চৰ্মৰোগ, পেটৰ অসুখ আদিৰ উপৰি দুৰাৰোগ্য ৰোগ হোৱাৰ আশংকা থাকে। কেৱল সেয়াই নহয় শিশুসকলৰ যি ধৰণে বিকাশ হ'ব লাগে তেনেদৰে নোহোৱাৰ ফলত বহুতো সমস্যাৰ সৃষ্টি হয়।

পানীয়ে প্ৰাণীৰ প্ৰাণ। অৰ্থাৎ পানী অবিহনে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। শৰীৰত (প্ৰাপ্তবয়স্ক) ৬০ শতাংশ পানী থাকে। আনহাতে জাৰ্ণেল অৱ বায়'লজিকেল কেমেষ্ট্ৰি ১৫৮ত এইছ এইছ মিটচেলে উল্লেখ কৰা তথ্য মতে, মস্তিষ্ক আৰু হৃদযন্ত্ৰৰ ৭৩ শতাংশই হ'ল পানী। আনহাতে, ছালত ৬৪ শতাংশ পানী থাকে। কিডনীত থাকে ৭৯ শতাংশ পানী। গতিকে সুস্বাস্থ্যৰ বাবে এজন লোকক কিমান পানীৰ প্ৰয়োজন সেয়া সহজেই অনুমান কৰিব পাৰি। বিশ্বৰ প্ৰায়ভাগ পানীয়ে আজি বিভিন্ন ধৰণে প্ৰদূষিত হৈছে। যুদ্ধৰ বাৰুদৰ ধোঁৱাই আকাশ ছানি ধৰিছে। আনহাতে, এই বাৰুদৰ ৰাসায়নিক আদি পানীত মিহলি হোৱাৰ ফলত প্ৰদূষিত হৈছে। এনে ৰাসায়নিক নদী, পুখুৰী, খাল-বিল আদিত মিহলি হোৱাৰ ফলত এইবোৰ খোৱাৰ অনুপযোগী হৈ পৰে। বিশ্বৰ প্ৰায়ভাগ লোকেই বিশুদ্ধ পানীৰ পৰা বঞ্চিত। আনহাতে, বিশুদ্ধ পানীৰ অভাৱত বিভিন্ন ধৰণৰ ৰোগত আক্ৰান্ত হোৱা লোকৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে। সেয়েহে সকলোৰে পানী সেৱনৰ সময়ত সতৰ্কতা অৱলম্বন কৰিবই লাগিব।

যুদ্ধ আদিৰ ফলত বিকিৰিত তেজস্ক্ৰিয় ৰশ্মিৰ প্ৰভাৱ মানৱ শৰীৰৰ ওপৰত কিমান ভয়াবহ হ'ব পাৰে সেয়া হিৰ'ছিমা-নাগাছাকিয়েই প্ৰমাণ দি গৈছে। বিশ্ববাসীয়ে সেই বাবে যুদ্ধৰ বিৰোধিতা কৰি আহিছে। কেৱল ৰাজনৈতিক, অৰ্থনৈতিক কাৰণতেই নহয়, সু-স্বাস্থ্যৰ বাবেও সমানেই প্ৰয়োজন। সেয়েহে মানৱ জাতিৰ স্বাস্থ্যৰ বাবেই বন্ধ হওক যুদ্ধ। সকলোৰে বিচাৰে কেৱল শান্তি। কাৰণ শান্তিয়ে মানসিক ভাৰসাম্য ৰক্ষা কৰিব পাৰে।

*ফোন ঃ ৯৮৬৪০৮৪৯৬৯*





# কিয় দীৰ্ঘসময় একেৰাহে কাম কৰিলে হৃদৰোগ হয়

**আধুনিক** জীৱন যাপনত হৃদৰোগ হোৱাৰ আঁৰত বিভিন্ন কাৰণ আছে। ইয়াৰ ভিতৰত অন্যতম হ'ল অতিৰিক্ত মানসিক উদ্বেগ। যিমানেই কামৰ মাজত সোমাই পৰে সিমানেই মানসিক চাপ বৃদ্ধি পায়। যেতিয়া কোনো এগৰাকী ব্যক্তিয়ে দীৰ্ঘসময় ধৰি একেলেথাৰীয়ে কাম কৰে তেতিয়া মানসিক চাপ বৃদ্ধি পোৱাৰ ফলত ইয়াৰ প্ৰভাৱ পৰে হৃদযন্ত্ৰৰ ক্ৰিয়াত। অতিৰিক্ত মানসিক চাপৰ ফলত এতিয়া কম বয়সীয়া ল'ৰা-ছোৱালীৰো হৃদৰোগ হ'বলৈ ধৰিছে। দীৰ্ঘসময় কাম কৰি থকা মানে খোৱা-বোৱা ঠিকমতে নহয়। তদুপৰি জিৰণি ল'বলৈও সুযোগ নাপায়। হৃদযন্ত্ৰই বিৰতিহীনভাৱে অতিৰিক্ত কাৰ্য সম্পাদন কৰিবলগীয়া হোৱাত লাহে লাগে কাৰ্যক্ষমতা হ্ৰাস পাবলৈ ধৰে। সেইবাবে হৃদৰোগ বিশেষজ্ঞসকলে কাম কৰাৰ মাজে মাজে জিৰণি ল'বলৈ পৰামৰ্শ আগবঢ়ায়। সকলোৰে মনত ৰখা উচিত আধুনিক জীৱন-যাপন আৰু অনিয়ন্ত্ৰিত জীৱন পদ্ধতিৰ ফলত এতিয়া হৃদৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাইছে। হৃদৰোগ বিশেষজ্ঞসকলৰ মতে, কেতিয়াও দীৰ্ঘসময় একেলগে কাম কৰিব নালাগে। ইয়াৰ পৰিৱৰ্তে একেটা কামকে নিৰ্দিষ্ট সময়ৰ ব্যৱধান ৰাখি কিছু সময়ৰ ব্যৱধান ৰখা উচিত। এনে হোৱাৰ আঁৰত অস্বাস্থ্যকৰ প্ৰতিযোগিতাৰে কেৰিয়াৰ গঢ়াৰ দৌৰো অন্যতম কাৰণ হিচাপে চিহ্নিত হৈছে। সুস্থ মানসিকতাৰেহে প্ৰতিযোগিতাৰ দৌৰত আগবাঢ়িব লাগে। মানুহ যিমানেই প্ৰতিযোগিতামুখী হয় সিমানেই মানসিক চাপ বৃদ্ধি পায়। মানসিক চাপ বৃদ্ধি মানেই হৃদৰোগৰ ফালে ধাবিত হোৱা।

মানুহৰ কৰ্মব্যস্ততাৰ অন্ত নাই। বিশেষকৈ যিমানে আধুনিকতাৰ ধামখুমীয়াৰ মাজত মানুহ সোমাই পৰিছে সিমানেই আনৰোগৰ লগতে হৃদৰোগৰ প্ৰকোপ বৃদ্ধি হৈছে। ই এক চিন্তনীয় বিষয়াৰ দৰাচলতে যেতিয়া মানুহে একেলেথাৰীয়ে দীৰ্ঘসময় ধৰি কাম কৰি থাকে তেতিয়া ক'ব নোৱৰাকৈয়ে কিছমুান চাপৰ সৃষ্টি হয়। এই চাপে হৃদযন্ত্ৰৰ ওপৰত প্ৰত্যক্ষ পৰোক্ষভাৱে প্ৰভাৱ পেলায়। বিশেষকৈ নিশাৰ ভাগত কাম কৰা লোকৰ এনেধৰণৰ সমস্যাই সহজেই গা কৰি উঠিব পাৰে। সেয়েহে এনে সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে—

➢ কাম কৰিলেও অতিৰিক্ত চাপৰ মাজত সোমাব নালাগে। কিছুমান কামত গুৰুত্ব বুজি প্ৰাধান্য দিবই লাগিব। কম গুৰুত্বপূৰ্ণ কামবোৰ লাহে ধীৰে কৰিলেও হ'ব।

➢ দীৰ্ঘসময় একেলগে কাম কৰিলেও মাজে মাজে এক নিৰ্দিষ্ট সময়ৰ ব্যৱধানত জিৰণি ল'বই লাগিব। কাৰণ শৰীৰটোৱে কাম কৰাৰ পাছত এক নিৰ্দিষ্ট সময় জিৰণি ল'বলৈ বিচাৰে। কামৰ মাজতে অলপ সময় জিৰণি ল'বই লাগিব।

➢ বেছি কামৰ হেঁচা পৰিলে বিষয়টো উৰ্ধ্বতন কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰা উচিত। বহুতে এনেধৰণৰ দৃষ্টিগোচৰ নকৰা বাবে নিজৰ অজ্ঞাতেই কামৰ মাজতে চাপৰ পৰিসীমাৰ মাজত আবদ্ধ হৈ পৰে। এয়া সকলোৰে বাবেই অশুভ লক্ষণ।

➢ এনে হ'লে চিকিৎসকৰ পৰামৰ্শ সোনকালে গ্ৰহণ কৰিলেও জটিলতাই গা কৰিব নোৱাৰে।

**নতুন গৱেষণা মতে ডায়েবেটিছৰ ঔষধেও প্ৰতিৰোধ কৰে কৰ্কট!**

ডায়েবেটিছ সম্পৰ্কে শেহতীয়াভাৱে বিভিন্ন ধৰণৰ গৱেষণা আৰম্ভ হৈছে। মেটফৰিমন নামৰ ঔষধবিধ ডায়েবেটিছত আক্ৰান্তক ৰোগৰ পৰা উপশম লাভ কৰিবলৈ দিয়া হয়। শেহতীয়াভাৱে প্ৰকাশিত এক গৱেষণাৰ তথ্যত এই বুলি প্ৰকাশ পাইছে যে যিসকল মহিলাই এইবিধ ঔষধ ব্যৱহাৰ কৰে তেওঁলোকৰ স্তন কৰ্কট ৰোগ হোৱাৰ আশংকা হ্ৰাস কৰে। অতি সম্প্ৰতি কৰ্কট ৰোগত আক্ৰান্ত মহিলাৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। ছাউথাম্পটন বিশ্ববিদ্যালয়ৰ এদল গৱেষকে চলোৱা গৱেষণাত এই তথ্য লাভ কৰিছে। অধ্যয়নকাৰী দলটোৱে উল্লেখ কৰা মতে, মেটাফৰমিনে ষ্টেমচেল যেনে স্তন কৰ্কট ৰোগৰ কোষৰ ওপৰত প্ৰভাৱ পেলায়। 'কাৰ্চিনোজেনেছিছ' নামৰ জাৰ্ণেলত প্ৰকাশিত তথ্য মতে, মেটাফ'ৰমিনে কৰ্কট ৰোগ বৃদ্ধিত ব্যাঘাত জন্মায়। অৱশ্যে এই ক্ষেত্ৰত আৰু অধিক অধ্যয়নৰ প্ৰয়োজন আছে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে যিকোনো ডায়েবেটিছৰ ঔষধ ব্যৱহাৰ কৰোতে সতৰ্ক হ'বই লাগিব। চিকিৎসকৰ পৰামৰ্শ অবিহনে যিকোনো ঔষধ ব্যৱহাৰ কৰিলে হিতে বিপৰীত হোৱাৰ সম্ভাৱনা থাকে। তদুপৰি কিছুমান ঔষধ ব্যৱহাৰৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন নকৰিলে নিজৰ বিপদ নিজেই চপোৱাৰ দৰে হ'ব। আনহাতে, গৱেষকসকলেও কিছু ক্ষেত্ৰত এনে ঔষধৰ ব্যৱহাৰ ইতিবাচক দিশ সম্পৰ্কে ব্যাখ্যা কৰিলেও কিছু কিছু ক্ষেত্ৰত আৰু অধিক তথ্য লাভৰ আশা ৰাখিছে। মনত ৰাখিব এনে ৰোগীয়ে কেতিয়াও নিজেই নিজৰ চিকিৎসক হ'ব নালাগে।



# আপোনাৰ শিশুটিৰ ডায়েবেটিছ-মেদবহুলতা প্ৰতিৰোধ কৰাৰ উপায়

ঘৰখনত প্ৰস্তুত কৰা খাদ্যাভ্যাসৰ পৰা আৰম্ভ কৰি ঘৰুৱা পৰিৱেশলৈকে সকলোতে স্বাস্থ্য ৰক্ষা বিষয়টো জড়িত হৈ থাকে। সৰুৰে পৰাই যদি এনেধৰণৰ অভ্যাস গঢ়ি তুলিব পাৰি তেতিয়াহ'লে শিশুটিৰ সুন্দৰ স্বাস্থ্য হোৱাৰ লগতে ভৱিষ্যতে বহুতো ৰোগ-প্ৰতিৰোধৰ বাবে শক্তি লাভ কৰিব।

**শি**শুটিৰ ডায়েবেটিছ আৰু মেদবহুলতা প্ৰতিৰোধ কৰা বিষয়টো পিতৃ-মাতৃৰ হাতত থাকে। কাৰণ ঘৰখনত প্ৰস্তুত কৰা খাদ্যাভ্যাসৰ পৰা আৰম্ভ কৰি ঘৰুৱা পৰিৱেশলৈকে সকলোতে স্বাস্থ্য ৰক্ষা বিষয়টো জড়িত হৈ থাকে। সৰুৰে পৰাই যদি এনেধৰণৰ অভ্যাস গঢ়ি তুলিব পাৰি তেতিয়াহ'লে শিশুটিৰ সুন্দৰ স্বাস্থ্য হোৱাৰ লগতে ভৱিষ্যতে বহুতো ৰোগ-প্ৰতিৰোধৰ বাবে শক্তি লাভ কৰিব।

■ কম বয়সৰ পৰা শিশুটিক সকলো খাদ্যৰ সোৱাদ ল'বলৈ শিকাওক। কম পৰিমাণে ঘৰত প্ৰস্তুত কৰা প্ৰতিবিধ খাদ্যকে খাবলৈ দিয়া উচিত। ডাঙৰ হ'লে খাব বুলি ভাবিব নালাগে। কাৰণ সৰুৰে পৰা সোৱাদ কি নাজানিলে ডাঙৰ হোৱাৰ লগে লগে কিছুমান খাদ্যৰ প্ৰতি অনীহা জন্মাটো স্বাভাৱিক কথা। সৰুতে সন্তানক অমুকটো-তমুকটো খাব দিব নালাগে বুলি পিতৃ-মাতৃ, অভিভাৱকৰ মনোভাব গঢ়ি উঠাৰ ফলত পৰৱৰ্তী সময়তে সমস্যাই গা কৰি উঠে।

■ পিতৃ-মাতৃয়ে ভালদৰে খাদ্য-গ্ৰহণৰ আৰ্হি নেদেখুৱালে সন্তানেও সেয়া অনুসৰণ কৰিব। গতিকে একেলগে যেতিয়া খাদ্য গ্ৰহণ কৰিব তেতিয়া সকলোৰে ভাতৰ থালত একে খাদ্য দিলে আপোনা-আপুনি খোৱাৰ অভ্যাস গঢ়ি উঠিব।

■ শিশুটিৰ বাবে কেতিয়াও বেলেগকৈ খাদ্য প্ৰস্তুত নকৰিব। কাৰণ এনে ধৰণৰ খাদ্য প্ৰস্তুতৰ ফলত শিশুটিৰ মানসিকতাও বেলেগ হয়।

■ ফাষ্টফুড, জাংক ফুড আদিৰ অভ্যাসৰ পৰা যিমান পাৰি আঁতৰাই ৰাখিব লাগে। কাৰণ এনে ধৰণৰ খাদ্যই দুয়োটা ৰোগ সৃষ্টিতে অৰিহণা যোগায়। আজিকালি প্ৰায়ভাগ শিশুৰে এনে খাদ্যৰ প্ৰতি প্ৰৱণতা বৃদ্ধি পাইছে। সুষম আহাৰ গ্ৰহণৰ পৰিৱৰ্তে এনে খাদ্য খাইহে ভাল পায়।

■ সৰুৰে পৰাই নিৰ্দিষ্ট দূৰত্ব খোজ কঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগে। আজিকালি শীত-তাপ নিয়ন্ত্ৰিত গাড়ীত উঠি বিদ্যালয়লৈ যোৱাৰ অভ্যাস। ফলত এনে শিশুৱে খোজ কাঢ়িবলৈকে সময় নাপায়। সকলোৰে মনত ৰখা উচিত যে খোজ কঢ়াটোৱেই হ'ল সৰ্বোত্তম ব্যায়াম

■ শিশুটিৰ ওপৰত মানসিক চাপ দিব নালাগে। কাৰণ যিমানেই এনে চাপ বৃদ্ধি হ'ব সিমানেই ডায়েবেটিছৰ লগতে মেদবহুলতাৰ সমস্যায়ো গা কৰি উঠিব। কাৰণ মানসিক চাপ বৃদ্ধি হ'লে খোৱাৰ প্ৰৱণতা বৃদ্ধি পায়। বেছি খোৱা মানে মেদবহুলতা।

■ টিভি-ম'বাইল চাই খাদ্য খাব দিব নালাগে। কাৰণ এনেদৰে খোৱাৰ ফলত মেদবহুলতা বৃদ্ধিৰ আশংকা থাকে। মেদবহুলতা মানেই ডায়েবেটিছৰ আশংকা বৃদ্ধি।

■ দুই একোটা সৰু-সুৰা ঘৰুৱা কামত ব্যস্ত ৰাখিলেও সুফল পোৱা যায়।

■ নিশা সোনকালে শোৱাপাটীলৈ যোৱা আৰু পুৱাই শোৱাপাটী ত্যাগ কৰা উচিত। তেতিয়াও এই দুয়োবিধ ৰোগ প্ৰতিহত হোৱাটো নিশ্চিত।

■ শিশুটিক প্ৰচুৰ পৰিমাণ মিঠা থকা পানীয় খাব দিব নালাগে। কাৰণ আমাৰ শৰীৰত এনে পানীয় প্ৰৱেশ কৰাৰ পাছত অতি শীঘ্ৰে তেজত শৰ্কৰা শোষিত হয়। যেতিয়া কোনো এবিধ গোটা আহাৰ গ্ৰহণ কৰা হয় তেতিয়া তাৰ পৰা তেজলৈ শৰ্কৰা শোষিত হ'বলৈ কিছু সময়ৰ প্ৰয়োজন। অৰ্থাৎ খাদ্যবিধ হজম হোৱাৰ পাছতহে তেজত শৰ্কৰা মিহলি হয়।




■ মেদবহুলতা প্ৰতিৰোধৰ বাবে শিশুটিক উপযুক্ত পৰিমাণে পানী খাব দিব লাগে। তদুপৰি কম চৰ্বিযুক্ত গাখীৰ খালেও এনে সমস্যাৰ পৰা হাত সাৰিব পাৰি।





■ কায়িক পৰিশ্ৰম কৰিব দিলেহে শৰীৰত অতিৰিক্ত চৰ্বি জমা হ'ব নোৱাৰে। খেলা-ধূলা কৰিবলৈ উৎসাহ যোগোৱা উচিত। সৰু-সুৰা দুই এটা ঘৰুৱা কামো কৰিব দিলে এনেয়ে টিভি, কম্পিউটাৰ আদিৰ সন্মুখত বহি থকা সময় হ্ৰাস পাব।

■ শিশুটিয়ে যদি উপযুক্ত সময়ত সঠিকভাৱে টোপনি যোৱাৰ অভ্যাস গঢ়ি তুলিব পাৰে তেতিয়াহ'লে মেদবহুলতাই সহজে গা কৰি উঠিব নোৱাৰে।

■ যদিহে কোনো মানসিক সমস্যাৰ সৃষ্টি হৈছে তেতিয়াহ'লে কাউন্সেলিঙৰ জৰিয়তে এয়া সমাধানৰ চেষ্টা কৰা উচিত। কিছুমান শিশুৱে বেছিকৈ আহাৰ গ্ৰহণৰ প্ৰৱণতা থাকে। পিতৃ-মাতৃয়েও সন্তানক মৰমতে বেছিকৈ খাবলৈ দিয়ে। পিছে পৰৱৰ্তী সময়ত এয়া যে বিপদৰ কাৰণ হ'ব সেয়া ভাবি নাচায়।

# সুঁৱৰী উৎসৱত কৃষ্ণাইৰ শালপাৰা, পাইকান, ভেলাখামাৰত উদুলি-মুদুলি পৰিৱেশ



অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১৯ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই অঞ্চলৰ বিভিন্ন গাঁৱত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা মহোৎসৱৰ আজি আবেলি সুঁৱৰী অনুষ্ঠানৰে সামৰণি পৰে। কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত শালপাৰাত আজি আঞ্চলিক ভিত্তিত আয়োজন কৰা সুঁৱৰী উৎসৱত লোকাৰণ্য হৈ পৰে। শালপাৰাৰ সুঁৱৰীস্থলীত অঞ্চলটোৰ শালপাৰা, মোলানডুবি আৰু গুৱীয়া টিলাপাৰাৰ পৰা তিনিটা গোসাঁই আহি উপস্থিত হয়। হেজাৰ হেজাৰ ভক্তপ্ৰাণ লোকৰ উপস্থিতিত আজি শালপাৰা সুঁৱৰী উৎসৱ আনন্দমুখৰ হৈ উঠে। ইফালে, পাইকানৰ সুঁৱৰীস্থলীতো ভক্তপ্ৰাণ লোকৰ লানি নিছিঙা সোঁত বয়। আনহাতে, কৃষ্ণাইৰ কাষৰীয়া ভেলাখামাৰ নাথপাৰা কালীমন্দিৰত ১৫০ বছৰ ধৰি আয়োজন কৰি অহা দৌল উৎসৱৰো আজি সন্ধিয়া সুঁৱৰী অনুষ্ঠানেৰে সামৰণি পৰে।

# তামুলপুৰত তীৰ জুৱাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান তীব্ৰতৰ

## অবৈধ তীৰ খেলৰ লগত জড়িত তিনিজনক আটক

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১৯ মাৰ্চ ঃ** তামুলপুৰ জিলাৰ বিভিন্ন ঠাইত তীৰ জুৱা, অবৈধ সুৰা আৰু অন্যান্য অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে তামুলপুৰ আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। কালি আবেলি তামুলপুৰ মহকুমাৰ সদৰ বৰখাটাত তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ দেওঘৰীয়াৰ নেতৃত্বত আৰু কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰাঞ্জল বৰুৱাৰ সহযোগত আৰক্ষীৰ এটি দলে অতৰ্কিতে তীৰৰ বিৰুদ্ধে এক অভিযান চলায়। আৰক্ষীৰ অভিযান কালত এখন চাহ দোকানৰ পৰা তীৰ জুৱা খেলৰ লগত জড়িত থকাৰ অপৰাধত তিনিজন লোকক আটক কৰিবলৈ সক্ষম হয়। আটক হোৱা লোক তিনিজন হৈছে ক্ৰমে তামুলপুৰৰ সোণতোলাৰ ৰোহিত নাৰ্জাৰী, বৰখাটা গাঁৱৰ ধৰ্মেন্দ্ৰ লাহৰী, ঝাৰগাঁৱৰ কামিনী কুমাৰ মুছাহাৰী। তামুলপুৰ আৰক্ষীয়ে তিনিওজনৰ জিম্মাৰ পৰা ৪৫০০.০০ টকা নগদ ধন, তীৰৰ টিকট, বহী, দুটা ম'বাইল ফোন আৰু কিছু আপত্তিজনক নথিপত্ৰ জব্দ কৰে। আটকাধীন তিনিওজন লোকৰ বিৰুদ্ধে তামুলপুৰ আৰক্ষী থানাত এটি গোচৰ ৰুজু কৰা হৈছে। আজি আৰক্ষীয়ে তিনিওজনকে বাগ্সা জিলাৰ ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাৰ পাছত আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ দেওঘৰীয়াই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, তামুলপুৰত জুৱা, অবৈধ সুৰা, তীৰৰ বিৰুদ্ধে অভিযান অব্যাহত আছে আৰু এই অভিযান আৰু অধিক তীব্ৰতৰ কৰি তোলা হ'ব। প্ৰসংগক্ৰমে একাংশ উদণ্ড মটৰ চাইকেল চালকে তামুলপুৰত উদ্ভণ্ডালি কৰাৰ কথা উল্লেখ কৰি সৰ্বসাধাৰণ ৰাইজৰ জনজীৱনলৈ ভাবুকি নমাই অনাৰ কথা উল্লেখ কৰি আৰক্ষী বিষয়াগৰাকীয়ে কয় যে সমগ্ৰ তামুলপুৰতেই যানবাহন আইন ভংগকাৰীৰ বিৰুদ্ধেও অভিযান তীব্ৰতৰ কৰি তোলা হ'ব আৰু যানবাহন আইন ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰক্ষী পৰিদৰ্শক ভাস্কৰ দেওঘৰীয়াই আইন ভংগকাৰীসকলক সকীয়াই দিছে।

# বিহালীৰ বুৰৈ নদীত অবৈধভাৱে বালি, শিল সৰবৰাহ

অগ্ৰদূত বাৰ্তা

**বিহালী, ১৯ মাৰ্চ ঃ** বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা বৰগাং বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ বুৰৈ নদীত অবৈধভাৱে শিল, বালি সংগ্ৰহ কাৰ্য চলি আছে। উচ্চতম ন্যায়ালয়ৰ এক নিষেধাজ্ঞা অনুসৰি যিকোনো নদীতে শিল বা বালি সংগ্ৰহ কৰা বা ব্যৱসায়িক কাৰ্যত ব্যৱহাৰ কৰা বন্ধ যদিও ই কাগজতে সীমাবদ্ধ। কাৰণ, বিগত কে'বামাহ ধৰি চতুৰ আৰু চোৰাং ব্যৱসায়ীয়ে ট্ৰেক্টৰেৰে বুৰৈ নদীৰ পৰা বালি আৰু শিল সংগ্ৰহ কৰি থকা দৃশ্য সাধাৰণ লোকৰ বাবে তেনেই সুলভ। গতিকে, বন বিভাগৰ জ্ঞাতসাৰেই এনে কাৰ্য চলি থকা বুলি ক'ব বিচাৰে একাংশ সচেতন লোকে। উল্লেখ্য যে বুৰৈ নদী আৰু বুৰৈঘাট অঞ্চলৰ কাষৰে-পাজৰে একাংশ অবৈধ বালি, শিলৰ ব্যৱসায়ীয়ে শিল আৰু বালি মজুত কৰি ৰাখিছে। এনেকৈ শিল, বালি মজুত কৰি ৰখাৰ অধিকাৰ হেনো নীতি মতে নাই। তেনেস্থলত কোন ব্যৱসায়ীয়ে, কাৰ আশীৰ্বাদত এনেকৈ শিল আৰু বালি সংগ্ৰহ কৰি, মজুত কৰি ৰাখিছে জানিবৰ উপায় নাই। সেয়ে সচেতন লোকৰ সন্দেহ, এই কাৰ্যত বন বিভাগ আৰু নিজকে সদা-সচেতন বুলি জাহিৰ কৰি ফুৰা একাংশ লোকৰ বিশেষ বুজাবুজিৰে চোৰাং কাৰবাৰীয়ে এনেদৰে বুৰৈ নদীৰ পৰা শিল, বালি সংগ্ৰহ আৰু মজুত কৰিছে।



*মঙলদৈত স্বেচ্ছাসেৱী সংগঠনৰ নোৱা নৈৰ খহনীয়া প্ৰতিৰোধৰ চেষ্টা, দেওবাৰে।*

# হোজাইত অধিবক্তাৰ পত্নী-সন্তানক অপহৰণৰ চেষ্টা ড্ৰাগছ সৰবৰাহকাৰীৰ ঃ গোচৰ

অগ্ৰদূত বাৰ্তা

**হোজাই, ১৯ মাৰ্চ ঃ** ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে গোচৰ চলোৱাৰ বাবে হোজাই মোৰাঝাৰৰ এগৰাকী অধিবক্তাৰ পত্নী আৰু সন্তানক ড্ৰাগছ সৰবৰাহকাৰীয়ে অপহৰণ কৰাৰ চেষ্টা কৰা বুলি উঠা অভিযোগে জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অধিবক্তা ৰহিম উদ্দিনৰ অভিযোগ মতে, নিচাযুক্ত বেজিৰে অজ্ঞান কৰিব বিচাৰিছিল তেওঁৰ পত্নীক। ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা ৰক্ষা পৰিবলৈ কোলাত কেঁচুৱা লৈ চলন্ত গাড়ীৰ পৰা জঁপিয়াইছিল অধিবক্তাৰ পত্নীয়ে। যাৰ বাবে গুৰুতৰভাৱে আহত হয় ৰহিম উদ্দিনৰ পত্নী আৰু পুত্ৰ। উল্লেখ্য যে ৰাজ্যত ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে চলি আছে মাৰাথন অভিযান। ড্ৰাগছসহ আটক হৈছে শ শ সৰবৰাহকাৰী। হোজাইৰ মোৰাঝাৰত এইবাৰ ড্ৰাগছ সৰবৰাহকাৰীয়ে অপহৰণৰ চেষ্টা কৰিলে হোজাই জিলা সদৰ শংকৰদেৱ নগৰ আদালতৰ অধিবক্তা ৰহিম উদ্দিনৰ পত্নী আৰু সন্তানক। অধিবক্তা ৰহিম উদ্দিনে শংকৰদেৱনগৰ আদালতত কাম কৰি থাকোতে তেওঁৰ পত্নী আৰু কণমানি সন্তানক অপহৰণৰ চেষ্টা চলাইছিল ড্ৰাগছ পেডলাৰে। উল্লেখ্য যে অধিবক্তা ৰহিম উদ্দিনে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে বহুকেইটা গোচৰ চলাই আছিল। ৰহিম উদ্দিনৰ তৎপৰতাত বহু ড্ৰাগছ সৰবৰাহকাৰী এতিয়া জেল হাজোতত। যাৰ বাবে ড্ৰাগছ সৰবৰাহকাৰীৰ টাৰ্গেটত পৰিছিল ৰহিম উদ্দিন। দুদিন পূৰ্বে ৰহিম উদ্দিনৰ পত্নী আৰু কণমানি সন্তান ঘৰলৈ যাবলৈ গাড়ীৰ বাবে অপেক্ষা কৰি আছিল। সেই সময়ত আহি উপস্থিত হয় এখন ই-ৰিক্সা। ই-ৰিক্সাৰে গৈ থকা অৱস্থাত এগৰাকী মহিলাসহ আন দুই যুৱকে নিচাযুক্ত বেজি উলিয়াই বেজিৰে মহিলাগৰাকীক অজ্ঞান কৰিব বিচাৰে যদিও ঘটনাৰ উমান পাই কণমানি পুত্ৰক কোলাত লৈ মহিলাগৰাকীয়ে ই-ৰিক্সাৰ পৰা জঁপিয়াই পৰে। যাৰ ফলত দুয়ো আঘাতপ্ৰাপ্ত হয়। ঘটনা সংক্ৰান্তত অধিবক্তাজনে মোৰাঝাৰ থানাত এটা গোচৰ তৰাত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## নগাঁৱত সুৰামত্ত যুৱকৰ উদ্ভণ্ডালি

■ ৱেব পৰ্টেলৰ সংবাদসেৱীক আক্ৰমণ

বিশেষ সংবাদদাতা

**নগাঁও, ১৯ মাৰ্চ ঃ** হোলীৰ আনন্দৰ মাজতে আজি নগাঁৱত একাংশ সুৰামত্ত উদণ্ড যুৱকৰ উদ্ভণ্ডালিক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰং সনাৰ নামত সুৰামত্ত উদণ্ড যুৱকে নগাঁও চহৰৰ বহু স্থানত পথচাৰীক অমাৰ্জিত আচৰণ কৰে। আনকি এনে যুৱকে বাতৰি সংগ্ৰহৰ বাবে যোৱা এটা ৱেব পৰ্টেলৰ এজন সংবাদসেৱীক আক্ৰমণো কৰে। ইপিনে, নগাঁও ইটাচালী আৰক্ষী চকীৰ সমীপতে সুৰামত্ত এজন উদণ্ড যুৱকে এখন যাত্ৰীবাহী গাড়ীৰ আইনা ভাঙে। যানবাহন আৰক্ষীৰ সন্মুখতে ঘটনাটো সংঘটিত হয়। পাছত আৰক্ষীয়ে ঘটনা সম্পৰ্কত নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী ডিফলুৰ ৰাজু নামৰ এজন যুৱকক আটক কৰে।

# 'এখন পৃথিৱী, এখন ঘৰ' আঁচনি ৰূপায়ণত কামৰূপ শীৰ্ষত

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৯ মাৰ্চ ঃ** ক'ভিড সৃষ্ট পৰিৱেশত বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সম্পৰ্কে অধিক সজাগতা সৃষ্টি আৰু প্ৰকৃতিৰ লগত মানৱকুলৰ সহৱস্থানৰ ক্ষেত্ৰত জানিবলগীয়া বিভিন্ন দিশ আলোকপাত কৰাৰ বাবে কামৰূপ শিক্ষা বিভাগে ডব্লিউ ডব্লিউ এফ-ইণ্ডিয়াৰ 'এখন পৃথিৱী এখন ঘৰ' আঁচনিৰ জৰিয়তে এক বাস্তৱমুখী পদক্ষেপ গ্ৰহণ কৰিছে। জিলাখনৰ বহুতো ছাত্ৰ-ছাত্ৰীক এই পৰিৱেশ সজাগতা আঁচনিত জড়িত কৰি কামৰূপৰ শিক্ষা বিভাগে শীৰ্ষস্থান অধিকাৰ কৰে। বিশেষকৈ কামৰূপৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা কামৰূপৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ নেতৃত্বত আৰু বিভাগীয় বিষয়া আৰু জিলাখনৰ বিদ্যালয়সমূহৰ আন্তৰিক সহযোগিতাত এই আঁচনিখন ৰূপায়ণ হৈছিল। উল্লেখ্য যে বিগত কিছুদিন আগতে এবাৰ ব্যৱহাৰ্য প্লাষ্টিক নিষিদ্ধ বিষয়ক এটি শ্ৰেষ্ঠ শৈক্ষিক অনুশীলন ৰূপায়ণ কৰি বিষয়াজনে ৰাষ্ট্ৰীয় পৰ্যায়ৰ উদ্ভাৱনী বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।



*নীলবাগানত বিজেপিৰ হোজাই জিলা সংখ্যালঘু মৰ্চাৰ সভা, দেওবাৰে।*

# চূড়ান্ত মূল্যায়নৰ পাছতো প্ৰাথমিক পৰ্যায়ত হৈ থাকিব পাঠদান

## ■ ঘগ্ৰাপাৰত 'ইউ ডাইছ প্লাছ' সন্দৰ্ভত বিশেষ আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৯ মাৰ্চ ঃ** সমগ্ৰ শিক্ষা, অসমৰ উদ্যোগত আগন্তুক এপ্ৰিল-মে'ত অনুষ্ঠিত হ'বলগীয়া গুণোৎসৱ, নতুন শিক্ষাবৰ্ষত ছাত্ৰ-ছাত্ৰীৰ মাজত পাঠ্যপুথি বিতৰণ, নিপুণ অসম, 'ইউ ডাইছ প্লাছ' সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত শিক্ষকৰ কৰণীয়, নতুন নামভৰ্তি প্ৰক্ৰিয়া আদি কাৰ্যক্ৰমৰ আলোচনাৰে যোৱা ২৩ মাৰ্চত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ গুৰুত্বপূৰ্ণ সভা এখন ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত হয়। খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত নলবাৰী জিলাৰ শিক্ষা বিভাগৰ কনিষ্ঠ অভিযন্তা গণেশ ডেকাই ডাইচত বিদ্যালয়ৰ তথ্য নিখুঁতভাৱে পূৰণৰ ওপৰত গুৰুত্ব দিয়ে। শিক্ষা বিষয়া কলিতাই আগন্তুক গুণোৎসৱৰ পৰিপ্ৰেক্ষিতত মণ্ডল সমল কেন্দ্ৰ সমন্বয়কসকলে দায়বদ্ধতাৰে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। খণ্ডটোৰ সমল ব্যক্তি সুভাষ বৰ্মনে 'নিপুণ অসম' কাৰ্যক্ৰমৰ কথা উল্লেখ কৰি কয় যে আঁচনিখনত 'পঠনৰ বাবে শিকন আৰু শিকনৰ বাবে পঠন' সন্দৰ্ভত বিশেষ গুৰুত্ব দিয়া হৈছে। বিদ্যালয় স্তৰত পুষ্টি বাগিচা নিৰ্মাণ কৰিবলৈয়ো তেওঁ শিক্ষকসকললৈ আহ্বান জনায়। সমল ব্যক্তি প্ৰাঞ্জল ৰাজবংশীয়ে নিষ্ঠাৰ তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণ আৰু ইক' ক্লাবৰ কাৰ্যাৱলী সম্পৰ্কে উল্লেখ কৰে। ব্লক এম আই এছ সুশান্ত মল্ল বৰুৱাই ডাইছ কিদৰে পূৰ্ণ কৰিব লাগে তাক ব্যাখ্যা কৰাৰ উপৰি অসম চৰকাৰৰ প্ৰদত্ত বিনামূলীয়া পাঠ্যপুথি বিতৰণ সন্দৰ্ভত ব্যাখ্যা কৰে। বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ পৰা জানিব পৰা মতে, ২০২১-২২ৰ অন্তিম সাময়িকী মূল্যায়ন শেষ হোৱাৰ পাছতো ছাত্ৰ-ছাত্ৰীৰ শিকন-ঘাটি ন্যূনতম কৰাৰ বাবে প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়বোৰত নিয়মীয়াভাৱে পঠন-পাঠন কাৰ্য চলি থাকিব আৰু এই ক্ষেত্ৰত শিক্ষা বিভাগে শিক্ষকসকলৰ লগতে স্থানীয় ৰাইজ আৰু অভিভাৱকসকলৰ সহযোগিতা বিচাৰিছে। সভাত বিদ্যালয়সমূহৰ সহঃ পৰিদৰ্শক জ্যোতিষ দাসে সকলোকে নিজা দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনায়। সভাত ডি কিউ এম আব্দুল কুদ্দুছ, আইইএআৰপি অশ্বিনী হালৈয়ে প্ৰাসংগিক বক্তব্য উপস্থাপন কৰে। সভাত বিআৰপি নৰ কুমাৰ দাস, ইডিপি ইলা দত্তকে ধৰি খণ্ড গাণনিকসকল, বিভিন্ন মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়কসকলে যোগদান কৰে।

# গোৱালপাৰাত বিশ্ব গ্ৰাহক অধিকাৰ দিৱস পালন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৯ মাৰ্চ ঃ** অখিল ভাৰতীয় গ্ৰাহক পঞ্চায়তৰ উদ্যোগত গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰৰ নাট্যমন্দিৰত বিভিন্ন কাৰ্যসূচীৰে যোৱা ১৫ মাৰ্চত বিশ্ব গ্ৰাহক অধিকাৰ দিৱস পালন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে ভাৰত মাতা আৰু স্বামী বিবেকানন্দৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে গোৱালপাৰা জিলাৰ অখিল ভাৰতীয় গ্ৰাহক পঞ্চায়তৰ কীৰ্তি নাৰায়ণ দাসে উত্তৰ অসম প্ৰান্তৰ সদস্য হিতেশ কুমাৰ দাসে বিশ্ব গ্ৰাহক অধিকাৰ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে সকলো সামগ্ৰী উৎপাদন মূল্য জনাটো গ্ৰাহকৰ অধিকাৰ আৰু গ্ৰাহক হ'ল গণতন্ত্ৰৰ মূল উদ্দেশ্য। সভাত গোৱালপাৰা জিলা গ্ৰাহক পঞ্চায়তৰ সভাপতি যশৱন্ত ৰায়, ডঃ হেমন্ত কুমাৰ কলিতা, গোবিন্দ দাস, কীৰ্তি নাৰায়ণ দাসৰ লগতে ভালে সংখ্যক সচেতন তথা জ্যেষ্ঠ নাগৰিকে অংশগ্ৰহণ কৰে।

# বৰপেটাত ১০ গৰাকী ক'ভিডত নিহতৰ পৰিয়াললৈ আৰ্থিক সাহায্য বিতৰণ

বিশেষ সংবাদদাতা

**বৰপেটা, ১৯ মাৰ্চ ঃ** কৰ'না মহামাৰীত প্ৰাণ হেৰুওৱা বৰপেটা জিলাৰ ১০ গৰাকী ব্যক্তিৰ নিকটতম আত্মীয়ৰ মাজত যোৱা ১৭ মাৰ্চত অসম চৰকাৰৰ অৰ্থ সাহায্য বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰীৰ ক'ভিড বিধৱা সাহায্য আঁচনিৰ অধীনত আঠগৰাকী মহিলাৰ মাজত গাইপতি ২.৫ লাখ টকাৰ আৰু প্ৰাৰ্থনা আঁচনিৰ অধীনত দুগৰাকী ব্যক্তিক এক লাখ টকাকৈ চেক প্ৰদান কৰা হয়। জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষালে তেওঁলোকক আনুষ্ঠানিকভাৱে চেকসমূহ প্ৰদান কৰে। এই উপলক্ষে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন সভাত চমু ভাষণ দি উপায়ুক্তজনে কয় যে অসম চৰকাৰে দুৰ্ভগীয়া পৰিয়ালসমূহক এনে বিপদৰ সময়ত সামান্য সকাহ দিয়াৰ বাবে এনেদৰে কিছু অৰ্থ-সাহায্য দিয়াৰ ব্যৱস্থা কৰিছে। অনুষ্ঠানটোৰ আঁত ধৰি অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই কয় যে ইয়াকে লৈ এতিয়ালৈকে বৰপেটা জিলাৰ ৫৭ গৰাকী অৰ্থনৈতিকভাৱে দুৰ্বল ক'ভিড বিধৱা মহিলাই আঢ়ৈ লাখকৈ টকা মুখ্যমন্ত্ৰীৰ ক'ভিড বিধৱা সাহায্য আঁচনিৰ অধীনত লাভ কৰিলে। আনহাতে, প্ৰাৰ্থনা আঁচনিৰ অধীনত কৰ'না মহামাৰীত প্ৰাণ হেৰুওৱা ১৮ জন লোকৰ অৰ্থনৈতিকভাৱে দুৰ্বল নিকট আত্মীয়ৰ হাতত এক লাখকৈ টকাৰ চেক প্ৰদান কৰা হ'ল। উভয় আঁচনিৰ হিতাধিকাৰীয়ে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা ৫০ হেজাৰ টকাৰ সাহায্যও লাভ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। সভাত সহকাৰী আয়ুক্ত নিমাশ্ৰী ডাউকাও উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে কৰ'না মহামাৰীত মৃত্যুমুখত পৰা লোকসকলৰ স্মৃতিত এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়।

# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালকক বদলি

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ১৯ মাৰ্চ ঃ** বোকাখাত কাৰ্যালয়ত থকা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক ভাৰতীয় বন সেৱাৰ বিষয়া পি, শিৱকুমাৰক অসম চৰকাৰে শিলচৰলৈ দক্ষিণ অসমৰ মুখ্য বন সংৰক্ষক পদলৈ বদলি কৰিছে। বন বিভাগৰ আয়ুক্ত সচিব জি, ডি ত্ৰিপাঠীৰ এক নিৰ্দেশ অনুসৰি শিলচৰত কৰ্মৰত ভাৰতীয় বন সেৱাৰ বিষয়া যতীন্দ্ৰ শৰ্মাক শিৱকুমাৰৰ ঠাইত স্থলাভিষিক্ত কৰা হৈছে। বিগত তিনি বছৰত শিৱকুমাৰৰ নেতৃত্বত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই সংৰক্ষণৰ ক্ষেত্ৰত সফলতাৰে সেৱা আগবঢ়াইছিল।

# চাওতালসকল স্বতন্ত্ৰ জাতিঃ নিজস্ব ভাষা, কলা-সংস্কৃতি আছে

## ■ কাজলগাঁৱত চাওতাল ছাত্ৰ সন্থা-বুদ্ধিজীৱীৰ সন্মিলন

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১৯ মাৰ্চ ঃ** চাওতালসকল চাহ জনগোষ্ঠী নহয় বুলি চিৰাং জিলা সদৰ কাজলগাঁওস্থিত দুৱাৰ গেষ্ট হাউছত আয়োজিত এক সংবাদ মেলত স্পষ্ট কৰে সদৌ চাওতাল ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিমান ছোৰেনে। কালি অসম চৰকাৰৰ বিধানসভাৰ অধিৱেশনত চাহ জনজাতি জাতীয় সন্মিলনৰ পৰা জাতিৰ প্ৰমাণ পত্ৰ লোৱাৰ নিৰ্দেশনা জাৰি কৰিছে তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে ছাত্ৰ সংগঠনটোৱে। সাধাৰণ সম্পাদক ৰিমান ছোৰেনে এই ঘটনাৰ তীব্ৰ বিৰোধিতা কৰি কয় যে এয়া অতিকৈ নিন্দনীয় ঘটনা। তেওঁ লগতে কয় যে বিগত ১৫ টা বছৰে চাওতাল ছাত্ৰ সন্থাই আন্দোলন কৰি আছে সংবিধান প্ৰদত্ত অধিকাৰ বিচাৰি। কিন্তু তাৰ পাছতো চাওতালসকলক চাহ জনজাতিৰ অন্তৰ্ভুক্ত কৰা ঘটনাৰ গৰিহণা দিয়ে। চাওতালসকলক অসম ভূমি আইনত প্ৰটেক্টেট শ্ৰেণীত অন্তৰ্ভুক্ত কৰিছে। চাওতাল ভাষা ভাৰতৰ সংবিধানে স্বীকৃতি দিছে। চাওতালসকলৰ নিজা ভাষা, কলা-সংস্কৃতি সকলো থকাৰ পিচতো বাৰে বাৰে চৰকাৰে ষড়যন্ত্ৰ মূলকভাৱে চাহ জনজাতিৰ অন্তৰ্ভুক্ত কৰিব বিচাৰি আছে এয়া অতিকে দুৰ্ভাগ্য জনক বুলি উল্লেখ কৰে সংবাদমেলত। তেওঁ লগতে কয় চাওতালসকলৰ উন্নয়ন নিবিচাৰে চৰকাৰে। চাওতালসকলক জনজাতিকৰণৰ দাবী উত্থাপন কৰাৰ লগতে ভূমি সুৰক্ষিত কৰা আৰু চাওতাল ভাষা শিক্ষাৰ বাবে শিক্ষক নিযুক্তিৰ দাবী জনায় সংবাদ মেলত। চাওতালসকলে কাৰো ওচৰত আঁঠু নাকাঢ়ে। জাতীয় স্বাভিমানত আঘাত সনাৰ ঘটনা বাৰে বাৰে কৰিলে সহ্য কৰা নহ'ব বুলিও সকীয়াই দিয়ে ছাত্ৰ নেতা জনে। তেওঁ লগতে কয় যে চাওতাল জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা সদৌ চাওতাল ছাত্ৰ সন্থাই সংবিধান প্ৰদত্ত নিজৰ জাতীয় দাবীসমূহ লৈ সমগ্ৰ অসম ব্যাপি আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে চাওতাল ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিমান ছোৰেনে। সংবাদমেলৰ পূৰ্বে জিলা সমিতি আৰু চাওতাল ভাষা শিক্ষক তথা বুদ্ধিজীৱী লগতে বিটিআৰৰ কাৰ্যবাহী সদস্য উইলচন হাছদাৰ স'তে এক আলোচনাত মিলিত হয় ছাত্ৰ সংগঠনটো। সংবাদমেলত চাওতাল ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক দুৰ্গা ছোৰেনৰ লগতে কে'বাটাও জিলা সমিতিৰ সভাপতি সম্পাদক সকলো উপস্থিত থাকে।

# বৰপেটা সত্ৰৰ ফাকুৱা উৎসৱত জৰ্জিয়াৰ ৰাষ্ট্ৰদূত আৰ্চিল জুলিয়াছ ভিলি



বিশেষ সংবাদদাতা

**বৰপেটা, ১৯ মাৰ্চ ঃ** 'কৈলা বাবা কি জয়, ভাল লাগিল।' জৰ্জিয়াৰ ৰাষ্ট্ৰদূত আৰ্চিল জুলিয়াছ ভিলিয়ে আজি বিয়লি বৰপেটা সত্ৰৰ শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ ফাকুৱা উৎসৱত অংশ গ্ৰহণ কৰি এইদৰে সংবাদ মাধ্যমৰ আগত নিজৰ অনুভৱ অসমীয়াত ব্যক্ত কৰে। জৰ্জিয়াৰ ৰাষ্ট্ৰদূতগৰাকীয়ে বৰপেটাৰ দৌল উৎসৱ চাবলৈ অহাৰ পাছত ৰঙতে মতলীয়া হৈ থকা সত্ৰ নগৰীৰ যুৱক-যুৱতীসকলৰ আনন্দত অংশগ্ৰহণ কৰি ফাকুগুৰিৰে সকলোকে হোলীৰ শুভেচ্ছা জনায়। ৰাষ্ট্ৰদূতগৰাকীক সত্ৰ পৰিচালনা সমিতিয়ে নহাটী চ'কত গামোচাৰে আদৰণি জনোৱাৰ পাছত ঢুলীয়া, হোলীগীতৰ দলে সত্ৰলৈ আদৰি আনে। সত্ৰৰ চৌহদত প্ৰৱেশ কৰি গোসাঁইক কলবাৰী সত্ৰলৈ হেকতা খুৱাবলৈ নিয়া দৃশ্য প্ৰত্যক্ষ কৰে আৰু পাছত সত্ৰ চৌহদ পৰিভ্ৰমণ কৰে আপ্লুত হয়।

# দাৰিদুৰী শাখা ৰাভা সাহিত্য সভাৰ সম্পাদকক বহিষ্কাৰৰ দাবী আৰছু-ৰাভা মহিলা পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**আগিয়া, ১৯ মাৰ্চ ঃ** নিখিল ৰাভা সাহিত্য সভাৰ অন্তৰ্গত দাৰিদুৰী শাখা ৰাভা সাহিত্য সভাৰ সম্পাদকক অতি শীঘ্ৰে সম্পাদক পদৰ পৰা বহিষ্কাৰৰ দাবী জনাইছে দাৰিদুৰী আঞ্চলিক ৰাভা ছাত্ৰ সন্থা আৰু দাৰিদুৰী আঞ্চলিক ৰাভা মহিলা পৰিষদে। দাৰিদুৰী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মেৰিছ চন্দ্ৰ ৰাভা আৰু সম্পাদক ৰাতুল ৰাভা স্বাক্ষৰিত এক বিবৃতিত কয় যে দাৰিদুৰী শাখা সাহিত্য সভাৰ সম্পাদকজনে বিগত চাৰি বছৰৰ পৰা এগৰাকী মহিলাক যৌন আতিশয্য চলাই আহিছে। উক্ত অনৈতিক কাৰ্যকলাপ ৰাইজৰ দৃষ্টিগোচৰ হোৱাত ইতিপূৰ্বে ৰাইজে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। এনে অনৈতিক কাৰ্যকলাপত জড়িত থকা ব্যক্তিজনক অতি শীঘ্ৰে দাৰিদুৰী শাখা ৰাভা সাহিত্য সভাৰ সম্পাদক পদৰ পৰা বহিষ্কাৰ কৰিবলৈ দাৰিদুৰী শাখাৰ লগতে গোৱালপাৰা জিলা ৰাভা সাহিত্য সভাক দাবী জনায় দাৰিদুৰী আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিয়ে।

# ৰাষ্ট্ৰীয় পৰ্যায়ত সন্মান লাভ কোকৰাঝাৰ উপায়ুক্তৰ



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৯ মাৰ্চ ঃ** ৰাষ্ট্ৰীয় পৰ্যায়ত পুনৰ সন্মান বুটলিবলৈ সক্ষম হৈছে কোকৰাঝাৰ জিলা উপায়ুক্ত বৰ্ণালী ডেকাই। যোৱা ছয়ৰ পৰা আঠ মাৰ্চলৈ চেন্নাইত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি)ত দেশৰ বছা বছা অসামৰিক সেৱাৰ বিষয়া, উদ্যোগী আৰু শিক্ষাবিদসকলৰ অনুষ্ঠিত হোৱা এক আলোচনাচক্ৰৰ বাবে কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাও আমন্ত্ৰিত হৈছিল। ইমাজিন ইণ্ডিয়া @২০৪৭ নামৰ এই আলোচনাচক্ৰখনত প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগৰ দ্বাৰা 'ভিজন ইণ্ডিয়া ২০৪৭'ৰ বিভিন্ন বিষয়ত আলোকপাত কৰাৰ বাবে এক অভিনৱ অনুষ্ঠান আছিল। এই ভিজন কাৰ্যকৰী কৰাৰ বাবে শক্তি আৰু নীট শূন্য, তথ্য সুৰক্ষা আৰু প্ৰতিৰক্ষা, আন্তঃগাঁথনি আৰু যোগাযোগ, স্বাস্থ্যসেৱা আৰু সহায়ক প্ৰযুক্তি, পৰিবহণ আৰু গতিশীলতা, শিক্ষা, পানে, নগৰীকৰণ আৰু গৃহ নিৰ্মাণ, গ্ৰামোন্নয়ন আৰু কৃষি, ফিনটেক আৰু অন্তৰ্ভুক্তি বিষয়ৰ ১০ টা কোষ গঠন কৰা হৈছে। প্ৰতিটো কোষত চাৰিটা নিউক্লীয়াছ থাকিব। প্ৰতিটো কোষত এজনকৈ যুৱ আইএএছ বিষয়া, এজন একাডেমী, এজন বীজ উদ্যোগী আৰু এজন প্ৰতিষ্ঠিত উদ্যোগী থাকিব। তেওঁলোকে পৰৱৰ্তী তিনিৰ পৰা ২৫ বছৰৰ ভিতৰত উন্নয়ন ধাৰণা কৰাৰ বাবে কাম কৰিব আৰু প্ৰায় চাৰি মাহৰ ভিতৰত প্ৰথম পৰামৰ্শ দিয়াৰ সম্ভাৱনা আছে। বৰ্ণালী ডেকাক শক্তি আৰু নীট শূন্য আৰু ফিনটেক আৰু অন্তৰ্ভুক্তি এই দুটা অতি গুৰুত্বপূৰ্ণ বিষয়বস্তুৰ দায়িত্ব দিয়া হৈছে।

# ছাত্ৰ-ছাত্ৰীৰ মাজত বাৰ্ষিক বিজ্ঞান -শিশু চিত্ৰ প্ৰদৰ্শনী

**খুমটাই, ১৯ মাৰ্চ ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত ৰঙাগড়াৰ দুসুতিমুখ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান মনস্কতাৰ প্ৰতি আকৰ্ষিত কৰাৰ মানসেৰে প্ৰয়াস অধ্যয়ন চক্ৰৰ উদ্যোগত যোৱা ১৬ মাৰ্চত ব্ৰহ্মপুত্ৰ জাতীয় বিদ্যালয়ে এখন বাৰ্ষিক বিজ্ঞান প্ৰদৰ্শনীৰ লগতে শিশু চিত্ৰ প্ৰদৰ্শনী মেলা অনুষ্ঠিত কৰে। সাংবাদিক পল্লৱ হাজৰিকা আৰু শিক্ষক পীযুষ কলিতাই আনুষ্ঠানিকভাৱে বাৰ্ষিক বিজ্ঞান প্ৰদৰ্শনীৰ লগতে শিশু চিত্ৰ প্ৰদৰ্শনী উদ্বোধন কৰে। উল্লেখ্য যে ২০০৬ৰ পৰাই ধাৰাবাহিকভাৱে ঘৰুৱাভাৱে ব্যৱহৃত আৰু নিত্য নৈমত্তিক ব্যৱহাৰিক দৃষ্টিত পৰি থকা সামগ্ৰীসমূহৰ মাজত ছাত্ৰ-ছাত্ৰীসকলৰ বিজ্ঞান সন্ধানৰ চিন্তাক উৎসাহিত কৰিবৰ বাবে ব্ৰহ্মপুত্ৰ জাতীয় বিদ্যালয় কৰ্তৃপক্ষই এই প্ৰচেষ্টা চলাই আহিছে। নৈপৰীয়া অঞ্চলত প্ৰতিষ্ঠা লাভ কৰা বিদ্যালয়খনে অঞ্চলটোত পৰম্পৰাগতভাৱে চলি থকা কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ দ্বাৰা প্ৰভাৱিত অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান মনস্কতাৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত কৰি আহিছে উক্ত বিজ্ঞান প্ৰদৰ্শনীয়ে।

# সোণাপুৰৰ বামুণখাটত কাইলৈৰ পৰা তিৱা মহোৎসৱ

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১৯ মাৰ্চ ঃ** তিৱা জনগোষ্ঠীৰ ঐতিহ্য, পৰম্পৰা, ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, ঐক্য, শৈক্ষিক আৰু প্ৰগতিৰ প্ৰতি লক্ষ্য ৰাখি বিগত বছৰবোৰৰ দৰে এইবেলিও বৃহত্তৰ কামৰূপ জিলা তিৱা ৰাইজৰ সহযোগত তিৱা মহোৎসৱ পৰিচালনা সমিতিয়ে সোণাপুৰৰ সমীপৰ বামুণখাটত অহা ২১, ২২ আৰু ২৩ মাৰ্চত তিৱা খাম্বাৰু ২০২২ (তিৱা মহোৎসৱ)ৰ আয়োজন কৰিছে। মহোৎসৱথলীত ইতিমধ্যে স্থানীয় ৰাইজে ভাগে ভাগে সভাগৃহ, প্ৰদৰ্শনী গৃহ, চামাদি, টঙীঘৰ আদি নিৰ্মাণ ব্যস্ত থকাৰ লগতে শতাধিক যুৱক-যুৱতী, পুৰুষ-মহিলাই জনগোষ্ঠীটোৰ নৃত্য-গীতৰ আখৰাত ব্যস্ত হৈ পৰিছে। দিনে-নিশাই ৰাইজ উছাহ তথা নৃত্য-গীতৰে মুখৰিত হৈ আছে বামুণখাটৰ মহোৎসৱথলী। মহোৎসৱ পৰিচালনা সমিতিৰ সভাপতি স্বপন ৰামদে (ৰাডু)ৰে সংবাদ মাধ্যমক জানিব দিয়া মতে, চতুৰ্থবাৰৰ বাবে আয়োজন কৰা এইবেলিৰ তিৱা মহোৎসৱত তিৱা জনগোষ্ঠীৰ অন্যতম 'ফা-মাহাদেউ' পূজা উৎসৱটো বিশেষভাৱে সংযোগ কৰা হৈছে। তিনিদিনীয়া মহোৎসৱত জনগোষ্ঠীটোৰ পৰম্পৰাগত ক্ৰীড়া প্ৰতিযোগিতা, সাজপাৰ প্ৰদৰ্শনী, স্মৃতিগ্ৰন্থ উন্মোচন, বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, মুকলি সভা আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠানো অনুষ্ঠিত হ'ব। তদুপলক্ষে মহোৎসৱৰ তিনিওটা দিনত ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# টেঙাখাত-পাণধোৱাত বুঢ়ীদিহিং নদীৰ খহনীয়া সমস্যা অব্যাহত

## ■ সমাধানৰ দাবীত ৰাইজৰ প্ৰতিবাদী সভা



অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ১৯ মাৰ্চ ঃ** দুলীয়াজান সমষ্টিৰ অন্তৰ্গত পাণধোৱাত বুঢ়ীদিহিং নদীৰ খহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণৰ দাবীত টেঙাখাতৰ আৰ্থ সামাজিক কল্যাণ সংস্থা (সেৱা)ৰ উদ্যোগত কালি নদীখনৰ খহনীয়াস্থলীতে এখনি ৰাজহুৱা প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। সংস্থাৰ সভাপতি দৰ্পনাথ সোণোৱালৰ পৰিচালনাত অনুষ্ঠিত সভাত বিভিন্নজনে খহনীয়া সমস্যাৰ ওপৰত বক্তব্য ৰাখে। স্থানীয় পুৱাল গগৈয়ে ক্ষোভ প্ৰকাশ কৰি কয় যে পাণধোৱাত বহুবছৰ দিহিং নদীয়ে গৰা খহাই আহিছে। খহনীয়াৰ ফলত শতাধিক বিঘা নদীৰ বুকুত জাহ গৈছে। বহুকেইটা পৰিয়ালে ভূমিহীন হৈছে। খহনীয়া সমস্যা সমাধানৰ বাবে বহুবাৰ স্থানীয় বিধায়ক, সাংসদ আৰু জিলাৰ জলসম্পদ বিভাগৰ কৰ্তৃপক্ষক আবেদন-নিবেদন জনোৱাৰ পাছতো কোনো গুৰুত্ব নিদিলে। গৰা খহি খহি নদীখনৰ মথাউৰিটোৰ তেনেই কাষ চাপিল। এই বছৰৰ বাৰিষাত নদীখনত পানী বাঢ়িলেই মথাউৰি ছিঙাটো নিশ্চিত। টেঙাখাত অঞ্চলৰ পাণধোৱা, কপহুৱা চাউদাং নখণ্ডীয়াকে ধৰি এটা বৃহৎ অঞ্চল বানপানীয়ে বুৰাই পেলাব। অঞ্চলটোৰ ৰাইজে এই বিপদৰ সন্মুখীন হোৱাৰ আগতে খহনীয়া প্ৰতিৰোধ কৰিবলৈ জনপ্ৰতিনিধি আৰু বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়। তেওঁ ক্ষোভেৰে কয় যে যদিহে বাৰিষাৰ আগতে খহনীয়াৰ প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে ৰাজনৈতিক দলৰ জনপ্ৰতিনিধিক টেঙাখাতত সোমাবলৈ দিয়া নহ'ব। লগতে তেওঁ জংগী আন্দোলনৰ পোষকতা কৰে। সংস্থাৰ সম্পাদক গৌতম শইকীয়াই আঁত ধৰা প্ৰতিবাদী সভাত সমাজ সচেতক উৎপল বৰশইকীয়াই নদীখনৰ খহনীয়াই অঞ্চলটোত সৃষ্টি কৰিব পৰা ভয়াৱহতা কথা বক্তব্যত উল্লেখ কৰে। পাণধোৱাত খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জন প্ৰতিনিধি আৰু বিভাগীয় কৰ্তৃপক্ষক দাবী জনাবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

## লাহোৱালত উৰণীয়া সেতু নিৰ্মাণৰ প্ৰস্তাৱক আদৰণি

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৯ মাৰ্চ ঃ** ডিব্ৰুগড় লাহোৱালত উৰণীয়া সেতু নিৰ্মাণৰ বাবে বাজেটত লোৱা প্ৰস্তাৱক চলিত বৰ্ষৰ অসম চৰকাৰৰ বাজেটত অন্তৰ্ভুক্ত কৰাত বৃহত্তৰ লাহোৱাল অঞ্চল আনন্দিত হৈছে। উল্লেখ্য যে স্বাধীনতাৰ পাছৰে পৰা লাহোৱাল ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰৰূপে পৰিগণিত হ'বলৈ ধৰে। তদুপৰি ঐতিহাসিক জয়পুৰ-নাহৰকটীয়া পথছোৱাই দুলীয়াজান, নামৰূপ সাৰ কাৰখানালৈ বৃহৎ বৃহৎ যন্ত্ৰপাতিসহ মটৰগাড়ীৰ সঘন আহ-যাহ হৈ আহিছে। পূৰ্বৰ কংগ্ৰেছৰ বিধায়ক, মন্ত্ৰীৰ লগতে পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ব্যস্ততাপূৰ্ণ লাহোৱাল অঞ্চলত ৰেল লাইনৰ ওপৰত এখন উৰণীয়া সেতু নিৰ্মাণৰ দাবী স্থানীয় ব্যক্তি তথা দল-সংগঠনে জনাই আহিছিল যদিও কাৰ্যক্ষেত্ৰত হোৱা দেখা নগ'ল। চলিত বৰ্ষৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ বিত্তমন্ত্ৰী অজন্তা নেওগে ১৬ মাৰ্চত সদনত উত্থাপন কৰা ২০২২-২৩ৰ বাজেটত লাহোৱালত এখন উৰণীয়া সেতু নিৰ্মাণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰাত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰাৰ লগতে বহুদিনীয়া এক দাবী পূৰণ হ'ব বুলি আশা প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাক স্থানীয় ৰাইজে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে। উল্লেখ্য যে লাহোৱালৰ এগৰাকী সচেতন নাগৰিক তথা সাংবাদিক যাদৱ গগৈয়ে লাহোৱালত এখন উৰণীয়া সেতু নিৰ্মাণৰ লগতে তামোলবাৰীস্থিত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ জন্মগৃহ 'জ্যোতি তীৰ্থ'ক সংৰক্ষণ আৰু সংবৰ্ধন কৰাৰ লগতে মাজুলীস্থিত অসম সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ এটি শাখা স্থাপনৰ বাবে দাবী জনাইছিল যদিও চলিত বৰ্ষৰ বাজেটত এই বিষয়ে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত স্থানীয় বিধায়কজনক পুনৰ এই সম্পৰ্কে উত্থাপন কৰিবৰ বাবে অনুৰোধ জনাইছে।

## গৰুভাষাত ৰঙৰ উৎসৱ ফাকুৱা পালন



অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ১৯ মাৰ্চ ঃ** ৰঙৰ উৎসৱ ফাকুৱা কালি গৰুভাষাতো আনন্দ আৰু উল্লাসেৰে শিশু, পুৰুষ-মহিলা সমন্বিতে সকলোৱে পালন কৰে। গৰুভাষা কৃষ্ণ প্ৰণামী মন্দিৰত দৌল উৎসৱ উৎসাহেৰে পালন কৰা হয়। শান্তি-সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই অনা ৰঙৰ উৎসৱ ফাকুৱা উপলক্ষে হিন্দী আৰু হিন্দীভাষী লোকে ভজন, কীৰ্তন কৰি ফাকুৱা পালন কৰে। ৰাস্তা-ঘাট ত লগ পোৱা কনিষ্ঠজনে জ্যেষ্ঠজনক ৰং সানি আশীৰ্বাদ গ্ৰহণ কৰে। মিলনৰ উৎসৱ ফাকুৱা উপলক্ষে আজি গৰুভাষা কৃষ্ণ প্ৰণামী মন্দিৰত অৰ্ধশতাধিক পুৰুষ আৰু মহিলাই হোলী গীতেৰে মুখৰিত কৰি শান্তি-সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়ায়। জাতি ধৰ্ম নিৰ্বিশেষে পালন কৰা এই ৰঙৰ উৎসৱ ভাৰত ভূটান সীমান্ত হাতিসাৰ, দেওশ্ৰী, শান্তিপুৰ, ৰুণীখাতা, কাশিকোত্ৰা, চিদলী, আৰু বাসুগাঁৱত দৌলোৎসৱ পালন কৰা হয়।

## অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নিৰুপমা কোঁৱৰৰ মৃত্যুত শোক



অগ্ৰদূত বাৰ্তা

**চেপন, ১৯ মাৰ্চ ঃ** চৰাইদেউ জিলাৰ মাহমৰা সমষ্টিৰ অন্তৰ্গত চেপনৰ সমীপৰ পাটসাঁকো ককিলাচুকৰ অৱসৰপ্ৰাপ্ত শিক্ষক দুৰ্গেশ্বৰ ফুকনৰ পত্নী তথা ককিলাচুক প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধন শিক্ষয়িত্ৰী নিৰুপমা কোঁৱৰ (৬৭)ৰ যোৱা ১৮ মাৰ্চৰ পুৱতি নিশা হৃদৰোগত আক্ৰান্ত হৈ জিএমচি হাস্পতালত মৃত্যু হয়। জিলাখনৰ এডেঁৱা অঞ্চলৰ নিবাসী প্ৰয়াত তুন কোঁৱৰ আৰু চেনেহী কোঁৱৰৰ একমাত্ৰ কন্যা নিৰুপমা কোঁৱৰে এডেঁৱা প্ৰাথমিক বিদ্যালয়ত প্ৰথম শিক্ষকতা জীৱন আৰম্ভ কৰে। পৰৱৰ্তী কালত তেওঁ বৰদেওধাই এম ভি স্কুলতো শিক্ষকতা কৰিছিল। ইয়াৰ পাছত তেওঁ ২০১৬ৰ মাৰ্চত প্ৰধান শিক্ষয়িত্ৰীৰূপে ককিলাচুক প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। আনহাতে কালি শিক্ষয়িত্ৰী গৰাকীৰ মৃত্যুৰ বাতৰিপাই গুণমুগ্ধসকল বাসগৃহলৈ আহ শ্ৰদ্ধাৰ্ঘ জ্ঞাপন কৰে। স্থানীয় ৰাইজে তেওঁৰ মৃতদেহ ককিলাচুক প্ৰাথমিক বিদ্যালয়লৈ নি শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছত শেষকৃত্য সম্পন্ন কৰে। মৃত্যুৰ সময়ত পতিসহ দুই পুত্ৰ আৰু ভালেসংখ্যক আত্মীয়ক ইহ সংসাৰত এৰি গৈছে। কোঁৱৰৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## দিহানামৰ জনক, লোকশিল্পী বদন মলিয়াৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**কাকজান/টীয়ক, ১৯ মাৰ্চ ঃ** দিহানামৰ জনক তথা লোকশিল্পৰ সাধক লাহদৈগড় মলিয়াগাঁৱৰ নিবাসী বদন মলিয়া(৭৯)ৰ কালি সন্ধিয়া নিজা বাসগৃহত স্বাস্থ্যজনিত কাৰণত দেহাৱসান ঘটে। জীৱনকালত গুৰুদুজনাৰ আদৰ্শকে শিৰোগত কৰি অলেখ দিহানাম প্ৰচাৰ আৰু প্ৰসাৰ কৰা মলিয়া বিয়োগ অসমৰ সংস্কৃতি জগতৰ বাবে এক অপূৰণীয় ক্ষতি। উল্লেখ্য যে বকুলবনৰ বঁটা প্ৰাপক, আউনীআটী সত্ৰৰ স্বৰ্ণ পদক, শংকৰ-আজান বঁটা, টীয়ক গৌৰৱ বঁটা লাভ কৰা মলিয়াই দিহানামক অনন্য মাত্ৰা প্ৰদান কৰাৰ লগতে ৯০ দশকৰ পৰা বিভিন্ন অডিঅ' ভিডিঅ' কেছেটত কণ্ঠদান কৰিছিল। কে'বাখনো দিহানাম পুথি, বহু টোকাৰী গীতৰ স্ৰষ্টা তথা ২০১৯ত অসম চৰকাৰৰ শিল্পী পেঞ্চন প্ৰাপক মলিয়াই মৃত্যুৰ সময়ত পত্নীসহ দুজন পুত্ৰ আৰু বহু আত্মীয়-স্বজনক এৰি যায়। তেওঁৰ অকাল বিয়োগত কাকজান আঞ্চলিক ছাত্ৰ সন্থা, সদৌ যোৰহাট জিলা ছাত্ৰ সন্থা, পূব যোৰহাট প্ৰেছ ক্লাব, টীয়ক প্ৰেছ ক্লাব, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কাকজান সাহিত্য সন্মিলনী, ঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতি, কাকজান ক্ৰীড়া সন্থা, অসম সেনা যোৰহাট জিলা সমিতি, অসমৰ শিল্পী সমাজ, লাহদৈগড় ব্যৱসায়ী সন্থাই গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## নিয়ামত আলীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা


**বৰুৱাবামুণগাঁও, ১৯ মাৰ্চ ঃ** দেৰগাঁও অঞ্চলৰ এজন বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী মঃ নিয়ামত আলী (৭৫)ৰ যোৱা ১৬ মাৰ্চৰ সন্ধিয়া মিছামৰা অঞ্চলৰ পশ্চিম খনিকৰৰ নিজা বাসগৃহত মৃত্যু ঘটে। বৰুৱাবামুণগাঁৱৰ অসম সমবায় চেনিকলৰ প্ৰাক্তন কৰ্মচাৰী আলী যোৱা ১১ মাৰ্চত উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱাত ততাতৈয়াকৈ তেওঁক পৰিয়ালৰ লোকে যোৰহাটৰ চিকিৎসালয়ত ভৰ্তি কৰে যদিও তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰেগৈ। কিন্তু তেওঁৰ স্বাস্থ্যৰ উন্নতি নঘটাত চিকিৎসালয়ৰ পৰা নিজা গৃহলৈ ঘূৰাই অনা হয়। উল্লেখ্য যে মিছামৰাৰ খনিকৰ ৰাজহ গাঁৱৰ অনগ্ৰসৰ পশ্চিম খনিকৰ বস্তি অঞ্চলটোত শিক্ষাৰ পোহৰ পেলোৱাত বিশেষ অৱদান আগবঢ়াই আহিছিল। ১৯৮০ তে খনিকৰ গাঁৱৰ যতীন ফুকন, বীৰেন বৰুৱা প্ৰমুখ্যে কে'বাজনো অগ্ৰণী ব্যক্তিৰ সহযোগত পশ্চিম খনিকৰ বস্তিত এটা পুথিভঁৰাল স্থাপন কৰে আৰু পুথিভঁৰালটোৰ আলমতে পশ্চিম খনিকৰ বস্তি প্ৰাথমিক বিদ্যালয় আৰু পশ্চিম খনিকৰ মাদ্ৰাছা মধ্য ইংৰাজী বিদ্যালয় দুখন স্থাপন কৰি অঞ্চলটোত শিক্ষাৰ ভেটি গঢ়ি তোলাৰ উপৰি উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত পত্নী, তিনিজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়।

## খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নামতি, ১৯ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ নামতি অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত যোৱা ১৭ মাৰ্চত বিদ্যালয়ৰ বৰ্ষশ্ৰেষ্ঠ ছাত্ৰ বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠনৰ আদৰণি ভাষণ আগবঢ়াই বিদ্যাপীঠৰ সঞ্চালিকা দেৱযানী দীক্ষিতা গগৈয়ে কয় যে, ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদানৰ জৰিয়তে বিভিন্ন দিশত আগবাঢ়ি যোৱাত প্ৰেৰণা যোগাব পাৰি। কুমলীয়া বয়সতে ছাত্ৰ-ছাত্ৰীসকলক সু-কৰ্ম আৰু সুন্দৰ প্ৰচেষ্টাৰ বাবে পুৰস্কৃত কৰিলে ভাল দিশত সেই ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যোৱাৰ প্ৰচেষ্টাত ব্ৰতী হৈ থাকে। ভাল কৰ্মৰ জৰিয়তে ভাল ফল লাভ কৰিব পাৰি এই মানসিকতাই ছাত্ৰ-ছাত্ৰীসকলৰ সু-ব্যক্তিত্ব গঠনত সহায় কৰে। আনহাতে, বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি নামতি চাৰিআলি জাতীয় বিদ্যা নিকেতনৰ অধ্যক্ষ নৃপেন নেওগে কয় যে কণমানিহঁতক অত্যাধিক পঢ়াৰ হেঁচা দিয়া অনুচিত। বিভিন্ন খেল-ধেমালি কৌশলৰ মাজেৰে আনন্দদায়কভাৱে শিক্ষাগুৰু আৰু অভিভাৱকসকলে শিক্ষা প্ৰদান কৰা উচিত।

## হালাকুৰাত ছয় দিনে নিৰুদ্দিষ্ট যুৱকৰ সন্ধান নাই



**বক্সিৰহাট, ১৯ মাৰ্চ ঃ** হালাকুৰা আৰক্ষীৰ চকীৰ অন্তৰ্গত পোকালাগী গণেশেৰধাম গাঁৱৰ সুনীল চন্দ্ৰ ৰায়ৰ পুত্ৰ দেৱজিত ৰায় যোৱা ১৪ মাৰ্চৰ পৰা নিখোঁজ হৈ আছে। আন দিনাৰ দৰে সিদিনা ঘৰৰ পৰা হালাকুৰা বজাৰলৈ যোৱা বুলি কৈ ওলাই যায় দেৱজিতে। সন্ধিয়ালৈ ঘৰলৈ উভতি নোযোৱাত পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ আৰম্ভ কৰে। নিখোঁজ যুৱকজনৰ বয়স ২৬ বছৰ। ঘৰৰ পৰা ওলাই অহাৰ সময়ত বগা হাফ ছাৰ্ট আৰু জিন্স পেন্ট পৰিধান কৰি আছিল। এই সন্দৰ্ভত হালাকুৰা আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে পৰিয়ালৰ লোকে। কোনো ব্যক্তিয়ে সন্ধান পালে হালাকুৰা আৰক্ষী চকীত নাইবা পিতৃ সুনীল চন্দ্ৰ ৰায়ৰ ফোন নম্বৰ ৬৯০১৯১৯৬৬৮ত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।

## মৰিগাঁৱৰ কৃষিখণ্ডত ক'লা বজাৰ, মথাউৰি নিৰ্মাণত গাফিলতি

### ■ জিলা আছুৰ স্মাৰকপত্ৰ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৯ মাৰ্চ ঃ** কৃষি বিভাগৰ নীতি নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই মৰিগাঁৱত একাংশই গঢ়ি তুলিছে ইউৰিয়া সাৰৰ ৰমৰমীয়া ক'লা ব্যৱসায়। অনুজ্ঞাপত্ৰ থকা ব্যৱসায়ীসকলে সাৰৰ কৃত্ৰিম নাটনি দেখুৱাই কৃষকসকলক অধিক মূল্যত বিক্ৰী কৰি ইউৰিয়া সাৰৰ বৃহৎ কেলেংকাৰি সংঘটিত কৰা ঘটনাই মৰিগাঁৱৰ কৃষক ৰাইজক সংকটত পেলাইছে। উল্লেখ্য যে, মৰিগাঁও জিলা হ'ল কৃষিপ্ৰধান জিলা। কৃষিৰ ওপৰত ভিত্তি কৰিয়েই জীৱন নিৰ্বাহ কৰি অহা মৰিগাঁৱৰ কৃষক ৰাইজক সাৰ যোগানৰ নামত একাংশই লুণ্ঠন চলাই থকাৰ পাছতো গভীৰ নিদ্ৰাত আছে বৰ্তমান সময়তো জিলা কৃষি বিভাগ। বিজ্ঞানসন্মতভাৱে উন্নত প্ৰযুক্তিৰে চৰকাৰে ৰাজ্যৰ কৃষিখণ্ডত উৎপাদন বৃদ্ধিৰ চেষ্টা চলাইছে যদিও এতিয়া পথাৰত ব্যৱহৃত সাৰৰ অভাৱত হাহাকাৰ কৰিছে মৰিগএঞা কৃষকে। ইফালে, মৰিগাঁও জিলাত প্ৰতি বছৰে বাৰিষা কালত বানপানীৰ লগতে গৰাখহনীয়া সমস্যাৰ কৱলত পৰি ইতিমধ্যে বহু পৰিয়াল গৃহহীন হৈছে। বান-গৰাখহনীয়া ৰোধ কৰিবলৈ জলসম্পদ বিভাগে কে'বাটাও মথাউৰি নিৰ্মাণৰ কাম হাতত লোৱাৰ লগতে বৰালীমাৰীৰ পৰা ভূৰাগাঁৱলৈ নিৰ্মাণ কৰি থকা মথাউৰিৰ কাম লেহেমীয়া আৰু নিম্নগামী হোৱাৰ গুৰুত্বৰ অভিযোগ উত্থাপিত কৰি সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইপিনে, যোৱা ১৭ মাৰ্চত জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক ৰূপজ্যোতি মেধিৰ স্বাক্ষৰিত স্মাৰকপত্ৰ জিলা কৃষি খণ্ডত চলি থকা ক'লা বজাৰ বন্ধ কৰাৰ দাবীত জিলা উপায়ুক্তক প্ৰদান কৰাৰ লগতে মথাউৰি নিৰ্মাণৰ কাম উন্নত মানৰ আৰু দ্ৰুত গতিত সমাপন কৰিবলৈ অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰীলৈ দাবী সম্বলিত স্মাৰকপত্ৰ জিলা উপায়ুক্তৰ জৰিয়তে প্ৰেৰণ কৰে।

## চাৰিগাঁও পূবেৰুণ মহিলা সমিতিৰ সৌজন্যত গ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৯ মাৰ্চ ঃ** চাৰিগাঁও পূবেৰুণ মহিলা সমিতিৰ সৌজন্যত ভানুমাই নেওগৰ সভাপতিত্বত তিনিখন গ্ৰন্থ উন্মোচন কৰা হয়। সভাৰ আঁত ধৰে সম্পাদিকা বুলু ভৰালীয়ে। এক নম্বৰ বামুণগাঁৱৰ নিবাসী তৰুণ চন্দ্ৰ শৰ্মাৰ তৃতীয়খন গ্ৰন্থ 'সন্ধ্যা, ললিতা আৰু কান্তা' উপন্যাসখন উন্মোচন কৰে কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শৈক্ষিক উপাধ্যক্ষা কেন্দুগুৰিৰ নিবাসী ৰুণিমা বৰুৱাই। উপন্যাস খনৰ বিষয়ে ৮০ বছৰৰ উৰ্দ্ধৰ তৰুণ চন্দ্ৰ শৰ্মাই এনে এখন সুন্দৰ উপন্যাস পঢ়ুৱৈৰ মাজলৈ উলিয়াই দিয়াত প্ৰশংসা কৰি কয় যে সকলো বয়সৰ লোকেই এই গ্ৰন্থখনৰ স্বাদ গ্ৰহণ কৰিব পৰাকৈ সজোৱা হৈছে। শৰ্মাৰ কৰ্মস্পৃহা আমাৰ সকলোৰে কাৰণে অনুকৰণীয় আৰু প্ৰেৰণাৰ উৎস বুলি মত প্ৰকাশ কৰে। ভৰালী চুক গাঁৱৰ কল্পনা ভৰালীৰ। 'গীতৰ মনিমালা' আৰু 'নানা ৰঙী গল্প' গ্ৰন্থ দুখন উন্মোচন কৰে মিনু বৰুৱা আৰু লৱ কুমাৰ দত্তই (ৰাজু), সভাত সোণেশ্বৰ শইকীয়া, লৱণ চন্দ্ৰ হাজৰিকা, নৱনীতা নেওগ শইকীয়া, অনু শইকীয়া, উৎপল ভৰালীকে আদি কৰি কে'বাজনেও অভিমত প্ৰকাশ কৰে।

## কলিয়াবৰত উদ্ধাৰ প্ৰাক্ আহোম যুগৰ সমল, শিলামূৰ্তি

### ■ ঐতিহাসিক সমল প্ৰত্যক্ষ কৰিবলৈ ৰাইজৰ ভিৰ



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১৯ মাৰ্চ ঃ** কলিয়াবৰৰ ২০৬ বছৰ পূৰ্বে স্থাপিত এখন সত্ৰত বহুকেইপদ ঐতিহাসিক অমূল্য সম্পদ উদ্ধাৰ হৈছে। ঐতিহ্যমণ্ডিত কলিয়াবৰৰ কলঙৰ পাৰত ১৮১৬ খ্ৰীষ্টাব্দতে স্থাপিত শ্ৰীশ্ৰীৰূপনাৰায়ণ গোনামৰা সত্ৰত প্ৰাচীন শিলৰ মূৰ্তিসহ বহুকেইটা শিলা খণ্ড আৰু উৰাল উদ্ধাৰ হৈছে। ইয়াৰে এটি শিলাখণ্ডত এন্দুৰৰ ওপৰত এটা গণেশৰ মূৰ্তি খোদিত থকা পৰিলক্ষিত হৈছে। মিস্ত্ৰিয়ে পকী কাম কৰিবলৈ মাটিত গাঁত খন্দাৰ সময়তে এইসমূহ ঐতিহাসিক সমল উদ্ধাৰ হয়। ইয়াত যিকেইটা শিলাখণ্ড পোৱা গৈছে আটাইবোৰ গ্ৰেণাইট শিল বুলি ইতিমধ্যে চিহ্নিত হৈছে। শিলাখণ্ডসমূহ প্ৰত্যক্ষ কৰি কলিয়াবৰৰ ইতিহাস গৱেষক তথা লেখক বিপুল কুমাৰ ভট্টাচাৰ্যই শিলাখণ্ডসমূহ প্ৰাক্ আহোম যুগত ব্যৱহাৰ হোৱা বুলি প্ৰকাশ কৰিছে। উল্লেখ্য যে নিৰ্মাণৰত অৱস্থাত থকা সত্ৰখনৰ এটা খুঁটা নতুনকৈ নিৰ্মাণৰ বাবে খান্দোতে এই আপুৰুগীয়া শিলাখণ্ডসমূহ মাটিৰ তলৰ পৰা উদ্ধাৰ হৈছে। উদ্ধাৰ হোৱা এটা শিলাখণ্ডত কিছুমান কথা লিপিবদ্ধ হৈ আছে যদিও ইয়াৰ ভাষা এই পৰ্যন্ত চিহ্নিত হোৱা নাই। প্ৰত্নতত্ত্ববিদে নিশ্চয় এই কথাসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হ'ব বুলি ইতিহাসবিদ ভট্টাচাৰ্যই আশা প্ৰকাশ কৰিছে। এইসমূহ সামগ্ৰীৰ লগতে অক্ষত অৱস্থাত এটা শিলৰ উৰালো সত্ৰখনত উদ্ধাৰ হৈছে। সকলোৰে উৰালটোৰ বাহিৰত থকা যিবিলাক কাৰুকাৰ্য আছে তাক অধ্যয়নৰ প্ৰয়োজন আছে বুলি প্ৰকাশ কৰিছে। আনহাতে, মন্দিৰ নিৰ্মাণৰ সময়ত যি শলখা লগাই খুঁটা নিৰ্মাণ কৰা হৈছিল তাৰ এটা আৰ্হি তাত দেখিবলৈ পোৱা গৈছে। এই প্ৰত্নতাত্ত্বিক সম্পদবোৰৰ অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে। সম্পদসমূহ উপযুক্তভাৱে সংৰক্ষণ কৰি কলিয়াবৰৰ নাম বিশ্বত উজ্জ্বলাই তুলিবলৈ চৰকাৰৰ প্ৰতি ভট্টাচাৰ্যই আহ্বান জনায়। ইয়াৰ পূৰ্বেও ১৮১৬ খ্ৰীষ্টাব্দতে স্থাপিত ঐতিহ্যমণ্ডিত সত্ৰখনৰ পৰা বহু সময়ত বহু সমল উদ্ধাৰ হৈছে। সত্ৰখনত এতিয়াও ২৫০ ৰো অধিক পুৰণি সাঁচিপাতৰ পুথিকে ধৰি নানা সামগ্ৰী সংৰক্ষিত হৈ আছে। ইপিনে, সদ্য উদ্ধাৰ হোৱা শিলাখণ্ডসমূহ সত্ৰৰ চৌহদত নিৰ্মাণ হৈ থকা সংগ্ৰহালয়ত সংৰক্ষিত কৰা হ'ব বুলি সত্ৰৰ গৰাকী কুশদেৱ মহন্তই জানিবলৈ দিছে। কলিয়াবৰত সময়ে সময়ে বহু স্থানত বিভিন্ন সমল উদ্ধাৰ হৈ আহিছে যদিও ইয়াৰ সঠিক অধ্যয়ন আৰু সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগে অনীহা প্ৰকাশ কৰাৰ অভিযোগ উঠি আহিছে। এইসমূহ সমলৰ ওপৰত সঠিক অধ্যয়নৰে পুৰণি ইতিহাস উদ্ধাৰৰ চেষ্টা চলাবলৈ পুৰাতত্ত্ব বিভাগকে ধৰি ইয়াৰ লগত জড়িত সকলো সংশ্লিষ্ট বিভাগক আহ্বান জনাইছে কলিয়াবৰবাসীয়ে।

## মেৰাপানীত বৰ্ণসংকৰ প্ৰজাতিৰ কুফৰি আলু খেতি কৰি স্বাৱলম্বী কৃষক



অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ১৯ মাৰ্চ ঃ** অসমৰ কৃষি ক্ষেত্ৰত সংযোজন ঘটিছে এক বিশেষ পদ্ধতিৰ আলু খেতিৰ। অসম কৃষি বিশ্ববিদ্যালয় আৰু কৃষি বিজ্ঞান কেন্দ্ৰ, গোলাঘাটৰ সৌজন্যত ৰাজ্যত প্ৰথমবাৰৰ বাবে খেতি আৰম্ভ হৈছে বৰ্ণসংকৰ প্ৰজাতিৰ কুফৰি সুৰিয়া আলুৰ। মেৰাপানীৰ চলং পথাৰ গাঁৱত ইতিমধ্যে বীজ উৎপাদন প্ৰক্ৰিয়া আৰম্ভ হৈছে এই উন্নত প্ৰজাতিৰ কুফৰি সুৰিয়া আলুৰ। বীৰেন ঘাটোৱাৰ নামত উদ্যমী কৃষকজনৰ তত্বাৱধানত উৎপাদনৰ ব্যৱস্থা কৰা হৈছে এই বৰ্ণসংকৰ আলুৰ বীজ। সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে নেট হাউচৰ জৰিয়তে উৎপাদন কৰা উন্নত আলুৰ বীজে আগন্তুক সময়ত যথেষ্ঠ লাভান্বিত কৰিব অসমৰ কৃষকক। আকাৰ আৰু সোৱাদতো সচৰাচৰ আলুতকৈ পৃথক কুফৰি সুৰিয়া প্ৰজাতিৰ আলু। বিশ্ব বেংকৰ অৰ্থসাহায্যত আৰম্ভ কৰা আলুখেতিৰ এই নৱতম প্ৰক্ৰিয়াৰ ফলত অসমৰ কৃষিখণ্ডত এক নতুনত্বৰ আগমন ঘটিব। বিগত বৰ্ষত চলংপথাৰ গাঁৱত কেৱল কৃষক বীৰেন ঘাটোৱাৰে পৰীক্ষামূলকভাৱে এই বিশেষ আলুবিধৰ খেতি কৰিছিল যদিও এইবাৰ গাঁওখনৰ আন আঠজন কৃষক ক্ৰমে মামুদুৰ ৰহমান, ৰত্নেশ্বৰ ঘাটোৱাৰ, বীৰ সিং ঘাটোৱাৰ, জোছেফ ডুংডুং, কেয়ামদ আলী। ৰাজীৱ ঘাটোৱাৰ আৰু গোজৰলাল ঘাটোৱাৰে আলুখেতি কৰি সফলতা লাভ কৰা বুলি সাংবাদিকক জানিবলৈ দিয়ে।

## মৰাণত আজি দ্বাদশ বাৰ্ষিক কেন্দ্ৰীয় তৰা ছিঙা বিহু আৰম্ভ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৯ মাৰ্চ ঃ** অসমীয়া আয়ুস ৰেখা ১৩০০ শতিকাতে আৰম্ভ হোৱা তৰা ছিঙা বিহু মৰাণত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো কাইলৈ পৰা মৰাণস্থ উষাপুৰ খেল পথাৰত অনুষ্ঠিত হ'ব। ইতিমধ্যে অসীম বৰুৱাক সভাপতি, ৰাজু মিশ্ৰক কাৰ্যকৰী সভাপতি, অবিনাশ চেতিয়াক মুখ্য সম্পাদক হিচাপে লৈ এখনি উদ্‌যাপন সমিতি গঠন কৰা হৈছে। উদ্‌যাপন সমিতিৰ মুখ্য ব্যৱস্থাপক অকণ ভূএঞাই জানিবলৈ দিয়া মতে প্ৰস্তুতিৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাৰ্যসূচী মতে কাইলৈ পুৱা পতাকা উত্তোলন, বৃক্ষ ৰোপণ আৰু তৰাগছ তুলিবলৈ সাংস্কৃতিক দলৰ দোলা যাত্ৰা। যাত্ৰা উদ্বোধন কৰিব উদ্‌যাপন সমিতিৰ মুখ্য উপদেষ্টা অঞ্জলি চেতিয়াই। পুৱা তৰা গছ আসনত স্থাপন কৰিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহনে। পাছত জনগোষ্ঠীৰ সাংস্কৃতিক দলৰ নৃত্য প্ৰদৰ্শন। বিয়লি 'আধুনিকতাৰ ধামখুমীয়াত বিহু' শীৰ্ষক আলোচনা চক্ৰত নিৰ্দিষ্ট বক্তাৰূপে ভাগ ল'ব লেঙেৰী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ নীলকান্ত গগৈয়ে। বিয়লি অনুষ্ঠিত হ'ব লগা বিশেষ সম্বৰ্ধনা অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° গিৰিণ ফুকন, সংগীত সাধক ড° অনিল শইকীয়া আৰু শিপিনী হেমপ্ৰভা চুতীয়াক সম্বৰ্ধনা জনোৱা হ'ব। সন্ধিয়ালৈ সাংস্কৃতিক সন্ধিয়া কাৰ্যসূচী অনুষ্ঠিত হ'ব। উল্লেখ্য যে উক্ত তৰা ছিঙা বিহুৰ কাৰ্যসূচী ২১ এপ্ৰিল সাত ব'হাগত বিদায় দিয়া হ'ব বুলি উদ্‌যাপন সমিতিয়ে জনাইছে।


## লাচিত নগৰ মহিলা সমিতিৰ বিয়া নাম প্ৰতিযোগিতাত ঢেঁকীয়াখোৱা শ্ৰেষ্ঠ

### পৰিণিতা বৰুৱা নেওগ, জ্যোতি শৰ্মা বৰুৱা শ্ৰেষ্ঠ নামতি

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১৯ মাৰ্চ ঃ** যোৰহাট সদৰ লাচিত নগৰ মহিলা সমিতিৰ উদ্যোগত যোৱা ১৩ মাৰ্চত অনুষ্ঠিত জিলা ভিত্তিত নগদ ধন বিয়ানাম প্ৰতিযোগিতাত ঢেঁকীয়াখোৱা সম্প্ৰীতি মহিলা দলে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰি দেৱবালা বৰুৱা সোঁৱৰণী পুৰস্কাৰ লাভ কৰে। আনহাতে, টীয়কৰ অৰুণিমা শৰ্মা পাঠকৰ দলে হৰিন্দী চিৰিং ফুকন সোঁৱৰণী দ্বিতীয় পুৰস্কাৰ, যোৰহাটৰ সঞ্জীৱনী দলে ভানু দেৱী সোঁৱৰণী তৃতীয় পুৰস্কাৰ আৰু ডিচিবি ৰোডৰ উৰুলি দলে উদগনীমূলক বঁটা লাভ কৰে। প্ৰতিযোগিতাত ক্ৰমে পৰিণিতা বৰুৱা নেওগ আৰু জ্যোতি শৰ্মা বৰুৱাই শ্ৰেষ্ঠ নামতীৰ বঁটা প্ৰদান কৰে। আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰে ৰেণু মহন্তই। সমিতিৰ স্থায়ী সভানেত্ৰী শেৱালি ৰাজগুৰুৰ আদৰণি ভাষণ দিয়া আৰু সমিতিৰ স্থায়ী সম্পাদিকা অঞ্জু চিৰিং ফুকনে আঁত ধৰা প্ৰতিযোগিতাখন সমিতিৰ সদস্যাসকলে পৰিবেশন কৰা এটি বিয়ানামেৰে উদ্বোধন কৰা হয়। প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ আগবঢ়ায় ক্ৰমে জ্যোতিমালা বৰুৱা বৰা, মুকুল কৃষ্ণ চিৰিং ফুকন, শেৱালি ৰাজগুৰু আৰু ৰেণু মহন্তই।

## প্ৰবীণ যাত্ৰাভিনেতা প্ৰমোদ কলিতাৰ দেহাৱসান



**ছয়গাঁও, ১৯ মাৰ্চ ঃ** প্ৰায় এমাহ জিএমচি এইছত চিকিৎসাধীন হৈ থাকি অৱশেষত যোৱা ১৭ মাৰ্চৰ নিশা জীৱন-নাটৰ শেষ ৰাগিণী টানিলে দক্ষিণ কামৰূপৰ ভাগৱতীপাৰাৰ প্ৰসিদ্ধ যাত্ৰাভিনেতা প্ৰমোদ কলিতাই। ২০ শতিকাৰ ৭০-৮০ৰ দশকত শ্ৰীমাধৱ নাট্য পৰিষদ, চম্পকজ্যোতি নাট্য পৰিষদ, আমোদপুৰ নাট্য পৰিষদ, শ্ৰীলক্ষ্মী চৌধুৰী নাট্য পৰিষদকে ধৰি কে'বাখনো যাত্ৰা নাট্যদলত বলিষ্ঠ অভিনয়েৰে সমকালীন সমাজত মানুহৰ অন্তৰ চুই যোৱা অভিনয়েৰে খ্যাতি অৰ্জা কলিতাক যোৱা ১৭ ফেব্ৰুৱাৰীত অসুস্থ হোৱাত পৰিয়ালৰ লোকে চিকিৎসালয়ত ভৰ্তি কৰাইছিল যদিও তেওঁ আৰু সুস্থ হৈ নুঠিল। ৮৫ বছৰীয়া জীৱন কালত অসমৰ জাতীয় আন্দোলনতো সক্ৰিয়তাৰে সেৱা আগবঢ়োৱা কলিতাৰ মৃত্যুৰ লগে লগে অঞ্চলটোত শোকৰ ছাঁ পৰিছে। প্ৰবীণ অভিনেতাজনৰ বিয়োগৰ বাৰ্তা শুনি পুৱাৰ পৰাই তেওঁৰ বাসগৃহলৈ অনুৰাগী আৰু শুভাকাংক্ষীৰ সোঁত ববলৈ ধৰে। বাসগৃহত কঠালবামা ৰাইজ গয়ৰহৰ সভাপতি সূৰ্যকান্ত কলিতা আৰু সম্পাদক সুচেন কলিতা, সত্য সনাতন নাট্য পৰিষদৰ প্ৰযোজক কুশল মজুমদাৰ, বিশিষ্ট নাট্যকাৰ ভাৰত দাস, দক্ষিণ কামৰূপ মহাবিষ্ণু যজ্ঞ ধৰ্ম সংঘৰ সম্পাদক ৰমেন কলিতা, কালিকান্ত নিউজ এজেঞ্চিৰ স্বত্বাধিকাৰী বিমল শৰ্মা, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক অনুপ কুমাৰ মেধি, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ জ্যেষ্ঠ প্ৰচাৰক দিলীপ বোস, ভূৰাপাৰা ৰাইজ গয়ৰহৰ সম্পাদক প্ৰণৱ কুমাৰ দাস, ৰামপুৰ সাতপাৰা সমাজৰ সম্পাদক ৰামপ্ৰসাদ দাস, ভাগৱতীপাৰা শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ৰণজিৎ গোস্বামী, ভাগৱতীপাৰা সূৰ্যোদয় সংঘৰ হৈ গোলক কুমাৰ আৰু পংকজ দাস, চলচ্চিত্ৰ প্ৰযোজক তথা সমাজপ্ৰাণ অমূল্য কলিতা, ৰামপুৰ কলা সংঘৰ সম্পাদক খনীন্দ্ৰ মজুমদাৰ প্ৰমুখ্যে শতাধিক লোকে প্ৰবীণ নাট্যশিল্পীজনৰ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কলিতাৰ নশ্বৰদেহ লৈ শোভাযাত্ৰা কৰি বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানলৈ নি শ্ৰদ্ধাঞ্জলি জনোৱা হয়।



**২০২০ত** কৰ'না অতিমাৰীৰ প্ৰথম ঢৌৰ মাজতে চিৰবিদায় লৈছিল বলিউদৰ কিংবদন্তি অভিনেতা ঋষি কাপুৰে। দীৰ্ঘদিন ধৰি তেওঁ কৰ্কটত আক্ৰান্ত হৈ আছিল। যদিও অসুস্থতাৰ মাজতেই তেওঁ ছবিত কাম অব্যাহত ৰাখিছিল। অৱশ্যে জীৱনৰ অন্তিমখন ছবি ঋষিয়ে শেষ কৰি যাবলৈ নাপালে। তেওঁ অভিনয় কৰা অন্তিম ছবি 'শৰ্মাজী নমকীন'ক শীঘ্ৰেই মুক্তি দিয়া হ'ব। ইয়াৰ লগে লগে বলিউদলৈ আহিব এক নতুন দিশ। ছবিখনে অৱশ্যে ৰূপালী পৰ্দাত নহয়, বৰঞ্চ অ'টিটি প্লেটফৰ্ম এমাজন প্ৰাইমতহে মুক্তি পাব।

# বলিউদক নতুন দিশ দিব ঋষি কাপুৰৰ অন্তিম ছবিয়ে

**২০২০ত** কৰ'না অতিমাৰীৰ প্ৰথম ঢৌৰ মাজতে চিৰবিদায় লৈছিল বলিউদৰ কিংবদন্তি অভিনেতা ঋষি কাপুৰে। দীৰ্ঘদিন ধৰি তেওঁ কৰ্কটত আক্ৰান্ত হৈ আছিল। যদিও অসুস্থতাৰ মাজতেই তেওঁ ছবিত কাম অব্যাহত ৰাখিছিল। অৱশ্যে জীৱনৰ অন্তিমখন ছবি ঋষিয়ে শেষ কৰি যাবলৈ নাপালে। তেওঁ অভিনয় কৰা অন্তিম ছবি 'শৰ্মাজী নমকীন'ক শীঘ্ৰেই মুক্তি দিয়া হ'ব। ইয়াৰ লগে লগে বলিউদলৈ আহিব এক নতুন দিশ। ছবিখনে অৱশ্যে ৰূপালী পৰ্দাত নহয়, বৰঞ্চ অ'টিটি প্লেটফৰ্ম এমাজন প্ৰাইমতহে মুক্তি পাব। অহা ৩১ মাৰ্চত ছবিখনে মুক্তি পাব বুলি জনাইছে ছবিখনৰ অন্যতম মুখ্য অভিনয় শিল্পী জুহি চাওলাই।

এজন ৬০ বছৰীয়া প্ৰৌঢ়ৰ জীৱনক কেন্দ্ৰ কৰি নিৰ্মিত ধেমেলীয়া বিষয়বস্তুৰ ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছিল ঋষিয়ে। পৰিচালক হিতেশ ভাটিয়াৰ এইখন প্ৰথম ছবি। ২০২০ত ছবিখনৰ চিত্ৰগ্ৰহণৰ মাজতেই প্ৰবীণ অভিনেতাজনৰ মৃত্যু হয়। ফলত ছবিখন সম্পূৰ্ণ হোৱাক কেন্দ্ৰ কৰি চিন্তাত পৰিছিল পৰিচালক তথা প্ৰযোজক গোষ্ঠী। কিয়নো ছবিৰ সিংহভাগ দৃশ্যৰ চিত্ৰগ্ৰহণ সম্পন্ন হৈছিল। গতিকে নতুন অভিনেতাক লৈ পুনৰ চিত্ৰগ্ৰহণ কৰিলে যথেষ্টখিনি ব্যয় হ'ব। অৱশেষত পৰিচালক ভাটিয়াই এক বিশেষ পৰিকল্পনা কৰিলে। ঋষিৰ অভিনীত চৰিত্ৰটোৰ বাবে প্ৰস্তাৱ দিয়া হ'ল পৰেশ ৰাৱালক। তেওঁ ৰাজি হোৱাৰ লগে লগে 'শৰ্মাজী নমকীন'ৰ বাকী থকা অংশৰ চিত্ৰগ্ৰহণ সম্পন্ন কৰা হয়। বলিউদত প্ৰথমবাৰলৈ এখন ছবিত এটা চৰিত্ৰত দুজন অভিনেতাক দেখা যাব।

উল্লেখ্য যে মুখ্য চৰিত্ৰ শৰ্মাজীয়ে চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত নিজৰ ৰন্ধনৰ চখ পূৰণ কৰাৰ কাহিনী ক'ব ছবিখনে। এজন সাধাৰণ লোকৰ চৰিত্ৰত দেখা যাব ঋষি কাপুৰ আৰু পৰেশ ৰাৱালক। এই ছবিখন প্ৰয়াত অভিনেতাজনৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ বুলি জনাইছে প্ৰযোজনা সংস্থাই।

# ড° ভূপেন হাজৰিকাৰ সান্নিধ্য লাভ কৰা এজন নীৰৱ শিল্পী



**বৰ্তমান** অসমৰ জ্যেষ্ঠ শল্য চিকিৎসক তথা অগ্নিদগ্ধ চিকিৎসা সেৱাৰে সমগ্ৰ ৰাজ্যতে এক জনজাগৰণৰ সৃষ্টি কৰা ডাঃ ভূপেন্দ্ৰ প্ৰসাদ শৰ্মা এজন মনে-প্ৰাণে সাংস্কৃতিক পূজাৰী। এজন সুদক্ষ সাংস্কৃতিক, সংগঠক, অভিনেতা তথা সু-লেখকৰূপে তেওঁ জনপ্ৰিয়। এইজন বিশিষ্ট চিকিৎসকে নাট্যাভিনয়ৰ স'তে জড়িত থকাৰ লগতে দুখনমান নাটকো ৰচনা কৰিছে। ডিগবৈত থকাৰ সময়ত বিশাল সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰি নিজকে এজন সুদক্ষ সাংস্কৃতিক সংগঠকৰূপে গঢ়ি তোলে ডাঃ শৰ্মাই। ১৯৯৪ত অজন বিশিষ্ট চিকিৎসকৰ উদ্যোগত ডিগবৈত অসম অইল হাস্পতালত উত্তৰ-পূব ভাৰতৰ প্ৰথমটো 'বাৰ্ণ ইউনিট' স্থাপন কৰা হয়। ইয়াৰ পূৰ্বে অগ্নিদগ্ধ ৰোগীসকলৰ সু-চিকিৎসাৰ বাবে অসমত কোনো ধৰণৰ উন্নত ব্যৱস্থা নাছিল। অগ্নিদগ্ধ চিকিৎসাৰ বিষয়ে বহিঃৰাজ্যৰ লগতে বিদেশতো ডাঃ শৰ্মাই ভালদৰে জ্ঞান আহৰণ কৰি অসমত ৰোগীসকলক আৰোগ্য কৰাৰ ক্ষেত্ৰত লাভ কৰে বিশেষ সফলতা।

চিকিৎসা সেৱাৰে মানুহৰ মাজত প্ৰিয়পাত্ৰ হৈ পৰা ডাঃ শৰ্মাৰ অন্য এক পৰিচয় হ'ল—তেওঁ এজন সুদক্ষ সাংস্কৃতিক সংগঠক তথা সু-অভিনেতা। অসমীয়া ভাষাৰ প্ৰচাৰ-প্ৰসাৰতাৰ মহান উদ্দেশ্যৰে ডাঃ শৰ্মাৰ ঐকান্তিক উদ্যোগত ১৯৮৭ত ডিগবৈত জন্মলাভ কৰে 'শিশু নিকেতন' নামৰ মাতৃভাষাৰ বিদ্যালয়। এই বিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰে পৰা সুদীৰ্ঘ বছৰ ধৰি ডাঃ শৰ্মাই সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। তেনেদৰে ১৯৮১ত এইজন বিশিষ্ট চিকিৎসকৰ লগতে কেইগৰাকীমান শিল্পপ্ৰাণ ব্যক্তিৰ প্ৰচেষ্টাত ডিগবৈত জন্মলাভ কৰে 'লুইত শিল্পী সমাজ' নামৰ এটা সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ। এই 'লুইত শিল্পী সমাজ'ৰ উদ্যোগত তৈল নগৰীত নিয়মীয়াকৈ নাট্যসন্ধ্যা তথা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰি সমগ্ৰ উজনি অসমতে এক সাংস্কৃতিক পৰিৱেশ গঢ়াৰ ক্ষেত্ৰত ডাঃ শৰ্মাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। 'লুইত শিল্পী সমাজ'ৰ উদ্যোগতেই ডিগবৈত লোক সাংস্কৃতিক সমাৰোহ আৰু 'ভাৰত নাট্য মহোৎসৱ' অতি সফলভাৱে অনুষ্ঠিত হৈছিল। ডাঃ শৰ্মাৰ উদ্যোগতেই ডিগবৈত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, গণশিল্পী খগেন মহন্ত, লোকশিল্পী, ৰামেশ্বৰ পাঠক আদি কৰি কে'বাগৰাকীও মহান শিল্পীয়ে গীত-মাত পৰিৱেশন কৰিছিল। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স'তে বিশিষ্ট চিকিৎসক তথা সাংস্কৃতিক সংগঠক ডাঃ শৰ্মাৰ এক সুসম্পৰ্ক গঢ় লৈ উঠাৰ লগতে মহান শিল্পীজনৰ বিৰল সান্নিধ্যই তেওঁৰ জীৱন ধন্য কৰাৰ কথাও ডাঃ শৰ্মাই আমাৰ আগত কয়। ডাঃ শৰ্মাই চিকিৎসা বিজ্ঞানৰ লগতে অন্যান্য বিষয়ৰো কেইখনমান গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে।

ডিগবৈত থকাৰ সময়ত ডাঃ শৰ্মাই নিয়মীয়াকৈ নাটকত অভিনয় কৰাৰ লগতে দুখনমান নাটক ৰচনা কৰে। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ ধাৰাবাহিক, টেলিফিল্ম আৰু টেলি নাটতো তেওঁ অভিনয় কৰিছে। 'হিটলিষ্ট,' 'হিয়াৰ দাপোণত তোমাৰেই ছবি'কেই মুখ্য কৰি অসমীয়া ছবিতো অভিনয় কৰিছে ডাঃ শৰ্মাই। ২০০৫ত অসম শল্য চিকিৎসা সন্থাই ভাৰতীয় শল্য চিকিৎসা সন্থা'ৰ ডাঃ শৰ্মাক শ্ৰেষ্ঠ শল্য চিকিৎসকৰ বঁটা প্ৰদান কৰে। চিকিৎসা বিজ্ঞানৰ স'তে সুদীৰ্ঘ বছৰ জড়িত হৈ মানৱ সেৱাত নিজকে উৎসৰ্গিত কৰা ডাঃ শৰ্মাই ইমান ব্যস্ততাৰ মাজতো নাটক সৰুপৰ্দা, অসমীয়া চলচ্চিত্ৰত অভিনয় কৰাৰ লগতে এজন সুদক্ষ সাংস্কৃতিক সংগঠকৰ দায়িত্বৰে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ অনবদ্য বৰঙণি আগবঢ়াই আহিছে। মানৱ সেৱা তথা অসমৰ জাতীয় জীৱনলৈ সেৱা আগবঢ়োৱা ডাঃ শৰ্মাক কেন্দ্ৰীয় চৰকাৰে 'পদ্মশ্ৰী'ৰ সন্মান প্ৰদান কৰাটো তেওঁৰ অনুৰাগীসকলে মনে-প্ৰাণে কামনা কৰে।

'চিফুং দ্য আৰ্টিষ্ট'ৰ বেনাৰত পৰী শৰণীয়াৰ প্ৰযোজনা আৰু প্ৰণৱ কুমাৰ বৰ্মনৰ কাহিনী, চিত্ৰনাট্য আৰু পৰিচালনাৰে নিৰ্মিত হৈছে 'দ্য ফায়াৰিং ৰেঞ্জ'। 'গুৰেনিকা'ৰ শিল্পীদলৰ দ্বাৰা হিমাংশু প্ৰসাদ দাসৰ কাহিনী, চিত্ৰনাট্য, পৰিচালনাৰে 'ৰীল ড্ৰামা, অ'ৰিজিনেল'ৰ বেনাৰত নিৰ্মাণ কৰা হৈছে 'হিৰো'।



# বহুদিন বিৰতিৰ অন্তত দুখন অসমীয়া চিনেমাৰ দৰ্শনী নলবাৰী নাট্যমন্দিৰত.

যোৱা ১১ মাৰ্চ আৰু ১৩ মাৰ্চত প্ৰণৱ কুমাৰ বৰ্মনৰ 'দ্য ফায়াৰিং ৰেঞ্জ' আৰু হিমাংশু প্ৰসাদ দাসৰ 'হিৰো' নলবাৰী নাট্যমন্দিৰত বিশেষ দৰ্শনীৰ ব্যৱস্থা কৰাত চোৱাৰ সুযোগটো গ্ৰহণ কৰিলো। 'চিফুং দ্য আৰ্টিষ্ট'ৰ বেনাৰত পৰী শৰণীয়াৰ প্ৰযোজনা আৰু প্ৰণৱ কুমাৰ বৰ্মনৰ কাহিনী, চিত্ৰনাট্য আৰু পৰিচালনাৰে নিৰ্মিত হৈছে 'দ্য ফায়াৰিং ৰেঞ্জ'। 'গুৰেনিকা'ৰ শিল্পীদলৰ দ্বাৰা হিমাংশু প্ৰসাদ দাসৰ কাহিনী, চিত্ৰনাট্য, পৰিচালনাৰে 'ৰীল ড্ৰামা, অ'ৰিজিনেল'ৰ বেনাৰত নিৰ্মাণ কৰা হৈছে 'হিৰো'।



'মানুহৰ বাবে কলা আৰু সাহিত্য, আৰ্ট ফৰ হিউমেনিটিকজ ছেক এই দৰ্শনত বিশ্বাসী আৰু নাটক, চিনেমা, কবিতা, আবৃত্তিৰ ক্ষেত্ৰত সমান পাৰদৰ্শিতা দেখুৱাই অলেখ পাঠক তথা অনুৰাগীৰ সৃষ্টি কৰা বৰ্তমান প্ৰজন্মৰ দুই প্ৰভাৱশালী কণ্ঠ হিমাংশু প্ৰসাদ দাস আৰু প্ৰণৱ কুমাৰ বৰ্মন।
হিমাংশু প্ৰসাদ দাসে ইতিমধ্যে চিনেমা আৰু নাটকক সমাজলৈ শুভবাৰ্তাবহনকাৰী মাধ্যম হিচাপে গ্ৰহণ কৰি সফলতা অৰ্জন কৰিছে তেওঁৰ একাধিক প্ৰডাকচনৰ দ্বাৰা। আকৌ প্ৰণৱ কুমাৰ বৰ্মনে প্ৰেমক মুখ্য বিষয় হিচাপে লৈ কবিতা সৃষ্টিৰ দ্বাৰা বিনয় আৰু বিপ্লৱৰ ফোৰাৰা বোৱাই দিবলৈ সক্ষম হৈছে।
শেহতীয়াকৈ প্ৰণৱে প্ৰস্তুত কৰা চিনেমা 'দ্য ফায়াৰিং ৰেঞ্জ'ত যুদ্ধৰ কুচকাৱাজৰ বাবে নিৰ্মিত এটা ফায়াৰিং ৰেঞ্জে অসম-ভূটানৰ সীমান্তৱৰ্তী এখন গাঁওলৈ নমাই অনা দুৰ্যোগৰ ঘটনা এটা উপস্থাপন হৈছে। যুদ্ধৰ প্ৰত্যক্ষ প্ৰভাৱৰ উপৰি পৰোক্ষ প্ৰভাৱো যে ভয়াৱহ হ'ব পাৰে সেই বাৰ্তা দিয়াত তেওঁ সফল হোৱা বুলি ক'ব পাৰি।
আকৌ 'হিৰো'ত দেখুওৱা হৈছে এজন যুৱকৰ নিজৰ সপোন পূৰণ কৰাৰ অবিৰত এক যাত্ৰা। প্ৰাইভেট কোম্পানীত নিজৰ দক্ষতা বৃদ্ধিৰ সপোন, অভিনয় জগতত হিৰো হোৱাৰ সপোন, টকা-পইচা অৰ্জনৰ সপোন, ভালপোৱা ছোৱালীজনীক নিজাকে পোৱাৰ সপোন আদি পূৰাবলৈ যাওঁতে সমুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বাস্তৱ উপস্থাপন 'হিৰো'। এজনৰ সপোন বাস্তৱত পৰিণত নহ'লেও সপোন দেখা কাহানিও শেষ নহয় তেনে এটা ইতিবাচক বাৰ্তাৰে চিনেমাখন শেষ হৈছে। চিত্ৰনাট্য সবল যদিও শেষ দৃশ্যাংশত কিছু দেখুৱাব আৰু পাৰিলেহেঁতেন।
দুয়োখনতে 'সপোন'ক বিশেষভাৱে দেখুওৱা হৈছে। 'হিৰো'ত মানুহৰ ব্যক্তিগত সপোনক তুলি ধৰি এই সপোন যেন প্ৰতি যুৱক-যুৱতীৰ সপোন তাক বুজোৱা হৈছে। আকৌ 'দ্য ফায়াৰিং ৰেঞ্জ'ত গুলি-বাৰুদৰ পৃথিৱীখন ধুই নি হেঁপাহৰ একাঁজলি ৰ'দৰ স্পৰ্শত সেউজীয়া হৈ পৰা পৃথিৱীৰ সপোন এটাক প্ৰতিপালন কৰাৰ বাবে বৰষুণক আহ্বান জনোৱা হৈছে প্ৰতীকিয়ভাৱে। সপোনত জীয়াই থাকে 'ভাল সময় আহিবই' বুলি থকা বিশ্বাস আৰু আকুলতা। এই সপোন দেখাত ক্ষতি কি? অভিনয়, সংগীত, কাৰিকৰী সকলো দিশৰে পৰা দুয়োখন ছবিয়ে নিজৰ মান ৰক্ষা কৰিছে। দুয়োখন চিনেমাই গতানুগতিক কাহিনীধৰ্মিতা অতিক্ৰম কৰিছে। আৰম্ভণি, ক্লাইমেক্স, পৰিসমাপ্তিৰ ফৰ্মূলা ব্যৱহাৰ নকৰাকৈ একে সময়ৰ খণ্ড-বিখণ্ড টুকুৰা কিছুমান ফ্ৰেমত বান্ধাৰ টেকনিক ব্যৱহাৰ কৰাত দুয়োজন পৰিচালকে কৃতিত্ব দাবী কৰাব পাৰে। প্ৰণৱৰ চিনেমাখনত বহল পৰিসৰৰ বিষয়বস্তুক সামৰি সৰু কৰি লোৱাৰ চেষ্টা আছে। হিমাংশুৰ চিনেমাখনত ব্যক্তিগত পৰিসৰৰ বিষয় এটাৰ গভীৰলৈ প্ৰৱেশ কৰাৰ প্ৰয়াস আছে। কোনো ভিলেইন চৰিত্ৰৰ ব্যৱহাৰ নকৰাকে যুদ্ধবাজ ৰাষ্ট্ৰনেতাৰ যুদ্ধ লালসাই মানুহলৈ কঢ়িয়াই অনা বিভীষিকা আৰু মানসিক পংগুত্বক fate বা destinyৰ প্ৰভাৱ হিচাপে দেখুওৱা হৈছে 'দ্য ফায়াৰিং ৰেঞ্জ'ত। আকৌ 'হিৰো'ত ব্যক্তিগত সপোনবোৰ পূৰাব যাওতে নিজৰ অজ্ঞাতে ভৰি দিয়া অবাট আৰু ভুগিবলগা দুৰ্ভোগৰ ট্ৰেজিক পৰিণতি এটা আছে। অভিনয়, সংগীত আৰু দৃশ্যগ্ৰহণ অত্যুৎকৃষ্ট নহ'লেও চিনেমা দুখনে দৰ্শকক আপ্লুত কৰাৰ কাৰণ হ'ল দুয়োখনত দেখিবলৈ পোৱা সমাজকেন্দ্ৰিক বাস্তৱতাৰ কলাত্মক উপস্থাপন। সহজ সংলাপত গভীৰ ভাব প্ৰকাশ কৰাত চিত্ৰনাট্যকাৰ হিচাপে দুয়ো কুশলতা দেখুৱাইছে।
কৰ'নাগ্ৰস্ত সময়ছোৱাত মৃত্যুভয়ে জুৰুলা কৰি থকাৰ মাজতো সৃষ্টিশীলতা ধৰি ৰাখি মানসিক দৃঢ়তাৰে নিৰ্মাণ সম্পূৰ্ণ কৰা এই ছবি দুখন দৰ্শকে চাই খুঁটি-নাটিবোৰ আঙুলিয়াই দিলে তেওঁলোকৰ ভৱিষ্যতৰ যাত্ৰাপথ অধিক উজ্জ্বল হ'ব।

**ৰঞ্জনা ভট্টাচাৰ্য**

# অক্ষয় জোকাৰ, ছলমান দুষ্ট, শ্বাহৰুখ সাহসী


## সহশিল্পীৰ সন্দৰ্ভত তথ্য সদৰী কৰিলে মাধুৰীয়ে

**১৯৯০ৰ** পৰা ২০০০ পৰ্যন্ত বলিউদত সবাতোকৈ বেছি পাৰিশ্ৰমিক লাভ কৰিছিল মাধুৰী দীক্ষিতে। বহু নামজ্বলা নায়কৰ বিপৰীতে অসংখ্য সফল ছবি উপহাৰ দিছিল বলিউদৰ 'ধক ধক গাৰ্ল'-এ। দীৰ্ঘদিন অভিনয়ৰ পৰা আঁতৰি থকাৰ পাছত এতিয়া মাধুৰীয়ে ৱেব ছিৰিজৰ যোগেদি পুনৰ কেমেৰাৰ সন্মুখলৈ আহিছে।



সম্প্ৰতি মাধুৰীৰ বিপৰীতে সফল ছবিৰ নায়ক একাংশৰ সম্পৰ্কে বিশেষ তথ্য সদৰী কৰিলে তাৰকা অভিনেত্ৰীগৰাকীয়ে। মাধুৰীৰ মতে, অক্ষয় কুমাৰ যদি জোকাৰ, তেন্তে শ্বাহৰুখ খান সাহসী। আকৌ ছলমান হৈছে দুষ্ট।

শ্বাহৰুখৰ স'তে একাধিক হিট ছবি উপহাৰ দিছিল মাধুৰীয়ে। ইয়াৰ ভিতৰত উল্লেখনীয় হৈছে 'অঞ্জাম', 'দিল তো পাগল হ্যে', 'কয়লা', 'দেৱদাস' আদি। বলিউদৰ বাদশ্বাহ সম্পৰ্কে মাধুৰীয়ে কয়, 'শ্বাহৰুখ অতি সাহসী মানুহ। চিত্ৰগ্ৰহণ থকাৰ সময়ত সকলো সময়তে তেওঁ জানিব বিচাৰে, 'তুমি ঠিকে আছানে? তোমাৰ একো অসুবিধা হোৱা নাইতো?' তেওঁ অত্যন্ত যত্নশীল।' আনহাতে, 'আৰজু' ছবিত বিপৰীতে অভিনয় কৰা অক্ষয়ৰ প্ৰসংগত মাধুৰীয়ে কয়, 'অক্ষয় অত্যন্ত বাস্তৱবাদী। তেওঁ সকলো সময়তে নিজক প্ৰমাণ কৰিবলৈ বিচাৰি থাকে। আকৌ শ্বুটিং ফ্লোৰত অক্ষয়ে বৰ খুহুটীয়া কথা কৈ থাকে। তেওঁ সম্পূৰ্ণৰূপে জোকাৰ।' এসময়ত ছলমান খানৰ স'তে যুটি বান্ধি মাধুৰীয়ে 'হম আপকে হ্যে কৌন' আৰু 'ছাজন'ৰ দৰে ছুপাৰহিট ছবি উপহাৰ দিছিল। বলিউদৰ ভাইজানৰ সম্পৰ্কে মাধুৰীয়ে কয় যে চিত্ৰগ্ৰহণৰ সময়ত ছলমান অত্যন্ত নীৰৱে থাকে, কিন্তু আচলতে তেওঁ অত্যন্ত দুষ্ট। তেওঁৰ মূৰত সকলো সময়তে নানা ধৰণৰ দুষ্ট বুদ্ধিয়ে খেলি থাকে। এজন মজাৰ মানুহ তেওঁ।' উল্লেখ্য যে যোৱা ২৫ ফেব্ৰুৱাৰীত মাধুৰীৰ প্ৰথম ৱেব ছিৰিজ 'দ্য ফেম গেম।' এগৰাকী তাৰকা অভিনেত্ৰীৰ চৰিত্ৰ ৰূপায়ণ কৰিছে মাধুৰীয়ে।



# অৰ্ধেক বয়সী প্ৰেমিকাৰে শীঘ্ৰেই বিবাহ হৃত্বিকৰ



ছুজান খানৰ স'তে বিবাহ বিচ্ছেদৰ পাছত দীৰ্ঘদিন অকলশৰীয়া হৈ আছিল হৃত্বিক ৰোছন। মাজতে কংগনা ৰণৌটৰ স'তে প্ৰেমৰ সম্পৰ্ক স্থাপন হৈছিল যদিও সম্প্ৰতি দুয়োৰে মাজৰ কাজিয়াই আদালতৰ মজিয়া পাইছেগৈ। শেহতীয়াকৈ বলিউদৰ 'গ্ৰীক গড'ৰ সুঠাম বাহুত আশ্ৰয় লৈছেহি এক তৰুণীয়ে। যাৰ বয়স প্ৰায় হৃত্বিকৰ অৰ্ধেক। সম্প্ৰতি হৃত্বিক আৰু ছাবা আজাদ হৈছে বলিউদৰ সবাতোকৈ আলোচিত যুটি। অলপতে দুয়োকে এক নৈশ ভোজত দেখা গৈছিল। হৃত্বিকৰ পৰিয়ালৰ লগতো ছাবাক দেখা গৈছে। আনকি দুয়ো একেলগে বিদেশলৈ যোৱাৰ কথাও চৰ্চিত হৈছে। সম্প্ৰতি আলোচনালৈ আহিছে তেওঁলোকৰ বিবাহৰ প্ৰসংগ।

হৃত্বিকৰ এজন বন্ধুৱে সংবাদ মাধ্যমৰ আগত সদৰী কৰিছে যে শীঘ্ৰেই দুয়ো বিবাহপাশত আবদ্ধ হ'ব। বন্ধুজনে কয়, 'দুয়ো দুয়োকে লৈ অত্যন্ত সুখী। হৃত্বিকৰ পৰিয়ালৰো ছাবাক পছন্দ হৈছে, বিশেষকৈ ছাবাৰ গান শুনি তেওঁলোক অত্যন্ত সুখী। অৱশ্যে বিয়াৰ প্ৰস্তুতি চলিছে যদিও তেওঁলোকে ইয়াৰ বাবে লৰালৰি কৰিব খোজা নাই।' বন্ধুজনে লগতে সদৰী কৰে যে হৃত্বিকৰ প্ৰাক্তন পত্নী ছুজান আৰু দুই পুত্ৰৰ স'তেও ছাবাৰ সম্পৰ্ক ভাল।

# ৰেঙণি চেনেলত সম্প্ৰচাৰিত মুকেশ মিশ্ৰা পৰিচালিত ধাৰাবাহিক এজেণ্টছ

নেক্সষ্টাৰ ষ্টুডঅ' প্ৰডাকচনৰ নিৰ্মিত, ৰাজেশ ভূএগুৰ পৰিকল্পনাৰে, দক্ষ পৰিচালক মুকেশ মিশ্ৰাৰ পৰিচালনাৰে যোৱা ১৬ জানুৱাৰীৰ পৰা প্ৰত্যেক দেওবাৰে নিশা নবজাৰ পৰা ১০ বজালৈ জনপ্ৰিয় মনোৰঞ্জনধৰ্মী চেনেল ৰেঙণিত সম্প্ৰচাৰিত হৈছে এখন নতুন ধাৰাবাহিক এজেণ্টছ
অপৰাধ জগতৰ কিছু বাস্তৱ ঘটনাৰ আধাৰত নিৰ্মিত ধাৰাবাহিকখনৰ চিত্ৰনাট্য আৰু সংলাপ লিখিছে ভাস্কৰ জ্যোতি শৰ্মা, মন্দিৰা বৰকটকী আৰু ডিম্পী সাউদে। গুৱাহাটী মহানগৰীৰ বহুকেইটা মনোমোহা লোকেচনত দৃশ্যগ্ৰহণ কৰিছে চনু ডেকাই। শব্দগ্ৰহণ আৰু আবহ সংগীত পল ফুকন। ধাৰাবাহিকখনৰ পৰিচালনা মুকেশ মিশ্ৰাৰ আৰু অনুবাদৰ লগতে পৰিচালক সহযোগী সৰোজ চেটাৰ্জী। সহ পৰিচালনা কৰিছে নয়ন জ্যোতি নাথে। ধাৰাবাহিকখন সম্পাদনা কৰিছে অনেন্দ্ৰ প্ৰসাদ শৰ্মা। ধাৰাবাহিকখনৰ প্ৰডাকচন মেনেজাৰ হিচাপে দীপক লহকৰে বিশেষভাৱে সহযোগিতা আগবঢ়াইছে। ধাৰাবাহিকখনত বহুকেইগৰাকী অভিনেতা আৰু অভিনেত্ৰীয়ে অভিনয় কৰিছে তাৰ ভিতৰত কৃষ্ণমনি নাথ, জয়ন্ত জীৱন বৰুৱা, ৰোণাল্ড, অৰ্নিবান দত্ত, ফাৰবিজ, গৌতম ৰাজ, জয়ন্ত জিৎ, বিতোপন শইকীয়া, ভৱেশ দাস, হেমন্ত বৰুৱা, বিমল শৰ্মা, প্ৰণৱজ্যোতি মহন্ত, দ্বীপজ্যোতি ৰয়, ভনীতা দাস, কুলদ্বীপ বৰ্মন, আৰ.কে হৰ্ষ, উদ্দীপ্ত দাস, বাবলু ইত্যাদি। অপৰাধ জগতৰ পৰা আঁতৰি থাকি ৰাইজক সজাগ আৰু সচেতন কৰাৰ উদ্দেশ্যে ধাৰাবাহিকখন নিৰ্মাণ কৰা হৈছে বুলি পৰিচালক মুকেশ মিশ্ৰাই জানিবলৈ দিয়ে লগতে তেওঁ এই কথাটো সদৰী কৰে যে সম্প্ৰচাৰিত হ'বলগীয়া খণ্ডসমূহত পোন প্ৰথমবাৰৰ বাবে অসমীয়া ধাৰাবাহিকৰ জৰিয়তে দৰ্শকে এক নতুনত্বৰ সোৱাদ পাব।

**কুলদ্বীপ বৰ্মন**





# অসমীয়া চলচ্চিত্ৰত সুৰসম্ৰাজ্ঞী লতা মংগেশকাৰৰ কণ্ঠদান

**পলাশ কলিতা**

১৯৩৫ৰ ১০ মাৰ্চত মুক্তি লাভ কৰা 'জয়মতী'ৰ পাছৰে পৰা বিগত ৮৭ বছৰে অসমীয়া চলচ্চিত্ৰৰ ধাৰা অব্যাহত আছে। বিগত ৮৭ বছৰে অসমীয়া চলচ্চিত্ৰই শতাধিক পুৰস্কাৰ প্ৰাপ্তিৰে চলচ্চিত্ৰ জগতখনক জিলিকাই ৰাখিছে। যিদৰে অসমীয়া চলচ্চিত্ৰত নিজস্ব বলিষ্ঠ আৰু যুগমীয়া কণ্ঠদানেৰে নিজকে মহীয়ান কৰি তোলা লতা মংগেশকাৰৰ কথা জানো আমি পাহৰিব পাৰো।

আজিৰ এই লেখাটোত 'ৰাষ্ট্ৰকন্যা' খ্যাত ভাৰতৰত্ন লতা মংগেশকাৰৰ অসমীয়া চলচ্চিত্ৰত কণ্ঠদান কৰা সম্পৰ্কত কিছু কথা ৰোমন্থন কৰিবলৈ আগবাঢ়িছো।

অসমীয়া ভাষাত লতাই কণ্ঠদান কৰিছিল ৫০ৰ দশকতে। ১৯৫৬ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দ্বাৰা পৰিচালিত **'এৰাবাটৰ সুৰ'** চলচ্চিত্ৰৰ বাবে লতা মংগেশকাৰে দুটা গীতত কণ্ঠদান কৰিছিল। গীত দুটা আছিল **'জোনাকৰে ৰাতি অসমীয়া মাটি'** আৰু 'ৰ'দ পুৱাবৰ কাৰণে মাতিবানো কাক'।

ইয়াৰ পাছত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই তেওঁৰে 'প্ৰতিধ্বনি' (১৯৬৪ত) চলচ্চিত্ৰৰ বাবে অয়-অয়-আকাশ শুব' গীতটো লতাৰ কণ্ঠেৰে গোৱাবলৈ চেষ্টা কৰিছিল, কিন্তু ব্যস্ততাৰ বাবে সময় দিব নোৱাৰাত, গীতটো ড° হাজৰিকাই সুমন কল্যাণপুৰৰ কণ্ঠেৰে বাণীবদ্ধ কৰে।

(২) ১৯৭০ত 'চতুৰংগ' ছদ্ম নামেৰে চাৰিগৰাকী ব্যক্তিৰ উদ্যোগত 'অপৰাজেয়' নামৰ চলচ্চিত্ৰখন নিৰ্মাণ হৈছিল। 'চতুৰংগ'ৰ আঁৰৰ ব্যক্তি কে'বাগৰাকী আছিল ফণী তালুকদাৰ, অতুল বৰদলৈ, মুনীন বায়ন আৰু গৌৰী বৰ্মন। অভিনেত্ৰী ৰাখীৰ চলচ্চিত্ৰ হিচাপে এইখনেই প্ৰথম চলচ্চিত্ৰ আছিল। সংগীত পৰিচালক আছিল অনিল চৌধুৰী। লতা মংগেশকাৰে ইতিমধ্যে অনিল চৌধুৰীৰ সংগীতেৰে বহুকেইটা বাংলা ভাষাৰ গীত গাইছিল বাবে তেওঁৰ একান্ত অনুৰোধ পেলাব নোৱাৰি 'অপৰাজেয়' চলচ্চিত্ৰৰ এটি গীতত কণ্ঠদান কৰে। ফণী তালুকদাৰ ৰচিত গীতটো আছিল **'আকাশ অ' আকাশ/মোক জোনাক অকণি দিয়া।'** দুৰ্ভাগ্যৰ কথা যে এই চলচ্চিত্ৰৰ কোনো গ্ৰামোফোন ৰেকৰ্ড প্ৰকাশ পোৱা নাছিল।

(৩) ১৯৮৮ত ড° ভূপেন হাজৰিকাই 'চিৰাজ' চলচ্চিত্ৰখন পুনৰ নিৰ্মাণ কৰে আৰু তাৰে মূল গীত'। কঁপি উঠে কিয় তাজমহল তাজমহল' লতা মংগেশকাৰৰ কণ্ঠেৰে গোৱাবলৈ সক্ষম হয়।

(৪) ১৯৯৫ত প্ৰফুল্ল শইকীয়াই 'পানী' চলচ্চিত্ৰখন নিৰ্মাণ কৰে। চলচ্চিত্ৰখনৰ গীতৰ কথাংশ আৰু সংগীত আছিল সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ। ড° হাজৰিকাই পুনৰবাৰ লতাৰ কণ্ঠেৰে গোৱালে...'মই অথাই জলধিৰ মাজলৈ আহিলো সাঁতুৰি/দূৰ-দূৰণিত দুপাৰ এৰি/খাইছো হাবাথুৰি।'

(৫) 'পানী' চলচ্চিত্ৰৰ পাছত লতাজীয়ে কোনো অসমীয়া চলচ্চিত্ৰৰ গীতত কণ্ঠদান কৰা নাছিল যদিও 'পানী' চলচ্চিত্ৰৰ সময়তে সুধাকণ্ঠৰ সংগীতেৰে অন্য দুটা অসমীয়া আধুনিক গীতত লতাই কণ্ঠদান কৰিছিল। জনপ্ৰিয় হৈ পৰা গীত দুটা আছিল সুৰসম্ৰাজ্ঞীৰ একক কণ্ঠত।

(ক)
'গোদাবৰী নৈৰে পাৰৰে পৰা
অসমী আইলৈ যাচোঁ প্ৰণাম,
এইখন দেশ মোৰ
দূৰণিৰ দেশ
তথাপি চিনাকি শুৱনি নাম।'

**আৰু**

(খ)
দুয়ো মুখামুখি অতি সুখে সুখী
বাহিৰ বিশ্ব নিমাত।
এই মুহূৰ্ত অতি পৱিত্ৰ
প্ৰেমৰ জ্যোতিপ্ৰপাত
দুয়ো মুখামুখি
অতি সুখে সুখী ।'—এয়াই

**বিশেষত্ব ঃ** সুৰ সম্ৰাজ্ঞী লতাজীৰ প্ৰিয় অসমীয়া গীতটো হ'ল—১৯৫৬ত ড° ভূপেন হাজৰিকাৰ সংগীত পৰিচালনাত মুক্তি লাভ কৰা 'এৰাবাটৰ সুৰ' চলচ্চিত্ৰত গোৱা...'জোনাকৰে ৰাতি অসমীৰে মাটি, জিলিকি জিলিকি পৰে/মলয়াৰে ছাটি-দুহাতে সাবটি/ ধুনীয়া মালতী সৰে।'

সুৰ সম্ৰাজ্ঞীয়ে লণ্ডনৰ ৰয়েল এলবাৰ্ট হলত প্ৰথম মঞ্চ অনুষ্ঠানত আঞ্চলিক ভাষাৰ গীত গাওঁতেও এই গীতটোৰেই পৰিৱেশন কৰিছিল। লতা মংগেশকাৰৰ উল্লেখযোগ্য 'লয় প্লেয়িং ৰেকৰ্ড' 'Around the world' তো এই গীতটোৱে স্থান লাভ কৰিছে।

**সামৰণি ঃ** জীৱন আৰু সংগ্ৰামৰ এক অতুলনীয় আদৰ্শ স্বৰূপ আৰু সংগীত জগতৰ কিংবদন্তি সুৰসম্ৰাজ্ঞী লতা মংগেশকাৰৰ সাধনাই হওঁক অথবা অসমৰ ভূপেন হাজৰিকাই নহওঁক কিয়-একাগ্ৰতা, সাধনা, অনুশীলনেই যে মূল কথা, সেইটো সংগীত জগতৰ লগত জড়িত সকলোৱেই ভাবি চোৱাৰ সময় সমাগত। এইবাবেই যে ভাৰত ৰত্ন সুৰ-সম্ৰাজ্ঞী লতা মংগেশকাৰে যি জনপ্ৰিয়তা আহৰণ কৰিছিল, সেয়া আছিল বহুদিনীয়া সাধনা আৰু কষ্টৰ ফল।

লতাজীৰ আদৰ্শৰাজি নতুন প্ৰজন্মৰ কাৰণে পাথেয় হৈ পৰক। আজি ১০ মাৰ্চ ২০২২ অসমীয়া চলচ্চিত্ৰৰ ৮৭ বছৰ সম্পূৰ্ণ হোৱাৰ ক্ষণত সুৰ সম্ৰাজ্ঞীলৈ, অসমীয়া চলচ্চিত্ৰলৈ আগবঢ়াই থৈ যোৱা বহুমূলীয়া অৱদানৰ কাৰণে আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো।

ফোন ঃ ৮০১১৬৮১১৮১





# দেশৰ শীৰ্ষতম মহিলা ফুটবল লীগৰ বাবে সাজু হৈছে গুৱাহাটী চিটী এফচি

## আই ডব্লিউ এল কোৱালিফায়াৰ্ছত অসমৰ প্ৰতিদ্বন্দ্বী মণিপুৰ, গুজৰাট, হিমাচল



**গুৱাহাটী, ১৯ মাৰ্চ ঃ** অসমৰ সৰ্বপ্ৰথম ক্লাব হিচাপে ৰাষ্ট্ৰীয় মহিলা ক্লাব ফুটবল ক্ষেত্ৰত প্ৰৱেশ কৰিবলৈ সাজু হৈছে গুৱাহাটী চিটী এফ চি চমুকৈ জিচিএফচি । দেশৰ শীৰ্ষতম মহিলা ফুটবল লীগ ইণ্ডিয়ান ৱিমেনছ লীগ চমুকৈ আইডব্লিউএলৰ কোৱালিফায়াৰ্ছত খেলিবলৈ ক্লাবৰ মহিলা দলটোৱে বিগত প্ৰায় এমাহৰ পৰা পূৰ্ণ প্ৰস্তুতি চলাইছে । মুখ্য প্ৰশিক্ষক এএফচি বি লাইচেঞ্চপ্ৰাপ্ত বিধান দাসৰ নেতৃত্বত আৰু সহকাৰী প্ৰশিক্ষকদ্বয় মিজোৰামৰ এএফচি চি লাইচেঞ্চপ্ৰাপ্ত আৰ লালনুনছাংগি তথা এআইএফএফ ডি লাইচেঞ্চপ্ৰাপ্ত বিতু দাসৰ তত্বাৱধানত 20 জনীয়া মহিলা ফুটবল দলটোৱে লখৰাৰ উদয়ন কৃষ্টি সংঘৰ খেলপথাৰত দুয়োবেলা কঠোৰ অনুশীলন চলাই আছে । নতুন দিল্লীৰ ডঃ আম্বেদকাৰ ষ্টেডিয়ামত অহা পহিলা এপ্ৰিলৰপৰা হ'ব লগা এই কোৱালিফায়াৰ্ছত জিচিএফচিৰ প্ৰতিদ্বন্দ্বী মণিপুৰৰ যুথ ৰেলফেয়াৰ ক্লাব, গুজৰাটৰ আৰা এফচি আৰু হিমাচল প্ৰদেশৰ গলাজো এফচি হ'ব বুলি ক্লাবৰ সঞ্চালক সিদ্ধাৰ্থ শংকৰ ডেকাই জনাইছে । এক এপ্ৰিলত আৰা এফচি, তিনি এপ্ৰিলত যুথ ৰেলফেয়াৰ ক্লাব আৰু পাঁচ এপ্ৰিলত গলাজো এফচিৰ বিৰুদ্ধে জিচিএফচি অৱতীৰ্ণ হ'ব । তেওঁ কয় যে এই চাৰিওটা দলৰ ভিতৰত সৰ্বাধিক পইন্ট লাভ কৰা দলটোৱে মূল ৰাউণ্ডত উপনীত হ'ব য'ত বিভিন্ন ৰাজ্যৰ মহিলা লীগৰ চেম্পিয়ন দলবোৰে ইতিমধ্যে পোনপটীয়াকৈ প্ৰৱেশ কৰিছে । অসমত মহিলা ৰাজ্যিক লীগ হোৱা নাই বাবে অসম ফুটবল সন্থাই সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ নিয়ম মতে জিচিএফচিক মনোনীত কৰিছিল । ইয়াৰ বাবে ফুটবল সন্থাক ধন্যবাদ জনাই ডেকাই অনাগত ছিজনত মহিলা আৰু পুৰুষৰ ৰাজ্যিক ফুটবল লীগ অনুষ্ঠিত কৰিবলৈ সন্থাক অনুৰোধ জনাই যাতে অসমৰ ক্লাবসমূহে ৰাষ্ট্ৰীয় পৰ্যায়ত খেলাৰ সুযোগ পায় । উল্লেখ্য যে অহা ছিজনৰ পৰা ফেডাৰেচনে ৰাজ্যিক লীগ নাপাতিলে ক্লাব মনোনীত কৰিবলৈ সুযোগ নিদিয়ে । সেয়ে ক্লাবসমূহে ৰাষ্ট্ৰীয় পৰ্যায়ত খেলিবলৈ ৰাজ্যসমূহত ৰাজ্যিক লীগ আয়োজন কৰিবই লাগিব । ইপিনে, মুখ্য প্ৰশিক্ষক বিধান দাসে জনায় যে এইবাৰৰ ছিজনত জিচিএফচিয়ে মূলতঃ অনুৰ্ধ 18 স্থানীয় খেলুৱৈৰ স'তে অৱতীৰ্ণ হৈছে আৰু মূল লক্ষ্য হৈছে অভিজ্ঞতা আহৰণ । পৰৱৰ্তী ছিজনত ৰাজ্যিক মহিলা লীগত খেলি চেম্পিয়ন হৈ আইডব্লিউএলৰ বাবে যোগ্যতা আহৰণ কৰাটো তেওঁলোকৰ মূল লক্ষ্য । সঞ্চালক তথা গুৱাহাটী ক্ৰীড়া সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সিদ্ধাৰ্থ শংকৰ ডেকাই লগতে কয় যে এইবাৰ যিহেতু তেওঁলোকে কোৱালিফায়াৰ্ছ খেলিছে সেয়ে মূল ৰাউণ্ডত উপনীত নোহোৱালৈকে ফেডাৰেচনে অহা-যোৱা বা থকা-খোৱাৰ দায়িত্ব বহন নকৰে । সেয়ে তেওঁলোক কিছু অসুবিধাৰ সন্মুখীন হৈছে আৰু এই ক্ষেত্ৰত চৰকাৰৰ ওচৰ চপা হৈছে । চৰকাৰে যথাসাধ্য সহায় কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে । জিচিএফচিৰ ভৱিষ্যতৰ পৰিকল্পনাত কেৱল আইডব্লিউএলেই নহয়, আই লীগৰ বাবে যোগ্যতা আহৰণো আছে বুলি তেওঁ কয় । জিচিএফচিৰ লগতে আন উচ্চাকাংক্ষী ক্লাববোৰৰ বাবে সেয়ে ৰাজ্যিক লীগ অতি জৰুৰী বুলি ডেকাই কয় । জিচিএফচিয়ে এআইএফএফৰ বয়সভিত্তিক এলিট প্ৰতিযোগিতা যুথ লীগৰ বাবেও প্ৰস্তুতি চলাই থকা বুলি তেওঁ জনায় । উল্লেখ্য যে জিচিএফচিয়ে গ্ৰাছৰুটছ উন্নয়নৰ বাবে গ্ৰেটাৰ গুৱাহাটী বেবী লীগৰ দুটা ছিজন ইতিমধ্যে সমাপ্ত কৰাৰ লগতে গুৱাহাটী ক্ৰীড়া সন্থাৰ অনুৰ্ধ 13 জিলা লীগ ইতিমধ্যে জয় কৰিছে ।

# অল ইংলণ্ড বেডমিণ্টনৰ ফাইনেলত ভাৰতৰ লক্ষ্য



**লণ্ডন, ১৯ মাৰ্চ ঃ** ভাৰতৰ নৱাগত শ্বাটলাৰ লক্ষ্য সেনে চলিত অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি আন এক গৌৰৱময় সফলতা লাভ কৰিছে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত লক্ষ্যই তিনিটা ছেটৰ অন্তত 21-13, 12-21, 21-19ৰ ব্যৱধানত পৰাস্ত কৰে মালয়েছিয়াৰ চেম্পিয়ন লী জি ঝাক। উল্লেখ্য যে বিশ্বকাপ বেডমিণ্টনত ব্ৰঞ্জ লাভ কৰাৰ লক্ষ্যই প্ৰথমবাৰৰ বাবে অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি গৌৰৱময় সফলতা লাভ কৰিছে। প্ৰকাশ পাডুকন আৰু পুলেলা গোপীচান্দৰ পাছত দেশৰ তৃতীয় পুৰুষ শ্বাটলাৰৰূপে অল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত খেলিব লক্ষ্যই। ইয়াৰপূৰ্বে ছেমিফাইনেলত প্ৰৱেশ কৰিয়েই পদক নিশ্চিত কৰিছিল ভাৰতৰ নৱাগত শ্বাটলাৰজনে। উল্লেখ্য যে প্ৰকাশ পাডুকন আৰু পুলেলা গোপীচান্দেঅল ইংলণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ খিতাপ লাভ কৰাৰ বিপৰীতে অন্তিমবাৰলৈ ফাইনেল খেলিছিল 2015 ত ভাৰতৰ ছাইনা নেহৱালে।


### আগষ্টত শ্ৰীলংকাত এছিয়া কাপ টি-২০ আয়োজন কৰাৰ সিদ্ধান্ত

# এছিয়ান ক্ৰিকেট পৰিষদৰ সভাপতিৰূপে পুনৰ এবছৰলৈ কাৰ্যকাল বৃদ্ধি জয় শ্বাহৰ



**কলম্বো, ১৯ মাৰ্চ ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সম্পাদক জয় শ্বাহৰ এছিয়ান ক্ৰিকেট পৰিষদৰ সভাপতিৰ কাৰ্যকাল আৰু এবছৰলৈ বৃদ্ধি কৰা হৈছে। উল্লেখ্য যে আজি শ্ৰীলংকাৰ কলম্বোত অনুষ্ঠিত হয় এছিয়ান ক্ৰিকেট পৰিষদৰ বাৰ্ষিক সভা। এই সভাতে এছিয়ান ক্ৰিকেট পৰিষদৰ সকলো সদস্যই বৰ্তমানৰ সভাপতি ভাৰতৰ জয় শ্বাহৰ কাৰ্যকাল আৰু এবছৰলৈ বৃদ্ধি কৰাৰ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি শ্বাহ 2024 লৈ এছিয়ান ক্ৰিকেট পৰিষদৰ সভাপতি পদত থাকিব। উল্লেখ্য যে 2021 ত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সম্পাদক জয় শ্বাহক এছিয়ান ক্ৰিকেট পৰিষদৰ সভাপতিৰ দায়িত্ব দিয়া হৈছিল। এই পদ লাভ কৰা শ্বাহ সৰ্বকনিষ্ঠ। আজি কলম্বোত অনুষ্ঠিত হোৱা সভাত শ্ৰীলংকাই প্ৰথমে শ্বাহৰ কাৰ্যকাল বৃদ্ধিৰ প্ৰস্তাৱটো ব্যক্ত কৰে আৰু অন্য দেশৰ সদস্যই সেয়া সমৰ্থন কৰে। ইফালে, নিজৰ ভাষনত শ্বাহে এছিয়া মহাদেশত ক্ৰিকেটৰ প্ৰসাৰ তথা মহিলা ক্ৰিকেটৰ উত্তৰণত অধিক গুৰুত্ব দিয়া হ'ব বুলি কয়। ইফালে, আজি কলম্বোত অনুষ্ঠিত হোৱা এছিয়ান ক্ৰিকেট পৰিষদৰ বাৰ্ষিক সভাতে চলিত বৰ্ষৰ এচিয়া কাপ টি-20 ক্ৰিকেট প্ৰতিযোগিতাখন শ্ৰীলংকাত আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হয়। সেই অনুসৰি অহা 27 আগষ্টৰ পৰা এচিয়া কাপ টি-20 ক্ৰিকেট আৰম্ভ হৈ ফাইনেল হ'ব 11 ছেপ্টেম্বৰত। উল্লেখ্য যে টেষ্ট খেলা এছিয়াৰ পাঁচখন দেশ ক্ৰমে ভাৰত, পাকিস্তান, শ্ৰীলংকা, বাংলাদেশ আৰু আফগানিস্তানৰ লগতে এটা কোৱালিফায়াৰৰ দলে মূল ৰাউণ্ডত খেলিব। অহা 20 আগষ্টৰ পৰা হ'ব কোৱালিফায়াৰ গ্ৰুপৰ মেচ।

# ভাৰতীয় টেনিছ দলত অসমৰ মৃদুল বৰকাকতি



**গুৱাহাটী, ১৯ মাৰ্চ ঃ** ভাৰতীয় টেনিছ দলক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছে অসমৰ এগৰাকী আগশাৰীৰ খেলুৱৈ কৰ্ণেল মৃদুল বৰকাকতিয়ে । অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা মতে আমেৰিকাৰ ফ্লৰিডা পাম বীছ কাউনট্ৰীত অহা 24-29 এপ্ৰিলত হ'ব লগা 65 বছৰ উৰ্ধৰ আই টি এফ ছুপাৰ ছিনিয়ৰছ বিশ্ব দলীয় টেনিছ চেম্পিয়নশ্বিপত তেওঁ অংশগ্ৰহণ কৰিব । এই প্ৰতিযোগিতাত ভাৰতীয় ছিনিয়ৰ দলত বাছনি লাভ কৰা বাবে অসম টেনিছ সন্থাই বৰকাকতিক অভিনন্দন জনাইছে।

# গ্ৰেণ্ডমাষ্টাৰ দবাত অসমৰ চমক

**গুৱাহাটী, ১৯ মাৰ্চ ঃ** গুৱাহাটী মুকলি আন্তঃৰাষ্ট্ৰীয় গ্ৰেণ্ডমাষ্টাৰ দবাত উজ্বলিছে অসমৰ জুনিয়ৰ দবাৰু আভাচৰম্য শইকীয়া । ডিব্ৰুগড়ৰ 14 বছৰীয়া দবাৰু আভাচে এতিয়ালৈকে দুগৰাকী গ্ৰেণ্ডমাষ্টাৰ লগত ড্ৰ খেলাৰ উপৰি এগৰাকী ইণ্টাৰনেশ্যানেল মাষ্টাৰক পৰাস্ত কৰিছে । এতিয়ালৈকে আঠটা ৰাউণ্ড খেলি 5.5 পইন্ট সংগ্ৰহ কৰিছে অভাচে । আজি উবেকিস্থানৰ দবাৰু তথা ইণ্টাৰনেশ্যানেল মাষ্টাৰ আবদিচালিমভ আদিমালিকৰ মুখামুখি হয় টপ 20 ৰ 17 নম্বৰ টেবুলত । উল্লেখ্য যে আভাচৰম্য শইকীয়াই অষ্টম ৰাউণ্ডত আই এম মহোতা নিশাক পৰাস্ত কৰে । ইয়াৰ পূৰ্বে দ্বিতীয় ৰাউণ্ড আৰু তৃতীয় ৰাউণ্ডত ক্ৰমে জি এম কাৰথিয়ান পি আৰু জি এম সপ্তৰ্ষি ৰয়ৰ সৈতে ড্ৰ খেলিছিল । একেদৰে অসমৰ আন এগৰাকী প্ৰতিভা সম্পন্ন জুনিয়ৰ দবাৰু মায়াংক চক্ৰৱৰ্ত্তীয়ে 15 নম্বৰ টেবুলত আই এম ভি এভ ৰাহুলৰ স'তে সমুখ সমৰত অৱতীৰ্ণ হয় । মায়াংকে এতিয়ালৈ 5.5 পইন্ট সংগ্ৰহ কৰিছে । ইফালে, অসমৰ আই এম ছাহিল দেই এতিয়ালৈকে সংগ্ৰহ কৰিছে 5 পইন্ট ।

# দ্বিতীয় টেষ্টত ইংলণ্ডৰ বিৰুদ্ধে ফল'অন ৰক্ষা কৰিলে ৱেষ্টইণ্ডিজে



**ব্ৰীজটাউন, ১৯ মাৰ্চ ঃ** ৱেষ্ট ইণ্ডিজে ইংলণ্ডৰ বিৰুদ্ধে খেলা চলিত টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচত ফল'অন ৰক্ষা কৰিবলৈ সফল হৈছে। উল্লেখ্য যে ইংলণ্ডৰ প্ৰথম ইনিংছৰ 507 ৰাণৰ প্ৰত্যুত্তৰত আজি চতুৰ্থদিনা ৱেষ্ট ইণ্ডিজে ভোজন বিৰতিৰ পূৰ্বেই চাৰি উইকেটত 333 ৰাণ কৰি ফল'অন ৰক্ষা কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ ব্লেকউদে 102 ৰাণ কৰাৰ লগতে ব্ৰেথৱেইটে 140 ৰাণত বেটিং কৰি আছে। উল্লেখ্য যে টেষ্টখনত পোনতে বেটিং কৰা ইংলণ্ডে জ' ৰুট (153] আৰু বেন ষ্টকছৰ (120] শতক তথা লৰেন্সৰ 91 ৰাণৰ সহায়ত ন উইকেটত 507 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰিছিল। ইয়াৰপূৰ্বে শৃংখলাৰ প্ৰথমখন টেষ্ট ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্য যে ইংলণ্ডে বিজয়ৰ বাবে ৱেষ্ট ইণ্ডিজৰ সন্মুখত 286 ৰাণ লক্ষ্য দিয়াৰ পাছত ঘৰুৱা দলটোৱে দ্বিতীয় ইনিংছত সেয়া অনুসৰণ কৰি চাৰি উইকেটত 147 ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সমাপ্ত হয়। স্মৰ্তব্য যে টেষ্টখনত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল যদিও দ্বিতীয় ইনিংছত সফল প্ৰত্যাৱৰ্তন কৰি ইংলণ্ডে নিজৰ পৰাজয় ৰোধ কৰিবলৈ সক্ষম হয়। টেষ্টখনত পোনতে বেটিং কৰি ইংলণ্ডে 311 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। জনী বেয়াষ্ট্ৰোৱে (140] শতকীয় ইনিংছ খেলি ইংলণ্ডক উদ্ধাৰ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে 375 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি ল'বলৈ সক্ষম হয়। ৱেষ্ট ইণ্ডিজৰ হৈ বাৰ্ণাৰে 123 ৰাণৰ শতকীয় ইনিংছ খেলে। ইফালে, ইংলণ্ডে অন্তিম দিনা ছয় উইকেটত 349 ৰাণ কৰি দ্বিতীয় ইনিংছ ঘোষণা কৰে। দলৰ হৈ কাৰলিয়ে শতক অৰ্জন কৰি 121 ৰাণত আউট হোৱাৰ বিপৰীতে অধিনায়ক জ' ৰুটেও শতক অৰ্জন কৰে (109]¼

## আন্তঃৰাষ্ট্ৰীয় দবাৰ শীৰ্ষত পাৰাগুৱে-ৰাছিয়া

# আজি খিতাপৰ যুঁজত নিউৰি-পাবেল

**গুৱাহাটী, ১৯ মাৰ্চ ঃ** প্ৰথম গুৱাহাটী মুকলি আন্তঃৰাষ্ট্ৰীয় গ্ৰেণ্ডমাষ্টাৰ দবাৰ শীৰ্ষত আছে পাৰাগুৱে আৰু ৰাছিয়া । আজি সমাপ্ত হোৱা নৱম ৰাউণ্ডৰ পিছত পাৰাগুৱেৰ গ্ৰেণ্ডমাষ্টাৰ ডেলগাদু ৰামিৰেজ নিউৰিচ , ছেচ ফেডাৰেশ্যান অফ ৰাছোয়াৰ গ্ৰেণ্ডমাষ্টাৰ প'নকাৰট'ভ পাবেল, ইজিপ্টিয়ান গ্ৰেণ্ডমাষ্টাৰ ফাওজি আঢাম আৰু ভাৰতৰ ইণ্টাৰনেশ্যানেল মাষ্টাৰ কৃষ্ণা চি আৰ জিয়ে 7.5 পইণ্ট কৈ লাভ কৰি শীৰ্ষত আছে । আনহাতে প্ৰতিযোগিতা খনত ছজনে সাত পইণ্ট, 16 জনে 6.6 পইণ্ট আৰু 19 জনে ছয় পইণ্ট লাভ কৰিছে । পইণ্ট তালিকাৰ পৰা স্পষ্ট যে প্ৰতিযোগিতা খনৰ কাইলৈ দশম তথা অন্তিম ৰাউণ্ডৰ খেলত খিতাপ দখলৰ যুঁজ চলিব দুই বিদেশী ৰাষ্ট্ৰৰ গ্ৰেণ্ডমাষ্টাৰ নিউৰিচ আৰু পাবেল মাজত । আনহাতে অন্তিম 25 ত নিজৰ স্থান অন্তৰ্ভুক্ত কৰাৰ আশা বৰ্তমানেও সজীৱ ৰাখিছে অসমৰ আই এম ছাহিল দে আৰু ৰাহুল এছ সিঙে । উল্লেখ্য যে গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় দবাত আৰম্ভনিৰে পৰা উন্নত খেল খেলা ডিব্ৰগড়ৰ আভাচৰম্য শইকীয়াই অষ্টম ৰাউণ্ডত আই এম মহোতা নিশাক পৰাস্ত কৰাৰ উপৰি দ্বিতীয় ৰাউণ্ড আৰু তৃতীয় ৰাউণ্ডত ক্ৰমে জি এম কাৰথিয়ান পি আৰু জি এম সপ্তৰ্ষি ৰয়ৰ সৈতে ড্ৰ খেলিছিল । আন্য এগৰাকী প্ৰচুৰ প্ৰতিভাবান জুনিয়ৰ দবাৰু মায়াংক চক্ৰৱৰ্তীৰ ওপৰতো সকলোৱে দৃষ্টি নিবন্ধ হৈ ৰৈছিল যদিও আজিৰ খেলত আই এম ভি এভ ৰাহুলৰ হাতত পৰাস্ত হয় ।




# আজিৰে পৰা যোগাসন ক্ৰীড়াৰ ৰাজ্যিক শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৯ মাৰ্চ ঃ** অন্ধ্ৰপ্ৰদেশৰ পশ্চিম গোদাবড়িৰ টাডেপলীগুডামৰ দিপিএছত অহা 26-29 মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া 46 সংখ্যক ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া অসম দলটোৰ প্ৰশিক্ষণ শিবিৰটো কাইলৈৰ পৰা নগাঁৱৰ এন ৱাই কে ত অৱস্থিত ৰাজ্যিক যোগ কেন্দ্ৰ (নিৰ্বাণ)ত আৰম্ভ হ'ব। অসম যোগ সংস্থাৰ সৌজন্যত আয়োজিত এই প্ৰশিক্ষণ শিবিৰটোত অংশগ্ৰহণ কৰিবৰ বাবে ৰাজ্যখনৰ বিভিন্ন জিলাৰ যোগ খেলুৱৈসকল ইতিমধ্যে নগাঁৱত উপস্থিত হৈ অনুশীলন আৰম্ভ কৰিছে। অসম যোগ সংস্থাৰ সম্পাদক প্ৰভাত চন্দ্ৰ বৰাই জনোৱামতে অহা 22 মাৰ্চলৈকে চলিবলগীয়া পুৰুষ-মহিলা উভয়ৰে ৰাজ্যিক যোগাসন ক্ৰীড়াৰ এই শিবিৰটোত নিজৰা বৰা,জয়াৰাণী ডেকা,প্ৰতিশ্ৰুতি শইকীয়া (মহিলা), চিত্তৰঞ্জন বৰা আৰু চন্দ্ৰকান্ত বৰা (পুৰুষ) প্ৰশিক্ষকৰূপে আছে। অসম যোগ সংস্থাৰ কোষাধ্যক্ষ মঞ্জুলা লস্কৰ আৰু যুটীয়া সম্পাদক সমীৰ হাজৰিকাই আজি খেলুৱৈসকলৰ সৈতে মত বিনিময়ো কৰে। উল্লেখ্য যে,শিবিৰটোত ৰাজ্যিক খেলুৱৈ বিচিত্ৰৰঞ্জন বৰা তত্বাবধায়কৰূপে আছে বুলি অসম যোগ সংস্থাৰ সম্পাদকে লগতে জনাইছে।



দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথম এদিনীয়াত বাংলাদেশৰ জয়, নায়ক

## আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট

# ভাৰতক হৰুৱাই ছেমিত অষ্ট্ৰেলিয়া



**অকলেণ্ড, ১৯ মাৰ্চ ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলে চলিত আই চি চি মহিলা বিশ্বকাপৰ নিজৰ পঞ্চম মেচতো পৰাজয়ৰ সন্মুখীন হৈছে। আজি হোৱা খেলত অষ্ট্ৰেলিয়াই ছয় উইকেটত ভাৰতক হৰুৱাই ছেমিফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে সাত উইকেটত 277 ৰাণ কৰাৰ পাছত অষ্ট্ৰেলিয়াই অনুসৰণৰ নতুন অভিলেখ গঢ়ি তিনিটা বল বাকী থাকোতেই চাৰি উইকেটত 280 ৰাণ কৰি ৰোমাঞ্চকৰ বিজয় অৰ্জন কৰে। ভাৰতৰ হৈ আজি মিতালী ৰাজে 68, য়াষ্টিকা ভাটিয়াই 59, হৰমনপ্ৰিত কৌড়ে 57 আৰু পূজাই 34 ৰাণ কৰে। কিন্তু বলিং-ফিল্ডিঙত ভাৰতে প্ৰত্যাশিত সফলতা লাভ নকৰাৰ বাবে পৰাজয়ৰ সন্মুখীন হয়। এই পৰাজয়ৰ পাছত ছেমিফাইনেল খেলাৰ আশা কঠিন হৈ পৰিছে ভাৰতৰ বাবে। উল্লেখ্য যে ভাৰতে ইতিমধ্যে খেলা পাঁচখন মেচৰ দুখনত জয়ী হোৱাৰ বিপৰীতে তিনিখনত পৰাজয়ৰ সন্মুখীন হৈছে। নিউজিলেণ্ডত চলি থকা আই চি চি মহিলা বিশ্বকাপত পাকিস্তানক পৰাস্ত কৰি প্ৰত্যাসিত আৰম্ভণি কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে দ্বিতীয়খন মেচত কিন্তু শক্তিশালী নিউজিলেণ্ডৰ বিৰুদ্ধে 62 ৰাণত পৰাস্ত হয়। আনহাতে, সফল প্ৰত্যাৱৰ্তন কৰি তৃতীয়খন মেচত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে জয়ী হৈ স্থিতি দৃঢ় কৰে। কিন্তু বেটিং ব্যৰ্থতাৰ বাবে ভাৰতে নিজৰ চতুৰ্থখন মেচত চাৰি উইকেটত পৰাস্ত হয় ইংলণ্ডৰ বিৰুদ্ধে। বাকী থকা দুখন মেচ ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বাবে মৰণপণ। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে অহা 22 মাৰ্চত বাংলাদেশ আৰু 27 মাৰ্চত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব। বাকী থকা দুখন মেচত সফলতা লাভ কৰাৰ পাছতো ভাৰতীয় মহিলা ক্ৰিকেট দলে চলিত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ ছেমিফাইনেল খেলিব পাৰিব নে নাই সেয়া নিশ্চিত হোৱা নাই।

# উত্তৰ-পূৱ পাঞ্জাত দেৱজিৎ শ্ৰেষ্ঠ

**গুৱাহাটী, ১৯ মাৰ্চ ঃ** অসমৰ পেচাদাৰী পাঞ্জা খেলুৱৈ দেৱজিৎ শৰ্মাই উত্তৰ-পূৱ পাঞ্জা প্ৰতিযোগিতাত সামগ্ৰিক চেম্পিয়নৰ খিতাপ দখল কৰিছে । মেঘালয়ৰ ৰাজধানী চহৰ শ্বিলঙৰ লাবান স্পৰ্টছ ক্লাবত অনুষ্ঠিত হৈছিল এই প্ৰতিযোগিতা । এই প্ৰতিযোগিতাত দেৱজিতে 75 কে জি ওজন শাখাত স্বৰ্ণপদক দখল কৰাৰ লগতে আঁজুৰি আনে চেম্পিয়ন অৱ দ্য চেম্পিয়নছ খিতাপ । গুৱাহাটী উজান বজাৰৰ এই খেলুৱৈগৰাকীয়ে ইতিপূৰ্বে বহুবাৰ ৰাষ্ট্ৰীয় পৰ্যায়ত চেম্পিয়ন অৱ দ্য চেম্পিয়নছ ট্ৰফী লাভ কৰিছে ।

# টেষ্ট ক্ৰিকেটৰ বাবে অযোগ্য কৰাচি-ৰাৱালপিণ্ডি উইকেটক লৈ অসন্তুষ্ট আই চি চি

**কৰাচী, ১৯ মাৰ্চ ঃ** পাকিস্তানৰ উইকেটক লৈ পুনৰ অসন্তুষ্ট আই চি চি। উল্লেখ্য যে অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ চলিচ টেষ্ট শৃংখলাত পাকিস্তানে যি উইকেট প্ৰস্তুত কৰিছে সেয়া টেষ্ট মেচৰ বাবে মুঠেও অনুকুল নহয়। বেটাৰৰ ৰম্যভূমি হোৱা উইকেট বলাৰৰ বাবে বধ্যভূমি হৈ পৰিছে। উল্লেখ্য যে অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ দ্বিতীয়খন টেষ্ট মেচো ড্ৰৰূপে সমাপ্ত হৈছে। অষ্ট্ৰেলিয়াই চলিত টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচত পাকিস্তানৰ সন্মুখত জয়ৰ বাবে 506 ৰাণ লক্ষ্য দিছিল। প্ৰত্যুত্তৰত এই লক্ষ্য অনুসৰণ কৰি পাকিস্তানে অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেটত 443 ৰাণ কৰাৰ সময়তে মেচখন ড্ৰৰূপে সমাপ্ত হয়। অন্তিম দিনা মাত্ৰ পাঁচটা উইকেটৰ পতন হয়। উইকেটত বলাৰৰ বাবে একো নাছিল। বেটাৰে প্ৰত্যাহবান অবিহনে সহজে খেলে। পাকিস্তানৰ ছফিকে 96, বাবৰে 196 ৰাণ আৰু মহম্মদ ৰিজৱানে অপৰাজিত 104 ৰাণ কৰে। উল্লেখ্য যে শৃংখলাৰ প্ৰথম টেষ্টখন ড্ৰৰূপে সমাপ্ত হৈছিল। ৰাৱালপিণ্ডিৰ প্ৰথম টেষ্টত পোনতে বেটিং কৰা পাকিস্তানে প্ৰথম ইনিংছত চাৰি উইকেটত 476 ৰাণ কৰাৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ সামৰে 459 ৰাণত। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি পাকিস্তানে কোনো উইকেট নেহেৰুৱাকৈ 252 ৰাণ কৰাত মেচখন ড্ৰ ঘোষণা কৰা হয়। পাঁচ দিনত পতন হয় মাত্ৰ 14 টা উইকেটৰ।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023


# যুদ্ধবিধ্বস্ত ইউক্ৰেইনক সমৰ্থন কৰি হ'ল 'দেশদ্ৰোহী'


## মুখত ক'লা টেপ লগাই প্ৰতিবাদ চীনা যুৱকৰ

**নিউজ ব্যুৰ'**
**অ'ডেছা (ইউক্ৰেইন), ১৯ মাৰ্চ ঃ** কিছু বছৰৰ পূৰ্বে ইউক্ৰেইনৰ তৃতীয় সৰ্বাধিক জনবহুল চহৰ অ'ডেছাত উপস্থিত হৈছিল এজন চীনা যুৱক। সম্প্ৰতি যুদ্ধবিধ্বস্ত চহৰখনৰ ফটো প'ষ্ট কৰাৰ লগতে ৰুছ সেনাক সমালোচনা কৰিছিল ৱাং জিজিয়ান নামৰ চীনা যুৱকজনে। চহৰখনৰ ফটো প'ষ্ট কৰি ৱাঙে পিতৃ-মাতৃক জনাব খুজিছিল যে তেওঁ সুস্থ অৱস্থাত আছে। অথচ সেই ভিডিঅ'টোৱেই তেওঁৰ বাবে আপদ হ'ল। ইয়াৰ বাবে তেওঁক 'দেশদ্ৰোহী' আখ্যা দিয়া হৈছে বুলি অভিযোগ কৰিছে ৩২ বছৰীয়া ৱাঙে। চীনা যুৱকজনে লগতে দাবী কৰিছে যে ইউক্ৰেইনত থকা চীনা দূতাবাসৰ কৰ্মচাৰীয়ে ঘনাই তেওঁৰ ওচৰলৈ আহি ভিডিঅ'টো প'ষ্ট কৰাৰ বাবে তেওঁ কিমান টকা লৈছে সেই বিষয়ত প্ৰশ্ন কৰি আছে। ইয়াৰ প্ৰতিবাদত মুখত ক'লা টেপ লগাই এটা ভিডিঅ' প'ষ্ট কৰিছে ইউক্ৰেইনত থকা এই চীনা নাগৰিকে। অৱশ্যে ইয়াৰ পাছতো থমকি ৰোৱা নাই এই বিতৰ্ক।



সামাজিক মাধ্যমত কৰা ৱাঙৰ বিভিন্ন প'ষ্টৰ পৰা জনা গৈছে যে তেওঁ এজন কলা মহাবিদ্যালয়ৰ ছাত্ৰ। নৃত্য-গীত, ছবি অংকন আদিত সমানে পাৰদৰ্শী। সেয়ে কৰ্মসূত্ৰে ৱাং যেতিয়া অ'ডেছালৈ যায়, তেতিয়াই চহৰখনৰ শৈল্পিক পৰিৱেশে তেওঁক মুগ্ধ কৰি তোলে। ব্লগাৰ ৱাঙে সেইবোৰ নিয়মিতৰূপে সামাজিক মাধ্যমত প'ষ্ট কৰিছিল। অৱশ্যে যোৱা মাহত পৰিস্থিতি সলনি হৈ পৰে। চকুৰ সন্মুখতে সাধাৰণ মানুহৰ ওপৰত ৰুছ সেনাৰ আক্ৰমণ দেখি এটা ভিডিঅ' প'ষ্ট কৰে ৱাঙে। তাৰ পাছৰে পৰা ইটোৰ পাছত সিটোকৈ তেওঁৰ কিছুমান ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰে। লগে লগে আৰম্ভ হয় বিড়ম্বনাও।

উল্লেখ্য যে বৰ্তমানৰ যুদ্ধত চীনে কোনো অৱস্থান গ্ৰহণ নকৰিলেও জি জিনপিং চৰকাৰ পৰ্দাৰ আঁৰত ৰাছিয়াৰ কাষত আছে বুলিয়ে একাংশ কূটনীতিবিদ তথা পশ্চিমৰ দেশসমূহে ধাৰণা কৰে। কিয়নো দুইখন দেশৰ পাৰস্পৰিক সম্পৰ্ক আগৰে পৰাই বন্ধুত্বপূৰ্ণ। ইপিনে, ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ প্ৰসংগত চীনা সংবাদ মাধ্যমে প্ৰকাশ কৰা বাতৰিসমূহৰ সম্পূৰ্ণ বিপৰীত বাৰ্তা সদৰী কৰিছে ৱাঙৰ ভিডিঅ'সমূহে। বিভিন্ন ভিডিঅ'ত তেওঁ ৰুছ সেনাক সমালোচনা কৰাও দেখা গৈছে। ইয়াতে ক্ষুণ্ণ হৈ পৰিছে একাংশ চীনা নাগৰিক আৰু দূতাবাস। বহুতেই ৱাঙক 'দেশদ্ৰোহী' আখ্যা দিছে। ৱাঙে অভিযোগ কৰিছে যে তেওঁ অনৰ্গলভাৱে ভাবুকি পাই আছে। কোনো কোনোৱে সতৰ্ক কৰি দিছে তেওঁ যাতে পুনৰ চীনলৈ উভতি নাযায়। আনকি অ'ডেছালৈ অহাৰ পাছৰে পৰা চীনা দূতাবাসৰ যিজন কৰ্মচাৰীৰ স'তে ৱাঙৰ সুসম্পৰ্ক গঢ়ি উঠিছিল, সেই কৰ্মচাৰীজনেও ক্ষুব্ধ হৈ পৰা বুলি তেওঁ জনাইছে। ভিডিঅ'ত ৱাঙে কয়, 'তেওঁ মোক কৈছে, 'তোমাৰ ইয়াৰ আচাৰ-ব্যৱহাৰ দেশৰ স্বাৰ্থৰ বিৰোধী। তোমাৰ স'তে সম্পৰ্ক ছেদ কৰিছো।' ইয়াৰ লগতে চীনা ব্লগাৰজনে ভিডিঅ'ত কয়, 'মই দেশবিৰোধী কি কাম কৰিছো, নিজেও নাজানো। কেৱল যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ ছবিখনহে তুলি ধৰিছো। কাৰো পক্ষ লোৱা নাই। কেৱল মোৰ দৰে সাধাৰণ মানুহৰ দুৰ্দশাৰ ছবিখন তুলি ধৰিছো।' যুৱকজনে লগতে অভিযোগ কৰে যে তেওঁৰ সামাজিক মাধ্যম হেণ্ডেল নিষিদ্ধ কৰা হৈছে। আনকি পৰিয়ালৰ লোকৰ স'তেও যোগাযোগ কৰিব পৰা নাই বুলি ৱাঙে এক আন্তৰ্জাতিক সংবাদ মাধ্যমৰ আগত অভিযোগ কৰে। অৱশ্যে ইমানৰ পাছতো নিজৰ স্থিতিৰ পৰা আঁতৰি আহিবলৈ সন্মত নহয় ৱাং। এই মুহূৰ্তত ইউক্ৰেইন এৰি যোৱাৰ ইচ্ছাও নাই বুলি তেওঁ স্পষ্ট কৰিছে। অন্ততঃ যুদ্ধ যেতিয়ালৈকে শেষ নহয় আৰু ইউক্ৰেইনৰ জয় নেদেখিব, তেতিয়ালৈকে তেওঁ তাতেই থাকিব বুলি জনাইছে।



# অতি শীঘ্ৰেই কাজিৰঙালৈ আহিব বলিউদৰ তাৰকা অভিনেতা অক্ষয় কুমাৰ

### ■ উদ্যান কৰ্তৃপক্ষৰ আমন্ত্ৰণৰ কথা টুইটত জনালে খিলাড়ী কুমাৰে ■ ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে অক্ষয়ৰ পুঁজিৰে নিৰ্মিত বন শিবিৰ, সাঁকো, ওপঙা শিবিৰ

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১৯ মাৰ্চ ঃ** অতি শীঘ্ৰেই বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত উপস্থিত হ'বহি বলিউদৰ তাৰকা অভিনেতা অক্ষয় কুমাৰ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সুৰক্ষাৰ বাবে তাৰকা অভিনেতাজনে ব্যক্তিগতভাৱে প্ৰদান কৰা এক কোটি টকাৰে নিৰ্মিত বিভিন্ন উন্নয়নমূলক কাম স্বচক্ষে প্ৰত্যক্ষ কৰাৰ লগতে কাজিৰঙাৰ সৌন্দৰ্য উপভোগ কৰিবলৈ তেওঁ ৰাষ্ট্ৰীয় উদ্যানখনলৈ আহিব। এই ভ্ৰমণত এনিশা অৰণ্যৰ মাজত কটাব বলিউড 'খিলাড়ী কুমাৰ' নামেৰে প্ৰখ্যাত তাৰকাজনে।

উল্লেখ্য যে ২০১৯ৰ বানৰ সময়তে 'হাইলেণ্ড' নিৰ্মাণৰ বাবে কুমাৰে উদ্যানখনলৈ এক কোটি টকা দান কৰিছিল। উক্ত ধনেৰে ইতিমধ্যেই উদ্যানৰ অন্তৰ্ভাগত বহুকেইটা উন্নয়ন সম্পূৰ্ণ হৈ উঠিছে। এই নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছতেই উদ্যান কৰ্তৃপক্ষই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ভ্ৰমণৰ বাবে অভিনেতাজনক টুইটাৰযোগে আমন্ত্ৰণ জনাইছিল। উদ্যান কৰ্তৃপক্ষৰ এই টুইটৰ প্ৰত্যুত্তৰ দি শীঘ্ৰেই কাজিৰঙালৈ আহিব বুলি টুইট কৰিছে অভিনেতা কুমাৰে। উল্লেখ্য যে দোঙা বন সুৰক্ষা শিবিৰ, কাৰাসিং বন সুৰক্ষা শিবিৰ, পতাহি বিলৰ উন্নয়ন তথা সাঁকো নিৰ্মাণ, পানীৰ ওপৰত উপঙি থকা বন সুৰক্ষা শিবিৰ, বান্দৰডুবিত পথ আৰু ওখ স্থান নিৰ্মাণকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ কাম উদ্যান কৰ্তৃপক্ষই সম্পন্ন কৰে অভিনেতাজনে প্ৰদান কৰা এক কোটি টকাৰ পুঁজিৰে। অক্ষয় ফাণ্ডৰ সকলো কাম সম্পন্ন হোৱাৰ পাছত অভিনেতাজনক কাজিৰঙালৈ আমন্ত্ৰণ জনায় উদ্যান কৰ্তৃপক্ষই। জনপ্ৰিয় অভিনেতাজন বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙালৈ এই বছৰতে অহাৰ সম্ভাৱনা আছে। উদ্যান কৰ্তৃপক্ষৰ সূত্ৰই জনাইছে যে ২০১৯ৰ বান বিভীষিকাৰ সময়ত বন্যপ্ৰাণীৰ দুৰ্দশাত ব্যথিত হৈ ৰাষ্ট্ৰীয় উদ্যানখনলৈ আৰ্থিক সাহায্য আগবঢ়াইছিল অভিনেতাজনে। ইতিমধ্যে অভিনেতা কুমাৰৰ প্ৰতি সন্মান জনাই তেওঁ দিয়া অনুদানেৰে সদ্য উচ্ছেদিত কলিয়াবৰৰ অন্তৰ্গত বাগৰি বনাঞ্চলৰ বান্দৰডুবিত নিৰ্মাণ কৰা হৈছে এটা পথ তথা হাইলেণ্ড। যি পথেৰে ইতিমধ্যে কাজিৰঙাৰ সৌন্দৰ্য উপভোগ কৰিছে পৰ্যটকে। উদ্যান কৰ্তৃপক্ষই জনাইচে যে বানপানীৰ সময়ত এই পথটো ব্যৱহাৰ হ'ব 'হাইলেণ্ড'ৰূপে, য'ত আশ্ৰয় ল'ব পাৰিব বন্যপ্ৰাণীয়ে।




সমান্তৰালকৈ বানৰ সময়ত ব্ৰহ্মপুত্ৰত ওপঙা শিবিৰৰূপে ব্যৱহাৰ কৰা হৈছে যন্ত্ৰচালিত নাও। অক্ষয় কুমাৰ ফাণ্ডৰ জৰিয়তে নিৰ্মাণ হোৱা নাও দুখনৰ নাম ৰখা হৈছে অক্ষয় ৰথ। ইপিনে, বাগৰী বনাঞ্চলৰ ডোংগা আৰু কঁহৰা বনাঞ্চলৰ কাৰ্চিং বন শিবিৰ নতুনকৈ সজাই পৰাই তোলাৰ কথাও জনাইছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই। ইয়াৰ লগতে অক্ষয় কুমাৰ ফাণ্ডৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প অঞ্চলৰ কুকুৰাকটা পাহাৰৰ নামনিৰ পতাহি বিলত জল সংৰক্ষণৰ এক নতুন আৰ্হি। ভিন্ন প্ৰজাতিৰ পক্ষীৰ বিচৰণ ভূমি এই বিল পৰ্যটকৰ বাবে অন্যতম আকৰ্ষণ হ'ব বুলি আশা কৰিছে উদ্যান কৰ্তৃপক্ষই। অক্ষয় ফাণ্ডৰ দ্বাৰা হ'বলগীয়া সকলো কাম সুচাৰুৰূপে সম্পন্ন হোৱাৰ পাছত অভিনেতাজনক কাজিৰঙালৈ আমন্ত্ৰণ জনাইছে উদ্যান কৰ্তৃপক্ষই।

# চাকৰিমুখী প্ৰৱণতাক প্ৰত্যাহ্বান এদল উদ্যমী যুৱ কৃষকৰ



**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ১৯ মাৰ্চ ঃ** অসমৰ যুৱক-যুৱতীৰ চাকৰিমুখী প্ৰৱণতাৰ বাবেই বছৰৰ ১২ মাহে বহু কৃষি ভূমি ছন পৰি থকা বুলি সততে অভিযোগ উত্থাপন হৈ আহিছে। কিন্তু এনে অভিযোগক প্ৰত্যাহ্বান জনাই শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ শান্তিপুৰ পঞ্চায়তত এদল উদ্যমী যুৱকে এইবাৰ ইয়াৰ ভেছেলীমাৰী ফুকন ফদীয়াত জেপৰ ধন খৰচ কৰি প্ৰায় ১৮৬ বিঘা আবাদী ভূমিত সৰিয়হৰ খেতি কৰি এক নিদৰ্শন দাঙি ধৰিছে। বিজিত সাউদ আৰু জিতু সাধনীদাৰ আৰু বিতু গোস্বামী নামৰ তিনিজন চৰকাৰী কৰ্মচাৰীয়ে উক্ত পঞ্চায়ত অঞ্চলৰ আন পাঁচজন উদ্যোগী যুৱ কৃষক অমৰজিৎ দত্ত, যতীন সাউদ, ৰাতুল ফুকন, ধীৰেন দত্ত, পদুম দত্তৰ সহযোগত যোৱা ১০ বছৰো অধিক আঠ-ন বিঘা ভূমিত কৰি আহিছিল সৰিয়হৰ খেতি। বিগত বৰ্ষবোৰত কৰা সৰিয়হৰ খেতিত লাভৰ মুখ দেখি 'সেউজমুখী' নামৰ কৃষক গোটটোৱে এইবাৰ ১৮৬ বিঘা ভূমি সামৰি লৈ কৃষি কৰ্মত জড়িত হয়। উপযুক্ত বতৰ আৰু সেউজমুখী কৃষক গোটটোৰ সদস্যসকলৰ শ্ৰমৰ বিনিময়ত ১৮৬ বিঘা ভূমিত ৰূপায়ণ কৰা সৰিয়হৰ খেতিয়ে এইবাৰ পূৰ্বৰ তুলনাত অধিক আশাৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। সম্প্ৰতি পুৰাৰে পৰা সৰিয়হ তোলা কাম চলাই থকাৰ বিপৰীতে ইয়াৰ সমীপতে নিতৌ সৰিয়হ মৰা কাম সম্পাদন কৰিছে উদ্যমী যুৱ কৃষকৰ দলটোৱে। চলিত বৰ্ষৰ ফেব্ৰুৱাৰীৰ আৰম্ভণিৰে পৰা নিতৌ সৰিয়হ তোলা আৰু মৰা কাম দুগুণ উদ্যমেৰে কৰি আছে যদিও সম্প্ৰতি আৰু ১০ বিঘাৰো অধিক সৰিয়হ তুলিবলৈ বাকী আছেগৈ। বাৰিষা কালত দৰিকা নৈৰ বাঢ়নী পানীত ডুব গৈ থকাৰ বাবে উক্ত কৃষিভূমিত কৃষকে প্ৰতি বছৰে কৃষি কৰ্ম কৰিব নোৱাৰে। ফলত প্ৰতি বছৰে ছন পৰি থাকে উক্ত বিশাল কৃষিভূমি। সেয়ে এনে আবাদী ভূমিক কৃষি কৰ্মত ব্যৱহাৰ কৰাৰ চিন্তা-চৰ্চাৰে ২০ বছৰৰ আগেয়ে সৰিয়হ খেতিৰ পাতনি মেলিছিল সেউজমুখী নামৰ উক্ত যুৱ কৃষকৰ দলটোৱে।



জনসংযোগ/ডি/১৭৮১৩/২১

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com